


গুৱাহাটী আৰু ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত

জাতি, মাটি আৰু দেশৰ সেৱাত

# দৈনন্দিন বাৰ্তা

ত্ৰয়োদশ বছৰ ■ সংখ্যা ৪০ ■ গুৱাহাটী ■ বুধবাৰ, ১৪ ছেপ্টেম্বৰ, ২০২২, ২৮ ভাদ, ১৯৪৪ শক RNP/GH/248/2114-2017 গুৱাহাটী সংস্কৰণ ■ e-paper : www.dainandinbartagroup.in ■ মূল্য ঃ ১০.০০ টকা ■ মুঠ পৃষ্ঠা =১২

VOL. XIII ISSUE NO. 40 Dainandin Barta ■ Guwahati, Wednesday ■ 14 Setpember, 2022 ■ RNI REGD. NO. ASSASS/2010/39449 Total Pages =12 ■ Rs. 10.00 Only



## নিৰ্বাচন আয়োগ ২৫৩টা পঞ্জীয়নভুক্ত অস্বীকৃত ৰাজনৈতিক দলক নিষ্ক্ৰিয় ঘোষণা

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ১৩ ছেপ্টেম্বৰ ঃ** দেশৰ ২৫৩টা পঞ্জীয়নভুক্ত অস্বীকৃত ৰাজনৈতিক দলক নিষ্ক্ৰিয় ঘোষণা কৰিলে নিৰ্বাচন আয়োগে। পঞ্জীয়নভুক্ত অস্বীকৃত ৰাজনৈতিক দলসমূহক (আৰইউপিপি) দ্বাৰা যথাযথ বিধি বলৱৎ কৰিবলৈ ২৫ মে', ২০২২ তাৰিখে নিৰ্বাচন ■ ৮ পৃষ্ঠাত



উচ্ছেদ বন্ধ আৰু ভূমি পট্টাৰ দাবীত গুৱাহাটীত কৃষক মুক্তিৰ অৱস্থান ধৰ্মঘট, মঙলবাৰে

ব্ৰিটেইনৰ ৰাণী এলিজাবেথ দ্বিতীয়ৰ মৃত্যুৰ পিছতে পুনৰ বিতৰ্কৰ সূচনা

## কহিনুৰ পুৰীৰ জগন্নাথ মন্দিৰৰ আছিল

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ১৩ ছেপ্টেম্বৰ ঃ** ব্ৰিটেইনৰ ৰাণী এলিজাবেথ দ্বিতীয়ৰ মৃত্যুৰ পিছতে পুনৰ উক দিছে বিশ্ব বিখ্যাত কহিনুৰ হীৰাৰ প্ৰসংগই। কহিনুৰ হীৰা ভাৰতৰ আছিল বুলি বিভিন্ন সময়ত দাবী উঠি আহিছে। পঞ্জাবৰ এগৰাকী কৃষকেও এই হীৰা ভাৰতৰ আছিল বুলি দাবী কৰি এটা সময়ত ৰাণীলৈ চিঠি লিখিছিল। শেহতীয়াকৈ ওড়িশাৰ এটি সংগঠনে কহিনুৰ ■ ৮ পৃষ্ঠাত



## ৫ বছৰত শিক্ষা খণ্ডত সৰ্বাধিক ব্যয় হৈছে বাজেটৰ পুঁজি

কাৰ্বি আংলঙৰ বাবে ৩৭৩ কোটি টকাৰ বিশেষ অনুদান প্ৰদান

**দৈনন্দিন বাৰ্তাৰ প্ৰতিনিধি, ১৩ ছেপ্টেম্বৰ ঃ** অসম চৰকাৰে প্ৰতি বছৰে ধাৰ্য কৰা বাৰ্ষিক বাজেটত সকলো বিভাগৰ ভিতৰত শিক্ষা খণ্ডত সৰ্বাধিক পৰিমাণে পুঁজি ব্যয় হৈছে। এই পুঁজি কোনো বৰ্ষত ৯৮ শতাংশ পৰ্যন্ত ব্যয় হোৱা বুলি কোৱা হৈছে। অসম বিধানসভাৰ শৰৎকালীন অধিৱেশনৰ দ্বিতীয় দিনা এই তথ্য প্ৰদান কৰিছে বিত্তমন্ত্ৰী অজন্তা নেওগে। বিজেপি বিধায়ক বিদ্যা সিং ইংলেঙৰ এক প্ৰশ্নৰ উত্তৰত বিত্তমন্ত্ৰীয়ে কয় যে ২০১৬-১৭ বৰ্ষৰ পৰা ■ ৮ পৃষ্ঠাত

## নগাঁৱত হাত-ভৰি বন্ধা অৱস্থাত মহিলাৰ মৃতদেহ উদ্ধাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১৩ ছেপ্টেম্বৰ ঃ** নগাঁও চহৰত আজি এগৰাকী মহিলাৰ মৃতদেহ উদ্ধাৰ হোৱা ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰাৰ লগতে প্ৰতিক্ৰিয়াৰো সৃষ্টি কৰিছে । আজি পুৱা নগাঁও চহৰৰ হয়বৰগাঁও আৰ এন বি পথত এগৰাকী প্ৰায় ৫৫বছৰীয়া মহিলাৰ মৃতদেহ ■ ৮ পৃষ্ঠাত

## মৰিয়নিত সেনাবাহিনীত চাকৰি দিয়াৰ নামত প্ৰৱঞ্চনাৰ জাল পতা দুই প্ৰৱঞ্চকক গ্ৰেপ্তাৰ

**দৈনন্দিন বাৰ্তআৰ সেৱা, মৰিয়নি, ১৩ ছেপ্টেম্বৰ ঃ** মৰিয়নিৰ সমীপৰ এমইএছত ৭ ছেপ্টেম্বৰৰ পৰা ১৩ ছেপ্টেম্বৰলৈ অনুষ্ঠিত হৈ থকা কেন্দ্ৰীয় চৰকাৰৰ নতুন নিধিৰ অধীনত ভাৰতীয় সেনাৰ অগ্নিবীৰৰ বাছনি প্ৰক্ৰিয়া চলি থকা সময়ত এটা ■ ৮ পৃষ্ঠাত

# শূদ্ৰসকল পতিতাৰ সন্তান

## ডিএমকে নেতা এ ৰাজাৰ মন্তব্যক লৈ তীব্ৰ প্ৰতিক্ৰিয়া

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ১৩ ছেপ্টেম্বৰ ঃ** ডিএমকে নেতা তথা প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী এ ৰাজাৰ এক মন্তব্যই এতিয়া তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। এখন ৰাজহুৱা সমাৰেশক সম্বোধন কৰি হিন্দু ধৰ্মৰ বিৰুদ্ধে বিতৰ্কিত মন্তব্য কৰে নেতাগৰাকীয়ে। দ্ৰাবিড়া কাঝাগমে আয়োজন কৰা সমাৰেশক সম্বোধন কৰি ৰাজাই কয়— 'হিন্দু কোন? আমাৰ দাবী কৰাৰ অধিকাৰ থাকিব লাগে... আমি হিন্দু হ'ব নিবিচাৰো, বহুতে মোক হিন্দু হিচাপে কিয় ৰাখিব বিচাৰিছে?' মই এনেকুৱা কোনো ধৰ্ম দেখা নাই। কৰ্ণাটকৰ লিংগায়তসকলে উচ্চতম ন্যায়ালয়ত আবেদন কৰি কৈছে যে তেওঁলোকৰ উপাসনা আৰু ধৰ্মীয় নীতি পৃথক। তেওঁলোকে নিজকে হিন্দু বুলি স্বীকাৰ নকৰে। কিন্তু সৰ্বোচ্চ আদালতে কি কৈছে? উচ্চতম ন্যায়ালয়ে কৈছে যে যদি আপুনি খ্ৰীষ্টান, মুছলমান বা পাৰ্চী নহয়, আপুনি হিন্দু হ'ব লাগিব। আন কোনো দেশত এনে ধৰণৰ নিষ্ঠুৰতা আছে নেকি?' তেওঁ কয়। ৰাজাই লগতে কয়— 'আপুনি হিন্দু হৈ থকালৈকে এজন শূদ্ৰ। আপুনি শূদ্ৰ হৈ থকালৈকে পতিতাৰ পুত্ৰ। ■ ৮ পৃষ্ঠাত

## ধনী লোকক চৰকাৰী গৃহ দিয়াক লৈ প্ৰতিক্ৰিয়া

**দৈনন্দিন বাৰ্তাৰ সেৱা, হোজাই, ১৩ ছেপ্টেম্বৰ ঃ** প্ৰথমে চৰকাৰী গৃহ আত্মসাৎ, তাৰ পিছত কৰা হয় মেনেজ। এনেদৰে এক অভিনৱ পদ্ধতিৰে চলিছে দুৰ্নীতি। মুখ্যমন্ত্ৰীৰ কঠোৰ ■ ৮ পৃষ্ঠাত


বঙাইগাঁৱত আটক তিনি যুৱক

## পশ্চিমবংগৰ চাইবাৰ অপৰাধী চক্ৰৰ এটাক যোগান ধৰি আহিছিল এটিএম, ছিম কাৰ্ড

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ১৩ ছেপ্টেম্বৰ ঃ** বঙাইগাঁও আৰক্ষীয়ে মঙলবাৰে এক গোপন সূত্ৰৰ পম খেদি তিনিজন যুৱকক কৰায়ত্ত কৰে। বঙাইগাঁও চহৰৰ নিউ বঙাইগাঁৱৰ পৰা আটক ■ ৮ পৃষ্ঠাত

৮,৭২,৭৪০গৰাকীলৈ ক্ষুদ্ৰ ঋণ ৰেহাই

## ৰাজকোষৰ পৰা ওলাই গ'ল ১৫,৯৯,১৬,৫৯,৫৯২ টকা

**দৈনন্দিন বাৰ্তাৰ প্ৰতিনিধি, ১৩ ছেপ্টেম্বৰ ঃ** বৰ্তমানৰ ৰাজ্য চৰকাৰে নিৰ্বাচনী প্ৰতিশ্ৰুতি অনুসৰি ক্ষুদ্ৰ ঋণ মাইক্ৰ'ফাইনেন্সৰ কাৰণে সকাহমূলক আঁচনি কাৰ্যকৰী কৰিছে। তিনিটা শ্ৰেণীত বিভক্ত কৰি ঋণ লওঁতাসকলক সাহায্য প্ৰদান কৰাৰ পদক্ষেপ লৈছে। বৰ্তমানলৈকে প্ৰথমটো শ্ৰেণীৰ ঋণ লওঁতাক সাহায্য দি থকা হৈছে। দ্বিতীয় আৰু তৃতীয় শ্ৰেণী দুটাৰ ঋণ লওঁতাৰ বাবে চলিত বিত্তীয় বৰ্ষতে সকাহ দিয়াৰ পৰিকল্পনা কৰিছে। অসম বিধানসভাত বিধায়ক অখিল গগৈৰ এটা প্ৰশ্নৰ উত্তৰত বিত্তমন্ত্ৰী অজন্তা নেওগে এই তথ্য দাখিল কৰে। বিত্তমন্ত্ৰীৰ তথ্য অনুসৰি ৰাজ্যত ভাৰতীয় ৰিজাৰ্ভ ■ ৮ পৃষ্ঠাত



## কৃষক কল্যাণ কাৰ্যসূচীৰ জৰিয়তে অগপক শক্তিশালী কৰাৰ সংকল্প কৃষক পৰিষদৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৩ ছেপ্টেম্বৰ ঃ** কৃষকসকলৰ বাবে জনকল্যাণমূলক কাৰ্যসূচীৰ জৰিয়তে কৃষকসকলক ■ ৮ পৃষ্ঠাত

## ৰাজ্যত জলজীৱন আঁচনিৰ ৪১৫৪খন সম্পূৰ্ণ

বিধানসভাত মন্ত্ৰী জয়ন্ত মল্লৰ তথ্য

**দৈনন্দিন বাৰ্তাৰ প্ৰতিনিধি, ১৩ ছেপ্টেম্বৰ ঃ** কেন্দ্ৰীয় চৰকাৰৰ অন্যতম ধ্বজাবাহী আঁচনি জলজীৱন আঁচনিৰ জৰিয়তে অসমত প্ৰতিটো পৰিয়ালত বিশুদ্ধ খোৱাপানীৰ যোগান নিশ্চিত কৰাৰ পদক্ষেপ লোৱা হৈছে। বৰ্তমান ৪১৫৪খন জলজীৱন আঁচনি সম্পূৰ্ণ হৈছে। এই আঁচনিসমূহৰ অধীনত সংযোজিত হৈ থকা পৰিয়ালসমূহত খোৱা পানী লাভ কৰি আছে। অসম বিধানসভাত এই তথ্য প্ৰদান কৰিছে জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই। কংগ্ৰেছৰ বিধায়ক নুৰুল হুদাৰ এক ■ ৮ পৃষ্ঠাত

## প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ ধনেৰে দ্বিতীয় বিবাহ সম্পন্ন কৰি মধুচন্দ্ৰিকাৰ বাবে নগাঁৱলৈ যাত্ৰা হিতাধিকাৰীৰ

চতিয়া ১নং গাঁও পঞ্চায়তত ঘৰ নসজাকৈ সমুদায় ধন আদায় হিতাধিকাৰীক। চতিয়া উন্নয়ন খণ্ডৰ বাবে আবণ্টিত গৃহ লাভ কৰিছে বিশ্বনাথ বালিপুখুৰী ব্লকৰ অধীনস্থ ছোৱাগুৰিৰ বাসিন্দাই

**দৈনন্দিন বাৰ্তাৰ সেৱা, চতিয়া, ১৩ ছেপ্টেম্বৰ ঃ** অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই দুৰ্নীতিৰ বিৰুদ্ধে শূন্য সহনশীলতা নীতি ঘোষণা কৰাৰ লগতে কাৰ্যব্যৱস্থা গ্ৰহণ কৰি আহিছে যদিও এতিয়াও এচাম লোকে বেপৰোৱা হৈ পূৰাদমে চলাই গৈছে দুৰ্নীতিৰ বেহা। চতিয়াৰ সংখ্যালঘু বসতিপ্ৰধান ■ ৮ পৃষ্ঠাত



## ভাৰতৰ সমৃদ্ধ সামুদ্ৰিক ইতিহাস প্ৰদৰ্শনৰ বাবে গুজৰাটৰ লোথালত নিৰ্মাণ ৰাষ্ট্ৰীয় সামুদ্ৰিক ঐতিহ্য চৌহদ

সিন্ধু উপত্যকাৰ সভ্যতাৰ পৰা বৰ্তমান সময়লৈকে, ভাৰতৰ সমৃদ্ধ সামুদ্ৰিক ইতিহাস ফুটাই তুলিবৰ বাবে ৩,৫০০ কোটি টকা ব্যয়সাপেক্ষে প্ৰকল্পটো নিৰ্মাণ কৰা হ'ব ঃ সৰ্বানন্দ সোণোৱাল

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ১৩ ছেপ্টেম্বৰ ঃ** গুজৰাটৰ লোথালৰ ঐতিহাসিক সিন্ধু উপত্যকা সভ্যতা অঞ্চলত কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰণালয়ে ৰাষ্ট্ৰীয় সামুদ্ৰিক ঐতিহ্য কমপ্লেক্স নিৰ্মাণ কৰি আছে। ভাৰতত এনে ধৰণৰ প্ৰথমটো কমপ্লেক্স এই প্ৰকল্পটোৱে ভাৰতৰ সমৃদ্ধ আৰু বৈচিত্ৰ্যপূৰ্ণ সামুদ্ৰিক ঐতিহ্য প্ৰদৰ্শন কৰিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আধাৰশিলা স্থাপন কৰা প্ৰকল্পটো ৩,৫০০ কোটি টকা ব্যয়ৰে সম্পূৰ্ণ কৰা হ'ব, যিয়ে ভাৰতীয় জাহাজ নিৰ্মাণৰ উপৰি ইয়াৰ সামুদ্ৰিক খণ্ডৰ ৫,০০০ বছৰৰ ইতিহাস প্ৰদৰ্শন কৰিব। ২০২৪ বৰ্ষৰ মাৰ্চ মাহত প্ৰকল্পটোৰ প্ৰথম পৰ্যায়ৰ কাম সম্পূৰ্ণ কৰা হ'ব। ■ ৮ পৃষ্ঠাত

## গাঁও কৰ্তন, ভূমিৰ অধিকাৰৰ দাবীত মুছলপুৰত অবড়ো সুৰক্ষা সমিতিৰ ধৰ্ণা

শীঘ্ৰেই বিটিচি সচিবালয়ৰ প্ৰৱেশদ্বাৰত অসমীয়া ভাষা সন্নিৱিষ্ট কৰাৰ দাবী

**দৈনন্দিন বাৰ্তাৰ সেৱা, মুছলপুৰ, ১৩ ছেপ্টেম্বৰ ঃ** বিটিআৰৰ পৰা অবড়ো সংখ্যাগৰিষ্ঠ গাঁও কৰ্তন, বিটিআৰত বসবাস কৰা লোকসকলৰ ভূমিৰ অধিকাৰ আৰু বিভিন্ন দাবীৰ সমৰ্থনত আজি বাক্সা জিলাৰ সদৰ মুছলপুৰত অবড়ো সুৰক্ষা সমিতিয়ে সাব্যস্ত কৰে উত্তাল প্ৰতিবাদ। অবড়ো সুৰক্ষা সমিতিৰ সদস্যসকলে বিটিআৰ চুক্তি অনুসৰি অবড়ো সংখ্যাগৰিষ্ঠ গাঁও কৰ্তনৰ দাবী জনায়। উল্লেখ্য যে বিটিআৰ চুক্তিৰ পিছত চৰকাৰে পি পি বাৰ্মাৰ নেতৃত্বত এখন আয়োগ গঠন কৰি অবড়ো সংখ্যাগৰিষ্ঠ গাঁও কৰ্তনৰ বাবে যি দায়িত্ব দিছিল সেয়া আজিও কাৰ্যকৰী নহ'ল। যাৰ বাবে আজি অবড়ো সুৰক্ষা সমিতি অসমে চৰকাৰৰ বিৰুদ্ধে দুঘণ্টীয়া ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰে। প্ৰতিবাদকাৰীসকলে বিটিআৰৰ পৰা ■ ৮ পৃষ্ঠাত


বিভিন্ন সমস্যা উল্লেখ কৰি ৰাজ্যপালক স্মাৰক-পত্ৰ কংগ্ৰেছৰ


ভিক্টৰ দাসক মুক্তিৰ দাবীত গুৱাহাটীত মঙলবাৰে তৃণমূল কংগ্ৰেছৰ প্ৰতিবাদ

## অৰুণাচলীৰ কৌশলী ভূমি আগ্ৰাসন

দল-সংগঠনৰ প্ৰতিবাদ-বিক্ষোভ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাৰ্ঘেৰিটা, ১৩ ছেপ্টেম্বৰ ঃ** অসম-অৰুণাচলৰ সীমাকেন্দ্ৰিক সমস্যাক লৈ ক্ৰমশঃ যেন উত্তপ্ত হৈ পৰিছে মাৰ্ঘেৰিটা মহকুমা। তিনিচুকীয়া জিলাৰ অন্তৰ্গত অসম-অৰুণাচল সীমান্তৰ সীমা সমস্যাৰ স্থায়ী আৰু ফলপ্ৰসু সমাধান কৰাৰ লগতে অসমৰ ভূমিত অৰুণাচলীৰ আগ্ৰাসন ৰোধ কৰাৰ দাবীত আজি কেইবাটাও জাতীয়-জনগোষ্ঠীয় দল-সংগঠনে যৌথভাৱে মাৰ্ঘেৰিটাত এক বিশাল বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ কৰে। সদৌ অসম ছাত্ৰ সন্থা, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, ছাত্ৰ মুক্তি সংগ্ৰাম সমিতি, সদৌ অসম আহোম সভা, সদৌ তাই আহোম ছাত্ৰ সন্থা, তাই আহোম যুৱ পৰিষদ, অসম, অসম চাহ জনজাতি ছাত্ৰ সন্থা, সদৌ অসম গোৰ্খা ছাত্ৰ সন্থা, সদৌ অসম আদিবাসী ছাত্ৰ সন্থা, সোণোৱাল কছাৰী ছাত্ৰ সন্থা, নিখিল ৰাভা ছাত্ৰ সন্থা, মেছ কছাৰী ছাত্ৰ সন্থা আৰু টি এম পি কেৰ মাৰ্ঘেৰিটা মহকুমা আৰু আঞ্চলিক সমিতিয়ে এই বিক্ষোভ কাৰ্যসূচীত অংশগ্ৰহণ কৰে। মাৰ্ঘেৰিটা বিধানসভা ■ ৮ পৃষ্ঠাত

## ধুবুৰী জিলা পৰিবহণ কাৰ্যালয়ত দালালিৰে জড়িত এজনক আটক

ৰাইজে আটক কৰি চমজাই দিয়ে আৰক্ষীক

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ধুবুৰী, ১৩ ছেপ্টেম্বৰ ঃ** দীৰ্ঘদিন ধৰি ধুবুৰী জিলা পৰিবহণ বিষয়াৰ কাৰ্যালয়ত ড্ৰাইভিং লাইচেন্স বনাই দিয়াৰ দালালি কাৰ্যত জড়িত হৈ থকা এজন যুৱক ধুবুৰী আৰক্ষীয়ে আটক কৰিবলৈ সক্ষম হৈছে। দৰাচলতে ২০২০ চনত পাটাকাটা ■ ৮ পৃষ্ঠাত

এমী বঁটাত জিলিকিল সহঃ অভিনেতা মেথিউ মেকফাডেয়েন

## ছাকছছন'ৰ শ্ৰেষ্ঠ ছিৰিজলৈ ২৫টা বঁটা



**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ১৩ ছেপ্টেম্বৰ ঃ** ঘোষণা কৰা হ'ল ২০২২ বৰ্ষৰ এমী বঁটা বিজয়ীসকলৰ নাম। ৭৪সংখ্যক বাৰ্ষিক টেলিভিছন একাডেমী বঁটাত জেণ্ডায়াই 'ইউফোৰিয়া'ৰ বাবে শ্ৰেষ্ঠ অভিনেত্ৰীৰ খিতাপ লাভ কৰে, ছাকছেছনে শ্ৰেষ্ঠ নাটক শৃংখলাৰ বাবে বঁটা লাভ কৰে। একেদৰে এখন ছিৰিজত কৰা অসামান্য অভিনয়ৰ বাবে সহঃ অভিনেতাৰ এমী বঁটা লাভ কৰে মেথিউ মেকফাডেয়েনে। এইবাৰৰ এমি বঁটা বিজয়ীৰ তালিকাত শীৰ্ষস্থানত থকা কেইবাজনো নতুন মুখৰ পৰিচালক তথা অভিনেতা-অভিনেত্ৰী আছে। টেড লাচোৰ জেচন ছুডেইকিছ আৰু জেণ্ডায়াৰ দৰে বহুতো প্ৰত্যাশিত নাম এইবাৰ পুনৰ জিলিকি উঠিছে। এই বছৰ এমিৰ বাবে টেলিভিছন আৰু ৱেব জগতৰ শ্ৰেষ্ঠসকলক বাছনি কৰা হৈছে। এইবাৰ বঁটা লাভ কৰা কেইটামান শাখাৰ বিজয়ীসকল হ'ল— শ্ৰেষ্ঠ নাটক শৃংখলা- ছাকছেছন (এইচবিঅ') শ্ৰেষ্ঠ কৌতুক শৃংখলা- টেড লাচো (এপল টিভি+) শ্ৰেষ্ঠ সীমিত ■ ৮ পৃষ্ঠাত

## প্ৰতাপগড় চাহ বাগিচাত দুই যুৱকৰ প্ৰহাৰত ছাত্ৰৰ মৃত্যু

দুই অভিযুক্তক ন্যায়িক জিম্মালৈ

**দৈনন্দিন বাৰ্তাৰ সেৱা, পাভৈ, ১৩ ছেপ্টেম্বৰ ঃ** বিশ্বনাথত সংঘটিত হ'ল এক হত্যাকাণ্ড। উল্লেখ যে বিশ্বনাথ চাৰিআলিৰ সমীপৰ প্ৰতাপগড় চাহ বাগিচাত ২৩ আগষ্টত অনুষ্ঠিত হৈছিল কৰম পূজা। এই কৰম পূজা চাবলৈ গৈছিল বিশ্বনাথৰ প্ৰতাপগড় চাহ বাগিচাৰ নৱম শ্ৰেণীৰ ছাত্ৰ তথা ফুটবল খেলুৱৈ আকাশ তাঁতী। কিন্তু সেই কৰম পূজাস্থলীতে অজ্ঞাত কাৰণত ছাত্ৰজনৰ সৈতে কাজিয়াত লিপ্ত হয় প্ৰতাপগড় চাহ বাগিচাৰ পুৰণা লাইনৰ বিকি নায়ক আৰু ৰোহিত নায়ক নামৰ দুজন যুৱক। এই ■ ৮ পৃষ্ঠাত

### অৱশেষত ন্যায় পালে নিঃসহায় প্ৰণীতাই

# মণিপুৰৰ ভূমিস্খলনত নিহত হৰমোহনৰ বিধৱা পত্নীৰ হাতত জিলা প্ৰশাসনে প্ৰদান কৰিলে ২ লাখটকীয়া সাহায্যৰ চেক

**দৈনন্দিন বাৰ্তাৰ সেৱা ভূৰাগাঁও, ১৩ ছেপ্টেম্বৰ ঃ** মণিপুৰৰ ননী জিলাৰ টুপুলত সংঘটিত ভয়াৱহ ভূমিস্খলনত নিহত মৰিগাঁও জিলাৰ লাহৰীঘাটৰ হৰমোহন ডেকাৰ পত্নীয়ে লাভ কৰা



নাছিল চৰকাৰে মৃত শ্ৰমিকসকলৰ বাবে প্ৰদান কৰা কোনোধৰণৰ সাহায্য। অৱশেষত কালি মৃত হৰমোহনৰ পত্নী প্ৰণীতা কোঁৱৰ ডেকাই অসম চৰকাৰে আগবঢ়োৱা আৰ্থিক সাহায্য লাভ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে যোৱা ২৯ জুনৰ নিশা মণিপুৰৰ টুপুলত সংঘটিত ভূমিস্খলনত মৰিগাঁও জিলাৰ কুশতলী অঞ্চলৰ ১৬গৰাকীকৈ শ্ৰমিকৰ অকাল মৃত্যু ঘটাৰ লগতে আন ৫গৰাকী শ্ৰমিক আহত হৈছিল। মৃত শ্ৰমিকসকলৰ ভিতৰত আছিল অঞ্চলটোৰ লাউভূৰুংগা গাঁৱৰ হৰমোহন ডেকা নামৰ এগৰাকী শ্ৰমিকো। মৃত শ্ৰমিক হৰমোহনৰ আছে পত্নী আৰু প্ৰায় ৯ বছৰীয়া এটা পুত্ৰ সন্তান। ইফালে, মৃত আৰু আহত শ্ৰমিকসকলক মণিপুৰ চৰকাৰৰ উপৰিও অসম চৰকাৰে মৃত শ্ৰমিকসকলৰ বাবে ২ লাখ আৰু আহতসকলৰ বাবে ২৫ হাজাৰকৈ টকা সাহায্য প্ৰদান কৰিছে। ইতিমধ্যে অসম চৰকাৰৰ হৈ মন্ত্ৰী পীযূষ হাজৰিকা আৰু চন্দ্ৰমোহন পাটোৱাৰীয়ে কুশতলী অঞ্চলৰ খোঁৱাগোসাঁই বড়ীত আনুষ্ঠানিকভাৱে অসম চৰকাৰে প্ৰদান কৰা সাহায্যৰ চেকসমূহ প্ৰদান কৰে যদিও পাৰিবাৰিক কন্দলৰ বাবে মৃত হৰমোহনৰ পত্নী প্ৰণীতা কোঁৱৰ ডেকাই সেই সাহায্য লাভৰ পৰা বঞ্চিত হৈছিল। প্ৰণিধানযোগ্য যে মৃত হৰমোহনৰ বিধৱা পত্নী প্ৰণীতাৰ বিৰুদ্ধে শাহুৰ লগতে ভনীজোঁৱাই আৰু হৰমোহনৰ জ্যেষ্ঠ ভাতৃৰ পত্নীয়ে ধনৰ লালসাত প্ৰশাসনৰ ওচৰত ভুৱা অভিযোগ দাখিল কৰি সাহায্য পোৱাৰ পৰা বঞ্চিত কৰি আহিছিল। পিছত স্থানীয় প্ৰশাসনৰ প্ৰচেষ্টাত সকলো তদন্ত কৰি অৱশেষত আজি মৰিগাঁও জিলাৰ উপায়ুক্ত কাৰ্যালয়ত মৃত হৰমোহনৰ পত্নী প্ৰণীতা কোঁৱৰ ডেকাক অসম চৰকাৰে প্ৰদান কৰা ২ লাখ টকীয়া আৰ্থিক সাহায্যৰ চেক প্ৰদান কৰে। উল্লেখ্য যে মৃত হৰমোহনৰ বিধৱা পত্নীৰ ন্যায়ৰ বাবে স্থানীয় লোকেও দাবী জনাই আহিছিল আৰু সেই অনুসৰি প্ৰশাসনে তদন্তমৰ্মে বিধৱা প্ৰণীতা কৌৱৰ ডেকাক অসম চৰকাৰৰ সাহাযৰ চেক প্ৰদান কৰা কাৰ্যত প্ৰশাসনক কৃতজ্ঞতা জনাইছে।

## লাহৰীঘাটৰ বৰখাৱলত বোৱাৰীৰ আত্মহত্যা

**দৈনন্দিন বাৰ্তা সেৱা, ভূৰাগাঁও, ১৩ ছেপ্টেম্বৰ ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাট থানাৰ অন্তৰ্গত বৰখাৱল গাঁৱত পুৱাৰ ভাগত সংঘটিত হৈছে এক আত্মহত্যাৰ ঘটনা। আফুজা বেগম (২২) নামৰ নৱবিবাহিত মহিলাগৰাকীয়ে বৰখাৱল গাঁৱৰ মোমায়েক ছাদ্দাম হুছেইনৰ বাসগৃহত উৰ্ণাৰে চিপ লৈ আত্মহত্যা কৰে। আৰক্ষী উপস্থিত হৈ মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে মৰিগাঁও অসামৰিক চিকিৎসালয়ৈ প্ৰেৰণ কৰে।

**Name Correction**

My Father's Name Wrongly recorded in my Passport [No. J5882673] as Sobahan Ali instead of Chobahan Ali a resident of village- Bhadaipara, P.o- Lengtisinga, P.S.- Abhayapuri, District- Bongaigaon, Assam, Pin- 783384. I have Declared this by Notary Affidavit on 10th September 2022 that Chobahan Ali and Sobahan Ali is a Same & One Person.

Abdul Mataleb
Abhayapuri
Bongaigaon

# চেঙাৰ ম'হচৰাত যৌতুকৰ বাবে বোৱাৰীক হত্যা কৰি আত্মহত্যাৰ ৰূপ দিয়াৰ অভিযোগ

## অঞ্চলজুৰি তীব্ৰ চাঞ্চল্য

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগৰবেৰা, ১৩ ছেপ্টেম্বৰ ঃ** চেঙাৰ ম'হচৰা এনচিত যৌতুকক লৈ চাঞ্চল্যকৰ হত্যাকাণ্ড সংঘটিত হৈছে, স্বামীৰ লগতে স্বামী পৰিয়ালে মিলি বোৱাৰীক নিৰ্মমভাৱে হত্যা কৰি চিপ লৈ আত্মহত্যাৰ ৰূপ দিয়াৰ অভিযোগ পিতৃ পৰিয়ালৰ। বৰপেটা জিলাৰ কাছুমাৰা আৰক্ষী থানাৰ অন্তৰ্গত ম'হচৰা এনচি গাঁৱত সংঘটিত হৈছে এই ভয়ংকৰ ঘটনা। জানিব পৰা মতে গাঁৱখনৰ বাহাৰুল ইছলামৰ কন্যা নীলিমা খাতুন (১৯)ৰ একে গাঁৱৰে এছাহক আলীৰ পুত্ৰ মৃদুল হকৰ লগত প্ৰায় ৯ মাহ পূৰ্বে বিবাহপাশত আবদ্ধ হৈছিল। বোৱাৰীগৰাকীৰ পিতৃ পৰিয়ালৰ অভিযোগ মতে, বিয়াৰ পিছৰে পৰা যৌতুকৰ দাবীত বোৱাৰীগৰাকীৰ ওপৰত অকথ্য নিৰ্যাতন চলাই আহিছিল স্বামী পৰিয়ালে। কিন্তু মঙলবাৰে পুৱা অতি ৰহস্যজনকভাৱে উদ্ধাৰ হয় বোৱাৰীগৰাকীৰ মৃতদেহ। ইয়াৰ পিছতে পিতৃ পৰিয়ালৰ লোকে এয়া এক পৰিকল্পিত হত্যাকাণ্ড বুলি



অভিযোগ উত্থাপন কৰিছে। ঘটনা সন্দৰ্ভত কাছুমাৰা আৰক্ষীক খবৰ দিয়াৰ পিছতে ঘটনাস্থলীত আৰক্ষী উপস্থিত হৈ মৃতদেহ চমজি লয় আৰু বৰপেটা ফকৰুদ্দিন আলী আহমেদ হাস্পতালৈ প্ৰেৰণ কৰে বুলি আৰক্ষীয়ে জনায়। এয়া আচলতে আত্মহত্যা নে হত্যাকাণ্ড সেয়া মৰণোত্তৰ পৰীক্ষাৰ পিছত ওলাই পৰিব বুলি আৰক্ষীয়ে জনায়। এই ঘটনাই সমগ্ৰ অঞ্চলটোত সৃষ্টি কৰিছে তীব্ৰ চাঞ্চল্যৰ। শীঘ্ৰে প্ৰশাসনক ঘটনাৰ উচিত তদন্ত কৰাৰ দাবী জনাইছে আমছুৰ লগতে স্থানীয় ৰাইজে।

## লামডিঙৰ জ্যেষ্ঠ সাংবাদিকক চাইবাৰ অপৰাধীৰ প্ৰৱঞ্চনাৰ চেষ্টা

**দৈনন্দিন বাৰ্তাৰ সেৱা, লামডিং, ১৩ ছেপ্টেম্বৰ ঃ** ডিজিটেল ইণ্ডিয়াৰ যুগত ৰাজ্যত চাইবাৰ অপৰাধৰ সংখ্যা বৃদ্ধি পাইছে। প্ৰতিদিনে চাইবাৰ অপৰাধীয়ে নতুন নতুন কৌশল ব্যৱহাৰ কৰি সাধাৰণ ৰাইজক লুণ্ঠন কৰা পৰিলক্ষিত হৈছে। ইণ্ডিয়ান বেংকৰ ৰিজঅ'নেল কাৰ্যালয়ৰ বেংক মেনেজাৰৰ নামত এক ভুৱা ফোন কল আহে লামডিঙৰ প্ৰাগ নিউজৰ সাংবাদিক বাপি মালাকাৰলৈ। কিন্তু সাংবাদিকজনৰ সতৰ্কতাৰ বাবে প্ৰৱঞ্চকে সাংবাদিকজনৰ বেংক একাউণ্টৰ টকা হৰলুকী কৰিব পৰা নাই। প্ৰথমতে ইণ্ডিয়ান বেংকৰ মেনেজাৰৰ নামত ভুৱা ফোন কৰি সাংবাদিকজনক নিজৰ ম'বাইলত আধাৰ কাৰ্ডৰ লগত বেংক একাউণ্ট লিংক কৰিবলৈ কয়। প্ৰৱঞ্চকে সাংবাদিকজনক তেওঁৰ প্লে'ষ্ট'ৰৰ পৰা এটা এপ ডাউনলোড কৰি ছিৰিয়েল নম্বৰ দিবলৈ কয় যদিও সাংবাদিকজনে কোনো এপ ডাউনলোড নকৰি ওলোটা প্ৰৱঞ্চকক ভুল তথ্য দিয়ে। অৱশেষত প্ৰৱঞ্চনকে সাংবাদিকক লুটিব পৰা নাই। এনে ধৰণৰ ভুৱা কলৰ পৰা ৰাইজক সজাগ কৰাৰ উদ্দেশ্যে সাংবাদিকগৰাকীয়ে লামডিং ইণ্ডিয়ান বেংকৰ মেনেজাৰক অৱগত কৰে। লামডিং ইণ্ডিয়ান বেংকৰ মেনেজাৰেও চাইবাৰ অপৰাধৰ পৰা ৰাইজক সজাগ আৰু সাৱধান হ'বলৈ অনুৰোধ কৰে। তেওঁ কয় যে বৰ্তমান চাইবাৰ অপৰাধ চিকাৰ কেৱল সাধাৰণ লোকে নহয়, সমাজৰ উচ্চ শিক্ষিত ব্যক্তি যেনে শিক্ষক, চিকিৎসক, সাংবাদিক, বেংক কৰ্মচাৰীও চাইবাৰ অপৰাধীৰ কবলত পৰে। তেওঁ সাংবাদিকগৰাকীক ধন্যবাদ দিয়াৰ লগতে ৰাইজক চাইবাৰ অপৰাধ পৰা ৰক্ষা পাবলৈ ৰাইজক কিছুমান উপদেশো দিয়ে।

**চিনাক্তকৰণৰ বাবে**



এই অচিনাক্ত লোকজন মঙ্গলদৈ সদৰ থানাৰ অন্তৰ্গত গাঁওবুঢ়াপাৰা চকত ৯ ছেপ্টেম্বৰৰ দিনা দুৰ্ঘটনাত পতিত হৈ ১১ ছেপ্টেম্বৰ, ২০২২ দিনা জিএমচিএইচত মৃত্যুমুখত পৰে। বৰ্তমান লোকজনৰ মৃতদেহ গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ মৰ্গত ৰখা হৈছে। কোনো সদাশয় লোকে ব্যক্তিজন বা তেওঁৰ পৰিয়ালৰ লোকক চিনি পালে তলত দিয়া নম্বৰত যোগাযোগ কৰিব পাৰে।

ভাৰপ্ৰাপ্ত বিষয়া
যানবাহন শাখা
মঙ্গলদৈ সদৰ থানা
ফোন ঃ ৮৬৩৮৫-৬৯০৩৪

# ড্ৰাগ্‌ছৰ বিৰুদ্ধে ৰূপহীহাট আৰক্ষীৰ অভিযানত দুজন ড্ৰাগ্‌ছ সৰবৰাহকাৰীক আটক

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰূপহীহাট, ১৩ ছেপ্টেম্বৰ ঃ** নগাঁও জিলাৰ ৰূপহীহাট আৰক্ষী থানাৰ অন্তৰ্গত গঁড়ে মাটিখোৱাত অভিযান চলাই দুজন ড্ৰাগ্‌ছ সৰবৰাহকাৰী আটক কৰা ঘটনাই সমগ্ৰ ৰূপহীহাটত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। অভিযানত সৰবৰাহকাৰীৰ পৰা ড্ৰাগছভৰ্তি ৪৫ টা কণ্টেইনাৰ জব্দ কৰিবলৈ সক্ষম হয়। ড্ৰাগ্‌ছখিনিৰ ওজন ৪.১২ গ্ৰাম। ৰূপহীহাট আৰক্ষীৰ ভাৰপ্ৰাপ্ত বিষয়া সঞ্জীত কুমাৰ ৰয়ৰ নেতৃত্বত এক গোপন সূত্ৰৰ পম খেদি গঁড়ে মাটিখোৱাৰ পৰা আটক কৰিবলৈ সক্ষম হয়। ধৃত সৰবৰাহকাৰী দুজন ক্ৰমে গেৰেকী গাঁৱৰ ইমৰান হুছেইন আৰু গঁড়ে মাটিখোৱা গাঁৱৰ চাহাবুদ্দিন। ৰূপহীহাট



আৰক্ষীয়ে অধিক তথ্যৰ বাবে ড্ৰাগ্‌ছ সৰবৰাহকাৰী দুজনক জেৰা অব্যাহত ৰাখিছে। ৰূপহীহাটত ড্ৰাগ্‌ছৰ বিৰুদ্ধে ধাৰাবাহিকবাবে অভিযান চলাই ড্ৰাগ্‌ছমুক্ত কৰাৰ যি প্ৰয়াস ৰূপহীহাট থানাৰ ভাৰপ্ৰাপ্ত বিষয়াৰ নেতৃত্বত চলিছে তাক ৰূপহীহাটৰ সচেতন মহলে ভূয়সী প্ৰশংসা কৰিছে।

### প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ সভা সম্পন্ন

# কৃষকসকলক বীমা পলিচী প্ৰদান

**দৈনন্দিন বাৰ্তাৰ সেৱা, উত্তৰ ধেমাজি, ১৩ ছেপ্টেম্বৰ ঃ** মৰিধল গাঁও পঞ্চায়ত কাৰ্যালয়ৰ সভাগৃহত ধেমাজিৰ অতিৰিক্ত উপায়ুক্ত মিৰজানা হুছেইনৰ উপস্থিতিত প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ সভা সম্পন্ন কৰা হয়। এগ্ৰিকালচাৰ ইঞ্চুৰেঞ্চ কোম্পানী অৱ ইণ্ডিয়া লিমিটেডৰ উদ্যোগত আৰু ধেমাজি কৃষি বিভাগৰ সহযোগত প্ৰধানমন্ত্ৰী ফচল বীমা যোজনা ২০২২ বৰ্ষৰ খাৰিফ শস্যৰ বতৰত যিসকল কৃষকে শালি ধানৰ বীমা কৰিছিল তেওঁলোকৰ বীমা পলিচী চৰকাৰৰ নিৰ্দেশমৰ্মে বীমা কোম্পানী ফালৰ পৰা যোৱা ১ ছেপ্টেম্বৰৰ পৰা প্ৰতিখন পঞ্চায়তত ক্ৰমান্বয়ে আৰু ঘৰে ঘৰে বিতৰণৰ ব্যৱস্থা কৰি অহা বুলি জানিব পৰা গৈছে। এই কাৰ্যসূচীৰ লগত সংগতি ৰাখি আজি ধেমাজি জিলাৰ হৈ কেন্দ্ৰীয় ভিত্তিত ধেমাজি উন্নয়ন খণ্ডৰ অন্তৰ্গত মৰিধল গাঁও পঞ্চায়ত কাৰ্যালয়ৰ সভাগৃহত ধেমাজিৰ অতিৰিক্ত উপায়ুক্ত মিৰজানা হুছেইনৰ পৌৰোহিত্যত ফচল বীমা যোজনাৰ এক সভা অনুষ্ঠিত কৰি কৃষকসকলক বীমা পলিচী প্ৰদান কৰা হয়। অনুষ্ঠানত ধেমাজি জিলা কৃষি বিষয়া চিৰঞ্জন শৰ্মা, এগ্ৰিকালচাৰ ইঞ্চুৰেঞ্চ কোম্পানী অৱ ইণ্ডিয়া লিমিটেডৰ টোযেশ টায়েঙে ফচল বীমাযোগে কৃষকসকলে কিদৰে উপকৃত হ'ব পাৰি সকলো কথা উপস্থিত কৃষক ৰাইজক অৱগত কৰে। এই অনুষ্ঠানতেই সাংসদ প্ৰতিনিধি বুবুল দত্ত, মৰিধল গাঁও পঞ্চায়তৰ সভানেত্ৰী অঞ্জুমণি কোঁৱৰ, আঞ্চলিক পঞ্চায়তৰ সদস্যা মায়া সোণোৱাল আৰু জিলা কৃষি বিভাগৰ নডেল বিষয়া সুশীল চুতীয়াকে আদি কৰি বহুকেইগৰাকী গণ্যমান্য ব্যক্তিও উপস্থিত থাকে।

### ফকিৰগঞ্জৰ আৰক্ষী বিষয়া লোকমান আলীৰ মহানুভৱতা

# মিলনপুৰৰ শয্যাগত সমাজকৰ্মী গংগাপ্ৰসাদ দাসক সাক্ষাৎ কৰি আগবঢ়ায় আৰ্থিক সাহায্য

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ধুবুৰী, ১৩ ছেপ্টেম্বৰ ঃ** ফকিৰগঞ্জ আৰক্ষী থানাৰ অন্তৰ্গত আদৰ্শ গাঁও মিলনপুৰ। গাঁওখনৰ বাসিন্দা তথা সৰবৰহী যুৱক গংগাপ্ৰসাদ দাস। তেওঁ দীৰ্ঘদিন ধৰি জটিল ৰোগত আক্ৰান্ত হৈ আছে। সাংসাৰিক অভাৱ-অনাটনৰ বাবে কৰিব পৰা নাই উন্নত চিকিৎসা। যিখিনি সম্পদ আছিল তাকো চিকিৎসাৰ বাবে খৰচ কৰি হৈ পৰিছে সৰ্বস্বান্ত। উপায়ান্তৰ হৈ পৰিছে দাসৰ পৰিয়াল। আজি ফকিৰগঞ্জ আৰক্ষী থানাৰ আৰক্ষী বিষয়া লোকমান আলী



আহমেদৰ নেতৃত্বত আৰক্ষীৰ এটা দলৰ লগতে জিলা ছাত্ৰ সন্থাৰ সভাপতি ছৰিফুল ইছলাম প্ৰধানীয়ে গংগাপ্ৰসাদ দাসৰ ঘৰত উপস্থিত হৈ স্বাস্থ্যৰ বুজ লোৱাৰ লগতে আগবঢ়ায় আৰ্থিক সাহায্য। আৰক্ষী বিষয়াগৰাকীৰ এনে কাৰ্যত অভিভূত হৈ পৰিছে অভাৱগ্ৰস্ত পৰিয়ালটো। সমাজকৰ্মী দাসৰ উন্নত চিকিৎসাৰ বাবে ৰাইজক সহায়ৰ হাত আগবঢ়াবলৈ আহ্বান জনায় জিলা ছাত্ৰ সন্থাৰ সভাপতি ছৰিফুল ইছলাম প্ৰধানীয়ে।

### ডুমডুমাৰ ব্ৰজনাথ শৰ্মা স্মৃতি দিৱসৰ অনুষ্ঠান

# অসম সাহিত্য সভাৰ সভাপতি পদৰ প্ৰাৰ্থী য়েছে দৰজে ঠংছিৰ অংশগ্ৰহণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডুমডুমা, ১৩ ছেপ্টেম্বৰ ঃ** ডুমডুমা নাট্যমন্দিৰ সমিতিৰ উদ্যোগত কালি সন্ধিয়া অভিনয়াচাৰ্য ব্ৰজনাথ শৰ্মাৰ ৬৩সংখ্যক স্মৃতি দিৱসৰ কাৰ্যসূচী চলি থকা সময়তে বিশিষ্ট সাহিত্যিক তথা অসম সাহিত্য সভাৰ সভাপতি পদৰ প্ৰাৰ্থী য়েছে দৰজে ঠংচি আহি অনুষ্ঠানটোত ডুমডুমা শাখা সাহিত্য সভাৰ বিষয়ববীয়াসকলৰ নেতৃত্বত উপস্থিত হোৱাত নাট্যমন্দিৰ সমিতিৰ সভাপতি তথা তিনিচুকীয়া জিলা সাহিত্য সভাৰ সভাপতি অৰ্জুন বৰুৱা, তাত উপস্থিত থকা সমিতিৰ কৰ্মীসকল আৰু সংস্কৃতিপ্ৰেমী ৰাইজে ফুলাম গামোচাৰে তেওঁক উষ্ম আদৰণি জনায়। ঠংচি ডাঙৰীয়াই ব্ৰজনাথ শৰ্মাৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰাৰ লগতে এটি চমু ভাষণ প্ৰদান কৰে। তেওঁ ভাষণ প্ৰসংগত ব্ৰজনাথ শৰ্মাক শ্ৰদ্ধাসহকাৰে সোঁৱৰণ কৰাৰ লগতে কয় যে তেওঁ অসম সাহিত্য সভাৰ নেতৃত্ব লোৱাৰ মানসেৰে আৰু তাৰযোগে পৰ্বত-ভৈয়ামৰ সমন্বয়ৰ এনাজৰীডাল কটকটীয়া কৰিবৰ বাবে আৰু অসম সাহিত্য সভাক উপযুক্ত গতি প্ৰদান কৰিবলৈ তেওঁ আগবাঢ়ি আহি আজি ডুমডুমাত উপস্থিত



হৈছেহি। তেওঁ ৰাইজৰ আশীৰ্বাদ কামনা কৰি ভাষণ সামৰে আৰু ইটানগৰৰ ঘৰলৈ উভতি যায়। ইয়াৰ পূৰ্বে তেওঁ ডুমডুমা শাখা সাহিত্য সভা ভৱনলৈ যোৱাত শাখাৰ সভাপতি বিমলা বৰুৱা, সম্পাদক দেৱেন ডেকা প্ৰমুখ্যে সাহিত্য সভাৰ বহুসংখ্যক কৰ্মী গোট খাই তেওঁক গামোচা পিন্ধাই বিপুলভাৱে আদৰণি জনায়।

### দৰঙৰ ঐতিহাসিক খটৰা সত্ৰত পাচেতি মহোৎসৱ উদ্‌যাপনৰ ব্যাপক প্ৰস্তুতি

# মুখ্যমন্ত্ৰীয়ে কৰিব মহোৎসৱৰ উদ্বোধন

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম দৰং, ১৩ ছেপ্টেম্বৰ ঃ** দৰঙৰ ঐতিহাসিক ৪৫৫ বছৰীয়া খটৰা সত্ৰৰ পাচেতি মহোৎসৱ এইবেলি উলহ-মালহেৰে উদ্‌যাপন কৰাৰ বাবে সত্ৰ পৰিচালনা সমিতিয়ে ব্যাপক প্ৰস্তুতি চলাইছে। ৩০ ভাদৰ পৰা ২ আহিনলৈ তথা ১৬ ছেপ্টেম্বৰৰ পৰা ১৯ ছেপ্টেম্বৰলৈ চাৰিদিনীয়া কাৰ্যসূচীৰে উদ্‌যাপন কৰিবলগীয়া পাচেতি মহোৎসৱৰ ১৬ ছেপ্টেম্বৰৰ পুৱা ৫ বজাত প্ৰাতঃপ্ৰসংগ, ৯ বজাত সমূহীয়া নাম প্ৰসংগ,১২.৩০ বজাত অস্থায়ী চিকিৎসা সেৱা কেন্দ্ৰৰ দ্বাৰ মুকলি, ১ বজাত পাচেতি মহোৎসৱৰ আদৰণি তোৰণ উন্মোচন, ৪.৩০ বজাত পাচেতি মহোৎসৱ উদ্বোধন কৰিব মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। অনুষ্ঠানত সন্মানীয় অতিথি হিচাপে উপস্থিত থাকিব সাংসদ দিলীপ কুমাৰ শইকীয়া, পৰিবহণ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী। ৫ বজাত পাচেতি পুস্তিকা উন্মোচন, ৬ বজাত বন্তি প্ৰজ্বলন, নিশা ৯ বজাত দধিমথন কৃষ্টি পৰিৱেশন। ১৭ ছেপ্টেম্বৰত পুৱা ৫ বজাত প্ৰাতঃপ্ৰসংগ, ৫.৩০ বজাৰ পৰা যান-বাহন শান্তিকৰণ শুভাৰম্ভ, ৮ বজাত ধৰ্মধ্বজা উত্তোলন, ৯ বজাৰ পৰা ভাগৱত পাঠ, ১১ বজাত খটৰা সত্ৰ পুথিভঁৰাল উন্মোচন, ১২ বজাত দধিমথন কৃষ্টি পৰিৱেশন। ১৮ ছেপ্টেম্বৰৰ পুৱা ৫ বজাত প্ৰাতঃপ্ৰসংগ, ৫.৩০ বজাত স্বচ্ছ অভিযান, ১১ বজাৰ পৰা সত্ৰীয়া নৃত্য প্ৰতিযোগিতা আৰু সাংস্কৃতিক বিচিত্ৰানুষ্ঠান। ১৯ ছেপ্টেম্বৰৰ পুৱা ১০ বজাৰ পৰা দিহানাম প্ৰতিযোগিতা। সন্ধিয়া ৫ বজাত ধৰ্মধ্বজা অৱনমন, ৬ বজাত বন্তি প্ৰজ্বলন, সন্ধিয়া ৭ বজাত শ্ৰীমন্ত শংকৰদেৱৰ ৰচিত 'ৰাম বিজয়' ভাওনা পৰিৱেশন।

# লাকুৱাত সদৌ অসম ভিত্তিত তাই-আহোমৰ 'লখিমী আদৰা উৎসৱ' উদ্‌যাপনৰ প্ৰস্তুতি

**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ১৩ ছেপ্টেম্বৰ ঃ** তাই-আহোম সাংস্কৃতিক পৰিষদ, অসমৰ সৌজন্যত অহা ৯ অক্টোবৰত লাকুৱাৰ ঐতিহাসিক আমলখি দেওশালত সদৌ অসম ভিত্তিত তাই-আহোমৰ পৰম্পৰাগত 'খেক লাই খাও মী, আই জঙ খাম, ঙী জঙ খাম' (লখিমী আদৰা) উৎসৱ উদ্‌যাপনৰ প্ৰস্তুতি চলাইছে। এই সম্পৰ্কত অলপতে লাকুৱাৰ আমলখি দেওশালত এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। সমাজকৰ্মী সুনীল কুমাৰ গগৈৰ সভাপতিত্বত অনুষ্ঠিত সভাত গুৱাহাটী, যোৰহাট, ডিব্ৰুগড়, তিনিচুকীয়া, শিৱসাগৰ, চৰাইদেউ আদিকে ধৰি কেইবাখনো জিলাৰ পৰা প্ৰায় ১৫০জন তাই আহোমৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে। সভাত তাই পণ্ডিত মলুঙ তিলেশ্বৰ মহনকে প্ৰমুখ্য কৰি কেইবাজনো তাই পণ্ডিতৰ দিহা-পৰামৰ্শৰ ভিত্তিত লাকুৱাৰ ঐতিহাসিক আমলখি দেওশালত এদিনীয়া কাৰ্যসূচীৰে সদৌ অসম ভিত্তিত এই লখিমী আদৰা উৎসৱ উদ্‌যাপনৰ সিদ্ধান্ত গ্ৰহণ কৰে। উক্ত সভাতে লখিমী আদৰা উৎসৱটি সুচাৰুৰূপে পৰিচালনা কৰিবলৈ কমলজ্যোতি গগৈক-সভাপতি, সুনীল কুমাৰ গগৈ, কৃষ্ণকান্ত ৰাজকোঁৱৰ আৰু ৰাতুল গগৈক-কাৰ্যকৰী সভাপতি, মহেন্দ্ৰ সন্দিকৈক সম্পাদক, দেৱজিৎ চাউৰ আৰু দীপক বৰুৱাক যুটীয়া সম্পাদক হিচাপে লৈ ১৫খন উপ-সমিতিসহ এখন উদ্‌যাপন সমিতি গঠন কৰা হয়। তদুপৰি উৎসৱত পৱিত্ৰ মহন আৰু দেৱজিৎ চাউৰকৰ সম্পাদনাত এখন তত্ত্বগধুৰ স্মৰণিকাও প্ৰকাশ কৰা হ'ব। উৎসৱত অসমবাসীৰ সহায়-সহযোগ, দিহা-পৰামৰ্শৰ লগতে উপস্থিতিৰে সফল কৰি তুলিবলৈ উদ্‌যাপন সমিতিয়ে আহ্বান জনাইছে।

## শিলনীজান জ্ঞানপ্ৰভা একাডেমীৰ ষষ্ঠ শ্ৰেণীৰ ছাত্ৰ নিৰুদ্দেশ



**দৈনন্দিন বাৰ্তাৰ সেৱা, দেওপানী, ১৩ ছেপ্টেম্বৰ ঃ** কাৰ্বি আংলং জিলাৰ বৰপথাৰ আৰক্ষী থানাৰ অধীনৰ শিলনীজান লুইচ টিৰকি গাঁৱৰ জয়মন ওৰাং নামৰ (১৩) বছৰীয়া ছাত্ৰজন নিৰুদ্দেশ হৈ থকাৰ ঘটনা পোহৰলৈ আহিছে। জানিব পৰা মতে ইচমেল ওৰাং আৰু হানা ওৰাঙৰ কনিষ্ঠ পুত্ৰ জ্ঞানপ্ৰভা একাডেমীৰ ষষ্ঠ শ্ৰেণীৰ ছাত্ৰ জয়মন ওৰাং যোৱা ৬ ছেপ্টেম্বৰৰ পুৱাৰ ভাগতেই ঘৰৰ শোৱাপাটীৰ পৰা নিৰুদ্দেশ হোৱা ঘটনাই অঞ্চলটোত চাঞ্চল্যই বিৰাজ কৰিছে। ছাত্ৰজন ঘৰৰ পৰাই নিৰুদ্দেশ হোৱাৰ পাছত পৰিয়ালৰ লোকে আৰক্ষীক অৱগত কৰাৰ লগতে নিজাববীয়াকৈ আৰু বিদ্যালয়ৰ কৰ্তৃপক্ষই বিভিন্ন স্থানত অনুসন্ধান অব্যাহত ৰাখিছে যদিও একো শুংসূত্ৰ পোৱা নাই আজি পৰ্যন্ত। ছাত্ৰজনৰ পিতৃ-মাতৃয়ে সংবাদ মাধ্যমৰ আগত দুখেৰে অৱগত কৰাৰ লগতে কোনোবা ব্যক্তিয়ে ছাত্ৰজনৰ সম্ভেদ পালে ৮৪৫৩৯০১৭৯৪ নম্বৰত জনাবলৈ আহ্বান জনাইছে।

# সত্ৰাধিকাৰ সুৰেন মহন্তৰ বিয়োগ-শোকৰ ছাঁ



**দৈনন্দিন বাৰ্তাৰ সেৱা, হাজো, ১৩ ছেপ্টেম্বৰ ঃ** মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱ স্থাপিত হাজোৰ শ্ৰীশ্ৰীধোপৰগুৰি সত্ৰৰ সত্ৰাধিকাৰ সুৰেন মহন্তৰ দেওবাৰে দিনৰ ৪ বাজি ২২ মিনিটত ৭৭ বছৰ বয়সত বৈকুণ্ঠপ্ৰয়াণ ঘটে। সত্ৰাধিকাৰগৰাকীয়ে বিগত প্ৰায় ৯ মাহ ধৰি দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ আছিল। তেখেতৰ গুণমুগ্ধসকলক শেষ শ্ৰদ্ধা নিৱেদনৰ সুবিধা দিয়াৰ উদ্দেশ্যে সত্ৰ পৰিচালনা সমিতিয়ে পৰিয়ালৰ লগত আলোচনা কৰি তেখেতৰ সৎকাৰ সোমবাৰে পুৱা ১০ বজাত সম্পন্ন কৰে। আৰ্থিক দীনতাৰ মাজতেই ইহকাল এৰি পৰকাললৈ গতি কৰিলে সত্ৰাধিকাৰ সুৰেন মহন্তই। হাজো ধোপৰগুৰি সত্ৰৰ সত্ৰাধিকাৰ সুৰেন মহন্তৰ মৃত্যু হাজোবাসীৰ বাবে এক বৃহৎ ক্ষতি। সত্ৰাধিকাৰগৰাকীৰ মহাপ্ৰয়াণত ম্ৰিয়মাণ হৈ পৰিছে হাজোবাসী ৰাইজ। তেওঁৰ মৃত্যুৰ খবৰ পোৱাৰ লগে লগে তেওঁৰ বাসগৃহত উপস্থিত হৈ অসম যুৱ আয়োগৰ সদস্য সচিব ৰাতুল শৰ্মা, সদৌ অসম ছাত্ৰ সন্থাৰ উপদেষ্টা প্ৰকাশ চন্দ্ৰ দাসৰ সৈতে কামৰূপ জিলা ছাত্ৰ সন্থা আৰু হাজো আঞ্চলিক ছাত্ৰ সন্থাকে প্ৰমুখ্য কৰি অগণন গুণমুগ্ধই তেওঁলৈ শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

No.SE(N)/P.N/9/2022-23/

**PRESS NOTICE**

The Superintending Engineer, PWD, Nalbari Building Circle, Nalbari on behalf of Governor of Assam invites item rate bids in electronic tendering system for the work- Earth work and Site Development work for District Museum at Barpeta with an approximate value of work Rs.88,83,394.00 from APWD registered class-I (A/B/C)/ contractors having experience of similar nature of work and site visit report duly signed by the concerned authority. Details of the bids may be at e-procurement portal website; www.assamtenders.gov.in and also in the office of the undersigned during office hours. The bidders must be enrolled in www.assamtenders.gov.in for participating in the bidding process.

Superintending Engineer, PWD,
Nalbari Building Circle, Nalbari

*Janasanyog/C/9981/22*

Letter no. B/CAMPA/E-Tender/1.5 Ha/ Nursery/3086

**NOTICE INVITING E-TENDER FOR CONSTRUCTIONAL WORKS UNDER NORTH KAMRUP DIVISION, RANGIA**

This is for general information to all concerned that the work for Site selection, survey, demarcation, jungle cutting, removal of stumps, slash disposal etc & construction of brick wall with chain link fencing under CAMPA Scheme under North Kamrup Division, Rangia are intended to be e-tender.

The details of E-tender will be available on https://www.assamforestonline.in portal from 17.09.2022 (12.00PM) to 10.10.2022 (5.00PM).

Opening & evaluation of technical as well as price bid would be on 12-10-2022 at 11.00 AM onwards.

Divisional Forest Officer
North Kamrup Division, Rangia.

*Janasanyog/C/10041/22*

## ৰাশিফলত আজিৰ দিনটো

**২৮ ভাদ, বুধবাৰ, ১৪ ছেপ্টেম্বৰ, ১৪২৯ ভাস্কৰাব্দ**
**তিথি ঃ কৃষ্ণা চতুৰ্থী, নক্ষত্ৰ ঃ অশ্বিনী, জন্ম ৰাশি ঃ মেষ**
**সূৰ্যোদয়- ৫-১১-০৮, সূৰ্যাস্ত- ৫-২৮-১৫**



■ **মেষ** ঃ কৌশল আয়ত্ত ■ **বৃষ** ঃ সমাজ সেৱা ■ **মিথুন** ঃ জ্যেষ্ঠজনৰ পৰা সঁহাৰি ■ **কৰ্কট** ঃ ধনৰ নাটনি ■ **সিংহ** ঃ যান-বাহন ক্ৰয় ■ **কন্যা** ঃ ঘৰুৱা সম্পদ বৃদ্ধি ■ **তুলা** ঃ ভক্তি ভাৱ বৃদ্ধি ■ **বৃশ্চিক** ঃ ক্ৰীড়াত শুভ ■ **ধনু** ঃ পিতৃ কষ্ট ■ **মকৰ** ঃ দাম্পত্য সুখ ■ **কুম্ভ** ঃ প্ৰতিষ্ঠা লাভ ■ **মীন** ঃ কাৰ্যক্ষেত্ৰত ঘাত-প্ৰতিঘাত।

# কাকপথাৰত কৰম সন্মিলনৰ সফল সামৰণি

**দৈনন্দিন বাৰ্তাৰ, সেৱা, কাকপথাৰ, ১৩ ছেপ্টেম্বৰ ঃ** দুদিনীয়া কাৰ্যসূচীৰে আয়োজন কৰা বৃহত্তৰ কাকপথাৰ আঞ্চলিক সমন্বয় কৰম সন্মিলনখনি যোৱা ইং ১০ আৰু ১১ ছেপ্টেম্বৰত বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হৈ যায়। যোৱা ১০ ছেপ্টেম্বৰৰ পুৱা ৫ বজাত দুই শতাধিক প্ৰতিযোগীৰ অংশগ্ৰহণেৰে ৰূপাই চাইডিং তপোবন তিনিআলিৰ পৰা কাকপথাৰ সাংস্কৃতিক সংঘৰ প্ৰেক্ষাগৃহলৈ প্ৰায় ১৩ কিলোমিটাৰ পথ দূৰত্বৰ মাৰাথন দৌৰ প্ৰতিযোগিতাৰে আৰম্ভ হোৱা কাৰ্যসূচীৰ শুভ উদ্বোধন কৰে কাকপথাৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া নবীন চেতীয়াই। পুৱা ১০ বজাত পতাকা উত্তোলন কৰে উদ্‌যাপন সমিতিৰ সভাপতি যুগল কুশল দাসে, স্মৃতি তৰ্পণ কৰে সম্পাদক মনবৰ মাহাত্বই আৰু মঞ্চ মুকলি কৰে কাকপথাৰ সমবায় সমিতিৰ অধ্যক্ষ কিশোৰ চেতীয়াই। ইয়াৰ পিছতেই চিত্ৰাংকন, ঝুমুইৰ, কুইজ, বিহুৰ একক গীত অনুষ্ঠিত হৈ যায়। সন্ধিয়া ৮ বজাত পৰম্পৰাগত বিধি অনুযায়ী আৰাধ্য কৰম দেৱতাক বেদীত স্থাপন কৰি পূজা সম্পন্ন কৰা হয়। নিশা ১০ বজাত কে'বাশতাধিক লোকৰ উপস্থিতিত অনুষ্ঠিত কৰম আখড়া উদ্বোধন কৰে গীতিকাৰ তথা বিশিষ্ট শিল্পী অশ্বিত চাহুৰে। উক্ত আখড়াত গীত পৰিৱেশন কৰে ৰিয়াঞ্জ এছে। ১১ ছেপ্টেম্বৰৰ পুৱা ১১ বজাত কে'বাশতাধিক সাংস্কৃতিক দলৰ উপস্থিতিত বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা শুভ উদ্বোধন কৰে আন্তঃৰাষ্ট্ৰীয় বঁটাপ্ৰাপ্ত চিত্ৰশিল্পী তপন মাহাত্বই। বিয়লি ৪ বজাত আৰম্ভ হোৱা দলীয় নৃত্যৰ প্ৰতিযোগিতা উদ্বোধন কৰে শিশু ভাস্কৰ হেমন্তৰাজ মৰাণে। সন্ধিয়া ৮ বজাত আৰম্ভ হোৱা মুকলি সভাত সভাপতিত্ব কৰে উদ্‌যাপন সমিতিৰ সভাপতি যুগল কুশল দাসে। আদৰণী ভাষণ আগবঢ়ায় উদ্‌যাপন সমিতিৰ সম্পাদক মনবৰ মাহাত্বই। সভাত উপস্থিত থাকে আট্‌ছা তিনিচুকীয়া জিলাৰ সভাপতি জগত নায়ক, আট্‌ছা তিনিচুকীয়া জিলাৰ একালৰ সম্পাদক কনক কুৰ্মী, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, তিনিচুকীয়া জিলাৰ সভাপতি সোণমণি চলিহা, তিনিচুকীয়া জিলা ছাত্ৰ সন্থাৰ সহকাৰী সাধাৰণ সম্পাদক পোহেশ্বৰ সোণোৱাল, তিনিচুকীয়া জিলা পৰিষদৰ সভাপতি ৰাজেন্দ্ৰ নাথ কৈৰী, বিশিষ্ট লেখক বিপুল বৈভৱ বৰুৱাৰ লগতে কে'বাগৰাকীও বিশিষ্ট ব্যক্তি। উক্ত অনুষ্ঠানতে ভাদ একাদশী নামৰ স্মৃতিগ্ৰন্থ উন্মোচন কৰে তিনিচুকীয়া জিলা সাহিত্য সভাৰ সভাপতি অৰ্জুন বৰুৱাই। নিশা ১০ বজাত সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰে ঝুমুইৰ নৃত্যত প্ৰথম স্থানপ্ৰাপ্ত খোৱাং চামগুৰি ঝুমুইৰ নৃত্য দলটিয়ে। সাংস্কৃতিক সন্ধিয়াত গীত পৰিৱেশন কৰে শিল্পী কমল নাগ, দীপজ্যোতি মাহালী, ৰূপা কৰ্মকাৰ আৰু চিকেন্দৰ হৰপালে। এনেদৰেই বৃহত্তৰ কাকপথাৰ আঞ্চলিক সমন্বয় কৰম সন্মিলনৰ সফল সামৰণি পৰে।

জাতি, মাটি আৰু দেশৰ সেৱাত
# দৈনন্দিন বাৰ্তা
১৪ ছেপ্টেম্বৰ, ২০২২ ■ বুধবাৰ ■ ২৮ ভাদ, ১৯৪৪ শক




*জিআইটিৰ ২৩সংখ্যক প্ৰতিষ্ঠা দিৱসত বিধায়ক ৰূপক শৰ্মাকে ধৰি বিশিষ্ট ব্যক্তিসকল, অসম ৰাজ্যিক সংগ্ৰহালয়ৰ কনকলাল বৰুৱা প্ৰেক্ষাগৃহত মঙলবাৰে*

## তামুলপুৰত তামুলপুৰ জিলা আদিবাসী ছেঙ্গেল অভিযানৰ ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ
### ৰাষ্ট্ৰপতিলৈ স্মাৰক-পত্ৰ প্ৰেৰণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ১৩ ছেপ্টেম্বৰ ঃ** তামুলপুৰৰ খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যলায়ত আজি আদিবাসী ছেঙ্গেল অভিযান তামুলপুৰ জিলা সমিতিৰ দ্বাৰা এক ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰা হয়। ভাৰতৰ প্ৰাকৃতি পূজক আদিবাসীসকলৰ 'সাৰণা' ধৰ্ম কোড মান্যতা দি জনগণনাত চামিল কৰা, আদিবাসী স্বশাসন ব্যৱস্থা, ট্ৰাইবেল ছেলফ ৰুল ছিষ্টেমত শুধৰণি আনিবলৈ অতি শীঘ্ৰে গণতন্ত্ৰ আৰু সংবিধান মূল্য ব্যৱহাৰ আৰু সুৰক্ষা কৰা। ভগৱান বীৰচা মুণ্ডাৰ জন্মদিন ১৫ নৱেম্বৰ ২০০০ চনত স্থাপিত ঝাৰখণ্ড প্ৰদেশ (দিশোম) মূলতঃ আদিবাসীসকলৰ প্ৰদেশ। ইয়াক লুণ্ঠন আৰু বিলুপ্তিৰ পৰা বচাবলৈ সকলো সাংবিধানিক আইন সক্ৰিয়ভাৱে প্ৰয়োগ কৰা, অসম আৰু আন্দামানৰ আদিবাসীসকলক অনুসূচিত জনজাতিৰ মৰ্যাদা প্ৰদান কৰা আদি কেতবোৰ দাবীৰে তামুলপুৰ খণ্ড উন্নয়ন কাৰ্যালয়ৰ সমীপত ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰি উই ৱাণ্ট এছটি, ন' চাৰণা কোড ন' ৰেষ্ট, আমাক জনজাতিৰ মৰ্যাদা দিয়ক, আমাক ন্যায় লাগে, ন্যায় দিয়ক ন্যায় দিয়ক, আদিবাসী ছেঙ্গেল অভিযান জিন্দাবাদ আদি শ্ল'গান দি ধৰ্ণাথলী উত্তাল কৰি তোলে। লগতে তামুলপুৰ উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া হিৰন্ময়ী চহৰীয়াৰ হাতত এখন পাঁচ দফীয়া দাবীৰ স্মাৰক-পত্ৰ ৰাষ্ট্ৰপতিলৈ বুলি প্ৰেৰণ কৰে। উল্লেখ যে ৫ ৰাজ্যৰ প্ৰায় ২৫০টা ব্লকত আজি এই কাৰ্যসূচী ৰূপায়ণ কৰা হয় বুলি জানিবলৈ দিয়ে সংগঠনটোৰ লোকসকলে। আজিৰ এই ধৰ্ণা কাৰ্যসূচীত তামুলপুৰ জিলা আৰু তামুলপুৰ ব্লক সমিতিৰ বিষয়ববীয়াসহিতে শতাধিক পুৰুষ-মহিলাই অংশগ্ৰহণ কৰে। উক্ত অনুষ্ঠানত তামুলপুৰ জিলা সমিতিৰ সভাপতি জোহাৰ হাজদা, সম্পাদক বাবুল মুৰ্মু উপস্থিত থাকে।

#### থাওৰা সমষ্টিৰ পশ্চিম জিয়ামাৰীত থলুৱা লোকৰ কৃষিভূমি উচ্ছেদ কৰি চিআৰপিএফৰ
## স্থায়ী ছাউনী স্থাপন কৰিবলৈ লোৱা কাৰ্যক তীব্ৰ বিৰোধিতা

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিমৌ, ১৩ ছেপ্টেম্বৰ ঃ** ডিমৌ ৰাজহ চক্ৰৰ অন্তৰ্গত ঐতিহাসিক চৰগুৱা অঞ্চলৰ পশ্চিম জিয়ামাৰী গাঁৱত থলুৱা লোকৰ কৃষিভূমি উচ্ছেদ কৰি চিআৰপিএফৰ স্থায়ী ছাউনী স্থাপন কৰিবৰ বাবে ভূমি অধিগ্ৰহণ কৰিবলৈ লোৱা কাৰ্যৰ তীব্ৰ বিৰোধিতা প্ৰকাশ কৰিছে ভাৰতীয় কমিউনিষ্ট পাৰ্টীৰ থাওৰা সমষ্টি কমিটী আৰু কৃষক সভাই। ভাৰতৰ স্বাধীনতাৰ আগৰে পৰা স্থানীয় লোকে খেতি-বাতি কৰি সেই অঞ্চলত গাঁও পাতি বসবাস কৰি অহা উক্ত কৃষিভূমিত দৰিদ্ৰ কৃষকসকলক উচ্ছেদ কৰি চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ অধীনত চিআৰপি এফৰ ছাউনী নিৰ্মাণ কৰিবলৈ লোৱা কাৰ্যক ভাৰতৰ কমিউনিষ্ট পাৰ্টী, থাওৰা সমষ্টি কমিটী আৰু কৃষক সভাই কোনো কাৰণতে গ্ৰহণ নকৰে। কমিউনিষ্ট পাৰ্টীৰ থাওৰা সমষ্টি কমিটী আৰু কৃষক সভাই এই কাৰ্যত গভীৰ উদ্বেগ প্ৰকাশ কৰাৰ লগতে ভূমি অধিগ্ৰহণৰ সিদ্ধান্ত সেই অঞ্চলৰ পৰা শীঘ্ৰে চৰকাৰক বাতিল কৰিবলৈ দাবী জনাই আজি অসমৰ মুখ্যমন্ত্ৰীলৈ ডিমৌ ৰাজহ চক্ৰৰ চক্ৰ বিষয়াৰ যোগেদি পৃথকে পৃথকে দুখনকৈ স্মাৰক-পত্ৰ প্ৰেৰণ কৰিছে। আজি ভাৰতীয় কমিউনিষ্ট পাৰ্টীৰ থাওৰা সমষ্টি কমিটীৰ সম্পাদক অজয় বড়া আৰু কৃষক সভাৰ সমষ্টি কমিটীৰ সম্পাদক জয়ন্ত গগৈৰ স্বাক্ষৰিত স্মাৰক-পত্ৰৰ দাবীসমূহত উল্লেখ কৰিছে যে থলুৱা মানুহে যুগ যুগ ধৰি ভোগ দখল কৰি অহা পশ্চিম জীয়ামাৰীৰ ভূমিত ভোগ দখলকৃত ৰাইজক অসমৰ কেবিনেটত সিদ্ধান্ত গ্ৰহণ কৰি ভূমি জৰীপৰ জৰিয়তে ম্যাদী পট্টা প্ৰদানৰ ব্যৱস্থা কৰক। অসমৰ ভূমি আইন অনুসৰি প্ৰতি ত্ৰিশ বছৰৰ মূৰে মূৰে ভূমি জৰীপৰ ব্যৱস্থা হ'ব লাগে যদিও ১৯৩৩ চনৰ পৰা সেই অঞ্চলত জৰীপৰ কোনো ব্যৱস্থা হোৱা নাই। সেয়ে আইনসংগতভাৱে ছেটেলমেন অপাৰেচনৰ জৰিয়তে কৃষকে মাটি পোৱাৰ দাবী জনায়। উক্ত কৃষিভূমি অধিগ্ৰহণ কৰি যিকোনো প্ৰকল্প স্থাপনেৰে অনাগত ভৱিষ্যতলৈ অশনি সংকেত আৰু কৃষিভূমি সংকোচন হৈ আহিব। সেয়ে ১৮৮৬ চনৰ অসম চৰকাৰৰ ভূমি ৰাজহ অধিনিয়মৰ আইনমতেও কৃষিভূমিত যিকোনো প্ৰকল্প স্থাপন কৰাটো আইনবিৰোধ। গতিকে কৃষিভূমি সংকোচনৰ এনে নীতি পৰিহাৰ কৰবলৈ দাবী জনায়। স্থানীয় লোকসকলে উক্ত ভূমিত বেদখল জৰিমনা বা টৌজী বাহিৰা খাজনা বহু বছৰ ধৰি সেই অঞ্চলত পৰিশোধ কৰি আহিছে। তাকে তথ্যগতভাৱে প্ৰমাণ কৰে যে তেওঁলোক বছৰ বছৰ ধৰি উক্ত ভূমিত বসবাস কৰি আহিছে। সেই লোকসকলে কে'বাবছৰো আগতে ডিমৌ ৰাজহ চক্ৰ বিষয়া কাৰ্যালয়ত উক্ত ভূমিত দখলীকৃত ৰাইজক পট্টা প্ৰদানৰ বাবে দৰ্খাস্ত প্ৰদান কৰিছিল। আজিকোপটি চৰকাৰে সেই কবুলা আবেদনৰ ওপৰত কোনো বিহিত ব্যৱস্থা গ্ৰহণ কৰা নাই। সেই ক্ষেত্ৰত স্থানীয় প্ৰশাসন আৰু অসম চৰকাৰৰ খিলঞ্জীয়া পৰিয়ালসমূহক মাটিৰ অধিকাৰ প্ৰদান কৰাটো বিধিগত কৰ্তব্য আছিল। কিন্তু সেয়া হৈ নুঠিল। উল্লেখ যোগ্য যে Assam Lnad Policy ১৯৮৯ৰ মতে গাঁও পঞ্চায়তৰ এলেকাত কোনো লোকে চৰকাৰী ভূমিত তিনি বছৰ ধৰি মাটি ভোগ দখল কৰি থাকিলে কবুলা দৰ্খাস্তৰ জৰিয়তে মাটি ম্যাদীকৰণৰ বাবে আবেদন জনাব পাৰে। সেই নীতিৰ আধাৰতে এই কৃষকসকলে শীঘ্ৰে মাটিৰ অধিকাৰ প্ৰদানৰ দাবী কৰে। সেই অনুসৰি চৰগুৱা পশ্চিম জীয়ামাৰী অঞ্চলত উৰ্বৰা কৃষিভূমি অতি কমেও এবিঘা মাটিত ৫০ লাখ টকা ক্ষতিপূৰণ হ'ব লাগে। কমিউনিষ্ট পাৰ্টীয়ে চৰকাৰক দাবী জনাইছে যে দখলীকৃত ৰাইজক প্ৰথমে ম্যাদীপট্টা প্ৰদান কৰিব লাগে বা পিছত উপযুক্ত ক্ষতিপূৰণৰ ব্যৱস্থাৰে আইন অনুসৰি বিষয়টো সমাধানৰ ব্যৱস্থা কৰাৰো দাবী কৰে। ভাৰতবৰ্ষৰ সংবিধান অনুসৰি মাটিৰ বিষয়টো ৰাজ্য চৰকাৰৰ অধীনৰ। গতিকে কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিষ্ঠান এটাক ভূমি হস্তান্তৰ কৰাৰ আগতে অসম চৰকাৰে থলুৱা কৃষকসকলক মাটিৰ অধিকাৰ প্ৰদান কৰক। মুখ্যমন্ত্ৰীয়ে সমগ্ৰ বিষয়টো নিৰীক্ষণ কৰি ভূমিহীন থলুৱা লোকসকলক এই বিষয়টোৰ ওপৰত যথোপযুক্ত ব্যৱস্থাৰ জৰিয়তে ঐতিহাসিক চৰগুৱা অঞ্চলৰ পশ্চিম জীয়ামাৰীত মাটিৰ অধিকাৰ প্ৰদান কৰিবলৈ দাবী জনায়।

#### ৩১ বছৰে কৃষকক জলাকলা খুৱাই অহা ২৭ লাখ টকীয়া নাওপোটা জান পানীদুৱাৰ আঁচনিৰ মেৰামতি কেতিয়া?
## ২০০৪ চনত বানত ছিগা মথাউৰিও নহ'ল মেৰামতি

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম দৰং, ১৩ ছেপ্টেম্বৰ ঃ** মঙলদৈ জলসম্পদ বিভাগৰ মাৰাত্মক ভুল আঁচনিৰ বাবেই সুদীৰ্ঘ ৩১ বছৰে জলকলা খাই আহিছে পশ্চিম দৰঙৰ নাওপোটা, দুৰদুৰীয়া, চমুখা, ঘোপেলী, বাঘমাৰা, বগাচলা আদি ছয়- সাতখনকৈ গাঁৱৰ কৃষক ৰাইজ। জানিব পৰা মতে নৱৈৰ দশকতে দৰঙৰ পশ্চিমাঞ্চলৰ দিমীলা নদীৰ পূব দিশৰ মথাউৰিত নাওপোটাজান পানীদুৱাৰ আঁচনি শীৰ্ষক এক আঁচনি গ্ৰহণ কৰি ২৭ লাখ টকা অনুমোদন কৰা হৈছিল। যাৰ পিছত বিভাগৰ আশীৰ্বাদপুষ্ট ঠিকাদাৰে ৰূপায়ণ কৰিব লৈ ৰাইজৰ চকু কপালত তোলে। প্ৰাপ্ত অভিযোগ অনুসৰি পানী দুৱাৰখন নিৰ্মাণত কৃষক ৰাইজৰ খেতিপথাৰৰ পৰা চাৰি ফুট ওখকৈ দুৱাৰখন নিৰ্মাণ কৰে। যি কাৰ্য দেখি ৰাইজে বিভাগৰ বিষয়াক পানী দুৱাৰখনৰ পৰা ভৱিষ্যৎ হ'ব পৰা বিপদৰ কথা অৱগত কৰি আঁচনিখন খেতিপথাৰৰ লগত মিলাই নিৰ্মাণ কৰাৰ বাবে অনুৰোধ জনায়। কিন্তু বিভাগৰ বিষয়াসকলে ৰাইজৰ অভিযোগক তিলমানো গুৰুত্ব নিদি নিজৰ কৰা মতে কৰি কাম শেষ কৰি গুচি যায়। যাৰ কুফল হিচাপে খেতিপথাৰৰ 'দ' ঠাইৰ পানী ভাগ পানীদুৱাৰখনেৰে ওলাই যাব নোৱাৰাৰ বাবে বাৰিষা কালত সাগৰসদৃশভাৱে পানী জমা হৈ থকাত কৃষকসকলে প্ৰতিটো বছৰে শালি ধানৰ খেতি কৰিব নোৱাৰে। অচল আঁচনিখন বছৰ বছৰ ধৰি পৰি থকাৰ পিছত হাবি-জংঘলে আগুৰি ধৰি অৰণ্যময় কৰি তুলিছে। ৰাইজে বিভাগৰ ওচৰত বন্ধ হৈ থকা আঁচনিখন কাৰ্যক্ষম কৰি কৃষিজীৱী ৰাইজৰ উপকাৰ কৰাৰ বাবে বহুবাৰ আবেদন-নিবেদন কৰিলে যদিও ৰাইজৰ আবেদনক কোনো গুৰুত্ব দিয়া নহ'ল। স্থানীয় বিধায়ক বহুকেইজন সলনি হ'ল যদিও পানী দুৱাৰখনহে সলনি কৰাৰ বাবে একো নকৰিলে। পৰিৱৰ্তনকামী চৰকাৰখনৰ পৰা ৰাইজে আশা পালিছে যদিও এতিয়ালৈ হা-না একো নোহোৱাত ৰাইজ হতাশ হৈ পৰিছে। জানিব পৰা মতে আঁচনিখন আজি কেইমাহ মানৰ আগতে বৰ্তমানৰ ছিপাঝাৰৰ বিধায়ক পৰমানন্দ ৰাজবংশীয়েও পৰিদৰ্শন কৰি মেৰামতি কৰাৰ কথা ব্যক্ত কৰিছিল যদিও দিন-মাহ বাগৰি যোৱাৰ পিছতো একো এটা ৰাইজে দেখা নোপোৱাত ভৱিষ্যতৰ চিন্তাত হতাশাত ভুগিছে। আনহাতে, উল্লিখিত পানী দুৱাৰখনৰ পৰা পঞ্চাশ মিটাৰ দূৰত্বত ২০০৪ চনতে দিমীলা নদীৰ বাঢ়নী পানীৰ তীব্ৰ সোঁতে উক্ত মথাউটোৰ প্ৰায় পঞ্চাশ মিটাৰ দৈৰ্ঘ্যজুৰি ছিগি পেলোৱাৰ পিছত আজিও মেৰামতি নোহোৱাকৈ পৰি থাকিল মথাউৰিৰ ছিগা অংশ। যাৰ বাবে প্ৰতিটো বছৰতে পানীৰ বাবে কৃষক ৰাইজে শালিধানৰ খেতি কৰিব নোৱাৰাৰ বাবে অৰ্থনৈতিকভাৱে দুৰ্বল হৈ পৰিছে।

## অগপ সমৰ্থক হোৱা বাবেই আজিও অনুন্নত উত্তৰ গুৱাহাটীৰ এটি অঞ্চল

**দৈনন্দিন বাৰ্তাৰ সেৱা, চাংসাৰি, ১৩ ছেপ্টেম্বৰ ঃ** উত্তৰ গুৱাহাটীৰ বাট-পথৰ দুৰৱস্থাই মুখ্যমন্ত্ৰীৰ সমষ্টি উন্নয়নৰ প্ৰতি খোদ মুখ্যমন্ত্ৰী দায়বদ্ধতা স্পষ্ট ৰূপত ওলাই পৰিছে। যদিও জালুকবাৰী সমষ্টিৰ উন্নয়ন অসমৰ শীৰ্ষত বুলি কোৱা হয়, সেয়া যেন ভিতৰে ৰং-চং বাহিৰে কোৱাভাতুৰীৰ লেখীয়াহে। খোৱাপানী, চিকিৎসালয়, শিক্ষানুষ্ঠান, যাতায়াত ব্যৱস্থা সকলোতে পিছপৰা জালুকবাৰী সমষ্টিৰ উত্তৰ গুৱাহাটী অঞ্চল। বিশেষকৈ বাট-পথ যাতায়াতৰ ক্ষেত্ৰত অতি পুতৌ লগা হৈ পৰিছে এই অঞ্চলটি। উত্তৰ গুৱাহাটীৰ অতি ব্যস্ত পথ ৰুদ্ৰেশ্বৰ ৰহধলা হৈ ২৭নং ৰাষ্ট্ৰীয় ঘাইপথ সংলগ্ন। এই পথছোৱাত বিগত সাত বছৰে কোনো মেৰামতি নোহোৱাত খাল-বাম হৈ ব্যৱহাৰৰ কাহানিবাই অনুপযোগী হৈ আছে। তাতে জাইকাৰ পাইপ বহুৱা আৰু জনস্বাস্থ্য কাৰিকৰী বিভাগৰ এটি মৃত পানী যোগান আঁচনিৰ পাইপ বহুৱাৰ নামত খান্দি মাটিৰে পূৰ নকৰাত বহু দুৰ্ঘটনা হৈ আহিছে। ইফালে, পথছোৱা প্ৰধানমন্ত্ৰীৰ গ্ৰাম চড়ক যোজনাৰ অধীনত নিৰ্মাণৰ ঠিকা লাভ কৰা বিতৰ্কিত ঠিকাদাৰ ছেৰু খানৰ পালমৰা কামৰ বাবে নিৰ্মাণৰ পিছতে দ খালৰ সৃষ্টি হৈছিল। বৰষুণৰ পানী গাঁতত ভৰি পৰাত ব্যস্ততাপূৰ্ণ পথছোৱাত সঘনাই দুৰ্ঘটনা সংঘটিত হৈ আহিছে। আমিনগাঁও লোকনিৰ্মাণ বিভাগৰ অভিযন্তাই পৰ্যৱেক্ষণ কৰি শীঘ্ৰে ব্যৱস্থা লোৱাৰ আশ্বাস দিও আজি সাত বছৰে একো এটা নকৰাৰ অভিযোগ। বৰ্তমান নৱগঠিত পৌৰসভা এলেকাৰ অধীন পথছোৱাত আজিকোপতি নলা নিৰ্মাণ নোহোৱাত বৰষুণৰ পানীৰে একাকাৰ হৈ পৰাত পথছাৰী তথা বাহন আৰোহী দুৰ্ঘটনাগ্ৰস্ত হৈ আহিছে। অভিযোগ অনুসৰি, হিমন্ত বিশ্ব শৰ্মাৰ কংগ্ৰেছ আমোলত অঞ্চলটিৰ লোকসকল অগপমুখী আছিল। যাৰ বাবে তেতিয়াৰ পৰা সেই অঞ্চলটিত কোনো চৰকাৰী আঁচনিয়ে আজিও ঢুকি নাপায় বুলি অভিযোগ উত্থাপন হৈছে। কোনো চৰকাৰী আঁচনিৰে অংশীদাৰ হ'বলৈ নাপায় তথা বোকা-পানীৰ পথছোৱাই এতিয়া অঞ্চলটিৰ লোকক বিজেপি চৰকাৰৰ স্বাৰ্থপৰতাৰ বাবে আমুৱাইছে। যাৰ বাবে আগন্তুক লোকসভা নিৰ্বাচনত শাসনাধিষ্ঠিত দলটোক উচিত শিক্ষা দিয়াৰ বাবে ৰহধলা-ৰুদ্ৰেশ্বৰৰ ভোটাৰে টঙালি বান্ধিছে বুলি জানিব পৰা গৈছে।

## উপায়ুক্তৰ অধ্যক্ষতাত জিলা উন্নয়ন সমিতিৰ সভা সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ১৩ ছেপ্টেম্বৰ ঃ** শিৱসাগৰ জিলাৰ নৱনিযুক্ত উপায়ুক্ত আদিত্য বিক্ৰম যাদৱৰ অধ্যক্ষতাত আজি শিৱসাগৰ খণ্ড উন্নয়ন বিষয়া কাৰ্যালয়ৰ সভাকক্ষত শিৱসাগৰ জিলাৰ জিলা উন্নয়ন সমিতিৰ সভা অনুষ্ঠিত হৈ যায়। উক্ত সভাত জিলাখনৰ বিভিন্ন বিভাগৰ অধীনত সমাপ্ত হোৱা আৰু বৰ্তমান চলি থকা আঁচনিসমূহৰ অগ্ৰগতিৰ বিষয়ে পুংখানুপুংখভাৱে আলোচনা কৰা হয়। আজিৰ সভাত কৃষি, উদ্যোগ আৰু বাণিজ্য, পশুপালন আৰু পশুচিকিৎসা, শিক্ষা, পৰিৱেশ আৰু বন, মীন, ৰেচম, লোকনিৰ্মাণ গৃহ আৰু লোকনিৰ্মাণ পথ, খাদ্য আৰু অসমাৰিক যোগান, জলসম্পদ, অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান, ভূমি সংৰক্ষণ, প্ৰদূষণ নিয়ন্ত্ৰণ, পুৰাতত্ত্ব, শ্ৰম, সমাজকল্যাণ আদিকে ধৰি বিভিন্ন বিভাগৰ কামৰ অগ্ৰগতিৰ খতিয়ান লয় উপায়ুক্ত আদিত্য বিক্ৰম যাদৱে। উল্লেখ্য যে আজিৰ সভাত উপায়ুক্তগৰাকীয়ে বিভাগসমূহক পৰামৰ্শ প্ৰদান কৰি ৰাইজৰ কল্যাণৰ স্বাৰ্থত আঁচনিসমূহ ফলপ্ৰসূভাৱে আৰু সময়মতে সম্পন্ন কৰিবলৈ আহ্বান জনায়। আজিৰ এই জিলা উন্নয়ন সমিতিৰ সভাত উপায়ুক্তৰ উপৰিও জিলা উন্নয়ন আয়ুক্ত শোভন গোৱলা, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া অশ্বিনী দলে, অতিৰিক্ত উপায়ুক্তদ্বয়, চন্দনা বৰুৱা, মন্দিৰা বৰুৱা, নাজিৰা মহকুমাৰ মহকুমাধিপতি সব্যসাচী কাশ্যপ, জিলাখনৰ বিভিন্ন বিভাগৰ বিভাগীয় মুৰব্বী বিষয়াসকলৰ লগতে উপায়ুক্ত কাৰ্যালয় আৰু শিৱসাগৰ খণ্ড উন্নয়ন বিষয়া কাৰ্যালয়ৰ বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে।

#### চেঙাৰ ম'হচৰাত বোৱাৰীক হত্যা কৰি আত্মহত্যাৰ ৰূপ দিয়াৰ অভিযোগ
## স্বামীসহ পৰিয়ালৰ কে'বাজনো লোকৰ বিৰুদ্ধে গোচৰ ৰুজু

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগৰবেৰা, ১৩ ছেপ্টেম্বৰ ঃ** বৰপেটা জিলাৰ চেঙা সমষ্টিৰ কাছুমাৰা থানাৰ অন্তৰ্গত ম'হচৰাত আজি এগৰাকী বোৱাৰীৰ ৰহস্যজনকভাৱে মৃত্যু হোৱাৰ পিছত বোৱাৰীগৰাকীৰ পিতৃ পৰিয়ালে ইয়াক এক পৰিকল্পিত হত্যাকাণ্ড বুলি অভিযোগ উত্থাপন কৰিছে। এই ঘটনাটোৱে সমগ্ৰ অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে ম'হচৰা গাঁৱৰ বাসিন্দা বাহাৰুল ইছলামৰ কন্যা নীলিমা খাতুনৰ (১৯)একেখন গাঁৱৰে ৰেজ্জাক আলীৰ পুত্ৰ মৃদুল হকৰ লগত ৯ মাহ পূৰ্বে সামাজিকভাৱে বিয়া হৈছিল। অভিযোগ মতে, বিয়াৰ কিছুদিন পিছৰ পৰাই স্বামী মৃদুল হক আৰু তেওঁৰ পৰিয়ালৰ একাংশ সদস্যই যৌতুকজনিত কাৰণত বিভিন্ন সময়ত বোৱাৰী নীলিমা খাতুনক শাৰীৰিক আৰু মানসিকভাৱে নিৰ্যাতন চলাই আহিছিল। যৌতুকজনিত কাৰণত স্বামী-স্ত্ৰী দুয়োৰে মাজত প্ৰায়ে সংঘাত চলি আহিছিল। এনে সংঘাতৰ মাজতে আজি নিচেই পুৱাতে বোৱাৰীগৰাকীৰ মৃতদেহ চিপ লোৱা অৱস্থাত উদ্ধাৰ হোৱা ঘটনাই ৰহস্যৰ সৃষ্টি কৰিছে। বোৱাৰীগৰাকীৰ পিতৃ পৰিয়ালে ইয়াক এক পৰিকল্পিত হত্যাকাণ্ড বুলি অভিযোগ উত্থাপন কৰিছে। তদুপৰি কেৱল যৌতুকজনিত কাৰণতেই হত্যা কৰি আত্মহত্যাৰ ৰূপ দিয়া বুলি অভিযোগ উত্থাপিত হৈছে। এই চাঞ্চল্যকৰ হত্যাকাণ্ডৰ খবৰ পাই ঘটনাস্থলীত বহু লোকৰ সমাগম ঘটে। পিছত ৰাইজৰ পৰা খবৰ পাই ঘটনাস্থলীত কাছুমাৰা আৰক্ষীৰ এটি দল উপস্থিত হৈ পৰিস্থিতিৰ বুজ লয়। আৰক্ষীয়ে ইতিমধ্যে বোৱাৰীগৰাকীৰ মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে বৰপেটাৰ ফখৰুদ্দিন আলী আহমেদ চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰিছে। ইতিমধ্যে ন্যায় বিচাৰি মৃত বোৱাৰীগৰাকীৰ পিতৃ পৰিয়ালে স্বামী মৃদুল হকসহ কে'বাজন লোকৰ বিৰুদ্ধে কাছুমাৰা আৰক্ষী থানাত এখন এজাহাৰ দাখিল কৰা বুলি জনা গৈছে। অৱশ্যে কাছুমাৰা আৰক্ষীয়ে বাতৰি যুগুতোৱালৈ কোনো এজন অভিযুক্তক আটক কৰিবলৈ সক্ষম হোৱা নাই। উল্লেখ্য, এয়া সঁচাই হত্যাকাণ্ড নে আত্মহত্যা সেয়া মৰণোত্তৰ পৰীক্ষাৰ ফলাফলত স্পষ্টকৈ ওলাই পৰিব। সেয়ে ভুক্তভোগী পৰিয়ালৰ লগতে স্থানীয় আমছুৰ কৰ্মকৰ্তাই উক্ত ঘটনাটোৰ এক উচ্চ পৰ্যায়ৰ নিৰপেক্ষ তদন্ত কৰি দোষীসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ বৰপেটা আৰক্ষী প্ৰশাসনক দাবী জনাইছে।

## বাক্সাৰ আনন্দপুৰ চিল্লকত শ্ৰীশ্ৰী লক্ষ্মী পূজাৰ আয়োজন

**দৈনন্দিন বাৰ্তাৰ সেৱা, মুছলপুৰ, ১৩ ছেপ্টেম্বৰ ঃ** শৰতৰ আগমনৰ লগে লগে জী উঠিছে পূজাথলীসমূহ। আয়োজক সমিতিসমূহ সাজু হৈ উঠিছে। ব্যতিক্ৰম নহয় বাক্সা জিলাৰ আনন্দপুৰ চিল্লকবাসী। এই উপলক্ষে কিছুদিন পূৰ্বে গঠন হয় ৪১সংখ্যক আনন্দপুৰ চিল্লক শ্ৰীশ্ৰীলক্ষ্মী পূজা উদ্‌যাপন সমিতি। অঞ্চলটোৰ জ্যেষ্ঠ ব্যক্তি জ্যোতিষ পাঠকক সভাপতি হিচাপে মনোনীত কৰি প্ৰদীপ দাসক উপ-সভাপতি, প্ৰসেনজিৎ কলিতাক সাধাৰণ সম্পাদক হিচাপে আৰু ৰিদীপজ্যোতি দাসক সহঃ সম্পাদক হিচাপে নিৰ্বাচন কৰি মুঠ ১০জনীয়া উদযাপন সমিতি গঠন কৰা হয়। সমিতিয়ে জানিব দিয়া অনুসৰি ১০ আৰু ১১ অক্টোবৰত নৃত্য প্ৰতিযোগিতা, ১১ অক্টোবৰত নৃত্য প্ৰতিযোগিতাৰ অন্তত নটৰাজ এমেচাৰ নাট্য গ্ৰুপৰ দ্বাৰা নাট প্ৰদৰ্শন অনুষ্ঠিত হ'ব। আনহাতে, ১২ অক্টোবৰৰ সাংস্কৃতিক সন্ধিয়াত অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী বাবু বৰুৱা আৰু প্ৰিয়ংকা কলিতাই সংগীতানুষ্ঠান পৰিৱেশন কৰিব। উল্লেখ্য যে সমগ্ৰ বিশ্বত ত্ৰাসৰ সৃষ্টি কৰা কোৰোনা মহামাৰীৰ ভয়াৱহ সংক্ৰমণৰ পিছতে ৩ বছৰৰ অন্তত উলহ-মালহেৰে পূজাৰ আয়োজন কৰা হৈছে বুলি সহঃ সম্পাদক ৰিদীপজ্যোতি দাসে জানিব দিয়ে।


*সমাগত দুৰ্গা পূজা... দুৰ্গা দেৱীৰ প্ৰতিমা নিৰ্মাণত ব্যস্ত শিল্পী, তেজপুৰত*

## এজন মেধাৱী ছাত্ৰৰ ম'বাইল ফোন আৰু লেপটপ ব্যৱহাৰৰ যোগাত্মক প্ৰভাৱ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বাহনা, ১৩ ছেপ্টেম্বৰ ঃ** বৰ্তমান সময় হৈছে উন্নত প্ৰযুক্তি বিদ্যা আৰু কলা-কৌশলৰ সময়। যিটো সময়ক কোৱা হৈছে ডিজিটেল যুগ। বিশেষতঃ বৰ্তমান চৰকাৰেও ডিজিটেল ইণ্ডিয়া নামকৰণেৰে সমগ্ৰ ভাৰতবৰ্ষক বিশ্বৰ লগত ফেৰ মাৰিব পৰাকৈ প্ৰতিজন নাগৰিকৰ আঙুলিৰ স্পৰ্শত সকলো কাম সমাধানৰ দ্ৰুতগতিত আজিৰ প্ৰজন্ম ব্যস্ত হৈ পৰিছে। এচাম উঠি অহা প্ৰজন্মই এই ম'বাইল ফোন বা লেপটপৰ সুপ্ৰয়োগৰ ফলত নিজকে প্ৰতিষ্ঠিত কৰাৰ উপৰিও দেশৰ প্ৰগতিত যোগাত্মক অৰিহণা যোগাইছে। কিন্তু অন্য এচামৰ হয়তো এই মাধ্যমসমূহৰ অপপ্ৰয়োগৰ ফলত নিজৰ জীৱন, ঘৰ সংসাৰ নিঃশেষ হোৱাৰ বাতৰিও সততে শুনিবলৈ পোৱা যায়। একাংশ ছাত্ৰ- ছাত্ৰীৰ এই মাধ্যমৰ অপপ্ৰয়োগে ধ্বংসৰ মুখে গতি কৰাও পৰিলক্ষিত হৈছে। তেনে এক পৰিস্থিতিত মাজুলীৰ গড়মূৰস্থিত মেধাসম্পন্ন ছাত্ৰ তনয় বৰাই আদৰ্শগত এক নিদৰ্শন দাঙি ধৰিছে। তনয়ে লাভ কৰিছিল হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱাৰ বাবে আনন্দৰাম বৰুৱা বঁটা অৰ্থাৎ এটা লেপটপ। সেই লেপটপ লাভ কৰিয়ে ছাত্ৰ তনয় বৰাই সপোন দেখিছিল এখন বাতৰি কাকত প্ৰকাশ কৰাৰ। সপোন বাস্তৱত ৰূপ দিয়াৰ পৰিকল্পনা হাতত লৈ ছাত্ৰ জীৱনৰ ১৮টা বসন্ততে 'অসম বাৰ্তা' নামেৰে এখন বাতৰি কাকত প্ৰকাশৰ কাম হাতত লৈ ম'বাইল ফোন ( ভ্ৰাম্যভাষ যন্ত্ৰ)ৰ যোগেদি প্ৰচাৰ চলালে অসমৰ পূব-পশ্চিম, উত্তৰ-দক্ষিণ চাৰিওদিশে। অসম বাৰ্তা নামেৰে সাপ্তাহিকভাৱে ডিজিটেল পদ্ধতিৰে প্ৰকাশ কৰিবলৈ লোৱা বাতৰি কাকতখনৰ লগত চাৰি দিশৰ সংবাদদাতাই সহযোগ আগবঢ়োৱাৰ উপৰি অসমৰ সাহিত্য-সংস্কৃতি আৰু ক্ৰীড়া জগত, গুণী-জ্ঞানী লেখক-লেখিকা আৰু বৌদ্ধিক মহলৰ বহুকেইজন লেখক-বুদ্ধিজীৱীয়ে কাকতখনৰ প্ৰতি আকৰ্ষিত হৈ প্ৰত্যক্ষভাৱে সংপৃক্ত হৈ পৰিলে। ফলত বৰ্তমান অধ্যয়নৰত মেধাৱী ছাত্ৰজনে প্ৰকাশিত বাতৰি কাকতখনৰ চৰকাৰী নীতিগত পঞ্জীয়নৰ পৰা আদি কৰি সকলো ব্যৱস্থা সম্পন্ন কৰি তুলিছে। তাৎপৰ্যপূৰ্ণ যে এজন অধ্যয়নৰত ছাত্ৰ তনয়ে সম্পাদনা কৰা অসম বাৰ্তা নামৰ সাপ্তাহিক বাতৰি কাকতখনে পঢ়ুৱৈ সমাজৰ সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে আৰু এখন উন্নত মানৰ বাতৰি কাকত হিচাপে ৰাইজৰ মৰম আদায় কৰিছে। তিনিটা বসন্ত গৰকিবলৈ আগবঢ়া অসম বাৰ্তা সাপ্তাহিক কাকতখন প্ৰকাশৰ দায়িত্ব এজন কম বয়সীয়া ছাত্ৰই সুকলমে পৰিচালনা কৰাটো আজিৰ প্ৰজন্ম আৰু সমাজৰ বাবে আদৰ্শৰ প্ৰতীক হৈছে বুলি সচেতন পঢ়ুৱৈ সমাজে মত পোষণ কৰিছে।

## নগাঁও জিলা গ্ৰাহক সুৰক্ষা সমিতিৰ সভাপতি হৰেন শইকীয়াৰ বিয়োগ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১৩ ছেপ্টেম্বৰ ঃ** নগাঁও জিলা গ্ৰাহক সুৰক্ষা সমিতিৰ সভাপতি, শ্ৰীমন্ত শংকৰদেৱ সংঘৰ এগৰাকী একনিষ্ঠ সেৱক, ভাৰতীয় ৰে'ল বিভাগৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী হৰেন শইকীয়াৰ আজি বিয়লি ৩.২০ বজাত নগাঁও চহৰৰ খুঁটিকটীয়াৰ নিজা বাসভৱনত পৰলোকপ্ৰাপ্তি ঘটে। তেওঁ মধুমেহ, হৃদৰোগ আদিত ভুগি আছিল। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৭৬ বছৰ। নগাঁও জিলাৰ ৰাইদঙীয়াত জন্মগ্ৰহণ কৰা শইকীয়াই কৰ্মসূত্ৰে নগাঁও চহৰতে নিগাজীকৈ বাস কৰিবলৈ লয় আৰু বিভিন্ন সামাজিক কাম-কাজৰ সৈতে জড়িত হৈ পৰে। মৃত্যুৰ সময়ত তেওঁ পত্নী আৰু দুগৰাকী কন্যাসহ বহু ইষ্ট-কুটুম্বক ইহ সংসাৰত এৰি যায়। তেওঁৰ বিয়োগত নগাঁও জিলা গ্ৰাহক সুৰক্ষা পৰিষদৰ সম্পাদক লীলা বৰাই গভীৰ শোক প্ৰকাশ কৰিছে।

#### মৰিগাঁৱৰ নৱনিযুক্ত উপায়ুক্তক সাক্ষাৎ জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, মৰিগাঁও জিলা সমিতিৰ
## জিলাখনৰ মূল সমস্যা সমাধানৰ দাবীত ৬দফীয়া স্মাৰক-পত্ৰ প্ৰদান

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰিগাঁও, ১৩ ছেপ্টেম্বৰ ঃ** আজি অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, মৰিগাঁও জিলা সমিতিৰ এটা দলে জিলাখনৰ নৱনিযুক্ত উপায়ুক্ত দেবাশিস শৰ্মাক সাক্ষাৎ কৰে। জিলা সমিতিৰ সভাপতি জ্যোতিৰ্ময় গোস্বামী আৰু সাধাৰণ সম্পাদক মিৰ্জা আৰিফ আলমৰ নেতৃত্বত যোৱা দলটোৱে জিলাখনৰ মূল সমস্যাসমূহ উল্লেখ কৰি ৬ দফীয়া দাবীসম্বলিত স্মাৰক-পত্ৰ প্ৰদান কৰে। সংগঠনটোৰ জিলা নেতৃত্বই সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা এক বিবৃতিত উল্লেখ কৰে যে মৰিগাঁও জিলাখন ঘোষণা হোৱা তিনি দশক অতিক্ৰম কৰিলে যদিও বৰ্তমান জিলাখন বিভিন্ন সমস্যাৰে জৰ্জৰিত। স্বাস্থ্য, শিক্ষা, ৰাজপথ আদি যদি উন্নয়ন নহয়, তেন্তে নিশ্চিতভাৱে জিলাখনৰ উন্নয়ন ক'ৰবাত স্থবিৰ হ'ব। অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, মৰিগাঁও জিলা সমিতিয়ে জিলাখনৰ সৰ্বাঙ্গীন উন্নয়নৰ স্বাৰ্থত মূল সমস্যাসমূহ চৰকাৰ তথা প্ৰশাসনৰ দৃষ্টিগোচৰ কৰিবলৈ ৰাজপথৰ সংগ্ৰামখনি ধাৰবাহিকভাৱে অব্যাহত ৰাখিব। কিন্তু এই সমস্যাসমূহ সমাধানৰ ক্ষেত্ৰত উপায়ুক্তগৰাকীৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ হ'ব। স্মাৰক-পত্ৰত উল্লেখ কৰা অনুসৰি, বানে গৰকা মৰিগাঁও জিলাত প্ৰধান সমস্যা হৈছে বানপানী আৰু খহনীয়াৰ সমস্যা। খহনীয়া সমস্যাৰ এক স্থায়ী সমাধানৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। জিলাখনৰ সদৰ স্থানৰ কে'বাটাও স্থানত এজাক বৰষুণতে কৃত্ৰিম বান হয়। বিশেষকৈ মৰিগাঁও অসামৰিক চিকিৎসালয়খনলৈ মূলপথৰ পৰা সোমাওঁতেই এক পুখুৰীসদৃশ দৃশ্য। ই এক উদাহৰণহে মাত্ৰ। এই সমস্যাসমূহ সমাধান কৰিবলৈ আহ্বান জনায়। চৰকাৰ তথা প্ৰশাসনে মৰিগঞাক লগত লৈ জিলা দিৱস উদ্‌যাপন কৰিবলৈ গৈ আছে। জিলাখনৰ এক জাতীয় সংগঠন হিচাপে এই কাৰ্যক আদৰণি জনায়। কিন্তু তিনি দশক অতিক্ৰম কৰা এই জিলাখনত আজিলৈ এখনো বাণিজ্য শাখাত অধ্যয়ন কৰিব পৰাকৈ স্নাতক ডিগ্ৰী চৰকাৰী মহাবিদ্যালয় নথকাত আক্ষেপ কৰে। সেয়েহে জিলাখনত থকা প্ৰতিখন চৰকাৰী মহাবিদ্যালয়ত কলা শাখাৰ সমান্তৰালকৈ বিজ্ঞান আৰু বাণিজ্য শাখা প্ৰৱৰ্তন কৰাৰ হেতুকে বিভাগীয় কাম-কাজ আগবঢ়াবলৈ আহ্বান জনায়। জিলাখনৰ বিভিন্ন প্ৰান্তৰ একাংশ প্ৰাথমিক বিদ্যালয় আৰু মাধ্যমিক বিদ্যালয়ৰ অৱস্থা পুতৌজনক। প্ৰায়সংখ্যক বিদ্যালয়ত কাৰ্যালয় সহায়ক আৰু চকীদাৰ অবিহনে পৰিচালনা হৈ আছে। এইখন জিলাতেই শিক্ষকৰ অভাৱত মধ্যাহ্ন ভোজনৰ ৰান্ধনীয়ে পাঠদান কৰোৱাৰ উদাহৰণ আছে। বিশেষকৈ প্ৰাথমিক আৰু মাধ্যমিক পৰ্যায়ত যদি এগৰাকী শিক্ষাৰ্থীক নিপুন কৰি আনিব নোৱাৰি তেন্তে নিশ্চিতভাৱে সেইগৰাকী শিক্ষাৰ্থী উচ্চ শিক্ষাৰ পৰা বঞ্চিত হ'ব। তদুপলক্ষে উপায়ুক্তয়ে জিলাখনৰ শৈক্ষিক দিশৰ ভেটি সবল কৰাৰ স্বাৰ্থত এই সমস্যা সমাধান কৰিবলৈ আহ্বান জনায়। বিদ্যালয় এখন সুস্থিৰভাৱে পৰিচালনা হ'বলৈ নিশ্চিতভাৱে এখন পূৰ্ণাঙ্গ পৰিচালনা সমিতিৰ প্ৰয়োজন। আজিৰ পৰা কিছুদিনৰ পূৰ্বে পৰিচালনা সমিতিসমূহ পুনৰ গঠন প্ৰক্ৰিয়াৰ প্ৰাৰম্ভিক কাম-কাজ আগবাঢ়িল যদিও সেই কাৰ্যত কিছু ৰাজনৈতিক উমান পোৱা গৈছিল। যিটো কাৰ্যৰ সংগঠনটোৱে ঘোৰ বিৰোধিতা কৰিছিল। বিদ্যালয়সমূহ সুস্থিৰভাৱে পৰিচালিত হ'বলৈ পৰিচালনা সমিতিখন শক্তিশালী হ'ব লাগিব। কিয়নো, জিলাখনৰ একাংশ শিক্ষক-শিক্ষয়িত্ৰী নিৰ্দিষ্ট সময়ত বিদ্যালয়ত উপস্থিত নহয়। সংগঠনৰ সতীৰ্থসকলে বহুবাৰ বহুকেইগৰাকী শিক্ষক-শিক্ষয়িত্ৰীৰ বিৰুদ্ধে শিক্ষা বিভাগত অভিযোগ দি শাস্তি বিহিছে। বৰ্তমানে এই পৰিচালনা সমিতিসমূহৰ সময় সীমা উকলি গৈছে। সেয়েহে বিদ্যালয় সমূহৰ পৰিচালনা সমিতি সমূহ অৰাজনৈতিক ব্যক্তি সকলৰ জৰিয়তে পুনৰ গঠন কৰিবলৈ আহ্বান জনায়। স্বাস্থ্যৰ ক্ষেত্ৰতো জিলা খন বহু পিছ পৰা। জিলা খনত একমাত্ৰ অসামৰিক চিকিৎসালয় শ্বহীদ তিলক-হেমৰাম-গুণাভিৰাম অসামৰিক চিকিৎসালয়ৰ মাত্ৰ ফলক খনে সলনি হল। সলনি নহল আন্তঃগাঠনি, সলনি নহল পৰিষ্কাৰ-পৰিচ্ছন্নতা। চিকিৎসালয় খনত নিৰ্মিয়মান অৱস্থাত থকা আজিলৈ মুকলি কৰা নহল। এখন অসামৰিক চিকিৎসালয়ত সামান্য বেজী চিৰিঞ্জ আদিও ৰোগীয়ে বাহিৰত কিনিব লগা হয়। এই ক্ষেত্ৰত এক তৎকালীন ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনায়। জিলা খনৰ বিভিন্ন প্ৰান্তৰ ৰাজ্যিক চিকিৎসালয় হওক বা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰয়ে হওক; এই স্বাস্থ্য কেন্দ্ৰ সমূহৰ এজন চিকিৎসকৰ দ্বাৰা স্বাস্থ্য পৰীক্ষা চলি আছে। কিছু কিছু কেন্দ্ৰত নাই ফাৰ্মাচিচ, নাই চাফাই কৰ্মী। এই ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। বাট-পথৰ ক্ষেত্ৰতো জিলা খন অত্যন্ত পিছ পৰা। গণতান্ত্ৰিক মাধ্যমেৰে নিৰ্বাচিত এখন চৰকাৰ আৰু চৰকাৰৰ এটা বিয়োগোম লোক নিৰ্মাণ বিভাগ থকাৰ পিছতো জিলা খনত নাই কোনো চকুত লগা পথ। জাগীৰোড-মৰিগাঁও সংযোগী ভকতগাঁও স্থিত ঠেক দলং খনো নিৰ্মাণ কাৰ্য সম্পূৰ্ণ নহল। জিলাখনৰ সদৰ স্থানৰ পৰা মৈৰাবাৰী লাহৰীঘাট ভুৰাগাঁও যোৱা পথৰ একেবাৰে দূৰাৱস্থা। জিলা সদৰ সংযোগী বিভিন্ন প্ৰান্তৰ ঘাইপথ সমূহ মেৰামতি নাইবা পুনৰ নিৰ্মানৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। জিলা খনৰ আন এক সমস্যা হৈছে সদৰ স্থানত দুচকীয়া আৰু চাৰিচকীয়া বাহন ৰখাৰ বাবে সংৰক্ষিত আৰু সুৰক্ষিত ঠাইৰ অভাৱ। জিলা খনৰ হৃদপিণ্ড স্বৰূপ সদৰ স্থানত পুৱা ভাগৰে পৰা বিভিন্ন প্ৰান্তৰ লোক আহি উপস্থিত হয়। কিন্তু অতি পৰিত্ৰাপৰ বিষয়, সদৰ স্থানত উপস্থিত হৈয়ে কোনো নিৰ্দিষ্ট সুৰক্ষিত সংৰক্ষিত স্থান নাই যত ব্যক্তি গৰাকীয়ে নিৰ্ভয়ে নিজৰ বাহন খন ৰাখি কাম-কাজ কৰিব পাৰে। সেয়েহে এক সুৰক্ষিত স্থানত বাহন ৰখাৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। পুৱা ৮ বজাৰ পৰা সন্ধিয়া ৮ বজালৈ সদৰৰ মাজ-মজিয়াত গধুৰ যান-বাহন চলাচল কৰাৰ বিৰোধিতা কৰি তদানীন্তন উপায়ুক্তক আহ্বান জনাইছিল। এই আহ্বানৰ এক ফল ধৰিছিল যদিও বৰ্তমান প্ৰশাসনে শিথিল কৰা পৰিলক্ষিত হৈছে। গধুৰ যান-বাহনৰ দ্ৰুতি গতিৰ ফলত সদৰৰ মাজ-মজিয়াত কেইবাটাও দুৰ্ঘটনা পতিত হৈছে; যত নেকি ঘটনাস্থলিতেই মৃত্যু হৈছে। এই ক্ষেত্ৰত আজি এই স্মাৰক পত্ৰ জৰিয়তে পুনৰ দাবী জনাই পুৱা ৮ বজাৰ পৰা সন্ধিয়া ৮ বজালৈ গধুৰ যান-বাহন সদৰ মাজমজিয়াত চলাচল বন্ধ কৰাৰ। সমান্তৰাল ভাৱে সদৰৰ স্থানত থকা প্ৰতিখন ব্যৱসায়িক প্ৰতিষ্ঠানৰ নাম-ফলকসমূহ অসমীয়া ভাষাত লিখাৰ ব্যৱস্থা গ্ৰহণ কৰাৰ। অবিভক্ত নগাঁও জিলাৰ পৰা ১৯৮৯ চনত মৰিগাঁও এক সুকীয়া জিলা ৰূপে স্বীকৃতি দিয়া হয়। কিন্তু, বৰ্তমানলৈকে জিলা খনৰ তথ্য আৰু জনসংযোগ বিভাগৰ কাৰ্যালয় মহকুমা পৰ্যায়ত চলি আছে। এখন পূৰ্ণাংগ জিলাত চৰকাৰ তথা প্ৰশাসনৰ আটাইসমূহ বিভাগৰ কাৰ্যালয় পূৰ্ণাঙ্গ পৰ্যায়ত থকাতো নিত্যান্ত প্ৰয়োজন। এই কাৰ্যালয়টো জিলা পৰ্যায়ত উন্নীত কৰিবলৈ আহ্বান জনায়।

NEMCARE
Group of Institutions
NEMCARE GROUP OF INSTITUTIONS ESTD: 2017
Approved By: HFW Govt. of Assam, AICTE, PCI and INC Govt. of India, and IMA
Affiliated to: SSUHS, Govt. of Asssam, ASTU Govt. of Assam, ANC Govt of Assam
ADMISSION OPEN FOR 2022-23
OUR COURSES
- B Pharm
- BSc Nursing
- D Pharm
- GNM
- B Pharm (Lateral)
- Master in Hospital Administration

CALL NOW FOR MORE INFORMATION
*Special Scholarship Available
Education Loan Facilities Available
98540 07355
98540 07356
www.ngiguwahati.in
info@ngiguwahati.in
Campus: NH-37, Santipur, Mirza, Kamrup Asssam-781125
*T&C applicable

জাতি, মাটি আৰু দেশৰ সেৱাত
দৈনন্দিন বাৰ্তা

সম্পাদকীয়

১৪ ছেপ্টেম্বৰ ■ ২০২২ ■ ২৮ ভাদ

# বিৰোধীৰ আভ্যন্তৰীণ কন্দলত বিজেপিৰ ব্লুপ্ৰিণ্ট প্ৰস্তুত

২০২৪ চনত গেৰুৱা দল বিজেপিৰ শাসনৰ দ্বিতীয়বাৰৰ কাৰ্যকাল শেষ হ'ব। সেই বাবে দলটোৱে আগন্তুক নিৰ্বাচনত তৃতীয়বাৰৰ বাবে শাসনত অধিষ্ঠিত হ'বৰ বাবে জল্পনা-কল্পনা আৰম্ভ কৰিছে। অৱশ্যে এইক্ষেত্ৰত দেশৰ প্ৰথম প্ৰধান বিৰোধী দল কংগ্ৰেছৰ উপৰি এআইইউডিএফকে ধৰি অন্যান্য দলসমূহ আভ্যন্তৰীণ কন্দলত জৰ্জৰিত হৈ থকাৰ বাতৰি সংবাদ মাধ্যমত প্ৰকাশ পাই আহিছে। গেৰুৱা দলে সেই সুবিধা অথলে যাবলৈ দিব নোৱাৰে, সেয়েহে এই সময়তে সম্প্ৰতি নটা লোকসভা সমষ্টি শাসক দলে বিজেপিৰ দখলত ৰখাৰ চিন্তা চৰ্চা আৰম্ভ কৰিছে যদিও মুঠতে ১২টা লোকসভা সমষ্টি নিজৰ দখলত ৰখাৰ বাবে ব্লুপ্ৰিণ্ট যুগুতাইছে। মিত্ৰ দল অসম গণ পৰিষদ, ইউপিপিএলৰ সৈতে আসনৰ বুজাবুজি কৰিয়ে গেৰুৱা দলে লোকসভা নিৰ্বাচনত অৱতীৰ্ণ হ'ব যদিও পৰাপক্ষত ৰাজ্যৰ অতি কমেও ১২টা সমষ্টিত পদুম ফুলৰ চিহ্নত নিজা প্ৰাৰ্থী থিয় কৰোৱাৰ পৰিকল্পনা কৰিছে। সেয়ে এইবাৰ বৰপেটা আৰু কলিয়াবৰ দুটা সমষ্টিত বিজেপিয়ে দলৰ প্ৰাৰ্থী প্ৰক্ষেপ কৰাৰ পূৰ্ণ প্ৰস্তুতি চলাইছে। বিগত লোকসভাৰ নিৰ্বাচনত এই দুটাৰ বাহিৰে ধুবুৰী সমষ্টিত মিত্ৰদল অগপক এৰি দিছিল। কিন্তু মিত্ৰদলটোৱে কোনো এখন আসন লাভ কৰিব নোৱাৰিলে। সেয়ে এইবাৰ বিজেপিয়ে নিজৰ চিহ্নৰে নিৰ্বাচনত অৱতীৰ্ণ হোৱাৰ বাবে আগবাঢ়িছে। অৱশ্যে এইবাৰ নিজৰ প্ৰাৰ্থীৰো সাংসদে প্ৰাৰ্থিত্ব হেৰুৱাব পাৰে। তেওঁলোকক দলৰ আন সন্মানজনক দলীয় পদবীত অধিষ্ঠিত কৰিব। বৰ্তমানৰ গুৱাহাটী আৰু লখিমপুৰৰ সাংসদ দুগৰাকীক পুনৰ বিবেচনা কৰিব নোৱৰাৰ সম্ভাৱনাই অধিক। এই দুয়োটা সমষ্টিত বিজেপি দলে নতুন মুখৰ প্ৰাৰ্থিত্ব দিয়াৰ সম্ভাৱনাই অধিক। এটা সূত্ৰৰ মতে নজন বিজেপি সাংসদে বিগত পাঁচ বছৰত সংসদৰ মজিয়াত প্ৰদৰ্শন কৰা দুৰ্বল ভূমিকাৰ বাবেই দিল্লীয়ে নতুন মুখৰ প্ৰাৰ্থীক প্ৰাৰ্থিত্ব দিবৰ বাবে ব্লুপ্ৰিণ্ট যোগোৱা বুলি প্ৰকাশ। লগতে কেইবাজনো সাংসদে উচ্চ মহলৰ পৰা দূৰত্ব বঢ়াই থকাৰ অভিযোগ উঠিছে। এওঁলোকৰ ভূমিকা তেনেই হতাশজনক বুলি দিল্লী-দিছপুৰত চৰ্চিত হৈছে। এনেবোৰ কাৰণতেই এই সমষ্টিবোৰত শাসক দলটোৱে বিকল্প প্ৰাৰ্থীৰ ৰাজনৈতিক কুচকাৱাজ আৰম্ভ কৰিছে। আন দিশে বৰপেটা আৰু কলিয়াবৰ সমষ্টিও অগপৰ পৰিৱৰ্তে পদুম ফুলৰ চিহ্নত প্ৰাৰ্থী থিয় কৰোৱাৰ যাৱতীয় প্ৰক্ৰিয়া আৰম্ভ কৰিছে। ইতিমধ্যে বিজেপিয়ে বুথ শক্তিকৰণ কাৰ্যসূচী শক্তিশালী কৰি তুলিছে। কলিয়াবৰ আৰু বৰপেটা লোকসভা সমষ্টিৰ দায়িত্ব সৰ্বানন্দ সোণোৱাল আৰু ভুৱনেশ্বৰ কলিতাক অৰ্পণ কৰিছে। মুঠতে আন বাৰটা লোকসভা সমষ্টিত বিজেপিয়ে দলীয় প্ৰাৰ্থীক থিয় কৰাবলৈ কুচকাৱাজ কৰিছে। মন কৰিবলগীয়া কথাটো হৈছে ২০১৪ চনত সৰ্বানন্দ সোণোৱালৰ নেতৃত্বত মিত্ৰ দল নোহোৱা সত্ত্বেও কংগ্ৰেছক পৰাভূত কৰি চৈধ্যটা সমষ্টিৰ সাতটাতেই বিজয় সাব্যস্ত কৰিবলৈ সক্ষম হৈছিল। ইয়াৰ আগত অগপ প্ৰাৰ্থীয়ে দুয়োটাতে পৰাজয়বৰণ কৰিছিল। এনে প্ৰেক্ষাপটতে এইবাৰ কলিয়াবৰ আৰু বৰপেটা বিজেপিয়ে অগপক এৰি দিয়াৰ কথা ভবা নাই। বৰং দুয়োটা সমষ্টিতে নিজে প্ৰতিদ্বন্দ্বিতা কৰাৰ সিদ্ধান্ত চূড়ান্ত কৰিছে। কোকৰাঝাৰ সমষ্টিত ইউপিপিএল মৰ্চাৰ সমৰ্থন আগবঢ়োৱাৰ সম্ভাৱনা অধিক। ধুবুৰী লোকসভা সমষ্টি বিজেপিয়ে অগপক এৰি দিয়াৰ সম্ভাৱনা আছে। বিজেপি দলৰ কেন্দ্ৰীয়ই যোৱা বছৰকেইটাৰ কাৰ্যকালৰ খতিয়ান বিশ্লেষণ কৰিছে আৰু তাৰ পৰিপ্ৰেক্ষিতত স্বাভাৱিকতে নিৰ্বাচনৰ প্ৰাক্‌মুহূৰ্তত প্ৰাৰ্থিত্বক লৈ সন্দেহ ঘনীভূত হৈছে। এইক্ষেত্ৰত তেওঁলোক দল বা সংঘৰ প্ৰতি দায়বদ্ধ হোৱাৰ পৰিৱৰ্তে ব্যক্তিবিশেষৰ ওচৰতহে অধিক দায়বদ্ধ। এনে ক্ষেত্ৰত কেন্দ্ৰীয় নেতৃত্বৰ সিদ্ধান্তই শেষ হ'ব আৰু কাৰ ভাগ্য উন্মোচিত হৈ এতিয়াই কোৱা টান হ'ব। চূড়ান্তভাৱে নিৰ্ণয় কৰিব বিজেপিৰ সৰ্বোচ্চ ক্ষমতাশালী মঞ্চ সংসদীয় পৰিষদ আৰু কেন্দ্ৰীয় নিৰ্বাচন সমিতিয়ে।

## সম্পাদকলৈ চিঠি

মতামতৰ বাবে সম্পাদক দায়ী নহয়

### অসমৰ মুখ্যমন্ত্ৰী মহোদয়লৈ কৃতজ্ঞতা

সময়ৰ অবিৰত যাত্ৰা। ঋতুয়ে বাগৰ সলোৱাৰ দৰে সময়ৰ সোঁতে কঢ়িয়াই লৈ যায় জীৱনৰ চৰম প্ৰাপ্তিৰ মধুময় ক্ষণলৈ। প্ৰাপ্তিৰ আনন্দত জীৱনে যেতিয়া পূৰ্ণতা লাভ কৰে আৰু হৃত প্ৰেৰণাই পুনঃ মূৰ দাঙি উঠে। কাৰণ জীৱনৰ মাধুৰ্যতা আছে, যাৰ পৰশত কৃষ্টিৰ পথাৰত সৃষ্টিৰ বীজ ৰোপিত হয়। অসমৰ মাননীয় মুখ্যমন্ত্ৰীগৰাকীৰ নিত্য নব্য সৃষ্টিৰে অসমী আইৰ পূজাৰ বেদীত উৎসৰ্গিত কৰাৰ এই প্ৰয়াসক শতবাৰ প্ৰণাম জনাওঁ। মই এগৰাকী মুক্তিযুঁজাৰুৰ জ্যেষ্ঠ সন্তান আৰু অৱসৰী শিক্ষক। মোৰ জীৱনৰ ৬৫ বছৰ বয়সত মুক্ত কণ্ঠে ক'ব বিচাৰিছোঁ যে, বৰ্তমানৰ মুখ্যমন্ত্ৰীগৰাকীৰ আদৰ্শৰ লগত বিগত দিনৰ আন কাৰো লগত তুলনা নহয়। আমি অতি সাধাৰণ মানুহ হিচাপে ২০২১ চনত আমালৈ প্ৰেৰিত গ্ৰন্থৰ লগতে পত্ৰ, এইবেলি যোৱা ব'হাগ বিহুৰ সময়ত বিহুৱান-শুভেচ্ছা পত্ৰ আৰু যোৱা ১৮-০৮-২০২২ তাৰিখে 'মুখ্যমন্ত্ৰীৰ বক্তৃতা সংকলন' আৰু মাননীয় মন্ত্ৰী পীযূজ হাজৰিকাদেৱৰ পত্ৰ লাভ কৰি নিজকে ধন্য মানিছোঁ আৰু মুখ্যমন্ত্ৰীগৰাকীৰ শলাগ লৈছোঁ। ড° শৰ্মাদেৱ অসমৰ এগৰাকী অতি জনপ্ৰিয় মুখ্যমন্ত্ৰী। জনপ্ৰিয়তাৰ তালিকাত ভাৰতৰ দ্বিতীয় স্থান প্ৰাপ্তি আমাৰ সকলোৰে বাবে গৌৰৱৰ বিষয়। বিগত নিৰ্বাচনৰ সময়ত নিজৰ সমষ্টিত প্ৰচাৰ অবিহনেই বিপুল ভোটত জয়ী হোৱা উদাহৰণ পৃথিৱীৰ ইতিহাসত বিৰল। জাতি-ধৰ্ম নিৰ্বিশেষে এখন সৰ্বাংগ সুন্দৰ অসম গঢ়াত ভগৱান আপোনাৰ চিৰসংগী হওক। মাননীয় মুখ্যমন্ত্ৰী মহোদয়লৈ নিবেদিছোঁ হিয়াভৰা শ্ৰদ্ধা আৰু একাঁজলি কৃতজ্ঞতা।

■ কমল কিশোৰ অধিকাৰী

প্ৰাসংগিক কিছু চিন্তা

# অসম সাহিত্য সভাক কোনে ধ্বংস কৰিলে ?



■ অমল চন্দ্ৰ কোঁৱৰ

অসম সাহিত্য সভা। অসমৰ অসমীয়া জাতিৰ অতিকে আপোন অসম সাহিত্য সভা। নামেই যাৰ পৰিচয়। কিন্তু অসমৰ এই বৃহৎ জাতীয় অনুষ্ঠানটিক কোনে ধ্বংস কৰিলে? আমি সৰু হৈ থাকোঁতে অসম সাহিত্য সভা বা ইয়াৰ অন্তৰ্গত শাখা বা জিলা সাহিত্য সভাৰ বিষয়ববীয়াসকলক দেখিলে শ্ৰদ্ধাত মূৰ দো-খাই গৈছিল। তেখেতসকলৰ নাম শুনিলেই আমাৰ পৰম শ্ৰদ্ধাৰ ব্যক্তি বুলি ভাবিছিলো। কিন্তু বৰ্তমান এই তথাকথিত সাহিত্যিকসকলৰ নাম শুনিলে বা দেখিলে মৰা, গেলা গৰুৰ মৃতদেহত চকু পৰা দি পৰে। এতিয়া এই তথাকথিত সাহিত্যিকসকল সকলোৰে সন্মানীয় ব্যক্তিৰ ঠাইত সকলোৰে ঘৃণনীয় ব্যক্তিলৈ পৰিৱৰ্তন হ'ল। আমাৰ এই বৃহৎ অনুষ্ঠানটিৰ এটা সময়ত পদ্মনাথ গোহাঞি বৰুৱাদেৱে প্ৰতিষ্ঠা কৰা অনুষ্ঠানটি ক্ৰমান্বয়ে অসমত এচাম ধুৰন্ধৰ অ-সাহিত্যিকে পাই তেওঁলোকৰ পৈতৃক সম্পত্তিৰ দৰে ব্যৱহাৰ কৰিব ধৰিলে। এই অনুষ্ঠানটিৰ বিভিন্ন শাখা সমিতিবোৰলৈ যদি আমি ভালদৰে লক্ষ্য কৰোঁ তেতিয়া দেখা পাম এচাম অ-সাহিত্যিকে ইয়াৰ বিষয়বাব লৈ আছে। যাৰ সাহিত্যৰ প্ৰতি কোনো ৰাপ নাই বা তেওঁলোকে সাহিত্য কি তাকো ভালদৰে নাজানে। এই শাখা বা জিলা সাহিত্য সভাৰ বৰ্তমান এনেকুৱা কিছুমান ব্যক্তিয়ে বিষয়বাব লৈ আছে যাৰ কোনো দিনে কোনো এটা লেখা-মেলা অসমৰ কোনো বাতৰি কাকতত প্ৰকাশ পোৱা নাই আৰু তেওঁলোকে হয়তো বাতৰি কাকতত কেনেদৰে লিখে সেই কথাও বহুতে নাজানে কিছুমানে আকৌ কেৱল মাত্ৰ ২০ খিলা মান কাগজৰ এখন কবিতা পুঁথি লিখি আন কিছুমানে আকৌ চাৰিটা বা পাঁচটা গল্পৰ এখন কিতাপ লিখি প্ৰকাণ্ড সাহিত্যিক হৈ সাহিত্য সভা চলাই আছে। এয়াই হ'ল বৰ্তমান সাহিত্য সভাৰ বিষয়ববীয়াৰ সাহিত্য চৰ্চা বা সাহিত্যিকৰ গুণ। এনেদৰেই অসম সাহিত্য সভা এইসকলে ধ্বংস কৰিলে।

বৰ্তমান অসম সাহিত্য সভাক 'অসম সাহিত্য সভা' কোৱাতকৈ 'অসম সাহিত্য ৰভা' বা 'অসম সাহিত্য ভোজ' বুলি কোৱাহে ভাল হ'ব। কাৰণ বৰ্তমান অসমত বিভিন্ন ঠাইত থকা এইসকল সাহিত্যিকে জাহিৰ কৰে বোলে তেওঁলোকৰ সভালৈ লাখ লাখ মানুহ যায়। কিন্তু মই কওঁ এই লাখ লাখ মানুহে আপোনালোকৰ সভাত সাহিত্য চৰ্চা কৰিবলৈ নাযায়। যায় কেৱল মেলা চাবলৈ আৰু আপোনালোকৰ কিমানখন জিলা বা শাখা সাহিত্য সভাৰ বিষয়ববীয়াই সাহিত্য চৰ্চা কৰিব জানে তাৰো কিছু সন্দেহ আছে। মুঠৰ ওপৰত আমাৰ এই অনুষ্ঠানটিক কিছুমান অসাহিত্যিকে পাই হত্যা কৰি পেলালে।

আজিলৈ অসম সাহিত্য সভাৰ যিমানবিলাক অধিৱেশন হ'ল ইয়াৰ ভিতৰত বৰ্তমান যিবিলাক শাখা বা জিলা সাহিত্য সভাৰ বিষয়ববীয়া আছে ইয়াৰ সৰহসংখ্যকেই জগৰীয়া বৰ্তমান অসম সাহিত্য সভাৰ এনে দুৰৱস্থাৰ বাবে। এতিয়া সাহিত্য সভাত এনে কিছুমান মানুহৰ দপদপনি হৈছে, যাৰ গেলা গোন্ধত আচল সাহিত্যিকসকল সভাৰ ওচৰলৈকো যাব নোৱাৰে। গতিকে আমি এই গেলা-পচা সাহিত্যিকসকলক আঁতৰাই পুনৰ গঠন নকৰিলে এদিন ইতিহাসৰ পাতত লিপিবদ্ধ হ'ব— 'অসমত অসম সাহিত্য সভা নামেৰে এটা অনুষ্ঠান আছিল বুলি।'

অসম সাহিত্য সভাৰ অন্তৰ্গত জিলা বা শাখা সমিতিবিলাকৰ দায়িত্ব লোৱা এইসকল অ-সাহিত্যিকে কেৱল মাত্ৰ সভাই-সমিতিয়ে ফুলাম গামোচাৰ আশাত নিজৰ চকীখন পৈতৃক সম্পত্তিৰ দৰে ফেভিকুইক লগাই বহি আছে। এইসকল কিন্তু সাহিত্য চৰ্চাৰ নামত একেবাৰে 'জিৰ'। এইসকল তথাকথিত সাহিত্যিকে আকৌ নিজৰ পকেট গৰম কৰি যাকে-তাকে সাহিত্য সভাৰ লেবেল লগা বঁটা দি এক ৰমৰমীয়া ব্যৱসায় চলাই গৈছে। তেওঁলোকে এনে কিছুমান ব্যক্তিক অসম সাহিত্য সভাৰ বঁটা দিছে, যাৰ সেই বঁটাটোৰ বাবে কোনো যোগ্যতাই নাই। তাতোতকৈ বহু উপযুক্ত ব্যক্তি থকাৰ পিছতো কেৱল মাত্ৰ ধনৰ লালসাতেই তেনে ব্যক্তিক সাহিত্য সভাৰ লেবেল মৰা বঁটা প্ৰদান কৰিছে। ভাবিলে আচৰিত হ'ব লাগিব যে যিসকলে সাহিত্য সভাৰ পদবীত এনে ধৰণৰ বঁটা প্ৰদান কৰিছে যে তেওঁলোকৰ (সাহিত্য সভাৰ বিষয়ববীয়াসকলৰ) কোনো লেখা-মেলা আজিলৈ বাতৰি কাকতত প্ৰকাশ পোৱা দেখা নাই। এনেদৰেই চলিছে আমাৰ সাহিত্য সভা। গতিকে আচল সাহিত্যিক কেনেকৈ থাকিব অসম সাহিত্য সভাত?

অসম সাহিত্য সভা বোলে এক অৰাজনৈতিক অনুষ্ঠান। কিন্তু আমি এতিয়া দেখিবলৈ পাইছো সাহিত্য সভাত ৰাজনৈতিক নেতাৰহে দপদপনি। যাৰ বাবে ভাল আৰু প্ৰতিষ্ঠিত সাহিত্যিকে সভাসমূহত উপযুক্ত সন্মান পাবলৈ সক্ষম নহয়। আনহাতে, কোটি কোটি টকা খৰচ কৰি পতা এই অধিৱেশনবিলাকৰ হিচাপ-নিকাচো আজিলৈকে কোনো এখন সভাতেই ভালদৰে হোৱা নাই। কিছুমান বিষয়ববীয়াই অসম সাহিত্য সভাক তেওঁলোকে এটা ভাল ব্যৱসায় হিচাপে গঢ়ি তুলিছে। এনেদৰেই অসম সাহিত্য সভা অন্যান্য সাহিত্য সভাৰ তুলনাত ধ্বংস হ'ব ধৰিছে।

অসমৰ এই মহান অনুষ্ঠানটিৰ এসময়ত গুৰি ধৰিছিল ড° মহেশ্বৰ নেওগ, ছৈয়দ আব্দুল মালিক, ড° লক্ষ্মীনন্দন বৰা, ড° নগেন শইকীয়া আৰু ড° ভূপেন হাজৰিকা আদিৰ দৰে সকলোৰে শ্ৰদ্ধাৰ নমস্য সাহিত্যিকসকলে আৰু তেতিয়া ৰাজ্যৰ বিভিন্ন জিলা আৰু শাখা সাহিত্য সভাৰ বিষয়ববীয়াসকলো আছিল তেনেধৰণৰ শ্ৰদ্ধাৰ সাহিত্যিকৰ দায়িত্বত। কিন্তু বৰ্তমান মূৰৰ পৰাই গেলিবলৈ আৰম্ভ কৰা অসম সাহিত্য সভাৰ জিলা আৰু শাখা সাহিত্য সভাৰ বিষয়ববীয়াসকলৰ সাহিত্য চৰ্চাৰ গুণ-গৰিমা দেখিলে আপোনাৰ চকু কপালত উঠিব। এই জিলা বা শাখা সাহিত্য সভাবিলাকত থকা সৰহসংখ্যক বিষয়ববীয়াই কেৱল মাত্ৰ কেন্দ্ৰীয় সমিতিক তেল মালিচ কৰি বিষয়বাব লৈ আছে। তেওঁলোকক অইন একো নালাগে লাগে মাত্ৰ একোখন চকী। যাৰ বাবে যাক যেনেদৰে পৰা যায় তেনেদৰে মেনেজ কৰি সাহিত্য সভাৰ লেবেল মৰা চকীখন লাগে বহিবলৈ। বহু বিষয়ববীয়া আছে তেওঁলোকে সাহিত্য সভাত থাকি সাহিত্য চৰ্চা কৰা দূৰৰে কথা তেওঁলোকে মাত্ৰ অঞ্চলটোৰ ধনী-মানি ব্যক্তিক নিৰ্বাচন কৰি যিকোনো এটা বঁটা প্ৰদান কৰা। যি বঁটাত অসম সাহিত্য সভাৰ লেবেল মৰা থাকিব। এনেদৰে চলিছে আজি অসমৰ এই বৃহৎ জাতীয় অনুষ্ঠানটি। প্ৰাক্তন সভাপতি ধ্ৰুৱজ্যোতি বৰাই নানা কূট-কৌশল ৰচনা কৰি গাঁও পঞ্চায়তৰ নিৰ্বাচনৰ দৰে ৰাজনীতি কৰিলে। বৰ্তমান অসম সাহিত্য সভাত বহুৱালিৰ অন্ত নাই। ভজা মাছৰ গোন্ধ পালে মেকুৰী ৰ'ব নোৱৰাৰ দৰে অসমৰ এচাম অ-সাহিত্যিকে এতিয়া নিজে সাহিত্যিকৰ পোছাক পিন্ধি জিলা বা শাখা সাহিত্যবিলাক চলাই আছে। যাৰ বাবে ভাল লেখক বা সাহিত্যিকসকলে সভালৈ যাবলৈ ভয় কৰে। এইসকল মহা ধুৰন্ধৰ অ-সাহিত্যিকক আমি আঁতৰাই অসম সাহিত্য সভাক পুনৰ গঠন নকৰিলে আৰু মাত্ৰ কেইটামান বছৰৰ পিছতেই মৃত্যু হ'ব অসম সাহিত্য সভাৰ। গতিকে আহক সভাৰ এনে বিষয়ববীয়াক আঁতৰাই প্ৰকৃত সাহিত্যিকেৰে অসমৰ এই মহান অনুষ্ঠানটিক মৃত্যুমুখৰ পৰা উদ্ধাৰ কৰোঁ। নহ'লে কিন্তু ইতিহাসে আমাক কেতিয়াও ক্ষমা নকৰিব।

ফোন ঃ ৭০০২৯-২৬০৭০

# দৰঙৰ ঐতিহ্যমণ্ডিত খটৰা সত্ৰ আৰু লোক উৎসৱ পাচেতি

■ মঃ ইন্দাদুল হক

দৰং জিলাৰ ছিপাঝাৰৰ পাথৰিঘাটৰ দিপীলাৰ ঐতিহ্যমণ্ডিত খটৰা সত্ৰ জিলাখনৰ মহাপুৰুষীয়া তথা বৈষ্ণৱ সংস্কৃতিৰ এক প্ৰাণকেন্দ্ৰস্বৰূপ। ১৫৫৮ খ্ৰীষ্টাব্দত সত্ৰানুষ্ঠানখন মহাপুৰুষ মাধৱদেৱৰ আজ্ঞাপৰ শিষ্য লেচাকোণীয়া গোবিন্দ আতৈয়ে প্ৰতিষ্ঠা কৰে। প্ৰবাদ মতে, এইজনা গোবিন্দ আতৈয়ে মহাপুৰুষ মাধৱদেৱৰ আজ্ঞা শিৰোধাৰ্য কৰি শ্ৰীমন্ত শংকৰদেৱৰ ভক্তি হৃদয়ত লৈ বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে তিনিজন ভকতৰ সংগে দৰংগ ৰাজ্যলৈ নৈৰে নদীয়েদি উজাই আহি ভুলুংমুখ,পানীশালী আৰু নগৰত সত্ৰ প্ৰতিষ্ঠা কৰাৰ যো-জা চলায় যদিও আনুষংগিক অসুবিধাৰ বাবে দিপীলা মৌজাত খটৰা সত্ৰ স্থাপন কৰিবলৈ আহোতে তাত এক অদ্ভুত দৃশ্য দেখিবলৈ পায়। উল্লিখিত ঠাইখিনিত সত্ৰ স্থাপনৰ বাবে জংঘল কাটি থাকোতে সেই ঠাইত ভেকুলী এটাই প্ৰকাণ্ড ফেঁটি সাপ এটা ভক্ষণ কৰি থকা দেখা পায়। গোবিন্দ চৰিত্ৰত বৰ্ণনা কৰা অনুসৰি—

লেণ্ডু মেৰাই যেন যোৰ যে লতাত।।
সিংক দেখিয়া ছিগালৰ মহা ভয়।
সৰ্পক দেখিয়া মণ্ডুকৰো সেহি নয়।।
সৰ্পই মণ্ডুক গিলে জানয় সকলে।
কিনো অদ্ভুত সৰ্প গিলিছে বোলে।।
কালক ভক্ষকে গিলে গোবিন্দ চায়।
তাহাতে কৰিলা ভেটি মনে ভাল পায়।।

গোবিন্দ আতৈয়ে ভেকুলীয়ে সৰ্প গিলা ঘটনাটি এক শুভ লক্ষণ বুলি ভাবিয়েই তাতেই ভেটি বান্ধি কীৰ্তন ঘৰ নিৰ্মাণ কৰিলে। অটব্য হাবি-জংঘলত বাস কৰা 'খট' তথা অশিষ্ট লোকসকলে আহি গোবিন্দ আতৈক সুধিলে যে কাক সুধি তাত কীৰ্তন ঘৰ নিৰ্মাণ কৰিলে। সন্দেহ নাই যে সেই ঠাইত বাস কৰা 'খট' জাতিৰ লোকসকল অবৈষ্ণৱ আছিল বাবেই তেওঁলোকক গোবিন্দ আতৈয়ে সম্ভৱতঃ 'খট' বুলি মাতিছিল। যাহওক চাৰিজন 'খট'ৰ কথা শুনি গোবিন্দ আতৈয়ে তেওঁলোকক শৰণ-ভজন দিবলৈ চেষ্টা কৰিলে। আতৈয়ে কোনোপধ্যে অবৈষ্ণৱ তথা 'খট'সকলক বৈষ্ণৱ কৰিব নোৱাৰি পুনৰ যাত্ৰা কৰিলে গুৰু মাধৱদেৱৰ ওচৰলৈ। গুৰুক তেওঁ আদ্যোপান্ত বিৱৰি গোবিন্দ আতৈয়ে গুৰুৰ ওচৰত ইয়াৰ প্ৰতিকাৰ



বিচাৰি প্ৰাৰ্থনা কৰিলে। অৱশেষত গোবিন্দ আতৈৰ প্ৰাৰ্থনাত সন্তুষ্ট হৈ মহাপুৰুষ মাধৱদেৱে ৰাম ভাওনাৰ বাবে নিৰ্মাণ কৰা ৰাম, লক্ষ্মণ, সীতা আৰু হনুমানসহ চাৰি মূৰ্তি 'গোবিন্দ আতৈক দি ক'লে যে, গোবিন্দ বাণী মাধৱদেৱে শুনি,

বোলে নি তুমি ৰাম,
লগত জানি সখীক সহিতে,
বন্ধুৱে সানিব কাম।'

গোবিন্দ আতৈয়ে নাৱত চাৰিমূৰ্তি আনি সেই ঠাইলৈ আহিল আৰু মণিকূটৰ ৰাম, লক্ষ্মণ, সীতা, হনুমানৰ মূৰ্তি স্থাপন কৰি মূৰ্তিৰ আগত নাম-প্ৰসংগ, ভাগৱত পাঠ, কীৰ্তন আদি কৰিবলৈ ধৰিলে 'ৰাম তাৰ আদি কৰি অসংখ্য বাদ্য। অংক বেঢ়ি আসি চালে আন ৰাজ্য। এইদৰে গোবিন্দ আতৈয়ে নিতৌ নাম-প্ৰসংগ কৰি অৱশেষত চাৰি 'খট'ক বৈষ্ণৱ ধৰ্মত দীক্ষিত কৰে। অৱশিষ্ট 'খট'খিনিও আহি গোবিন্দ আতৈৰ ওচৰত শৰণ লোৱা কৰ্ম এক ঐতিহাসিক ঘটনা হৈ পৰে। খটক শৰণ বা হৰণ কৰাৰ বাবেই ঠাইখিনিৰ নাম খটহৰা আৰু পিছলৈ 'খটৰা' নামে লোক সমাজত প্ৰচলিত হ'ল আৰু সেই ঐতিহাসিক সত্ৰানুষ্ঠানখন 'খটৰা সত্ৰ' নামেৰে জনাজাত হ'ল। এই সত্ৰখনক কেন্দ্ৰ কৰি অনেক লোক-বিশ্বাসৰো জন্ম হৈছে।

শৰাই ঃ সত্ৰখনত নিজৰ মনৰ আশা পূৰণাৰ্থে কল, বুট, তেল, ধূপ, শলা-সূতা আদি শৰাই আগবঢ়াই প্ৰাৰ্থনা জনালে আশা পূৰ্ণ হয়। কল বন্ধাঃ কোনো লোক যদি অশুভ শক্তিৰ কবলত পৰে, তেনেহ'লে থোক লগা কলগছত তিতা কাপোৰৰ গাৰে ৰঘুনাথৰ নাম লৈ কলথৰুৱা ছালেৰে বান্ধি দিব লাগে। উক্ত কল থোক পকাৰ পিছত একাষি কলেৰে শৰাই আগবঢ়ালে ৰক্ষা পাব পাৰি।

গাঁঠি বন্ধা ঃ কোনো ব্যক্তিয়ে সত্ৰ দৰ্শন কৰি যদি ঘৰত সোমায়, তেনেহ'লে সেই মানুহজনৰ ঘৰে ফল লাভ কৰিব বুলি বিশ্বাস কৰা হয়। সেয়ে সত্ৰৰ যাত্ৰীসকলৰ মাজত এক গাঁঠি বন্ধা পৰম্পৰা বিদ্যমান। মানুহজন ঘৰত সোমোৱাৰ আগতে ৰঘুনাথৰ নাম লৈ নিজৰ গামোচা বা ৰুমালেৰে গাঁঠি বান্ধি ল'লে সেই ফালৰ পৰা বঞ্চিত নহয় বুলি বিশ্বাস কৰা হয়। এনে আৰু অনেক লোক-বিশ্বাস প্ৰচলন আছে যদিও লিখনিৰ কলেবৰৰ প্ৰতি লক্ষ্য ৰাখি সেই উল্লেখ কৰা নহ'ল।

খটৰা সত্ৰৰ পাচেতি উৎসৱ ঃ দৰঙৰ অন্যতম বৃহৎ উৎসৱ হ'ল খটৰা সত্ৰৰ পাচেতি উৎসৱ। দেৱানন্দ সত্ৰৰ মথেনি, পাতি দৰঙৰ বাসন্তী উৎসৱৰ দৰে খটৰা সত্ৰৰ পাচেতি উৎসৱত দৰঙৰ বিভিন্ন প্ৰান্তৰ মানুহৰ আগমনত বিৰ দি বাট নোপোৱা অৱস্থাৰ সৃষ্টি হয়। এই ঐতিহাসিক সত্ৰত ভাদ আৰু আহিন মাহৰ দোমাহিৰ পৰা আহিনৰ তিনি তাৰিখলৈ পাচেতি উৎসৱ পালন কৰা হয়। এই উৎসৱৰ লগত সংগতি ৰাখি ধৰ্মীয় পৰম্পৰাৰে দধিমথন নৃত্য, দধি মথন ভাওনা, বোকা ভাওনা খেল আদি পালন কৰা হয়। সত্ৰখনত প্ৰতিষ্ঠাৰে পৰা পাচেতি উৎসৱ পালন কৰি অহা হৈছে। অসমৰ প্ৰায় অঞ্চলতে পাচেতি উৎসৱ পালন কৰা হয় যদিও দৰঙৰ 'পাচেতি' উৎসৱ এক সুকীয়া মৰ্যাদাৰে সংপৃক্ত। 'পঞ্চ' শব্দৰ পৰা পাঁচ শব্দ বিকাশ হৈ 'তি' প্ৰত্যয় যোগ হৈ পাচতি শব্দৰ উৎপত্তি হৈছে। প্ৰথম অৱস্থাত 'পচতি' বুলি প্ৰচলিত আছিল যদিও পাছত পাচতি, পাচেতি বুলি প্ৰচলন হয়। হিন্দু ধৰ্মৰ নীতি অনুসৰি কোনো লোকৰ সন্তান জন্ম হ'লে জন্মৰ পঞ্চম দিনা জননাকৃত কৰা নীতি অদ্যবধি প্ৰচলিত। একেদৰে কৃষ্ণৰ জন্মৰ পাঁচ দিনতো নন্দৰ ঘৰত গকুলবাসীয়ে আনন্দত আত্মহাৰা হৈ 'পচতি' উৎসৱ পালন কৰিছিল। পিছলৈ জন্মাষ্টমীৰ পঞ্চম দিনা পালন কৰা 'পচতি' উৎসৱ ভাদ-আহিনৰ সংক্ৰান্তিৰ পৰা আহিনৰ এক তাৰিখলৈ পালন কৰা হয়। ইয়াৰ কাৰণ হিচাপে জন্মাষ্টমীৰ সময়ত কৃষকসকলে খেতিপথাৰত ব্যস্ত হৈ থাকিব লাগে। তেনে ক্ষেত্ৰত এই উৎসৱ পালন কৰাত অসুবিধাই দেখা দিয়ে। আনহাতে, বাট-পথো বোকাপানীৰে পৰিপূৰ্ণ হৈ থাকে। এনে অসুবিধাৰ বাবেই 'ভাদ -আহিনৰ দোমাহি'ত পুতি তথা পাচেতি উৎসৱ পালন কৰাৰ নীতি প্ৰচলিত হয়। এইদৰে জন্মাষ্টমীৰ পাঁচ দিনৰ পিছত অনুষ্ঠিত 'পচতি' বা 'পাচেতি' উৎসৱ ভাদ-আহিনৰ দোমাহিত অনুষ্ঠিত হয়। উৎসৱৰ জনপ্ৰিয়তাৰ বাবে পিছৰ ফালে এই উৎসৱ চাৰিদিনীয়াভাৱে উলহ-মালহেৰে পালন কৰি অহা হৈছে। সময়ৰ গতিত পচতি বা পাচেতি উৎসৱ ঋতুকালীন উৎসৱলৈ পৰিৱৰ্তিত হয়। দধিমথন নৃত্য, দধিমথন ভাওনা, বোকা খেল, নাম-প্ৰসংগৰে মুখৰ হোৱা পুতি বা পাচেতি উৎসৱত ৰঙৰ থুনপাক বাৰুকৈয়ে মেল খায়। দূৰ-দূৰণিৰ পৰা হাজাৰ-বিজাৰ মানুহ পুতি বা পাচেতি উৎসৱ উপভোগ কৰিবলৈ আহে। উৎসৱ উপভোগ কৰি আনন্দ লাভ কৰে। এই পচতি বা পাচেতি উৎসৱত প্ৰদৰ্শন কৰা দধিমথন নৃত্য এক বৰ আকৰ্ষণীয় অনুষ্ঠান। এই নৃত্যৰ বাবে বাঁহ আৰু কলপটুৱাৰে বিশেষভাৱে মথনি শাল প্ৰস্তুত কৰা হয়। মথনি শাল কাৰুকাৰ্য খচিত আৰু তিনি হাত ওখ কাঠৰ খুঁটা ছটা সমান সমান দূৰত পাঁচটা খুঁটা কৰি কাঠৰ বাটাম এডালত সংযোগ কৰি নৃত্যৰ তালে তালে বাঁহৰ চাকৰি ঘূৰিব পৰাকৈ নিৰ্মাণ কৰে। উপবাসেৰে সন্ধিয়া (গন্ধৰ দিনা) নাম-প্ৰসংগ কৰি ধৰ্মপুথিসহ গায়ন-বায়নেৰে মথনি শালত প্ৰৱেশ কৰে। ইয়াৰ পিছত এখন কাঁহীত পাঁচ গছি মিঠাতেলৰ চাকি, এযোৰ তামোল-পাণ লৈ এগৰাকী সত্ৰৰ দেউৰীয়ে সুভদ্ৰাৰ ৰূপত পানী তুলিবলৈ যায়। পানী তুলি আহি মূল মন্দিৰত প্ৰৱেশ কৰে। দধিমথনত ওজাই গীত লগাই দিয়ে, পালিসকলে নাচি নাচি পদবোৰ দোহাৰে। গীতৰ তালে তালে যশোদা, কৃষ্ণ, গোপী ল'ৰাবোৰে নাচে। এইদৰে গীত-নৃত্য কৰি দধিমথন নৃত্য প্ৰদৰ্শন কৰা হয় আৰু আনন্দ উপভোগ কৰে সকলোৱে। খটৰা সত্ৰৰ 'পচতি' বা 'পাচেতি' উৎসৱ দৰঙৰ এক গুৰুত্বপূৰ্ণ লোক-উৎসৱ। অকল দৰঙৰে নহয় ৰাজ্যখনৰ বিভিন্ন ঠাইৰ পৰা মানুহে পচতি বা পাচেতি উৎসৱত বাচন-বৰ্তন, তামোল-নাৰিকলৰ পুলি, খাৰু-মণি, বিভিন্ন হস্তশিল্পৰ সামগ্ৰী ক্ৰয়-বিক্ৰয় কৰে। পচতি বা পাচেতি উৎসৱে অকল ধৰ্মীয়, সাংস্কৃতিক বা সামগ্ৰিক দিশৰ উন্নতি সাধন কৰাই নহয়, ব্যৱসায়িক দিশতো উৎকৰ্ষ সাধন কৰি আহিছে। এইবেলিও ৩০ ভাদৰ পৰা ২ আহিনলৈ তথা ১৬ ছেপ্টেম্বৰৰ পৰা ১৯ ছেপ্টেম্বৰলৈ চাৰিদিনীয়া কাৰ্যসূচীৰে 'পচতি' বা 'পাচেতি' উৎসৱ উদ্‌যাপনৰ বাবে পৰিচালনা সমিতি সাজু হৈ উঠিছে। ১৬ ছেপ্টেম্বৰত ৪.৩০ বজাত মুখ্যমন্ত্ৰীয়ে উৎসৱৰ শুভ উদ্বোধন কৰিব বুলি প্ৰকাশ।

ফোন ঃ ৮৬৩৮৫-৭৪৬৩৩

# মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱৰ গুৰুজনাৰ চিতাভস্ম সংৰক্ষণ কৰি ৰখা ধুবুৰী জিলাৰ ঐতিহাসিক জিনকাটা সত্ৰ

■ অজয় বৰুৱা

অসম, বাংলাদেশ আৰু পশ্চিমবংগ সীমান্তত অৱস্থিত অৰ্থাৎ অসমৰ পশ্চিম প্ৰান্তত থকা ধুবুৰী জিলাৰ ইতিহাসপ্ৰসিদ্ধ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ পদস্পৰ্শৰে ঐতিহ্যময় শ্ৰীশ্ৰীৰামৰায়কুঠী সত্ৰৰ পৰা প্ৰায় বাৰ কিলোমিটাৰ উত্তৰে জিনকাটা গাঁৱত জিনকাটা সত্ৰ অৱস্থিত। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু শ্ৰীশ্ৰীমাধৱদেৱ গুৰু দুজনাই ব্যৱহৃত আপুৰুগীয়া বিভিন্ন সম্পদ থকাৰ উপৰি বিভিন্নজন বৈষ্ণৱ আতাই ব্যৱহৃত সামগ্ৰী এই সত্ৰখনত সংৰক্ষিত হৈ আছে। ৰাষ্ট্ৰীয় ঘাইপথৰ কাষতে থকা হালাকুৰা বজাৰৰ পৰা তিনি কিলোমিটাৰ দক্ষিণ-পশ্চিম দিশত থকা জিনকাটা এখন মহাপুৰুষীয়া সত্ৰীয়া গাঁও য'ত প্ৰায় ২৫০ ঘৰমান পৰিয়াল বা সেৱিকা আছে। কোচৰজা নৰনাৰায়ণৰ ভাতৃ বীৰ চিলাৰায় আৰু শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ ভতিজা আই ভুৱনেশ্বৰী বিয়াৰ স্মৃতিবিজড়িত ঐতিহাসিক ৰামৰায়কুঠী সত্ৰ আৰু পশ্চিমবংগৰ কোচবিহাৰ জিলাৰ খাগ্ৰাবাৰীস্থিত মধুপুৰ ধামৰ সেৱিকা হিচাপে সত্ৰীয়া পৰম্পৰা ক্ৰমে গুৰু-ধৰ্ম ৰক্ষা এই গাঁৱত পাঁচ ঘৰ সেৱিকা আছিল। তাৰে এঘৰৰ ঝিঙাপুনি (মহাপুৰুষ মাধৱদেৱে প্ৰতিষ্ঠা কৰা) সত্ৰৰ সেৱক। ১৯৬৪ চনত মধুপুৰ সত্ৰত গুৰুমন্দিৰ নিৰ্মাণ আৰু জিনকাটাৰ তালৈ অহা-যোৱা কৰাত যাতায়াতৰ অসুবিধাৰ বাবে ৰাইজে এটা ৰাজহুৱা সত্ৰ পাতিবলৈ চিন্তা-চৰ্চা কৰে। ইয়াৰ বাস্তৱ ৰূপ হয় ১৯৬৭ চনৰ মাঘ মাহৰ পৱিত্ৰ মাঘী পূৰ্ণিমা তিথিত তেতিয়াৰ মধুপুৰ সত্ৰৰ সত্ৰাধিকাৰ পৰম সন্ত প্ৰয়াত লক্ষীকান্ত আতৈদেৱে তাৰ পৰা বন্তি জ্বলাই আনি ইয়াত ভেটি স্থাপন কৰে। সমূহ ভকতৰ সেৱা মৰ্মে প্ৰয়াত লম্বোদৰ ভকতে দান দিয়া ৬ বিঘা মাটিত সত্ৰখন স্থাপন কৰে। জিনকাটা গাঁৱৰ প্ৰয়াত ক্ষিতিন্দ্ৰ নাথ ভকত, প্ৰয়াত মণ্ডল চন্দ্ৰ ভকত আৰু খেৰবাৰী গাঁৱৰ প্ৰয়াত লম্বোদৰ ভকতৰ ভাতৃ প্ৰয়াত গংগাধৰ ভকতে পুৰুষানুক্ৰমে চলাই অহা ৰামৰায়কুঠী সত্ৰৰ আজ্ঞাপৰ শাখা সত্ৰ তিনিখন ৰাইজৰ অনুৰোধত জিনকাটা সত্ৰলৈ দান দিয়ে। ইয়াৰ উপৰি জিনকাটা গাঁৱৰ ৰূপেন্দ্ৰ নাথ ভকতে পুৰুষানুক্ৰমে চলাই অহা মহাপুৰুষ মাধৱদেৱে প্ৰতিষ্ঠা কৰা পশ্চিমবংগৰ তুফানগঞ্জ মহকুমাৰ ঝিঙাপুনী গাঁৱত হৰিপুৰ-মধুপুৰ সত্ৰৰ ওচৰৰ ঝিঙাপুৰ্ণি সত্ৰ আৰু উক্ত গাঁৱৰ ভলক চন্দ্ৰ ভকতে পুৰুষানুক্ৰমে সেৱা কৰি অহা মাধৱদেৱৰ চিতাভস্ম এই সত্ৰলৈ দান কৰে। এনেদৰে এই চাৰিঘৰ সত্ৰীয়া লগ হৈ শ্ৰীশ্ৰীজিনকাটা ৰাজহুৱা সত্ৰখন স্থাপিত হয়। সত্ৰৰ উদাসীন পৰম সন্ত প্ৰয়াত উমেশ চন্দ্ৰ আতৈক অধিকাৰ পাতি দিয়া শ্ৰীশ্ৰীজিনকাটা ৰাজহুৱা সত্ৰখনত এতিয়াও মাধৱদেৱ গুৰুজনাৰ চিতাভস্ম সংৰক্ষিত হৈ আছে। ১৯৭৩ চনত সত্ৰাধিকাৰ উমেশ চন্দ্ৰ আতৈদেৱৰ পৰলোক গমনৰ কেইবা বছৰ পিছত শিৱসাগৰ জিলাৰ জৰাবাৰী সত্ৰৰ অধিকাৰ পদ অলংকৃত কৰা পোনাৰাম ৰাজমেধিদেৱক ১৯৯৪ চনৰ ৪ এপ্ৰিল তাৰিখে শ্ৰীশ্ৰীজিনকাটা ৰাজহুৱা সত্ৰৰ সত্ৰাধিকাৰ পদত অধিষ্ঠিত কৰে। শ্ৰদ্ধাৰ ৰাজমেধি প্ৰভুজনাৰ দিনত এই সত্ৰখনে নতুন ৰূপ তথা উন্নতি দিশত আগবাঢ়ে। বিশেষকৈ সত্ৰৰ কীৰ্তনঘৰ, বাহাঘৰ আদিয়ে পূৰ্ণৰূপ পায়। সত্ৰখনৰ নৱ-নিৰ্মিত কীৰ্তন ঘৰটো ১২০ ফুট দীঘল আৰু বহল ৬০ ফুট। ১৫ ফুট বহলৰ মণিকূটটো বৰ্তমানেও বিভিন্ন কাৰণত পূৰ্ণতা পোৱা নাই সেয়ে কীৰ্তঘৰটোতে কিছু অংশত মণিকূটৰ কাম চলাই থকা হৈছে। ৰাজমেধি প্ৰভুজনাৰ মৃত্যুৰ পিছত ২০১৬ চনৰ ২৬ জানুৱাৰীত ৰাইজে সত্ৰখনৰ সত্ৰাধিকাৰ হিচাপে ৰামৰায়কুঠী সত্ৰৰ সত্ৰাধিকাৰ জিতেন্দ্ৰনাথ প্ৰধানীদেৱক সত্ৰাধিকাৰ পাতি সত্ৰৰ কামকাজ চলাই নিয়ে। সত্ৰখনত সংৰক্ষিত আপুৰুগীয়া সম্পদসমূহ — সমন্বয়ৰ প্ৰতীক, অসমৰ ভাষা-সাহিত্য তথা কৃষ্টি-সংস্কৃতিৰে পূৰ্ণ হৈ থকা জাগ্ৰত পহৰী শ্ৰীশ্ৰীজিনকাটা ৰাজহুৱা সত্ৰত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু শ্ৰীশ্ৰীমাধৱদেৱ গুৰু দুজনাৰ লগতে কেইজনমান বৈষ্ণৱ আতৈয়ে ব্যৱহৃত আপুৰুগীয়া সম্পদ সংৰক্ষিত হৈ আছে। তাৰ ভিতৰত সাঁচিপাতৰ গুণমালা, নামঘোষা, তুলসী গছৰ শ্ৰীকৃষ্ণৰ মূৰ্তি, মণিকূটত ঝিঙাপুনি সত্ৰৰ পৰা অনা চতুৰ্ভুজ বিগ্ৰহ, পিতলৰ বিগ্ৰহ, মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱৰ চিতাভস্ম, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাই ব্যৱহাৰ কৰা কটাৰী এখন, কেইটামান শিলিখা, তেৰাৰ খৰমৰ (পাদুকা) পখৰা এটা, সেই সময়ৰ মুদ্ৰাকেইটামান, গুৰুজনাৰ একান্ত শিষ্য শ্ৰীৰাম আতাৰ পিতলৰ সাঁজি (ফুল তোলাৰ পাত্ৰ), মাধৱদেৱ গুৰুজনাৰ শিষ্য হৰিহৰ আতাৰ পদচিহ্ন থকা শিল, মধুপুৰ সত্ৰৰ পৰা জ্বলাই অনা বন্তি গছি আদি। আপুৰুগীয়া এই সম্পদবোৰ বিজ্ঞানসন্মত সংৰক্ষণ নহ'ল অদূৰ ভৱিষ্যতে এইবোৰ নষ্ট হোৱাৰ সম্ভাৱনা আছে। সত্ৰখনৰ পৰিচালনা সমিতিৰ বিষয়ববীয়াসকলে জানিবলৈ দিয়া অনুসৰি মাঘ মাহৰ পূৰ্ণিমা তিথিত এই সম্পদবোৰ প্ৰদৰ্শনৰ বাবে নিৰ্দিষ্ট পৰম্পৰাৰে উলিয়াই অনা হয়। সত্ৰত পালনীয় উৎসৱসমূহ, পাৰ্বণসমূহ বৰপেটা আৰু মধুপুৰ সত্ৰৰ প্ৰসংগ প্ৰণালীৰ দৰে জিনকাটা সত্ৰটো নিতৌ নাম-প্ৰসংগ, গুৰু সেৱা আদি কৰা হয়। প্ৰতিদিনে তিনিবাৰকৈ নাম-প্ৰসংগ কৰা হয়। পুৱাৰ গীত, পুৱাৰ ভটিমা, নাম-কীৰ্তন, ভাগৱত পাঠ, বিয়লি ভাগৱত পাঠ, নাম-কীৰ্তন, গধূলিৰ প্ৰসংগত গুণমালা, লীলামালা, ভটিমা, বৰগীত, নাম-কীৰ্তন আৰু পাঠৰ লগতে প্ৰসংগ পদ্ধতি অনুসৰি নাম-প্ৰসংগ কৰা হয়। ইয়াৰ উপৰি সত্ৰীয়া সংস্কৃতিৰ চৰ্চাৰ লগতে পৰম্পৰাক্ৰমে গুৰুজনাৰ আৱিৰ্ভাৱ, তিৰোভাৱ, জিনকাটা সত্ৰৰ প্ৰতিষ্ঠা দিৱস, মাধৱদেৱৰ তিথি, জন্মাষ্টমী, দৌলযাত্ৰা, ব'হাগ বিহু তথা নৱবৰ্ষ পালন, ন-খোৱা, বদুলা পদ্ম আতাৰ তিথিৰ লগতে আন আন ভকত, আতৈসকলৰ তিথি পৰম্পৰা অনুসৰি পালন কৰা হয়। এই সত্ৰত আগতে বৰ ডাঙৰকৈ ৰাস অনুষ্ঠিত কৰা হৈছিল যদিও আজিকালি নহয়। এই সত্ৰত বিভিন্ন সময়ত পালিত উৎসৱত ভক্তপ্ৰাণ ৰাইজে অংশগ্ৰহণ কৰি হৰিনাম ৰসেৰে আকাশ-বতাহ মুখৰ কৰি তোলে। ঐতিহাসিক এই জিনকাটা ৰাজহুৱা সত্ৰৰ উপৰি জিনকাটা গাঁৱত পূব দিশত শ্ৰীশ্ৰীন-সত্ৰ জিনকাটা, শিমলাবাৰী সত্ৰ নামৰ দুখন সত্ৰ আৰু শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ধুবুৰী জিলা শাখা অন্তৰ্গত সংস্কৃতি বিকাশ কেন্দ্ৰ, নামঘৰ আছে। যিবোৰে সমগ্ৰ অঞ্চলটোত সমন্বয়ৰ সেতু গঢ়ি তুলিছে। সমন্বয়ৰ প্ৰতীক এই অনুষ্ঠানসমূহত আছে সামাজিক, সাংস্কৃতিক, সাহিত্য, সত্ৰীয়া ঐতিহ্য।



ফোন ঃ ৯৭০৭৭-৩০৪২৭

## লেখক-লেখিকাৰ প্ৰতি

আপোনালোকক সন্মান সহকাৰে জনাওঁ যে 'দৈনন্দিন বাৰ্তা'ৰ 'সম্পাদকীয় পৃষ্ঠা'ৰ শিতানলৈ চিঠি-পত্ৰ আৰু সম্পাদকীয় পৃষ্ঠাৰ লগত জড়িত লেখা প্ৰেৰণ কৰিব পাৰে। এইখিনিতে এটা বিশেষ অনুৰোধ, লেখাবোৰ যথাসম্ভৱ চুটি হ'লে সম্পাদনা কৰাৰ বাবে সুবিধা হয়। লেখা পঠিওৱা প্ৰতিগৰাকী লেখক-লেখিকাকে জনোৱা হ'ল যে লেখাবোৰ নিৰ্দিষ্ট সময় অনুসৰি প্ৰকাশ পাব। লেখাবোৰ তলৰ ঠিকনাত বা 'দৈনন্দিন বাৰ্তা'ৰ e-mail : editordbarta@gmail.comতো পঠিয়াব পাৰিব।

**লেখা পঠিওৱাৰ ঠিকনা ঃ**

'দৈনন্দিন বাৰ্তা'
জি এন বি ৰোড, চানমাৰি কলনি
গুৱাহাটী, পিন ঃ ৭৮১০০৩



কণ্ঠিৰাম কলিতাৰ উপন্যাস 'জুয়ে পোৰা সোণ' উন্মোচন

# যুগে যুগে গ্ৰন্থৰ চাহিদা থাকিব ঃ পাঠক

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৩ ছেপ্টেম্বৰ ঃ** অসমৰ অন্যতম প্ৰকাশন প্ৰতিষ্ঠান 'প্ৰাগজ্যোতি প্ৰকাশন'ৰ উদ্যোগত কামৰূপ জিলাৰ পছৰীয়াস্থিত 'ৰাম সৰস্বতী প্ৰেক্ষাগৃহ'ত ঔপন্যাসিক তথা জ্যেষ্ঠ নাগৰিক কণ্ঠিৰাম কলিতাৰ শেহতীয়া উপন্যাস 'জুয়ে পোৰা সোণ' কালি বিশিষ্ট বুদ্ধিজীৱী, সাহিত্যিক, প্ৰাগজ্যোতিষ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° দয়ানন্দ পাঠকে উন্মোচন কৰি কয়— 'বৰ্তমান সময়ৰ পৰিৱেশ বৰ হতাশজনক। ইমান হতাশজনক পৰিৱেশৰ মাজতো কণ্ঠিৰাম কলিতাই গ্ৰন্থ এখন উপহাৰ দিয়াটো উৎসাহজনক খবৰ। যুগে যুগে গ্ৰন্থৰ চাহিদা থাকিব। গ্ৰন্থ লেখকৰ জনপ্ৰিয়তা আছে। ভালে থকা আৰু জীয়াই থকাৰ মাজত পাৰ্থক্য আছে। শিক্ষাবিদ ড° পাঠকে আৰু কয়— 'মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ধৰ্মীয় আদৰ্শৰ প্ৰবক্তা নহয়, তেওঁ ঐক্যৰ প্ৰতীক। আমি শংকৰদেৱক কিমান বুজিছো, তাক কৈ সন্দেহ আছে। অসমীয়া সাহিত্যত অনেক যুগজয়ী গ্ৰন্থ সৃষ্টি হৈছে, অইন ভাষালৈ অনুবাদ নোহোৱা বাবে আমাৰ অমৰ সাহিত্যিকসকলৰ গ্ৰন্থই সমাদৰ পোৱা নাই।' ৰজনী কলিতাৰ ভাগৱত বন্দনাৰে আৰম্ভ কৰা সভাৰ আদৰণী ভাষণ দিয়ে ৰাম সৰস্বতী সাহিত্য সমাজৰ সম্পাদক প্ৰদীপ নাৰায়ণ ভূঞাই। সভা উদ্বোধন কৰি ভাৰতীয় প্ৰশাসনিক সেৱাৰ অৱসৰপ্ৰাপ্ত বিষয়া তথা বিশিষ্ট সাহিত্যিক শচীন দাসে কয়— 'উপন্যাস, গল্প আদি গ্ৰন্থৰ তুলনা যথেষ্ট ব্যাপক। চৈয়দ আব্দুল মালিক, মেদিনী চৌধুৰী, মামণি ৰয়ছম গোস্বামী, ভবেন্দ্ৰ নাথ শইকীয়া, শীলভদ্ৰ, হিতেশ ডেকা আদি অসমৰ বৰণীয় ঔপন্যাসিকসকলৰ মনোমম সৃষ্টিৰাজি আজিও সমাদৰ আছে।' অসমৰ অৱসৰপ্ৰাপ্ত অতিৰিক্ত আৰক্ষী সঞ্চালকপ্ৰধান তথা লেখক স্ফটিক দত্ত গোস্বামীয়ে নিজৰ ভাষণত কয়- 'প্ৰতিভা সকলোৰে থাকে। কিছুমানে প্ৰকাশ কৰে। কিছুমানে প্ৰকাশ কৰাৰ আশা বুকুত লৈ থাকোতেই সময় পাৰ হৈ যায়।' ত্ৰিপুৰা কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক তথা বিশিষ্ট সাহিত্যিক ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই সভাত অংশ লৈ কয়- 'উপন্যাস এখনে সমাজ এখনৰ চিত্ৰ অংকন কৰে। ৰামায়ণ, মহাভাৰত গ্ৰন্থ দুখনৰ জনপ্ৰিয়তা আজিও বিদ্যমান। বয়স আৰু কৰ্মৰ মাজত পাৰ্থক্য নাথাকে আমি প্ৰতিজন মানুহে সম্ভাৱনাৰে আগুৱাই যাব লাগে।' প্ৰাগজ্যোতি প্ৰকাশনৰ সচিব, সাংবাদিক-কবি দীপক শৰ্মাই আঁত ধৰা সভাত তিনি সাহিত্য সভাৰ উপ-সভাপতি শৰৎ চন্দ্ৰ পাটৰ আমচি, অসম সাহিত্য সভাৰ প্ৰাক্তন সহ সম্পাদক, 'সাহিত্য কৌৰৰ' কমল কলিতা, অনাতাঁৰ কেন্দ্ৰ, গুৱাহাটীৰ অৱসৰপ্ৰাপ্ত সঞ্চালক তথা বিশিষ্ট সংগীতজ্ঞ অৱনী ৰঞ্জন পাঠক, বৰপেটাৰ বৰনগৰ বি এচ মহাবিদ্যালয়ৰ অধ্যক্ষ তথা শিক্ষাবিদ গোলাম ছাৰোৱাৰ আৰু সদৌ অসম ছাত্ৰ সন্থাৰ (আছু) উপদেষ্টা প্ৰকাশ চন্দ্ৰ দাস বিশিষ্ট অতিথি হিচাপে অংশ লৈ অসমীয়া ভাষা-সাহিত্যত শক্তিশালী গ্ৰন্থ আৰু সৃষ্টি হোৱাৰ কামনা কৰে। সভাত কবিতা কৃষ্ণা বৃজবৰুৱা আৰু চন্দ্ৰ কলিতাই কামৰূপী লোকগীত, বেগম কণা লী মজুমদাৰে গোৱালপৰীয়া লোকগীত পৰিবেশন কৰি সভাৰ সৌষ্ঠব বৰ্ধন কৰে। সভাত বিশিষ্ট কবি শংকৰ শইকীয়া, সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক পংকজ কলিতা, কামৰূপ জিলা সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি হাছেম পাঁচাৰ, প্ৰাক্তন উপ-আৰক্ষী অধীক্ষক কৰুণাকান্ত দাস, বিশিষ্ট সংগীত পৰিচালক-গীতিকাৰ জিতেন্দ্ৰ মোহন দাস, পূব বংশৰ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ অধ্যক্ষ বাসুদেৱ কলিতা, কুশল কোঁৱৰ হাই স্কুলৰ প্ৰধান শিক্ষক সৰ্বানন্দ কলিতা, সমাজ হিতৈষী ভূপেন ডেকাৰ লগতে উত্তৰ গুৱাহাটী, আমিনগাঁও, দদৰা, দলিবাৰী, দমদমা, বৰস্থৈ, ডিমু, কহিৰা আদি অঞ্চলৰ কবি-সাহিত্যিকসকল উপস্থিত থাকে। সভাত শলাগ যাচে কামৰূপ জিলা ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি দিবাকৰ কলিতাই।

# ঐতিহ্যমণ্ডিত নিতাইপুখুৰীৰ হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয় চৌহদৰ কেউদিশে হাবি-বননিৰে ভৰা জয়াল পৰিৱেশ

## প্ৰযুক্তিলব্ধ শ্ৰেণীকোঠাৰ প্ৰৱৰ্তনৰ সময়ত কেইবাটাও বিভাগত জৰাজীৰ্ণ শ্ৰেণীকোঠাতে ছাত্ৰ-ছাত্ৰীয়ে গ্ৰহণ কৰিবলগীয়া হৈছে উচ্চ শিক্ষা

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিমৌ, ১৩ ছেপ্টেম্বৰ ঃ** থাওৰা বিধানসভা সমষ্টিৰ গ্ৰাম্যপ্ৰধান নিতাইপুখুৰী আৰু পানীদিহিং মৌজাৰ ছাত্ৰ-ছাত্ৰীসকলে অধ্যয়ন কৰা একমাত্ৰ উচ্চ শিক্ষানুষ্ঠান নিতাইপুখুৰীস্থিত হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়ত অধ্যক্ষগৰাকীৰ লগতে পৰিচালনা সমিতিৰ অমনোযোগিতাত আন্তগাঁথনিকে ধৰি অন্যান্য দিশত বিভিন্ন সমস্যাই গা কৰি উঠিছে। শৈক্ষিক, ক্ৰীড়া, সাহিত্য, সাংস্কৃতিক দিশত ছাত্ৰ-ছাত্ৰীসকলে ধাৰাবাহিক পাৰদৰ্শিতা প্ৰদৰ্শন কৰি অহাৰ লগতে পৰিৱেশ আৰু সমাজমুখী কৰ্ম চেতনাৰে সমৃদ্ধ হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়ৰ শিক্ষক, ছাত্ৰ-ছাত্ৰীসকলে মহাবিদ্যালয়খনক অতীজৰে পৰা জনমানসত জিলিকাই ৰাখিবলৈ সক্ষম হৈছে। কিন্তু সম্প্ৰতি শিক্ষানুষ্ঠানখনৰ আন্তঃগাঁথনিয়ে জৰাজীৰ্ণ ৰূপ ধাৰণ কৰাত শ্ৰেণীকোঠাত ছাত্ৰ-ছাত্ৰীসকলে পাঠ গ্ৰহণ আৰু অধ্যাপক-অধ্যাপিকাসকলে পাঠদান কৰাত সমস্যাৰ সন্মুখীন হ'বলগীয়া হৈছে। নিতাই-পানীদিহিং মৌজাৰ বৃহত্তৰ গ্ৰামাঞ্চলৰ আৰ্থিকভাৱে দুৰ্বল পৰিয়াল আৰু মিছিং, কছাৰী, দেউৰী, নেপালী জনগোষ্ঠীৰ ছাত্ৰ-ছাত্ৰীসকলে উচ্চ শিক্ষা গ্ৰহণ কৰা হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়ৰ বহু শ্ৰেণীকোঠা, ছাত্ৰ-ছাত্ৰীৰ বেঞ্চ-ডেস্ক, প্ৰস্ৰাৱাগাৰ, শৌচাগাৰ আদিয়ে বিধ্বস্ত ৰূপ ধাৰণ কৰাৰ উপৰি মহাবিদ্যালয় চৌহদটো হাবি-বননিৰে আৱৰি জয়াল পৰিৱেশৰ সূচনা কৰিছে। মহাবিদ্যালয়খনৰ ক্ৰমে ইংৰাজী, বুৰঞ্জী আৰু অৰ্থনীতি বিভাগৰ গৃহসমূহে ধাৰণ কৰিছে অতিকে জৰাজীৰ্ণ ৰূপ। শ্ৰেণীকোঠাৰ দেৱাল, খিৰিকী উঁৱলি যোৱাৰ লগতে খহি পৰিছে ওপৰৰ চিলিং। ইংৰাজী, বুৰঞ্জী আৰু অৰ্থনীতি বিভাগত থকা প্ৰস্ৰাৱাগাৰ, শৌচাগাৰ ব্যৱহাৰৰ উপযোগী হৈ থকা নাই। ব্যৱহাৰৰ অনুপযোগী প্ৰস্ৰাৱাগাৰ, শৌচাগাৰৰ দুৱাৰ-খিৰিকী জহি-খহি পৰিছে আৰু তাত এন্দুৰ, সাপ আদিয়ে অবাধ বিচৰণ কৰিলেও আচৰিত হ'বলগীয়া একো নাই। মহাবিদ্যালয় চৌহদৰ একেবাৰে শেষ প্ৰান্তত জৰাজীৰ্ণ অৱস্থাত মূৰ দাঙি থকা ইংৰাজী, বুৰঞ্জী আৰু অৰ্থনীতি বিভাগ তিনিটাৰ সন্মুখতে থকা মহাবিদ্যালয় ছাত্ৰী নিৱাসটো আৱৰি ধৰিছে হাবি-বননিৰে ভৰা মৰিশালিসদৃশ পৰিৱেশে। কেৱল সেই স্থানতে নহয় বৰ্তমান মহাবিদ্যালয়খনৰ প্ৰতিটো শ্ৰেণীগৃহ, শিক্ষক, ছাত্ৰ-ছাত্ৰীৰ জিৰণি কোঠা আদিৰ পিছফালে শিক্ষানুষ্ঠানখনৰ পৰিৱেশ বিনিষ্ট কৰি অপতৃণ, লতিকা আদিৰে উপচি পৰিছে। মহাবিদ্যালয়খনৰ এনে জংঘলময় পৰিৱেশ নিকাকৰণৰ ব্যৱস্থা গ্ৰহণ কৰাত অধ্যক্ষগৰাকীৰ লগতে পৰিচালনা সমিতিয়ে কিয় অৱহেলা কৰি আহিছে সেয়া আশ্চৰ্যকৰ। মহাবিদ্যালয় এখনৰ আন্তঃগাঁথনিকে ধৰি অন্যান্য দিশৰ বিকাশৰ বাবে ভিন্ন শিতানৰ পৰা পুঁজি আবণ্টন হয়। সাংসদ, বিধায়কৰ পৰাও মহাবিদ্যালয় পৰ্যায়ত গৃহ আদি নিৰ্মাণ, মেৰামতিৰ বাবে আবণ্টিত হয় লাখ লাখ টকা। নিতাইপুখুৰীস্থিত হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়েও উন্নয়নমূলক পুঁজি লাভৰ ক্ষেত্ৰত ব্যতিক্ৰম নহয়। দুৰ্ভাগ্যজনকভাৱে উচ্চতৰ মাধ্যমিকৰ পৰা স্নাতক মহলাত কেইবা শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ন কৰি থকা হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে বছৰি পৰীক্ষাত প্ৰশংসনীয় ফলাফল প্ৰদৰ্শন কৰিবলৈ সক্ষম হৈছে। এনে ভাল ফলাফল প্ৰদৰ্শন কৰা মহাবিদ্যালয়খনৰ তিনিটাকৈ গুৰুত্বপূৰ্ণ বিভাগৰ শ্ৰেণীসমূহ অতি শোচনীয় শ্ৰেণীকোঠাত চলি থকাটো ছাত্ৰ-ছাত্ৰীসকলৰ বাবে অভিশাপস্বৰূপ। তদুপৰি মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলৰ ব্যৱহাৰৰ বাবে ভিন্ন স্থানত থকা একাধিক টয়লেটৰ অৱস্থাও জৰাজীৰ্ণ। মহাবিদ্যালয়খনৰ পুথিভঁৰালৰ ওপৰ মহলাতইউ জি চিৰ অনুমোদিত ৫০ লাখৰো অধিক টকা ব্যয় সাপেক্ষে নিম্ন মানৰ সামগ্ৰীৰে বিসংগতিপূৰ্ণভাৱে নিৰ্মাণ তথা স্থাপন কৰা কম্পিউটাৰ ছফ্টৱেৰযুক্ত ভাষা পৰীক্ষাগাৰটো ব্যৱহাৰৰ অনুপযোগী হৈ আছে। কম্পিউটাৰ কক্ষটোত স্থাপনৰ বাবে লাখ লাখ টকাৰে ক্ৰয় কৰা কম্পিউটাৰ আৰু আন যন্ত্ৰাংশৰ অপব্যৱহাৰ হোৱাৰ উপৰি কম্পিউটাৰ ৰখা টেবুল আদি উঁৱলি গৈছে। মহাবিদ্যালয়খনলৈ যোৰহাট লোকসভা সমষ্টিৰ সাংসদ তপন কুমাৰ গগৈয়ে প্ৰদান কৰা দহ লাখ টকাৰে মহাবিদ্যালয় কেণ্টিনখনৰ ওপৰত নিৰ্মাণ কৰা গৃহটো কিহৰ বাবে ব্যৱহাৰ কৰা হ'ব সেয়া অদ্যাপি স্পষ্ট হোৱা নাই। আউনীআটীয় সত্ৰৰ সত্ৰাধিকাৰ হেমচন্দ্ৰ দেৱগোস্বামীৰ পৃষ্ঠপোষকতাত নিতাই-পানীদিহিঙৰ শিক্ষানুৰাগী এচাম ব্যক্তিয়ে ১৯৬৫ চনত প্ৰতিষ্ঠা কৰা ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠানখনত সম্প্ৰতি জংঘলময় জয়াল পৰিৱেশেৰে ভৰা চৌহদ আৰু প্ৰযুক্তিলব্ধ শ্ৰেণীকোঠাৰ প্ৰৱৰ্তন হোৱাৰ সময়ত কেইবাটাও বিভাগত জৰাজীৰ্ণ শ্ৰেণীকোঠাতে ছাত্ৰ-ছাত্ৰীয়ে উচ্চ শিক্ষা গ্ৰহণ কৰিবলগীয়া হোৱাটোক লৈ মহাবিদ্যালয়খনৰ ভিতৰচ'ৰাতে ব্যাপক চৰ্চিত হৈছে। আনহাতে, হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়ৰ বৰ্তমানৰ আন্তঃগাঁথনিৰ দুৰৱস্থা স্বাভাৱিকতে নিতাই-পানীদিহিঙৰ শৈক্ষিক ক্ষেত্ৰৰ বাবে দুৰ্ভাগ্য আৰু উদ্বেগৰ কাৰণ হৈ পৰিছে।

# ভোলানাথ মহাবিদ্যালয়ত মহেশ্বৰ নেওগৰ স্মৃতিত বিশেষ বক্তৃতা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৩ ছেপ্টেম্বৰ ঃ** অসমৰ প্ৰথিতযশা কবি, সাহিত্যিক, গৱেষক পণ্ডিত, প্ৰাচ্য বিদ্যাৰ্ণৱ, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড° মহেশ্বৰ নেওগৰ আজি স্মৃতি দিৱস। তদুপলক্ষে ধুবুৰী জিলা সাহিত্য সভাৰ সহযোগত আৰু ধুবুৰী ভোলানাথ মহাবিদ্যালয়ৰ ভাষা-সাহিত্য চ'ৰা অসমীয়া বিভাগৰ উদ্যোগত এক বিশেষ বক্তৃতা অনুষ্ঠান অসম সাহিত্য সভাৰ পত্ৰিকা সম্পাদক তথা ভোলানাথ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° উপেন্দ্ৰজিৎ শৰ্মাৰ সঞ্চালনাত অনুষ্ঠিত হয়। আৰম্ভণিতে অনুষ্ঠানৰ উদ্দেশ্য ব্যাখ্যা কৰে জিলা সাহিত্য সভাৰ সম্পাদক আজাদ আলী আহমেদে। অসমীয়া সাহিত্য-সংস্কৃতি জগতখনৰ ভোটা তৰাসদৃশ ড° মহেশ্বৰ নেওগৰ অৱদান বৰ্ণনা কৰি শেষ কৰিব নোৱাৰি। সঁচা অৰ্থত জাতীয় জীৱনৰ দায়বদ্ধতাৰে পণ্ডিতগৰাকীয়ে অসমীয়া জাতিক নেতৃত্ব দিছিল। অনুষ্ঠানটোত 'ড° মহেশ্বৰ নেওগৰ দৃষ্টিত অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ যুগ বিভাজন' শীৰ্ষক বিশেষ বক্তৃতা প্ৰদান কৰে বিশিষ্ট সাহিত্যিক তথা শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° লীনা ডেকাই। ভাষণ প্ৰসংগত ড° ডেকাই অসমীয়া সাহিত্যৰ আৰম্ভণিৰ পৰা বৰ্তমান পৰ্যন্ত ৰেখাংকন কৰি ড° নেওগৰ দৃষ্টিত যুগ বিভাজনৰ প্ৰাসংগিকতা ব্যাখ্যা কৰে। তেওঁ কয় যে ড° মহেশ্বৰ নেওগৰ অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ যুগ বিভাজন অধিক বিজ্ঞানসন্মত আৰু বিদ্যায়তনিক। আবেলি ৫ বজাৰ পৰা গুগল মিটৰ জৰিয়তে অনুষ্ঠিত হোৱা উক্ত অনুষ্ঠানত আৰম্ভণিতে কামৰূপী লোকগীত পৰিৱেশন কৰে বিশিষ্ট কবি, শিল্পী প্ৰণীতা হালৈয়ে। অনুষ্ঠানত সভাপতিত্ব কৰে ধুবুৰী জিলা সাহিত্য সভাৰ সভাপতি তৰণী কান্ত ৰায়ে। ড° মহেশ্বৰ নেওগৰ ৰচিত কবিতা আবৃত্তি কৰে মহাবিদ্যালয়ৰ ছাত্ৰ আব্দুল হানিফ খানে। অংশগ্ৰহণকাৰীৰ বক্তব্যত ভোলানাথ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপিকা ড° অলকা শৰ্মা, নলবাৰী জিলা সাহিত্য সভাৰ সম্পাদক পংকজ বেজবৰুৱা আদিয়ে বক্তব্য প্ৰদান কৰে। অনুষ্ঠানত মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাসকলৰ লগতে ছাত্ৰ-ছাত্ৰী বৃন্দই অংশগ্ৰহণ কৰে। জাতীয় সংগীত পৰিৱেশনেৰে অনুষ্ঠানৰ সামৰণি পৰে।

# ঢকুৱাখনা হাৰ্হি মহাবিদ্যালয়ৰ বাৰ্ষিক নৱাগত আদৰণী সভাৰ সামৰণি




**দৈনন্দিন বাৰ্তাৰ সেৱা, ঢকুৱাখনা, ১৩ ছেপ্টেম্বৰ ঃ** ঢকুৱাখনা হাৰ্হি মহাবিদ্যালয়ত উখল-মাখল পৰিৱেশ। মহাবিদ্যালয়খনৰ বাৰ্ষিক 'নৱাগত আদৰণী সভা'ৰ বাৰেৰহণীয়া কাৰ্যসূচীৰে মুখৰ হৈ পৰে মহাবিদ্যায়লয়খন। মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উদ্যোগত পূৰ্বৰ দৰে এইবেলিও ২১সংখ্যক বাৰ্ষিক নৱাগত আদৰণী সভাখন দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হয়। কাৰ্যসূচী অনুসৰি পুৱা ৬ বজাত মহাবিদ্যালয়ৰ চৌহদ চাফাই, মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সভাপতি পিংকু গোস্বামীয়ে পতাকা উত্তোলন কৰাৰ পিছতে ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক দেৱজিৎ খাটনিয়াৰৰ দ্বাৰা শ্বহীদ তৰ্পণ কাৰ্যসূচী অনুষ্ঠিত হয়। পুৱা ৮ বজাত গছপুলি ৰোপণ কৰে হাৰ্হি মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ সহঃ অধ্যাপক ড° নৰ কুমাৰ সন্দিকৈয়ে। ইয়াৰ পিছতে হাৰ্হি মহাবিদ্যালয় ৰাজনীতি বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক ৰাজেশ চেতিয়া, ইংৰাজী বিভাগৰ সহঃ অধ্যাপক ড° জিতু কুমাৰ চমুৱা, অসমীয়া বিভাগৰ সহঃ অধ্যাপিকা প্ৰতিমা চেতিয়া, অৰ্থনীতি বিজ্ঞান বিভাগ সহঃ অধ্যাপক পদ্মকান্ত দলেৰ সঞ্চালনাত ন-পুৰণি ছাত্ৰ-ছাত্ৰীসকলৰ চিনাকি পৰ্ব, সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়। ইয়াৰ পিছতে ১১ বজাত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ সমৱেত সংগীতেৰে মঞ্চ উদ্বোধন কৰা অনুষ্ঠানত হাৰ্হি মহাবিদ্যালয় অধ্যক্ষ ড° মানসজ্যোতি নেওগৰ সভাপতিত্বত অনুষ্ঠিত হয় মূল সভা। উদ্বোধক হিচাপে উপস্থিত থাকি বক্তব্য আগবঢ়ায় ঢকুৱাখনা মহকুমাৰ মহকুমাধিপতি অৰিন্দম বৰুৱাই। নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি বক্তব্য আগবঢ়ায় ঢকুৱাখনা মহাবিদ্যালয়ৰ উপাধ্যক্ষ চিত্ৰ কুমাৰ কোচৰ লগতে আমন্ত্ৰিত অতিথি হিচাপে সদৌ অসম ছাত্ৰ সন্থা উপ-সভাপতি উৎপল শৰ্মা, কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য ধনমণি দত্ত। অনুষ্ঠানত লখিমপুৰ জিলা কেন্দ্ৰীয় সাংগঠনিক সম্পাদক পুলকজ্যোতি বৰা, সাধাৰণ সম্পাদক স্বৰাজ শংকৰ গগৈ উপস্থিত থকা অনুষ্ঠানত মহাবিদ্যালয়খনৰ নতুনকৈ নামভৰ্তি কৰা ন-পুৰণি শিক্ষাৰ্থীসকল, প্ৰশিক্ষকসকলৰ উপস্থিতিয়ে অনুষ্ঠানটো সাফল্যমণ্ডিত কৰি তোলে। অনুষ্ঠানৰ শেষত ত্ৰৈলোক্য সোণোৱালৰ গীতৰ অনুষ্ঠানেৰে বাৰ্ষিক নৱাগত আদৰণী সভাৰ সামৰণি পৰে।




# ডুমডুমা নাট্য মন্দিৰত অভিনয়াচাৰ্য ব্ৰজনাথ শৰ্মাৰ স্মৃতি দিৱস উদ্‌যাপন

## পাঁচ জ্যেষ্ঠ অভিনেতাক সম্বৰ্ধনা জ্ঞাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডুমডুমা, ১৩ ছেপ্টেম্বৰ ঃ** ডুমডুমা নাট্য মন্দিৰ সমিতিৰ উদ্যোগত কালি সন্ধিয়া নাট্য মন্দিৰ প্ৰাংগণত অভিনয়াচাৰ্য ব্ৰজনাথ শৰ্মাৰ ৬৩সংখ্যক স্মৃতি দিৱস বিভিন্ন কাৰ্যসূচীৰে উদ্‌যাপন কৰা হয়। উল্লেখ্য, অসমৰ ভিতৰত প্ৰথম ডুমডুমা নাট্য মন্দিৰতে ১৯৩৩ চনত ব্ৰজনাথ শৰ্মাই সহঃ অভিনয়ৰ পাতনি মেলিছিল। বিশিষ্ট সাহিত্যিক য়েছে দৰজে ঠংছি আহি অনুষ্ঠানটোত যোগদান কৰাত তেওঁক উপস্থিত ৰাইজে বিপুলভাৱে আদৰণি জনায় আৰু সমিতিৰ পৰা গামোচাৰে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। তেওঁ ব্ৰজনাথ শৰ্মাৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি জনোৱাৰ লগতে ব্ৰজনাথ শৰ্মা আৰু অসম সাহিত্য সভা বিষয়ত এটি চমু বক্তব্য আগবঢ়ায়। ব্ৰজনাথ শৰ্মাৰ প্ৰতিচ্ছবিত সমিতিৰ সভাপতি অৰ্জুন বৰুৱাই মাল্যাৰ্পণ কৰি অনুষ্ঠানটো আৰম্ভ কৰে। তাৰ পিছতে অসম নাট্য সন্মিলনৰ উপ-সভাপতি শ্যাম সুন্দৰ খাউণ্ডে বন্তি প্ৰজ্বলন কৰে আৰু তিনিচুকীয়া জিলা সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক প্ৰকাশ দত্তই শ্ৰদ্ধাঞ্জলি অনুষ্ঠানটো মুকলি কৰে। এই অনুষ্ঠানতে ঐতিহাসিক নাট্য মন্দিৰত অতীতত অভিনয় কৰি নাট্য মন্দিৰটো জীপাল কৰি ৰখা পাঁচ বয়োজ্যেষ্ঠ অভিনেতা ক্ৰমে যাদৱ বৰ্মন, ভূমিধৰ বৰ্মন, প্ৰভাত ডেকা, ৰমণী হালৈ আৰু অমূল্য খাটনিয়াৰক গামোচা, চেলেং, স্মাৰক, মানপত্ৰ আৰু উপহাৰৰ টোপোলাৰে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। অসুস্থতাৰ বাবে অনুষ্ঠানত উপস্থিত হ'ব নোৱাৰা নলবাৰী জিলাৰ পিপলিবাৰীত থকা ৰমণী হালৈলৈ সমিতিয়ে তেওঁৰ সম্বৰ্ধনাৰ সম্পদখিনি পঠিয়াই দিব বুলি সমিতিৰ সম্পাদক অৰূপজ্যোতি ডেকাই জনাইছে। অনুষ্ঠানটোত অসম নাট্য সন্মিলনৰ উপ-সভাপতি শ্যাম সুন্দৰ খাউণ্ড আৰু তিনিচুকীয়া জিলা নাট্য সন্মিলনৰ সভাপতি, বিশিষ্ট সাংবাদিক, লেখক, সুবক্তা, অভিনেতা অমূল্য খাটনিয়াৰে ব্ৰজনাথ শৰ্মাৰ কৰ্মৰাজি বিষয়ত একোটি উপাদেয় বক্তৃতা প্ৰদান কৰে। অসম চৰকাৰে ব্ৰজনাথ শৰ্মাৰ স্মৃতিত এটি বঁটা প্ৰদান কৰি অহাৰ লগতে তেওঁৰ এটি আবক্ষ মূৰ্তি সৰভোগত স্থাপন কৰিছে যদিও স্বাধীনতা সংগ্ৰামত বিশেষ ভূমিকা গ্ৰহণ কৰা ব্ৰজনাথ শৰ্মাক উপযুক্ত মৰ্যাদা আৰু তেওঁৰ পৰিয়ালক অৱহেলা কৰি অহা বাবে উভয় বক্তাই আক্ষেপ প্ৰকাশ কৰে। ডুমডুমা নগৰ সমিতিৰ প্ৰাক্তন ভাৰপ্ৰাপ্ত সভাপতি, সমাজকৰ্মী, অভিনেতা প্ৰভাত ডেকাই ডুমডুমা নাট্য মন্দিৰত অতীজত মঞ্চস্থ কৰা নাটসমূহৰ নাম উল্লেখ কৰি ভাষণ প্ৰদান কৰে। সমিতিৰ সহকাৰী সম্পাদক দেৱেন ডেকা আৰু সাংস্কৃতিক সম্পাদকদ্বয় মনোজ বৰুৱা আৰু কুলধৰ বৰ্মনে আঁত ধৰা অনুষ্ঠানত তৃপ্তি দাসে বৰগীত, অনামিকা লহকৰ আৰু ভাস্কৰ শইকীয়াই গীত আৰু জয়সূৰ্য বৰাই কবিতা আবৃতি কৰে। অনুষ্ঠানত অন্যান্যসকলৰ উপৰি সমিতিৰ প্ৰাক্তন সভাপতি জিতেন ডেকা, ডুমডুমা বংগীয় বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক প্ৰবীণ মজুমদাৰ, ডুমডুমা শাখা সাহিত্য সভাৰ সভাপতি বিমলা বৰুৱা, বিশিষ্ট নাট্যকাৰ ৰাজীৱ লোচন বৰা, জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় যুটীয়া সম্পাদক সুৰজিত মৰাণ, বিশিষ্ট সাংবাদিক অভিজিত খাটনিয়াৰ প্ৰমুখ্যে বহু বিশিষ্ট অতিথিয়ে যোগদান কৰি সাফল্যমণ্ডিত কৰি তোলে। সমিতিৰ সম্পাদক অৰূপজ্যোতি ডেকাই নাট্য মন্দিৰটো পুনৰ নিৰ্মাণৰ কাম দ্ৰুতগতিত আগবঢ়াই লৈ যোৱা কাৰণত তেওঁক সকলোৱে একেমুখে প্ৰশংসা কৰে।

### হোজাই সমবায় সমিতিৰ খচৰা ভোটাৰ তালিকা প্ৰকাশ

# ২৬ ছেপ্টেম্বৰলৈ ভোটাৰে ওজৰ-আপত্তি দাখিল কৰিব পাৰিব

**দৈনন্দিন বাৰ্তাৰ সেৱা, মোৰাঝাৰ, ১৩ ছেপ্টেম্বৰ ঃ** হোজাই সমবায় সমিতি লিমিটেডৰ খচৰা ভোটাৰ তালিকা প্ৰকাশ কৰা হৈছে যদিও সমবায় সমিতিৰ অংশীদাৰ ভোটাৰসকলে কিবা ওজৰ-আপত্তি থাকিলে ২৬ ছেপ্টেম্বৰৰ ভিতৰতে লিখিতভাৱে সমবায়ৰ কাৰ্যালয়ত ভোটাৰে ওজৰ-আপত্তি দাখিল কৰিব পাৰিব বুলি সমবায় সমিতিৰ সভাপতি হীৰু মহন্ত আৰু সম্পাদিকা মানি পালে আজি এক প্ৰেছ বিজ্ঞপ্তিযোগে জানিবলৈ দিয়ে। প্ৰেছ বিজ্ঞপ্তিত উল্লেখ কৰা মতে ২০০৭ চনৰ অসম সমবায় আইন আৰু উপবিধি অনুসৰি চলিত বৰ্ষৰ বাবে প্ৰযোজ্য হোৱাকৈ ভোটাৰ তালিকা প্ৰস্তুতৰ কাম চলি আছে যদিও কালি ভোটাধিকাৰ থকা আৰু ভোটাধিকাৰ নথকা খচৰা ভোটাৰ তালিকা প্ৰকাশ কৰা হৈছে। ভোটাৰ তালিকা সবল আৰু দুৰ্বল শ্ৰেণীৰ বাবে পৃথকে পৃথকে প্ৰকাশ কৰাত অংশীদাৰ ৰাইজে সমবায় কাৰ্যালয়ত আহি নিজৰ নিজৰ নাম চাই নাম অথবা ঠিকনা সন্দৰ্ভত কিবা ওজৰ-আপত্তি থাকিলে তথ্য প্ৰমাণ সহকাৰে ২৬ ছেপ্টেম্বৰলৈকে সমবায় কাৰ্যালয়ত আৱেদন গ্ৰহণ কৰা হ'ব বুলি সম্পাদিকাই জনায়।

# কৃতী শিক্ষয়িত্ৰী অনুৰূপা দাস বৰকাকতীক অভিনন্দন দল-সংগঠনৰ



**দৈনন্দিন বাৰ্তাৰ সেৱা, জামুগুৰিহাট, ১৩ ছেপ্টেম্বৰ ঃ** জীৱনৰ অধিকাংশ সময় আস্থা-নিষ্ঠা আৰু আন্তৰিকতাৰে শিক্ষাদান আৰু সমাজসেৱাৰ ক্ষেত্ৰত কৃতিত্বপূৰ্ণ সেৱাৰ স্বীকৃতিস্বৰূপে ৬১ সংখ্যক শিক্ষক দিৱসৰ দিনটোত শোণিতপুৰ জিলা প্ৰশাসনে কৃতী শিক্ষয়িত্ৰী হিচাপে স্বীকৃতি প্ৰদান কৰা জামুগুৰিহাটৰ বৰভগীয়া এম ভি স্কুলৰ সহকাৰী শিক্ষয়িত্ৰী অনুৰূপা দাস বৰকাকতীক উষ্ম সম্ভাষণ জনায় বিভিন্ন দল-সংগঠনে। ৫ ছেপ্টেম্বৰত তেজপুৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰেক্ষাগৃহৰ শতাব্দী ভৱনত জিলা প্ৰশাসনে অনুষ্ঠিত কৰা শিক্ষক দিৱসৰ কাৰ্যসূচীত এই বঁটা প্ৰদান কৰে উপায়ুক্ত দেৱ কুমাৰ মিশ্ৰ আৰু জিলাখনৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক -জিলা শিক্ষা বিষয়া প্ৰভাত দাসে। ১৯৯৩ চনত শিক্ষকতাৰ বৃত্তিত জড়িত হৈ কণ কণ ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক উত্তৰণত আত্মনিয়োগ কৰা অনুৰূপা দাস বৰকাকতী এগৰাকী সু-বক্তা হোৱাৰ লগতে কবিতা, গল্প আদি ৰচনা কৰি ভাষা-সাহিত্যৰ চৰ্চাৰ লগতো জড়িত হৈ আছে। তদুপৰি নিজ কৰ্ম দক্ষতাৰে নৱ-প্ৰজন্ম আৰু সমাজৰ প্ৰতিজন ব্যক্তিক আপোন কৰিব পৰা গুণেৰে সমৃদ্ধ এইগৰাকী শিক্ষয়িত্ৰী। বৰ্তমান ছাত্ৰ-ছাত্ৰীসকলক ভৱিষ্যৎ দিনৰ সু-নাগৰিক হিচাপে গঢ়ি তোলাৰ দিশত বিশেষভাৱে মনোনিৱেশ কৰা অনুৰূপা দাস বৰকাকতী অঞ্চলটোৰ বহু সামাজিক আৰু সাংস্কৃতিক অনুষ্ঠানৰ লগতো জড়িত হৈ আছে। শিক্ষয়িত্ৰীগৰাকীক সম্বৰ্ধনাও জনাইছে বিভিন্ন দল-সংগঠনে। শিক্ষক দিৱসৰ দিনটোত শোণিতপুৰ প্ৰশাসনে জিলাখনৰ ৩২ শিক্ষক-শিক্ষয়ত্ৰীৰ কৃতী শিক্ষকৰ স্বীকৃতি প্ৰদান কৰিছিল।

# ৰূপজ্যোতি দুৱৰা শইকীয়াৰ 'পৃথিৱীৰ অসুখ' আৰু 'জোনাকত বিৰিখৰ ছাঁ' উন্মোচন

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১৩ ছেপ্টেম্বৰ ঃ** ভাষা, সাহিত্য, সংস্কৃতি চৰ্চা আৰু অনুশীলনৰ মুকলি মঞ্চ নগাঁৱৰ 'অৰুণোদয় সাহিত্য চ'ৰা'ৰ উদ্যোগত দেওবাৰে দুখনকৈ গ্ৰন্থ উন্মোচন কৰা হয়। গ্ৰন্থ দুখন হৈছে কুঁজীডাহ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত বিষয় শিক্ষয়িত্ৰী ৰূপজ্যোতি দুৱৰা শইকীয়াৰ কাব্য সংকলন 'পৃথিৱীৰ অসুখ' আৰু গল্প সংকলন 'জোনাকত বিৰিখৰ ছাঁ' গ্ৰন্থ দুখন উন্মোচন কৰে নগাঁৱৰ আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ মুৰব্বী অধ্যাপক তথা সাহিত্যিক সদানন্দ পায়েং আৰু নগাঁৱৰ কনচেপ্ট কনিষ্ঠ মহাবিদ্যালয়ৰ প্ৰবক্তা ড° অনন্ত কুমাৰ বৰাই। অৰুণোদয় সাহিত্য চ'ৰাৰ সভাপতি, সাহিত্যিক গুণধৰ নাথৰ সভাপতিত্বত আয়োজন কৰা এই গ্ৰন্থ উন্মোচনী সভাখনত কাব্যগ্ৰন্থ 'পৃথিৱীৰ অসুখ' উন্মোচন কৰি বিশিষ্ট সাহিত্যিক সদানন্দ পায়েঙে কয়— গ্ৰন্থ এখন কিমান বিখ্যাত ব্যক্তিয়ে উন্মোচন কৰে সেয়া ডাঙৰ কথা নহয়। ভাল গ্ৰন্থ এখন পৃথিৱীৰ য'তেই নাথাকক কিয় সেই গ্ৰন্থখনৰ সুবাস সকলোতে বিয়পি পৰিবই। একেটা অনুষ্ঠানতে ৰূপজ্যোতি দুৱৰা শইকীয়াৰ গল্প সংকলন 'জোনাকত বিৰিখৰ ছাঁ' উন্মোচন কৰি ড° অনন্ত কুমাৰ বৰাই কয়— মই সাহিত্যিক নহয়। কিন্তু এজন ভাল পাঠক হ'বলৈ সদায়ে যত্ন কৰো। প্ৰতিটো গল্প বা উপন্যাসে সমাজৰ প্ৰকৃত সত্য, সমস্যা আৰু অনুভৱসমূহৰ বাস্তৱ ছবিখন দাঙি ধৰিব পৰিব লাগে। এজন ব্যক্তিয়ে কিমান গল্প বা কবিতা লিখিছে সেয়া ডাঙৰ কথা নহয়। তেওঁ কিমান উৎকৃষ্ট সাহিত্য সৃষ্টি কৰিছে সেয়াহে ডাঙৰ কথা। নগাঁৱৰ অসম হোমিঅ'পেথিক চিকিৎসা মহাবিদ্যালয় প্ৰেক্ষাগৃহত অনুষ্ঠিত সভাত সন্মানীয় অতিথিৰূপে উপস্থিত থাকে অৰুণোদয় সাহিত্য চ'ৰাৰ প্ৰাক্তন সভাপতি তথা মুখ্য উপদেষ্টা ভৱেশ মেধি, বিশিষ্ট শিক্ষাবিদ মৃদুল কুমাৰ শইকীয়া, প্ৰদীপ শইকীয়া, শিল্পী চিত্ৰদেৱ মহন্ত,পৰাণ দাস, চিম্পী বৰাৰ লগতে যথেষ্ট সাহিত্যানুৰাগী উপস্থিত থাকে। গ্ৰন্থ উন্মোচনৰ পিছতেই পূৰ্বৰ দৰে নিয়মীয়া সাহিত্য পাঠৰ অনুষ্ঠান অনুষ্ঠিত হয়। সামগ্ৰিক অনুষ্ঠানটিৰ আঁত ধৰে সম্পাদক আবুল হুছেইনে।

# ধেমাজিত ৪২টা বুথ বাহিনীৰ আহ্বায়ক-সহঃ আহ্বায়কক নিযুক্তি




**দৈনন্দিন বাৰ্তাৰ সেৱা, ধেমাজি, ১৩ ছেপ্টেম্বৰ ঃ** নৰোৱাথান কৃষ্টি বিকাশ কেন্দ্ৰত আজি ভাৰতীয় জনতা যুৱ মৰ্চা পশ্চিম ধেমাজি মণ্ডলৰ সভাপতি সোনিল সোণোৱালৰ সভাপতিত্বত বুথ বাহিনীৰ আহ্বায়ক আৰু সহঃ আহ্বায়কৰ নিযুক্তি প্ৰদান কাৰ্যসূচী ৰূপায়ণ কৰা হয়। আজি অনুষ্ঠিত সভাত ভাৰতীয় জনতা যুৱ মৰ্চা পশ্চিম ধেমাজি মণ্ডলৰ অন্তৰ্গত ৭টা পঞ্চায়তৰ ৪২টা বুথ কমিটীৰ আহ্বায়ক আৰু সহঃ আহ্বায়ক নিযুক্তি-পত্ৰ প্ৰদান কৰা হয়। এই নিযুক্তি-পত্ৰ প্ৰদান কৰে পশ্চিম ধেমাজি যুৱ মৰ্চা সভাপতি পুলক চুতীয়াই। সভাত আগন্তুক বুথ কমিটীসমূহে সাংগঠনিক দিশত কিদৰে আগবাঢ়ি সমিতিখনৰ লগতে দলটিক অধিক শক্তিশালী কৰিব পাৰিব তাৰ ওপৰত বিতংকৈ আলোচনা কৰা হয়। আজি এই গুৰুত্বপূৰ্ণ সভাখনত অংশগ্ৰহণ কৰে ধেমাজি যুৱ মৰ্চা মণ্ডল প্ৰভাৰী মনোজ কুমাৰ চুতীয়া, জিলা সমিতিৰ সম্পাদক মাধৱ পাঠক, জিলা সামাজিক মাধ্যম কোষৰ আহ্বায়ক জয়ন্ত হাজৰিকা, কাৰ্যনিৰ্বাহক সদস্য বিনন্দ বৰুৱা আৰু পাপু গগৈ আদিৰ লগতে জিলা সমিতিৰ কেইবাজনো জ্যেষ্ঠ নেতাই।

# দৰঙৰ খটৰা সত্ৰত চাৰিদনীয়া বৰ্ণাধ্য কাৰ্যসূচীৰে পাচেতি মহোৎসৱ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নামখলা, ১৩ ছেপ্টেম্বৰ ঃ** ৪৫৫বছৰীয়া ঐতিহাসিক দৰঙৰ খটৰা সত্ৰৰ পৰিচালনা সমিতিয়ে বিগত বছৰবোৰৰ দৰে এইবেলিও ৩০ ভাদৰ পৰা ২ আহিনলৈ ৫৭৩ শংকৰাব্দ, ১৬ ছেপ্টেম্বৰৰ পৰা ১৯ ছেপ্টেম্বৰত পৰাম্পৰাগত ধৰ্মীয় সাত্ত্বিকতা আৰু আড়ম্বৰপূৰ্ণ মেলামুখিতাৰে চাৰিদিনীয়া বৰ্ণময় কাৰ্যসূচীৰ আধাৰত পাচেতি মহোৎসৱৰ বিশাল আয়োজন কৰিছে সত্ৰৰ পৰিচালনা সমিতিয়ে। কাৰ্যসূচী অনুযায়ী ১৬ ছেপ্টেম্বৰ তাৰিখে পুৱা ৫ বজাত প্ৰাতঃ প্ৰসংগ, ৯ বজাত সমূহীয়া নাম-প্ৰসংগ, ১২.৩০ বজাত অস্থায়ী চিকিৎসা সেৱা কেন্দ্ৰৰ দ্বাৰ মুকলি, ১ বজাত পাচেতি মহোৎসৱৰ আদৰণী তোৰণ উন্মোচন, ৪.৩০ বজাত পাচেতি মহোৎসৱ উদ্বোধন কৰিব মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। সন্মানীয় অতিথি হিচাপে উপস্থিত থাকিব সাংসদ দিলীপ শইকীয়া, পৰিবহণ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, ৫ বজাত পাচেতি পুস্তিকা উন্মোচন, ৬ বজাত বন্তি প্ৰজ্বলন, নিশা ৯ বজাত দধিমথন কৃষ্টি পৰিৱেশন কৰিব বিশিষ্ট সাংস্কৃতিক কৰ্মী মৃত্যুঞ্জয় ডেকাই। ১৭ ছেপ্টেম্বৰ ৩১ ভাদ শনিবাৰে পুৱা ৫ বজাত প্ৰাতঃ প্ৰসংগ, ৫.৩০ বজাৰ পৰা যান-বাহন শান্তিকৰণ শুভাৰম্ভ, ৮ বজাত ধৰ্মধ্বজা উত্তোলন কৰিব সত্ৰৰ পৰিচালনা সমিতিৰ সভাপতি যাদৱ চন্দ্ৰ মহন্তই। ৯ পৰা ভাগত পাঠ, ১১ বজাত খটৰা সত্ৰ পুথিভঁৰাল উন্মোচন কৰিব স্থানীয় বিধায়ক ড° পৰমানন্দ ৰাজবংশীয়ে। ১২ বজাত দধিমথন কৃষ্টি পৰিৱেশন। ১৮ ছেপ্টেম্বৰ ১ আহিন দেওবাৰ পুৱা ৫ বজাত প্ৰাতঃপ্ৰসংগ, ৫.৩০ বজাত স্বচ্ছ অভিযান, ১১ বজাৰ পৰা সত্ৰীয়া নৃত্য প্ৰতিযোগিতা আৰু সাংস্কৃতিক বিচিত্ৰানুষ্ঠান। ১৯ ছেপ্টেম্বৰ, ২ আহিন সোমবাৰে পুৱা ১০ বজাৰ পৰা দিহানাম প্ৰতিযোগিতা। উদ্বোধন কৰিব বিশিষ্ট সমাজ সেৱিকা দীপালী বৰুৱাই। সন্ধিয়া ৫ বজাত ধৰ্মধ্বজা অৱনমন, ৬ বজাত বন্তি প্ৰজ্বলন, সন্ধিয়া ৭ বজাত শ্ৰীমন্ত শংকৰদেৱৰ বিৰচিত 'ৰাম বিজয়' ভাওনা পৰিৱেশন কৰিব খটৰা সত্ৰৰ শিল্পী আৰু কলা-কুশলীসকলে। বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব বিশিষ্ট কণ্ঠশিল্পী তথা জ্যোতি চিত্ৰবনৰ সঞ্চালক বিদ্যাসাগৰ। সত্ৰীয়া নৃত্যৰ পুৰস্কাৰসমূহ ক্ৰমে- প্ৰথম পুৰস্কাৰ পাঁচ হাজাৰ, তিনি হাজাৰ আৰু তৃতীয় পুৰস্কাৰ দুহাজাৰ টকা। দিহানামৰ পুৰস্কাৰ ক্ৰমে প্ৰথম পুৰস্কাৰ পাঁচ হাজাৰ, দ্বিতীয় পুৰস্কাৰ তিনি হাজাৰ আৰু তৃতীয় পুৰস্কাৰ দুহাজাৰ টকা। ১৮ ছেপ্টেম্বৰ তাৰিখে অনুষ্ঠিত হ'বলগীয়া সত্ৰীয়া নৃত্য প্ৰতিযোগিতা আৰু ১৯ ছেপ্টেম্বৰৰ দিহা নাম প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব খোজা ইচ্ছুক প্ৰতিযোগীসকলক ১৭ ছেপ্টেম্বৰৰ ভিতৰত অংশগ্ৰহণ নিশ্চিত কৰিবলৈ উদ্‌যাপন সমিতিয়ে উল্লিখিত ৯৬১৩০০১০৫৯ , ৯৪০১৯২৫১৭৭ আৰু ৯১০১৬০৩০৬৫ ফোন নম্বৰত যোগাযোগ কৰিবলৈ অনুৰোধ জনাইছে।

# সমাজকৰ্মী গুণমণি নাথৰ পৰলোক

**দৈনন্দিন বাৰ্তা সেৱ, মৰিগাঁও, ১৩ ছেপ্টেম্বৰ ঃ** মৰিগাঁও জিলাৰ হাবিবৰগাবাৰী অঞ্চলৰ পৰশুটাঙণী গাঁৱৰ বিশিষ্ট সমাজকৰ্মী গুণমণি নাথৰ যোৱা নিশা নিজ বাসগৃহত পৰলোক প্ৰাপ্তি হয়। গাঁও উন্নয়ন সমিতিৰ সভাপতি, বিদ্যালয় পৰিচালনা সমিতিৰ লগতে অঞ্চলটোৰ বিভিন্ন শৈক্ষিক,সামাজিক আৰু আধ্যাত্মিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে সুদীৰ্ঘ সময় অতিবাহিত কৰা প্ৰয়াত নাথ দেৱ গাঁও খনৰ প্ৰথম গৰাকী মেট্ৰিক উত্তীৰ্ণ আৰু মেধাসম্পন্ন ব্যক্তি আছিল। কিছুবছৰ বৰালিমাৰী প্ৰাথমিক বিদ্যালয়ত শিক্ষকতা বৃত্তিত কৰ্মৰত থকাৰ পিছত স্বেচ্ছাই চৰকাৰী চাকৰি এৰি কৃষি কৰ্মত নিয়োজিত হোৱা এগৰাকী আদৰ্শ কৃষক হিচাপেও পৰিচিত আছিল। হৃদ ৰোগত আক্ৰান্ত হৈ চিকিৎসাধীন থকা নাথে কালি সন্ধিয়া ৭:৩৪ বজাত আকস্মিক ভাৱে ইহলীলা সম্বৰণ কৰে। মৃত্যুৰ সময়ত তেওঁ পত্নী, দুই পুত্ৰ, বোৱাৰী,জী,নাতি-নাতিনী সমন্বিতে অলেশ গুণমুগ্ধ আত্মীয় স্বজনক ইহসংসাৰত এৰি থৈ যায়। তেওঁৰ পৰলোক বাৰ্তা বিয়পি পৰাৰ লগে লগে অঞ্চলটোৰ বিভিন্ন শৈক্ষিক, সামাজিক, সাংস্কৃতিক অনুষ্ঠান প্ৰতিষ্ঠানে সমাজসেৱী, সৰবৰহী ব্যক্তি গৰাকীক স্মৰণ কৰাৰ লগতে পৰিয়াল,আত্মীয়লৈ সমবেদনা জ্ঞাপন কৰে।



## বিশ্ব খনিকৰ বিশ্বকৰ্মা পূজালৈ মাজত কেইটামান দিন বাকী

# বিশ্বকৰ্মাৰ মৃন্ময় মূৰ্তি নিৰ্মাণত ব্যস্ত তামাৰহাটৰ মৃৎশিল্পী

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামাৰহাট, ১৩ ছেপ্টেম্বৰ ঃ** বিশ্ব খনিকৰ বিশ্বকৰ্মা পূজালৈ মাজত মাথোঁ কেইটামান দিন বাকী। বাজাৰ বিভিন্ন প্ৰান্তৰ লগতে বিশ্বকৰ্মাৰ মৃন্ময় মূৰ্তি নিৰ্মাণত ব্যস্ত অসম-বংগ সীমান্তৰ ধুবুৰী জিলাৰ তামাৰহাট থানাৰ অন্তৰ্গত হাতীধুৰাৰ মৃৎশিল্পীসকল। উল্লেখ্য যে, অন্যান্য বছৰৰ দৰে এইবেলিও তামাৰহাট থানাৰ অন্তৰ্গত হাতীধুৰাৰ (পালপাৰা) চাৰিটা মৃৎশিল্পী পৰিয়ালে বিশ্ব খনিকৰ বিশ্বকৰ্মাৰ অৰ্ধশতাধিক মৃন্ময় মূৰ্তি তৈয়াৰ কৰি অন্তিম পৰশ দি বিক্ৰীৰ বাবে সাজু কৰি তুলিছে। কিন্তু মৃন্ময় প্ৰতিমা নিৰ্মাণত ব্যৱহৃত হোৱা কেঁচামালৰ দাম অস্বাভাৱিক হাৰত বৃদ্ধি হোৱাত পূৰ্বৰ বছৰবোৰৰ তুলনাত এইবেলি মৃৎশিল্পীসকল অধিক লাভৱান হ'ব নোৱাৰিব বুলি মৃৎশিল্পীসকলে জানিবলৈ দিয়ে। মন কৰিবলগীয়া যে বৃহত্তৰ অঞ্চলটোৰ বাইজৰ চাহিদা অনুসৰি হাতীধুৰাৰ চাৰিটা মৃৎশিল্পী পৰিয়ালে পৰম্পৰাগতভাৱে প্ৰতি বছৰে বিশ্বকৰ্মা, দুৰ্গা, কালী, লক্ষ্মী, স্বৰস্বতী, মহাদেৱ আদি দেৱ-দেৱীৰ উপৰি চাকি আৰু মাটিৰ বিভিন্ন বাচন-বৰ্তন তৈয়াৰ কৰি বজাৰত মুকলি কৰি দি আহিছে। কিন্তু আজিলৈকে উক্ত মৃন্ময় শিল্পীসকল চৰকাৰৰ ফালৰ পৰা কোনো ধৰণৰ সুবিধা লাভ কৰিবলৈ সক্ষম হোৱা নাই। ফলত আৰ্থিক অনাটনত ভুগিবলগীয়া হৈছে শিল্পীসকলে।

# কোচ-ৰাজবংশী সাহিত্য সভাৰ বটেৰহাট শাখা কমিটী গঠন

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামাৰহাট, ১৩ ছেপ্টেম্বৰ ঃ** কোচ-ৰাজবংশী সাহিত্য সভাৰ ধুবুৰী জিলা কমিটীৰ অধীনস্থ বটেৰহাট শাখা কমিটীখন ১১ ছেপ্টেম্বৰৰ দিনা ধুবুৰী জিলাৰ বটেৰহাট শংকৰদেৱ বিদ্যা নিকেতনত অনুষ্ঠিত এখন সাধাৰণ সভাৰ জৰিয়তে গঠন কৰা হয়। স্থানীয় বিশিষ্ট ব্যক্তি সুৰেশ চন্দ্ৰ ৰায় সৰকাৰৰ সভাপতিত্বত অনুষ্ঠিত সাধাৰণ সভাখনত জিতেশ ভকতক সভাপতি, গৌতম কুমাৰ ৰায়, বিষ্ণু ৰায়, বিপুল অধিকাৰী আৰু পাৰ্থজিত ৰায়ক উপ-সভাপতি, অনিলিভা দেৱীক সাধাৰণ সম্পাদিকা, জিতেন চন্দ্ৰ ৰায়, মনিন্দ্ৰ ভকত, প্ৰসেনজিত ৰায় আৰু পদুম ভকতক সম্পাদক আৰু জীৱেশ চন্দ্ৰ ৰায়ক বিত্ত সম্পাদক হিচাপে লৈ মুঠ ৩৫জনীয়া সদস্যৰে বটেৰহাট শাখা কোচ-ৰাজবংশী সাহিত্য সভাখন গঠন কৰা হয়। সভাখনত পৰ্যবেক্ষক হিচাপে উপস্থিত থাকি কোচ-ৰাজবংশী সাহিত্য সভাৰ কেন্দ্ৰীয় কমিটীৰ সাধাৰণ সম্পাদক কমল কুমাৰ বৰ্মনে কোচ ৰাজবংশী সাহিত্য সভাৰ সাংগঠনিক দিশৰ ওপৰত বিশদভাৱে আলোচনা কৰে। ইয়াৰ উপৰি সভাখনত উপস্থিত থকা কোচ-ৰাজবংশী সাহিত্য সভাৰ কেন্দ্ৰীয় কমিটীৰ পত্ৰিকা সম্পাদক ৰঘুনাথ চৌধুৰী, সম্পাদক পিনাকী ৰায়, সাংগঠনিক সম্পাদক অলকেশ ৰায়, ধুবুৰী জিলা কমিটীৰ সভাপতি আৰু সাধাৰণ সম্পাদক ক্ৰমে নিত্যানন্দ ৰায় আৰু ডালিম ৰায়, চিলাৰা মহাবিদ্যালয় আৰু হাতীধুৰা মহাবিদ্যালয়ৰ ৰাজবংশী ভাষাৰ প্ৰমাণ-পত্ৰ পাঠ্যক্ৰমৰ সমন্বয়ক ক্ৰমে অলকেশ ৰায় আৰু জয়ন্ত কুমাৰ ৰায়ে ৰাজবংশী ভাষাৰ ওপৰত গুৰুত্বপূৰ্ণ ভাষণ প্ৰদান কৰে।

# বাইহাটা চাৰিআলিত গ্ৰন্থ উন্মোচনী সভা

## 'আবেলিৰ হাঁহি', 'জোনাক' নামৰ দুখন গ্ৰন্থ উন্মোচন

**দৈনন্দিন বাৰ্তাৰ সেৱা, বাইহাটা চাৰিআলি, ১৩ ছেপ্টেম্বৰ ঃ** কামৰূপ জিলাৰ বাইহাটা চাৰিআলিত গ্ৰন্থ উন্মোচনী সভাৰ আয়োজন কৰা হয়। বাইহাটা চাৰিআলিৰ স্বৰ্ণ শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ভৱেশ ডেকাৰ সভাপতিত্বত ৰেঙনি প্ৰকাশনৰ উদ্যোগত আয়োজিত এই সভাত তৰণী কান্ত ডেকা ৰচিত 'আবেলিৰ হাঁহি' নামৰ গ্ৰন্থখন উন্মোচন কৰে অধ্যাপক ড° বিকাশ ভাৰ্গৱ শৰ্মাই আৰু জোনাক নামৰ সম্পাদিত আলোচনীখন উন্মোচন কৰে অৱসৰী অধ্যাপক ড° নলিন চন্দ্ৰ বড়াই। বাইহাটা চাৰিআলিৰ ৰুৰেল লাইব্ৰেৰীৰ সভাগৃহত কবি চন্দন শৰ্মাই আঁত ধৰা এই গ্ৰন্থ উন্মোচনী সভাত গ্ৰন্থ উন্মোচক দুয়োজনৰ লগতে সভাত বিশিষ্ট অতিথিৰ আসন গ্ৰহণ কৰা সাহিত্যসেৱী চক্ৰধৰ চৌধুৰী আৰু আৰিফ হুছেইনে গ্ৰন্থ লেখক তৰণী কান্ত ডেকাৰ সাহিত্য আৰু সামাজিক দিশত ভিন্ন অনুপ্ৰেৰণামূলক কৰ্মৰ বিষয়ে নিজ নিজ বক্তব্যত উল্লেখ কৰে। তদুপৰি এই সভাৰ লগত সংগতি ৰাখি সন্ধিয়া সংগীত কাননৰ অধ্যক্ষ চাণক্য শৰ্মাৰ পৰিচালনাত সংগীত কাননৰ শিল্পীসকলে গীত, নৃত্য আদি বাৰেৰহণীয়া সাংস্কৃতিক কাৰ্যসূচী ৰূপায়ণ কৰে।

# আইআইটি-জেইই পৰীক্ষাত ৰামানুজন কনিষ্ঠ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সফলতা

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১৩ ছেপ্টেম্বৰ ঃ** সদ্যঘোষিত সৰ্বভাৰতীয় আই আই টি (JEE, ADVANCED) প্ৰৱেশ পৰীক্ষা আৰু সৰ্বভাৰতীয় ইঞ্জিনিয়াৰিং (JEE, MAINS) প্ৰৱেশ পৰীক্ষাত নগাঁৱৰ অগ্ৰণী ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠান ৰামানুজন কনিষ্ঠ মহাবিদ্যালয়ে সফলতাৰ পূৰ্বৰ ধাৰা অব্যাহত ৰাখিবলৈ সক্ষম হৈছে। এইবাৰ মহাবিদ্যালয়খনৰ পৰা সৰ্বভাৰতীয় আই আই টি (JEE, ADVANCED) প্ৰৱেশ পৰীক্ষাত ৯গৰাকী আৰু সৰ্বভাৰতীয় ইঞ্জিনিয়াৰিং (JEE,MAINS) প্ৰৱেশ পৰীক্ষাত ৬০গৰাকী ছাত্ৰ-ছাত্ৰীয়ে সফলতা লাভ কৰিবলৈ সক্ষম হয়। সৰ্বভাৰতীয় আই আই টি পৰীক্ষাত মহাবিদ্যালয়খনৰ পৰা সফলতা লাভ কৰা ছাত্ৰ-ছাত্ৰীসকলৰ ভিতৰত উদিত দত্তই ৮৫৩৯ ৰেংক, বলয় বিক্ৰম নাথে ২৬০১, বৈদুৰ্য সোণোৱাল ১৩১, চিন্ময় প্ৰতীম ৰয় ৪৫৭৫, পৃথ্বী নীল দাস ১৮৭৬১, শ্ৰেষ্ঠাশ্ৰী শাণ্ডিল্য ৩৫৯১, অনীত কুমাৰ গুপ্তা ৭৮৮৯, আনীষা দে ৪৮৫৩ আৰু হিমাংকুৰ বাংথাই ৭৪৪ ৰেংক লাভ কৰে। আনহাতে, শিক্ষা প্ৰতিষ্ঠানখনৰ পৰা সৰ্বভাৰতীয় ইঞ্জিনিয়াৰিং প্ৰৱেশ পৰীক্ষাত ৬০গৰাকী ছাত্ৰ-ছাত্ৰীয়ে সফলতা লাভ কৰিবলৈ সক্ষম হৈছে। আনহাতে, সদ্যঘোষিত সৰ্বভাৰতীয় মেডিকেল প্ৰৱেশ পৰীক্ষা চমুকৈ নীট (NEET)তো ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানখনৰ পৰা ৪০গৰাকী ছাত্ৰ-ছাত্ৰীয়ে সফলতা লাভ কৰিবলৈ সক্ষম হয়।

## ■ সবল নাৰী, স্বাক্ষৰ শিশুৰ বিকাশৰে সুস্থ ভাৰত নিৰ্মান ঃ ড° নছিউৰ ৰহমান ■

# হাজো সংহত শিশু বিকাশ প্ৰকল্পৰ অন্তৰ্গত ১২নং চক্ৰৰ সৌজন্যত ৰাষ্ট্ৰীয় পোষন মাহ উদযাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, হাজো, ১৩ ছেপ্টেম্বৰঃ** হাজোৰ বাগটা জগধাত্ৰী পূজা মণ্ডপ প্ৰাংগনত অসম চৰকাৰৰ সমাজ কল্যান বিভাগৰ অন্তৰ্গত হাজো সংহত শিশু বিকাশ প্ৰকল্পৰ অধীনত ১২ নং চক্ৰৰ সৌজন্যত ৰাষ্ট্ৰীয় পোষন মাহ ২০২২ উদযাপন কৰা হ'য়। সেই অনুসৰি এখনি সজাগতামূলক সভা সম্পন্ন কৰা হ'য় সভাত পৰিষ্কাৰ পৰিচ্ছন্নতা মানি চলা, আই বন সেৱন, প্ৰেৰণ সেৱা, এনিমিয়া বোধ কৰা,আদি বিভিন্ন বিষয়ৰ ওপৰত গৰ্ভৱতী শিশু প্ৰসূতি মাতৃসকলক সজাগ কৰাৰ লগতে পৰিপূৰক পুষ্টিকৰ খাদ্যাভাস সম্পৰ্কে তৃণমূল পৰ্যায়ত ললনগীয়া যতন সন্দৰ্ভত গঠনমূলক বক্তব্য দাঙি ধৰে হাজো সংহত শিশু উন্নয়ন প্ৰকল্প বিষয়া ডঃ নছিউৰ ৰহমানে। তদুপৰি আজিৰ সভাত সজাগতামূলক শোভাযাত্ৰা, গীত, নৃত্য, অভিনয় শৈলী, বাটৰ নাট, নাম প্ৰসংগ পৰিবেশনৰে যোগেদি সজাগতা সৃষ্টিৰ প্ৰয়াস কৰা হৈছে। সভাত শিশুসকল আৰু মাতৃসকলৰ পৰিপুষ্টি আহাৰৰ নিদৰ্শন ৰূপে ভিন্ন প্ৰকাৰৰ তিতা মিঠা কেহো ফল-মূল, সেউজীয়া শাক-পাচলি,কণী,আই বন টেবলেট আদি সজাই পৰাই ৰখাওঁ পৰিলক্ষিত হৈছে। সজাগতামূলক সভাখনত উপস্থিত থাকে সমাজসেৱক গোলোক কলিতা, সহকাৰী শিক্ষক হৰকান্ত কুমাৰ ডেকা, গাওঁবুঢ়া অনিল পাটোৱাৰী,পশু ক্ষেত্ৰ সহায়ক পবিত্ৰ মালাকাৰ,মুখ্য সেবিকা অলকা দাস, আশাকৰ্মী,এ.এন.এমকে প্ৰমুখ্যে সহত শিশু উন্নয়ন প্ৰকল্পৰ অধীনস্থ ১২ নং চক্ৰৰ অন্তৰ্গত বাগটা, সাতদলা, অভয়পুৰ, গেৰুৱা, ভোমা আদি গাওঁৰ ২৩ টা অংগনবাড়ী কেন্দ্ৰৰ প্ৰায় শতাধিক কৰ্মী সহায়িকা তথা অঞ্চলটোৰ ৰাইজ ও বিশিষ্ট গন্য মান্য ব্যক্তি।




# ৰহাত পাঁচদিনীয়া মীন পালন প্ৰশিক্ষণৰ সামৰণি

## ■ মৰিগাঁও জিলা কৃষি বিজ্ঞান কেন্দ্ৰৰ উদ্যোগত, ৰহা মীন মহাবিদ্যালয়ত এই প্ৰশিক্ষণ শিবিৰ




**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰহা, ১৩ ছেপ্টেম্বৰ ঃ** সাম্প্ৰতিক সময়ত মাছৰ পৰা প্ৰস্তুত কৰা মূল্য সংযোজিত খাদ্য-সামগ্ৰীৰ জনপ্ৰিয়তাৰ প্ৰতি লক্ষ্য ৰাখি 'ৰাষ্ট্ৰীয় কৃষি বিজ্ঞান যোজনা' (RKVY)ৰ সৌজন্যত অসম কৃষি বিশ্ববিদ্যালয়ৰ অন্তৰ্গত ৰহাস্থিত মীন মহাবিদ্যালয়ৰ মীন সংসাধন বিভাগে ( FISH PROCESSION TECHNELOGY) মৰিগাঁও কৃষি বিজ্ঞান কেন্দ্ৰৰ সহযোগত যোৱা ৮ ছেপ্টেম্বৰৰ পৰা ১২ ছেপ্টেম্বৰলৈ এক পাঁচদিনীয়া ৰহা মীন মহাবিদ্যালয়ত প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত কৰে। ২০গৰাকী খাদ্য সংসাধনৰ লগত জড়িত মহিলাক সাঙুৰি 'স্কিল ডেভেলপমেণ্ট থ্ৰ প্ৰিপাৰেচন অৱ ভেলু এডেড্ ফ্ৰেচ ৱাটাৰ ফিছ প্ৰডাক্ট' (SKILL DEVELOPMENT THROUGH PREPARATION OF VALUE ADDED FRESH WATER FISH PRODUCT)ৰ ওপৰত এক ব্যৱসায়িক প্ৰশিক্ষণ অনুষ্ঠিত হয়। ৮ ছেপ্টেম্বৰত প্ৰশিক্ষণৰ আৰম্ভণী অনুষ্ঠানত ৰহা মীন মহাবিদ্যালয়ৰ বিজ্ঞান গুৰু ড° বিনোদ কলিতা, অধ্যাপক ড° প্ৰাণজ্যোতি শৰ্মা, অধ্যাপক তথা প্ৰাঠ্যক্ৰম সমন্বয়ক ড° চৰিফউদ্দিন আহমেদ, সহকাৰী অধ্যাপক ইনাম আখতাৰ হুছেইন, সহকাৰী অধ্যাপিকা আজিমুন নিছাৰ লগতে মৰিগাঁও কৃষি বিজ্ঞান কেন্দ্ৰৰ মীন বিশেষজ্ঞ পৰাগমণি ডেকা আৰু অন্যান্য গৱেষক ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰে। মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক ইনাম আখতাৰ হুছেইনে আঁত ধৰা আৰম্ভণী অনুষ্ঠানত মীন মহাবিদ্যালয়ৰ বিজ্ঞান গুৰু ড° বিনোদ কলিতাই এনে ধৰণৰ প্ৰশিক্ষণৰ গুৰুত্ব ব্যাখ্যা কৰি অনাগত দিনটো মহাবিদ্যালয়ৰ মীন সংসাধন বিভাগৰ অনুৰূপ প্ৰয়াস অব্যাহত থাকিব বুলি মন্তব্য কৰে। অনুষ্ঠানত অধ্যাপকদ্বয় ড° চৰিফউদ্দিন আহমেদ আৰু ড° প্ৰাণজ্যোতি শৰ্মাই পাঁচদিনীয়া প্ৰশিক্ষণৰ লক্ষ্য আৰু উদ্দেশ্যৰ বিষয়ে অৱগত কৰাৰ লগতে বিভিন্ন ধৰণৰ মূল্য সংযোজিত সামগ্ৰীৰ ওপৰত ভাষণ প্ৰদান কৰে। ইয়াৰ উপৰি পাঁচদিনীয়া প্ৰশিক্ষণৰ সুবিধা হোৱাকৈ মহাবিদ্যালয়ৰ মীন সংসাধন বিভাগে প্ৰকাশ কৰা মীন প্ৰশিক্ষণৰ এখন হাত পুথিও উন্মোচন কৰা হয়। মীন প্ৰশিক্ষণৰ আৰম্ভণী অনুষ্ঠানৰ সামৰণী ভাষণ প্ৰদান কৰে মহাবিদ্যালয়ৰ গৱেষক ছাত্ৰী কামাখ্যা কলিতাই। ১২ ছেপ্টেম্বৰত পাঁচদিনীয়া সামৰণী অনুষ্ঠানত মীন মহাবিদ্যালয়ৰ বিজ্ঞান গুৰু ড° বিনোদ কলিতা, মৰিগাঁও কৃষি বিজ্ঞান কেন্দ্ৰৰ মুৰব্বী বিজ্ঞানী ড° ৰিজুস্মিতা শৰ্মা ডেকা, মীন মহাবিদ্যালয়ৰ অধ্যাপক ড° প্ৰাণজ্যোতি শৰ্মা, অধ্যাপক ড° চৰিফউদ্দিন আহমেদ, সহকাৰী অধ্যাপক ড° বিপুল কুমাৰ কাকতি, সহকাৰী অধ্যাপিকা আজিমুন নিচা, সহকাৰী অধ্যাপক ইনাম আখতাৰ হুছেইনে অংশগ্ৰহণ কৰে। গৱেষক ছাত্ৰী কামাখ্যা কলিতাই আঁত ধৰা অনুষ্ঠানত প্ৰতিগৰাকী প্ৰশিক্ষণত অংশগ্ৰহণকাৰীক একোখনকৈ মানপত্ৰ প্ৰদান কৰা হয়। পাঁচদিনীয়া প্ৰশিক্ষণত মূল্য সংযোজিত সামগ্ৰী, ফিছ বল, কাটলেট, ফিছ ফিংগাৰ, মাছৰ আছাৰ, মাছৰ ভুজিয়াৰ প্ৰশিক্ষণ দিয়া হয়।



# মোহপ্ৰভা ৰাজখোৱাৰ বিয়োগত শোক

**দৈনন্দিন বাৰ্তাৰ সেৱা, খুমটাই, ১৩ ছেপ্টেম্বৰ ঃ** খুমটাই আদৰ্শ প্ৰাথমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী তথা সমাজহিতৈষী মোহপ্ৰভা ৰাজখোৱাৰ আজি ৮৯ বছৰ বয়সত বাৰ্ধক্যজনিত কাৰণত খুমটাই চাৰিআলিৰ নিজা গৃহত পুৱা মৃত্যু হয়। সমাজহিতৈষী ব্যক্তিগৰাকীৰ মৃত্যুৰ খবৰ বিয়পাৰ লগে লগে তেওঁৰ গুণমুগ্ধৰে বাসগৃহ ভৰি পৰে। পৰিয়াল আত্মীয়-কুতুম্ব আৰু ব্যক্তিবিশেষৰ লগতে অনুষ্ঠান- প্ৰতিষ্ঠানে শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। শিক্ষাৰ লগতে সমাজ-সাংস্কৃতিৰ স'তে জড়িত হৈ বিগত সময়ত খুমটাই বয়ন সমবায় সমিতিৰ সম্পাদিকা হিচাপে শিপিনীসকলৰ সেৱা আগবঢ়োৱা অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰীগৰাকীৰ মৃত্যুত পৰিয়ালৰ লগতে অঞ্চলটোত শোকৰ ছাঁ পৰে। সমাজ হিতৈষীগৰাকীৰ মৃত্যুত আপকুৰ গোলাঘাট জিলা সমিতিৰ সভাপতি নবীন গোহাঁই, খুমটাই আঞ্চলিক সাংবাদিক সন্থাৰ সভাপতি বাবুল গগৈ, সম্পাদক সাৰংগ তামুলী, উপ-সভাপতি চন্দন বৰা, সহঃ সম্পাদক বেদাংগ তামুলী, দীপজ্যোতি তামুলীয়ে গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়াল বৰ্গক সমবেদনা জ্ঞাপন কৰে। অৱসৰী শিক্ষয়িত্ৰীগৰাকীয়ে মৃত্যুৰ সময়ত দুজন পুত্ৰ, এগৰাকী কন্যা, দুগৰাকী বোৱাৰী, তিনিগৰাকী নাতি-নাতিনীসহ বহু আত্মীয়-স্বজনক ইহঃসংসাৰত এৰি থৈ গৈছে।



# খেৰবাৰীত গৰু জব্দ

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোলকগঞ্জ, ১৩ ছেপ্টেম্বৰ ঃ** ধুবুৰী জিলাৰ আগমনি থানাৰ অন্তৰ্গত অসম-বংগ সীমান্তৱৰ্তী খেৰবাৰী তৃতীয় খণ্ড গাঁৱত আজি পুৱা চোৰাং সৰবৰাহৰ বাবে অসমত প্ৰৱেশ কৰা ছটাকৈ গৰু ৰাইজে জব্দ কৰি আৰক্ষীক চমজাই দিয়ে। জানিব পৰা মতে আজি পুৱা তিনিজন গৰু সৰবৰাহকাৰীয়ে প্ৰত্যেকে দুটাকৈ মুঠ ছটা গৰু লৈ অসমত প্ৰৱেশ কৰে। গৰুকেইটা অসম-বংগ সীমান্তৱৰ্তী খেৰবাৰী তৃতীয় খণ্ড গাঁৱৰ মাজেৰে যোৱা খেৰবাৰী-জিনকাটা পথেৰে গৰুকেইটা আগমনি অভিমুখে আহি থকা অৱস্থাত ৰাইজে তিনিজন লোকসহ গৰুকেইটা জব্দ কৰি আগমনি আৰক্ষীক খবৰ দিয়ে। আগমনি আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ গৰুকেইটা জব্দ কৰি খোৱাৰত দিয়ে। কিন্তু অভিযোগ অনুসৰি আগমনি আৰক্ষী ঘটনাস্থলীত উপস্থিত হোৱাৰ পূৰ্বে পংকজ আৰু ফুলকুমাৰ নামৰ দুজন যুৱকে গৰু সৰবৰাহকাৰীকেইটাৰ লগত ধনৰ গোপন বুজাবুজি কৰি পলাই যোৱাত সহায় কৰে।

# ঘগ্ৰাপাৰৰ বনভাগ মহাবিদ্যালয়ৰ ৩৪সংখ্যক নৱাগত আদৰণী সভা

## প্ৰতিষ্ঠাপক সভাপতি উত্তম ডেকা সোঁৱৰণী শৈক্ষিক বঁটা প্ৰদান

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ১৩ ছেপ্টেম্বৰ ঃ** নলবাৰী জিলাৰ বৃহত্তৰ ঘগ্ৰাপাৰ অঞ্চলৰ বনভাগ জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ আজি ৩৪সংখ্যক নৱাগত আদৰণী সভা অনুষ্ঠিত হয়। কাৰ্যসূচী মতে পুৱা মহাবিদ্যালয়ৰ পতাকা উত্তোলন কৰে ছাত্ৰ একতা সভাৰ সভাপতি মুনিন্দ্ৰ ৰাজবংশী আৰু শ্বহীদ তৰ্পণ কৰে পৰিচালনা আৰু উন্নয়ন সমিতিৰ উপ-সভাপতি জগত তালুকদাৰে। দিনৰ ১২ বজাত শিক্ষাবিদ অচ্যুত গোস্বামীৰ সভাপতিত্বত অনুষ্ঠিত সভাখনৰ আদৰণী ভাষণ প্ৰদান কৰি অধ্যক্ষ যোগেন্দ্ৰ কলিতাই কয় যে বৰ্তমান ভোগবাদী মন ত্যাগ কৰি ছাত্ৰ-ছাত্ৰীসকলে মানুহ হোৱাৰ দিশলৈ আগবাঢ়ি যাব লাগিব আৰু শিক্ষানুষ্ঠানত ছাত্ৰ-ছাত্ৰীসকলৰ মোবাইল ফোন নিষিদ্ধ ঘোষণা কৰে। আনহাতে, সভাত নিৰ্দিষ্ট বক্তাৰ আসন গ্ৰহণ কৰি ঘগ্ৰাপাৰ ছোৱালী হাইস্কুলৰ প্ৰধান শিক্ষক তথা শিক্ষাবিদ মনহৰি কলিতাই ছাত্ৰ-ছাত্ৰীসকলক শৈক্ষিক দিশৰ ওপৰত বক্তব্য দিয়াৰ উপৰি অধ্যয়ন অবিহনে শিক্ষাৰ্থীৰ ভৱিষ্যৎ অন্ধকাৰ। আনহাতে, উক্ত সভাতে অইন বছৰৰ দৰে এই বছৰ শিক্ষানুষ্ঠানখনৰ পৰা সদ্যঘোষিত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সৰ্বোচ্চ নম্বৰ লাভ কৰা ছাত্ৰী সংগীত ডেকাক মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠাপক সভাপতি উত্তম চন্দ্ৰ ডেকা সোঁৱৰণী শৈক্ষিক বঁটা ২০২২ প্ৰদান কৰা হয়। উত্তম চন্দ্ৰ ডেকাৰ পৰিয়ালৰ হৈ ৰাতুল চন্দ্ৰ ডেকাই পৰিচালনা কৰা উক্ত বঁটাত আছে এখন ফুলাম গামোচা, ফুলাম জাপি, কিতাপৰ টোপোলা, মানপত্ৰ, কলম আদি। ইয়াৰ পিছতে গীত-মাত, নৃত্য আদিৰে পৰিৱেশ মুখৰ হৈ পৰে।



# শ্বনম বেগমৰ মৃত্যুত শোক

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ১৩ ছেপ্টেম্বৰ ঃ** তিনিচুকীয়া জিলাৰ মৰিয়া উন্নয়ন পৰিষদৰ বৰ্তমানৰ অধ্যক্ষ ফিৰোজ হাজৰিকাৰ কন্যা শ্বনম বেগমৰ মৃত্যুত শোক প্ৰকাশ কৰিছে সদৌ অসম মৰিয়া যুৱ-ছাত্ৰ সন্থাৰ শিৱসাগৰ জিলা সমিতিয়ে। বহু দিন ধৰি ৰোগত আক্ৰান্ত হৈ থকা শ্বনম বেগমক ৯ ছেপ্টেম্বৰত ডিব্ৰুগড় মেডিকেললৈ উন্নত চিকিৎসাৰ বাবে লৈ যোৱা অৱস্থাতে মৃত্যু হয়। মৰিয়া যুৱ-ছাত্ৰ সন্থাৰ জিলা সভাপতি ফাৰুক আহমেদ, কেন্দ্ৰীয় সমিতিৰ সভাপতি আছাদুৰ ৰহমানৰ এক প্ৰেছ বিজ্ঞপ্তিৰ জৰিয়তে সন্থাৰ সমুহ বিষয়ববীয়াই শ্বনম বেগমৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছে।

# ধুবুৰীত ক্ষুদ্ৰ ব্যৱসায়ী সন্থাৰ সাধাৰণ সভা



**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ধুবুৰী, ১৩ ছেপ্টেম্বৰ ঃ** ধুবুৰীত ক্ষুদ্ৰ ব্যৱসায়ী সন্থাৰ উদ্যোগত আৰ কে বোস ৰোডত ত্ৰিবাৰ্ষিকী তৃতীয় সংখ্যক সাধাৰণ সভা অনুষ্ঠিত হয়। উক্ত সভাত ধুবুৰীৰ বিভিন্ন হাট-ঘাট, বজাৰত থকা সন্থাৰ প্ৰায় শতাধিক ক্ষুদ্ৰ ব্যৱসায়ীসকলৰ উপস্থিতিত বিজয় কুৰ্মীৰ সভাপতিত্বত সাধাৰণ সভাখন অনুষ্ঠিত হয়। সভাত ক্ষুদ্ৰ ব্যৱসায়ীসকলৰ উন্নয়নৰ দিশত বিতংকৈ আলোচনা হয় আৰু হাট-ঘাট, বজাৰ এলেকাৰ বিভিন্ন সমস্যা সমাধানৰ দিশতো সভাত আলোকপাত কৰে। সভাত ক্ষুদ্ৰ ব্যৱসায়ীসকলে সিদ্ধান্ত গ্ৰহণ কৰে যে বড় বজাৰ এলেকাৰ কবৰস্থান ৰোডত ষ্ট্ৰীট-লাইটৰ ব্যৱস্থা কৰাৰ লগতে উক্ত পথৰ জৰাজীৰ্ণ পথটো মেৰামতি কৰা, ছাগলী বজাৰ মেৰামতি কৰা, ধুবুৰীৰ বিভিন্ন বজাৰসমূহত নৈশ চকীদাৰৰ ব্যৱস্থা কৰা, ডাঃ পান্নালাল ওচৱাল মেম'ৰিয়াল মাৰ্কেটৰ চাৰিওফালে থকা গেটসমূহৰ দুয়োফালে ষ্টলবোৰ অবৈধভাৱে বঢ়াই লৈ অহা-যোৱা কৰা পথটো ঠেক কৰি পেলোৱাৰ বাবে ধুবুৰী পৌৰ সভাৰ পৌৰপতি ডাঃ দেৱময় স্যান্যালক সন্থাৰ তৰফৰ পৰা আবেদনৰ জৰিয়তে অৱগত কৰাই অন্যতম। সভাত পুৰণি কমিটীখন ভংগ কৰি নতুন কমিটীত ক্ষুদ্ৰ ব্যৱসায়ী উত্তম প্ৰসাদক সভাপতি, সমছেৰ উদ্দিনক কাৰ্যকৰী সভাপতি আৰু কলিম উদ্দিন শ্বেখক সাধাৰণ সম্পাদক হিচাপে দায়িত্বভাৰ অৰ্পণ কৰে আৰু এখন ৫১জনীয়া পূৰ্ণাংগ কমিটী গঠন কৰে বুলি সন্থাৰ নতুনকৈ দায়িত্বভাৰ পোৱা সাধাৰণ সম্পদক কলিম উদ্দিন শ্বেখে জানিবলৈ দিয়ে।

# ওৰাঙৰ কলাগুৰু বিষ্ণু ৰাভা কনিষ্ঠ মহাবিদ্যালয়ৰ স্থায়ী অধ্যক্ষ ড° চিনন নাৰ্জাৰীক সম্বৰ্ধনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ওদালগুৰি, ১৩ ছেপ্টেম্বৰ ঃ** ১২ ছেপ্টেম্বৰ ২০২২ তাৰিখে ওদালগুৰি জিলাৰ ওৰাঙৰ কলাগুৰু বিষ্ণু ৰাভা কনিষ্ঠ মহাবিদ্যালয়ত ৫ ছেপ্টেম্বৰত নিযুক্তি পোৱা আৰু ৭ ছেপ্টেম্বৰত স্থায়ী অধ্যক্ষ হিচাপে দায়িত্ব গ্ৰহণ কৰা ড° চিনন নাৰ্জাৰীক কলাগুৰু বিষ্ণু ৰাভা কনিষ্ঠ মহাবিদ্যালয়ৰ প্ৰাক্তন সন্মিলনৰ হৈ সভাপতি, ওৰাং সাংবাদিক সংস্থাৰ হৈ সভাপতি নৱ কুমাৰ ডেকাই সম্বৰ্ধনা জনাইছে। ড° চিনন নাৰ্জাৰীয়ে প্ৰায় ৯ বছৰ অধ্যক্ষৰ দায়িত্বত থাকিব বুলি জানিব পৰা গৈছে । তেওঁ স্থায়ী অধ্যক্ষ হিচাপে দায়িত্ব গ্ৰহণ কৰাৰ পিছত ৯ বছৰলৈকে কাৰ্যনিৰ্বাহ কৰিবলৈ সক্ষম হ'ব বুলি জানিব পৰা গৈছে। ১৯৭১ চনৰ ১৩ এপ্ৰিলত ওদালগুৰি জিলাৰ ৰৌতাৰ বৰঝাৰ গাঁৱত জন্মগ্ৰহণ কৰি ১৯৮৮ চনত হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ, গুৱাহাটীৰ পাণ্ডু কলেজৰ পৰা ১৯৯৩ বি এ আৰু ১৯৯৬ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিবলৈ সক্ষম হৈছে। তদুপৰি ২০০১ বৰ্ষত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা বড়ো বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। ২০১২ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা A study of Bodo Novels[Since-1962-2000] PHD সন্মান লাভ কৰে। তেওঁ আৰু ২০২১ চনত বি এড ডিগ্ৰী লাভ কৰে। তদুপৰি তেওঁ ২০০৩ চনত বৈথায়াবো আৰৈনোছো নামৰ কবিতা পুথি, ২০১১ চনত নিভেদিতা নামৰ চুটি গল্প, ছল'মা আৰো, বড়ো ছল'মা নামৰ সাহিত্য সমালোচনা গ্ৰন্থ, ২০১৭ চনত মোন্দাংথিনি বেছেন নামৰ কবিতা পুথিখন প্ৰকাশ কৰি বড়ো ভাষাৰ সাহিত্য জগতত কিছু পৰিমাণে চহকী কৰিবলৈ সক্ষম হৈছে। এই অধ্যক্ষগৰাকী ১৯৯৮ চনৰ ২২ জুলাইত মহাবিদ্যালয়ত অৰ্থনীতি বিষয়ৰ প্ৰবক্তা হিচাপে যোগদান কৰি ১৯২২ চনৰ ১ এপ্ৰিল ভাৰপ্ৰাপ্ত অধ্যক্ষ হিচাপে যোগদান কৰা ৭ ছেপ্টেম্বৰত স্থায়ী অধ্যক্ষ হিচাপে যোগদান কৰে ।



# যোৰহাটত টাইজ লিটাৰেৰী ফৰাম গঠন


**দৈনন্দিন বাৰ্তাৰ সেৱা, হাঁহচৰা, ১৩ ছেপ্টেম্বৰ ঃ** দেওবাৰে যোৰহাটৰ জয়া ভৱনত তাই আহোম ইণ্টাৰনেচনেল ছ'চাইটী (টাইজ)ৰ উদ্যোগত অনুষ্ঠিত বিশেষ সভাত 'টাইজ লিটাৰেৰী ফৰাম' এখন গঠন কৰা হয়। উল্লেখ্য যে, ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ তাইমূলীয় সাহিত্যিক, লেখক, কবি, গৱেষক সকলোকে লৈ এই ফৰামখন পৰিকল্পনা কৰা হৈছে। সভাখন পৰিচালনা কৰে টাইজৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহকৰ সভাপতি ড° মুনীন্দ্ৰ কোঁৱৰে। সভাৰ আৰম্ভণিতে দুজন প্ৰয়াত তাই ভাষাৰ সাধক ক্ৰমে তাই ফাকে জনগোষ্ঠীৰ ঙিঁ পে থন গোহাঁই আৰু তাই খাময়াং জনগোষ্ঠীৰ দেবেন চাওলিকৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনোৱা হয়। শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে ৰাজকুমাৰ আলোক নাৰায়ণ সিংহই। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে ৰুণু নামচোম কোঁৱৰে। ফৰামৰ লক্ষ্য, উদ্দেশ্য আৰু ভৱিষ্যতৰ পৰিকল্পনাৰ ওপৰত আলোকপাত কৰে টাইজৰ প্ৰতিষ্ঠাপক তথা মুখ্য সম্পাদক ৰাকেশ কোঁৱৰে। সভাত মুখ্য অতিথিৰূপে উপস্থিত থাকে বিশিষ্ট সাহিত্যিক পদ্মশ্ৰী য়েছে দৰজে ঠংছি। তেওঁ বিশ্বমানৰ সাহিত্য সৃষ্টিৰ আৱশ্যকতাৰ বিষয়ে কয়। তাইমূলীয় ভাষা আৰু সাহিত্য সম্পৰ্কে তেওঁ গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়ায়। সভাত আমন্ত্ৰিত আন আন বিশিষ্ট ব্যক্তিসকল হৈছে গণেশ লাযম (তাই আইতন ভাষাৰ সাধক), অনন্ত টুৰুং (লেখক আৰু তাই টুৰুং ভাষাৰ সাধক), বাবুল ফুকন (অধ্যক্ষ, কেন্দ্ৰীয় তাই একাডেমী), পেমথি গোহাঁই (বিশিষ্ট লেখক আৰু সাংস্কৃতিক কৰ্মী), ড° চিংগাখাম ডিনা (মণিপুৰৰ তাই লাই জনগোষ্ঠীৰ গৱেষক আৰু অধ্যাপক, অৰুণাচল ইউনিভাৰ্ছিটী অৱ ষ্টাডিজ)। সভাই আজি য়েছে দৰজে ঠংছিক উপদেষ্টা, বিশিষ্ট বুৰঞ্জী লেখক, ডাঃ অতুল বৰগোহাঁইক সভাপতি, য়াত্ৰা শ্যাম তুৰুঙক কাৰ্যকৰী সভাপতি, গণেশ লাযম, অনন্ত টুৰুং, মেদিনী মহন, অজন্তা বুঢ়াগোহাঁইক উপ-সভাপতি, কবি ৰণ্‌জিৎ গগৈক সাধাৰণ সম্পাদক, পেমথি গোহাঁই আৰু ৰুণু নামচুম কোঁৱৰক যুটীয়া সম্পাদক, কালিংগা মান্নই (অৰুণাচল), পিয়'চেং চাওলু, ড° ডিনা (মণিপুৰ), চানু শ্যাম, দিব্যধৰ শ্যামক অতিৰিক্ত সম্পাদক, ড° কৰবী গগৈ, ড° ঋতুপৰ্ণা বুঢ়াগোহাঁই, ধৰিত্ৰী গগৈ, মানসী গগৈ, পল্লৱী বুঢ়াগোহাঁইক সহকাৰী সম্পাদক, প্ৰণৱ কুমাৰ বৰপাত্ৰগোহাঞিক মুখ্য সমন্বয়ক, টুনুজ্যোতি গগৈ, দুলেন চাংবুন ফুকন, ড° ভৰদ্বাজ গগৈ, সুৰেন্দ্ৰ শদিয়া, সহকাৰী অধ্যাপক কংচেং শ্যাম, মনোৰঞ্জন বৰগোহাঞিও, জিতুল কুমাৰ গগৈক সাংগঠনিক সম্পাদকৰ দায়িত্ব দিয়ে। লেখিকা সুজাতা গোহাঞি বৰুৱা, বিশিষ্ট সাংবাদিক দিগন্ত বুঢ়াগোহাঁই, তাই আহোমৰ পণ্ডিত নৃপেন মহন, আশামণি গগৈ, ৱিন চাও চাওসাই, প্ৰাঞ্জল মহন বৰুৱা, গৱেষক ছাত্ৰ ক্ৰমে বিদুৎ বিকাশ বৰুৱা, মনমোহন গগৈ, ভাস্কৰ গগৈ, মৈত্ৰেয়ী ফুকন, ইন্দ্ৰাণী ফুকনক কাৰ্যকৰী সদস্যৰূপে মনোনীত কৰা হয়। ৩৫জনীয়া কাৰ্যকৰী কমিটীখনত প্ৰতিষ্ঠাপক সদস্যৰূপে থাকে ৰাকেশ কোঁৱৰ। ড° সোমেন্দ্ৰ নাথ বুঢ়াগোহাঁই, মুকুল বুঢ়াগোহাঁই, পুলিন বুঢ়াগোহাঁই আদিকে ধৰি টাইজৰ কেইবাজনো বিষয়ববীয়া, ভিন্ন প্ৰান্তৰ কেইবাজনো বিশিষ্ট ব্যক্তি উপস্থিত থকা আজিৰ সভাখনত যোৰহাট তাইচাব, জয়া ৰমণী চ'ৰা, যোৰহাট আটাছু আৰু যোৰহাট আহোম সভাৰ বিষয়ববীয়া তথা সদস্যসকলে সম্পূৰ্ণ সহযোগিতা আগবঢ়ায়। সভাৰ অতিথিৰ আপ্যায়নৰ সম্পূৰ্ণ খৰচ বহন কৰে নৰ্থ ইষ্ট জ'ন কালচাৰেল চেণ্টাৰৰ সঞ্চালক তথা তাইজৰ সাংস্কৃতিক পৰিক্ৰমাৰ সম্পাদক, বিশিষ্ট সাংস্কৃতিক কৰ্মী ডাঃ প্ৰসন্ন গগৈয়ে।

# মহানগৰীৰ সৌন্দৰ্য উপভোগ কৰিবলৈ এবাৰ বহক চানমাৰি ব্ৰীজত

■ ছাবিনা ইয়াছমিন

চন ২০১৮। বলক উভতি যাওঁ নষ্টালজিক কিছু অতীতলৈ। কামৰূপ মহানগৰৰ এটা অংশ চানমাৰি। এফালে জে বি কলেজ আনফালে গুৱাহাটী কমাৰ্চ কলেজ। তাৰ মাজেদি নিৰ্বাধ হৈ আছে চানমাৰি ব্ৰীজ। সেইদিনা আছিল সোমবাৰ। সন্ধিয়া চাহৰ জুতি ল'বলৈ মই কমৰ পৰা বান্ধৱীৰ সৈতে ওলাই গৈছিলোঁ। তেতিয়াই কংক্ৰিট মহানগৰীৰ এই দৃশ্যই কিছু সময়ৰ বাবে মোক স্থবিৰ কৰি তুলিছিল। মই গাড়ীখন ৰখাই চানমাৰি ব্ৰীজৰ পদপথত থিয় হৈ দিলোঁ। সময় আছিল সন্ধিয়া, চাৰিওফালৰ লাইটৰ নিৰবিলি দৃশ্য। কিছু আন্ধাৰ কিছু পোহৰ। মই পঢ়ি অহা সেই 'চৰ্যাপদ'ৰ উদাহৰণ। মোৰ অনুভৱ হৈছিল এয়াই যেন আমাৰ জীৱন। মই দেখা পাইছিলোঁ প্ৰেমিক-প্ৰেমিকা, বৃদ্ধ-বৃদ্ধা,পুৰুষ-মহিলা। কাৰোবাৰ মুখত যদি হতাশা, আন কাৰোবাৰ মুখত ৰঙীন জীৱনৰ হাঁহি, কাৰোবাৰ যদি চকুত চকুলো। জীৱন জীয়াৰ সমাহাৰৰ এক দৃশ্য দেখিবলৈ পাইছিলোঁ। কৃষ্ণচূড়াৰ ফুলবোৰ ফুলি আছিল। কাষতে থকা দুৰ্গা মন্দিৰত শ্ৰৱণ-কীৰ্তন চলি আছিল। পাহাৰৰ মলয়া বতাহজাক বাৰুকৈয়ে বলিছিল। গাড়ীবোৰৰ তীব্ৰ গতিৰে গৈ আছিল। মোৰ অনুভৱ হৈছিল ব্ৰীজখনে যদি মাতিব পাৰিলেহেঁতেন হয়তো বহু নজনা তথ্য দিলেহেঁতেন। কতজনৰ জীৱন হয়তো ধ্বংস হৈছিল। বহুজনে হয়তো ইয়াৰ পৰাই নতুন জীৱন আৰম্ভ কৰিছিল। ব্ৰীজখনত প্ৰায়ে দেখা যায় উঠি অহা প্ৰজন্ম। চিগাৰেটৰ ধোঁৱা ইয়াৰ পৰাই নিগৰিত হয় বহুজন প্ৰেমিকৰ পৰা। হতাশ হোৱাজনৰ এয়াই যেন সুখ। আনফালে, এচামৰ আড্ডাৰ ঠাই এই ব্ৰীজখন। তেতিয়া বাজি উঠে সুৰৰ লহৰ, ন ন উদ্ভাৱনৰ চৰ্চা চলে। সৃষ্টিশীল লোকৰ চিন্তাত উদ্ভৱ হয় সাহিত্য-সংস্কৃতিৰ সমাহাৰ। বহুতে পায় জীৱন জীয়াৰ প্ৰেৰণা, বহুতে একাকিত্বৰ অৱসান গুচায় এই ব্ৰীজখনতে। এক কথাত ক'বলৈ গ'লে বহু ধ্বংস আৰু সৃষ্টিৰ সাক্ষী চানমাৰি ব্ৰীজ।

*ফোন ঃ ৮৮৭৬৮২৬০৮৮*




# কেতিয়াও অহংকাৰত নিমিত্ত নহ'ব

■ আচিক আহমেদ

মানুহ পৃথিৱীৰ সকলো জীৱৰ ভিতৰত শ্ৰেষ্ঠ বাবে জীৱশ্ৰেষ্ঠ আখ্যা দিয়া হয়। তথাপিও সেই মানুহ কিয় অহংকাৰত নিমিত্ত? আমি জীৱশ্ৰেষ্ঠ প্ৰাণী, মানুহে এদিন শ্মশানলৈ যাবই লাগিব, সেয়ে কোৱা হয় যে 'জীয়াই থাকোঁতে যিমানেই লেবেল, অহংকাৰ নকৰো কিয়, মৃত্যুৰ পাছত সামান্য এখন বগা কাপোৰ মেৰিয়াই যাব লাগিব।' ফুলৰ সুবাস যিদৰে বেছি দিনলৈ নিকিটে সেইদৰে মানুহৰ অহংকাৰো বেছি দিনলৈ নিটিকে।' সাধাৰণতে মানুহে অহংকাৰ কৰে নিজৰ সৌন্দৰ্য, শিক্ষা, সম্পত্তি আৰু ক্ষমতাৰ ওপৰত। সেয়ে অহংকাৰৰ ক্ষেত্ৰত ড° এপিজে আব্দুল কালামে কৈছিল যে-'বেছি অহংকাৰ হ'লে কেতিয়াবা শ্মশানলৈ গৈ চাবা, তাতে গৈ বুজিবা তোমাতকৈও ধুনীয়া, জ্ঞানী, ধনী মানুহ মাটিত মিহলি আছে'।

প্ৰকৃততে আমাৰ এই পৃথিৱীখন ক্ষণস্থায়ী। মনত ৰাখিব এখন হাবিত বাঘে হৰিণা খাই, হৰিণাই বাঘৰ ভয়ত দৌৰি ফুৰে। কিন্তু সেই বাঘটো লাহে লাহে বুঢ়া হৈ এদিন মৃত্যুমুখত পৰে আৰু সেই বাঘ মাটিত বিলীন হৈ যায় আৰু তাতেই হৰিণাই ভৰি থৈ ঘাঁহ খায়। তেনেদৰে মানুহে নিজৰ শক্তিক লৈ কৰা অহংকাৰৰ ক্ষেত্ৰত ড° এপিজে আব্দুল কালামে কৈছিল-'কেতিয়াও নিজৰ শক্তিক লৈ অহংকাৰ নকৰিবা, যেতিয়া এটা শিল পানীত পৰি যায় নিজৰ ওজনৰ কাৰণে পানীত ডুবি যায়। গতিকে অহংকাৰত নিমিত্ত নহ'বা। সাংবাদিক দীপক শৰ্মাই কৈছিল 'অহংকাৰী মানুহবোৰ মুৰ্খ আৰু দাম্ভিক হয়, কিন্তু জ্ঞানী মানুহ কেতিয়াও অহংকাৰী আৰু দাম্ভিক নহয়।' সময় বৰ নিষ্ঠুৰ, কোন মুহূৰ্তত কাৰ কি হয় কোনেও নেজানে। গতিকে কেতিয়াও অহংকাৰী নহ'বা তথাপিও কিন্তু স্বাভিমানী ব্যক্তি হ'বা। এজন বিখ্যাত খেলুৱৈ মহেন্দ্ৰ সিং ধোনীয়ে কোৱাৰ দৰে 'আপুনি হয়তো এই মুহূৰ্তৰ কবি, এই মুহূৰ্তৰ পাছতেই আপোনাৰ ঠাইত আন কোনোবা আহিব, যিদৰে আপুনি আন কাৰোবাৰ ঠাইত আহিছে। গতিকে আপুনি এই মুহূৰ্তত জীয়াই আছে, এই মুহূৰ্তৰ পাছতেই আপোনাৰ ঠাইত আন কোনোবা আহিব আৰু জীৱনৰ নতুন কাহিনী লিখিব ।

তেনেদৰে ৰূপক লৈয়ো অহংকাৰ কৰিব নালাগে। আপুনি যিমানেই ধুনীয়া নহওক কিয়, এদিন বুঢ়া হ'বই লাগিব, সেয়ে ড° এপিজে আব্দুল কালামে কৈছিল-'শাৰীৰিক সৌন্দৰ্যক লৈ কেতিয়াও গৰ্ব নকৰিব, কাৰণ সেইটো আপোনাৰ সৃষ্ট নহয়। বংশক লৈয়ো গৰ্ব নকৰিব, কাৰণ সেইটো আপুনি নিৰ্বাচন কৰা নাই। গৰ্ব কৰক উন্নত চৰিত্ৰক লৈ যিটো আপুনি নিজে সৃষ্টি কৰিছে।' ধুনীয়া হোৱাটো ভাল কথা, তথাপিও কিন্তু ধুনীয়াক লৈ কেতিয়াও এইবাবেই অহংকাৰী হ'ব নালাগে যে আপুনি যিমানেই ধুনীয়া নহওক কিয়—এদিন বুঢ়া হ'বই লাগিব আৰু ধুনীয়া চেহেৰা মৃত্যুৰ পাছত Dead Body বুলিয়ে ক'ব আৰু তাক কেতিয়া পুৰিব বা পুতিব তাকহে সুধিব। মনত ৰাখিব পানীতকৈ গাখীৰৰ ৰূপ বেছি তথাপিও কিন্তু পানীৰ দৰে পিয়াহ গুচাব পৰা শক্তি গাখীৰৰ নাই, গতিকে ৰূপতকৈ গুণৰ মূল্য সদায় বেছি। ময়ূৰ দেখিবলৈ আটাইতকৈ ধুনীয়া তৎসত্ত্বেও কিন্তু সিংহই নিজৰ শক্তিৰ বাবে বনৰ ৰজা হৈ থাকিব পাৰে। সেয়ে ৰূপতকৈ গুণৰ মূল্য বেছি। তেনেদৰে আপোনাৰ কিমান সম্পত্তি আছে, কিমান শিক্ষা আছে তাতো ডাঙৰ কথা নহয়, ডাঙৰ কথাটো হ'ল আপুনি নিজকে কিমান সম্পত্তি ৰূপে গঢ়ি তুলিব পাৰিছে। সেয়ে শিক্ষা আৰু সম্পত্তিক লৈ অহংকাৰ নকৰিব। শিক্ষিত হোৱাটো ভাল কথা, খুবেই প্ৰয়োজন, কিন্তু তাক লৈ অহংকাৰী নহ'ব। সেয়ে কোৱা হয় 'খালী যিমানেই দামী নহওক কিয় পানী গ'লে তাৰ কোনো মূল্য নাই, তেনেদৰে অধিক শিক্ষিত হ'লেও মানৱতা গুণ নাথাকিলে তাৰ কোনো মূল্য নাই। ডিগ্ৰী হ'ল এটুকুৰা কাগজ দৰে। আচল শিক্ষা মানুহৰ ব্যৱহাৰ আৰু সংস্কাৰতহে চিনিব পাৰি।' অকল শিক্ষিত হ'লেই নহ'ব সদায় মনটোক স্মাৰ্ট কৰি বিশুদ্ধ মনৰ গৰাকী হ'বলৈ যত্ন কৰা উচিত।




# অতুল্য

## প্ৰিয়ংকা দেৱী

সুৰ সাগৰৰ জোৱাৰৰ নান্দনিক বৰ্ণনা
কোনে পাৰে দিব?
নোৱাৰে আকাশে
বতাহে —
আনকি সাগৰে নিজেও,
মাথোঁ অনুভৱৰ আঁচলত আঁতি আঁতি বান্ধি
লৈ ফুৰে গুপুতে
চকু মুদি পান কৰে সেই অমিয়া সুৰৰ মদিৰা।
নদী-উপত্যকা, পাহাৰ-ভৈয়াম,
জাতি-জনগোষ্ঠীৰ বুকুত ৰোপিত
শব্দ আৰু সুৰৰ বটগছৰ ছাঁত
জী উঠে ৰুক্ষ অসমীয়াৰ প্ৰাণ,
অশ্ৰু অঞ্জলিৰে নৈবেদ্য সজাই
ৰাখিব খোজে ওপজা দিনৰ মান।
সাগৰৰ পৰা মেঘনালৈ
লুইতৰ পৰা গংগালৈ
থেমছৰ পৰা আমাজানলৈ
জিলিকি ৰওক তোমাৰ
ছন্দোময় অমিয়া সুৰৰ গান।

ফোন ঃ ৬০০১৪৬১৯৭৪





# ধৰ্ম আৰু বিশ্বাস

## (কিছু নিজস্ব অনুভৱ)

■ চিন্ময়ী বৰা

ধৰ্ম আৰু বিশ্বাস প্ৰতিগৰাকী মানুহৰ এটা ব্যক্তিগত বিষয়। কোনোজনে ঈশ্বৰক বিশ্বাস কৰি পূজা-পাৰ্বণ কৰে, নতুবা আনজনে নকৰিবও পাৰে। সেই ঈশ্বৰ বিশ্বাস তেওঁলোকৰ ব্যক্তিগত কথা। আমি ভাবোঁ যে সকলো ধৰ্মতকৈ শ্ৰেষ্ঠ ধৰ্ম হৈছে মানৱ ধৰ্ম। আজিৰ এই শিক্ষিত সমাজত মানৱীয়তা কমি আহিছে। যিজনে দৰিদ্ৰসকলক অথবা পীড়িতজনৰ প্ৰতি সহায়ৰ হাত আগবঢ়ায়, তাতকৈ শ্ৰেষ্ঠ ধৰ্ম পৃথিৱীত আৰু নাই। নৈতিকতা আৰু মানৱ ধৰ্মইহে এজন প্ৰকৃত মানুহ হোৱাত সহায় কৰে। সকলো জাতি-ধৰ্মৰ মানুহক সমান মানৱীয় দৃষ্টিভংগীৰে চাব পৰা মানসিকতাই নৈতিকতা।

আমি একো একোজন প্ৰকৃত মানুহ। শিশু এটি জন্ম হয় কেৱল মানুহ হিচাপে। জন্ম হৈ শিশু এটিয়ে একো কথাই বুজি নাপায়। তেওঁৰ ধৰ্ম কি, তেওঁৰ ভগৱান কোন, তেওঁ কোনজন উপাস্য দেৱৰ সেৱক হ'ব একোৱেই জ্ঞাত নহয়। শিশুৰ মনত পোনতেই বিশ্বাসৰ ভাব জন্ম হয় মাতৃৰ ওপৰত। কিয়নো জন্মদাত্ৰী মাতৃগৰাকীৰ বুকুৰ উমে শিশুটিক সুৰক্ষা দিয়ে। মাতৃৰ কোলাত মূৰ গুজি বুকুৰ পিয়াহ পান কৰি মাতৃৰ মমতাৰে বিশ্বাসৰ উদয় হয়। লাহে লাহে ঘৰুৱা পৰিৱেশ আৰু প্ৰচলিত সমাজ ব্যৱস্থাই শিশু এজনক ধৰ্মীয়কৰণ কৰাত বা ঈশ্বৰ বিশ্বাসী হোৱাত সহায় কৰে। অৰ্থাৎ এক কথাত ক'বলৈ হ'লে বাধ্য কৰোৱা হয়।

ব্যক্তিসকলৰ মাজত ঈশ্বৰৰ বিশ্বাসক লৈ সৰুৰে পৰা এনে এটা পৰিৱেশ সৃষ্টি কৰা হয় যে শিশু অৱস্থাৰ পৰাই মনত ঈশ্বৰৰ প্ৰতি দৃঢ় ধাৰণা সোমাই যায়। প্ৰতিজন শিশুৱেই কিন্তু জন্মতে অনুসন্ধিৎসু হৈয়ে জন্ম হয়।

মন্দিৰলৈ যোৱা, নামঘৰত সেৱা কৰা, সন্ধিয়া পঢ়া টেবুলত বঢ়াৰ আগত সৰস্বতী মাক পূজা কৰা, আদি নকৰিলে পঢ়িব নোৱাৰা হোৱা। ঈশ্বৰ-আল্লা-গডৰ গুণানুকীৰ্তনৰ যোগেদি সৰুৰে পৰাই কাল্পনিক ধাৰণা এটি মনত জন্ম হয়। এনেদৰেই ব্যক্তিৰ মনৰ মাজত ঈশ্বৰৰ ধাৰণা সুমুৱাই দি ধৰ্ম আৰু বিশ্বাসৰ দোহাই দি ভাল হোৱাৰ শিক্ষা দিয়া হয়।

ধৰ্ম আৰু ঈশ্বৰ বিশ্বাসৰ ভয়ে যদি মানুহক সৎ পথত অগ্ৰসৰ হোৱাত সহায় কৰে, তেতিয়া বিশ্বাসৰেই জয় হ'ব। আমি যি ধৰ্ম নলওঁ কিয়, ধৰ্মৰ ভিত্তিত বিভিন্ন উপাস্য দেৱতা অথবা ঈশ্বৰজনকেই উপাসনা কৰোঁ। খ্ৰীষ্টান, মুছলিম সকলো ধৰ্মৰ লোকেই নিজৰ উপাস্যজনক উপাসনা কৰে।

বিশ্বাস মানুহৰ মনৰ সৃষ্টি। সূৰ্য প্ৰণাম অথবা প্ৰাকৃতিক পৰ্যৱেক্ষণৰ কল্পনাৰে মনৰ মাজত ঈশ্বৰৰ দৰে ধাৰণাৰ সৃষ্টি হয়। অৰ্থাৎ দুৰ্গাৰ কাল্পনিক ৰূপটোত যিদৰে আলংকৰিক সৌন্দৰ্যৰে আৰ্যৰ দেৱী হিচাপে অংকন কৰা হৈছে, ঠিক সেইদৰে বাঘৰ ছাল, অৰ্ধ উলংগ দেহাৰে এজন অনাৰ্য দেৱতা হিচাপে মহাদেৱ শিৱৰ কথা মনলৈ আহে। আমি মহাদেৱক বিশ্বাস কৰি ভগৱানৰ উপাস্য দেৱতাগৰাকীক পূজা কৰোঁ। ব্যক্তিগতভাৱে তেওঁৰ পৰম ভক্ত। পৱিত্ৰ শাওণৰ প্ৰতিটো সোমবাৰ বাবাৰ পূজা-অৰ্চনাৰ নামত আমি ব্ৰত পালোঁ। ফুল, ধূপ, নৈবেদ্য, বেলপাত, ধতুৰা ফুল, অপৰাজিতা, গাখীৰ, দৈ, পৱিত্ৰ জলেৰে অভিষেক কৰি হিন্দু ধৰ্মৰ নীতি-নিয়মেৰে পূজা কৰা হয়। এয়া আমাৰ উপাস্যজনৰ প্ৰতি শ্ৰদ্ধা আৰু ভক্তিৰ একান্ত বিশ্বাস।

*ফোন ঃ ৮০১১৯৩৬৫৩৩*

# মুখাপিন্ধা

■ ৰাতুল শৰ্মা

দেখাত সহজ-সৰল ভদ্ৰ মানুহজন সকলোৰে প্ৰিয়। অনবৰতে এটি মিঠা হাঁহি মুখত কঢ়িয়াই ফুৰা ব্যক্তিজন সাহিত্য সভাৰ লগতো বহু বছৰৰ পৰাই ওতপ্ৰোতভাৱে জড়িত। কিন্তু সেইদিনা সাহিত্য সভাৰ এখন বিশেষ অনুষ্ঠানত নিজৰাই মানুহজনৰ সম্পূৰ্ণ অন্য এটা ৰূপৰ স'তে পৰিচয় হৈছিল। পিতৃসম ব্যক্তিগৰাকীয়ে হঠাতে নিজৰাক অকলে পাই কৰা অস্বাভাৱিক আচৰণত ক্ষন্তেক সময়ৰ বাবে তাই বাৰুকৈয়ে স্তম্ভিত হৈ পৰিছিল। ৰাতি বহু দেৰিলৈ সেইদিনা তাইৰ টোপনি অহা নাছিল। মুখাপিন্ধাবোৰৰ মুখাবোৰ খুলি পিশাচবোৰৰ প্ৰকৃত স্বৰূপ উদঙাবলৈ নিজৰাই মনে মনে পণ লৈছিল।

*ফোন ঃ ৭০০২১৭২৯১৮*

# অকল ইংৰাজী মাধ্যমেই উন্নত শিক্ষাৰ সমাধান হ'ব নোৱাৰে

■ অংকিতা উপাধ্যায়

অসম চৰকাৰৰে ঘোষণা কৰা নতুন শিক্ষা নীতি, য'ত তৃতীয় শ্ৰেণীৰ পৰা গণিত আৰু বিজ্ঞান বিষয়সমূহ ইংৰাজী মাধ্যমৰ হ'ব। এতিয়া প্ৰশ্ন হ'ল যে উন্নত শিক্ষাৰ ক্ষেত্ৰত দুটা বিষয় ইংৰাজী মাধ্যম কৰিলে শিক্ষাৰ্থীসকলৰ শিক্ষাৰ মান উন্নত হ'বনে? হয়তো নহয়, কিয়নো অসমীয়া মাধ্যমত পঢ়িও বহুতো শিক্ষাৰ্থীয়ে ইউপিএছচিৰ দৰে বিভিন্ন পৰীক্ষাত সফলতা অৰ্জন কৰিবলৈ সক্ষম হৈছে বা অসমীয়া মাধ্যমত পঢ়া বহু ল'ৰা-ছোৱালীয়ে ইংৰাজী ভাষাটোৰ ওপৰত যথেষ্ট দখল কৰিবলৈ সক্ষম হোৱাৰ লগতে ভালকৈ ক'ব আৰু লিখিব জানে। তথা অসমীয়া মাধ্যমৰ শিক্ষাৰ্থীসকল নিজৰ মাতৃভাষাৰ প্ৰতি শ্ৰদ্ধাশীল, আৰু তেওঁলোকে নিজৰ মাতৃভাষাক নিজৰ পৰিচয় হিচাপে দাঙি ধৰে। আৰু অধিকাংশ ছাত্ৰ-ছাত্ৰীয়ে অসমীয়া মাধ্যমত পঢ়িও ইংৰাজী ভাষা বুজি পোৱাৰ লগতে শুদ্ধকৈ ক'ব পাৰে। যাৰ ফলত অসমীয়া মাধ্যমত অধ্যয়ন কৰা অধিকাংশ শিক্ষাৰ্থীয়ে সৰ্বভাৰতীয় পৰীক্ষাত অৱতীৰ্ণ হৈ সফলতা অৰ্জন কৰিবলৈ সক্ষম হয়।

লগতে ৰাজ্য চৰকাৰে তৃতীয় শ্ৰেণীৰ পৰা গণিত আৰু বিজ্ঞান শিক্ষাৰ বাবে ইংৰাজী ভাষা প্ৰচলন কৰা বিষয়টো বৰ্তমান বিতৰ্কৰ আৱৰ্তত সোমাই পৰিছে। বহু জাতীয় দল-সংগঠনে চৰকাৰৰ এই সিদ্ধান্তৰ বিৰোধিতা কৰিছে। লগতে কিছু কিছু অভিভাৱকেও চৰকাৰৰ এই সিদ্ধান্তৰ বিৰোধিতা কৰিছে। তাৰ মাজতে উল্লেখনীয় বিষয়টো হ'ল যে চৰকাৰে যদি অসমীয়া মাধ্যমৰ বিদ্যালয়সমূহত গণিত আৰু বিজ্ঞান বিষয়টো ইংৰাজী মাধ্যম কৰাৰ বিপৰীতে যদি ৰাজ্যৰ ইংৰাজী মাধ্যমৰ বিদ্যালয়সমূহত অসমীয়া ভাষা প্ৰচলন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিলেহেঁতেন? ইংৰাজী মাধ্যমৰ বিদ্যালয়সমূহত অসমীয়া ভাষাৰ প্ৰচলন কৰাৰ ব্যৱস্থা কৰা হ'লে কোনো শিক্ষাৰ্থীয়ে অসমত থাকি এজন বা দুজন মানুহৰ মাজত অসমীয়া ভাষা ক'বলৈ লাজ নকৰিলেহেঁতেন। কিয়নো বৰ্তমানৰ অভিভাৱকসকলেও নিজৰ ল'ৰা-ছোৱালীক অসমীয়া মাধ্যমৰ বিদ্যালয়ৰ পৰিৱৰ্তে ইংৰাজী মাধ্যমৰ বিদ্যালয়ত নামভৰ্তি কৰাই দিয়ে, যাৰ বাবে শিক্ষাৰ্থীসকলে নিজৰ মাতৃভাষাৰ পৰিৱৰ্তে ইংৰাজী ভাষালৈ বেছি আগ্ৰহী হৈ পৰে আৰু তেওঁলোকে নিজৰ বন্ধু-বান্ধৱীৰ লগতো অসমীয়াৰ পৰিৱৰ্তে ইংৰাজী ভাষাত যোগাযোগ কৰা দেখিবলৈ পোৱা যায়। যাৰ বাবে পৰৱৰ্তী সময়ত অসমীয়া ভাষা বিলুপ্ত হোৱাৰ দিশে আগবাঢ়ি যোৱা পৰিলক্ষিত হৈছে।

আচলতে অসমত থাকি নিজৰ মাতৃভাষা নজনাটো এক লজ্জাজনক বিষয় হৈ পৰে। কিয়নো আমাৰ অসমীয়া ভাষাটো প্ৰত্যেকজন অসমীয়াৰ প্ৰিয় আৰু ভাষা হৈছে জাতি এটাৰ আয়ুস ৰেখা, কিয়নো ভাষাই জাতি এটাক অমৰ কৰি ৰাখে। অসমীয়া ভাষাই অসমীয়া জাতিক বিশ্বৰ বুকুত এটা নিজস্ব পৰিচয় ধৰি ৰখাত এক সুকীয়া অৱদান আগবঢ়াইছে।

অসমীয়া আৰু ইংৰাজী মাধ্যম বুলি কোনো ভেদাভেদ কৰা হোৱা নাই। গতিকে, এই লেখাৰ কাৰণে কোনেও বিতৰ্ক নকৰে যেন।





# অত্যধিক আধুনিকতাৰ, যুৱ সমাজ, সামাজিক মাধ্যম আৰু একাংশ মাজত ইয়াৰ প্ৰভাৱ

■ ধনমণি বৰদলৈ

এটা ডাঙৰ শব্দ উন্নতি, হয় উন্নতি সকলোৰে বিচাৰে বা উন্নতি হোৱাটো প্ৰয়োজন আছে। লাগিলে সেয়া পিপৰ পৰুৱাই হওক বা অন্য কিবাই হওক, কিন্তু তাৰো এটা সীমাবদ্ধ থকা প্ৰয়োজন থাকে বা আছে, তেওঁৰ উন্নতিয়ে যাতে আনৰ ক্ষতি নকৰে। আৰু যদি তেনে হয় তেতিয়া তাক সৃষ্টিশীল উন্নতি বা প্ৰকৃত উন্নতি বুলিব পাৰি। দৰাচলতে প্ৰতিটো বস্তুৱেই ভাল-বেয়া দুটা গুণ আছে বা এক নিৰ্দিষ্ট সীমা থাকে। আমি জানো পৃথিৱীৰ পাৰ্থিৱৰ প্ৰতিটোৰ বস্তু পৰিমাণ অত্যধিক হ'লে ক্ষতিকাৰক হৈ পৰে। কিয়নো আমি এতিয়া নিজৰ ঘৰৰ আশ-পাশৰ পৰা আৰম্ভ কৰি সম্পূৰ্ণ সমাজ পৃথিৱীলৈ মন কৰিলে দৃষ্টিগোচৰ হৈ পৰোঁ। ন্যূনতম দৃষ্টিত চালে আমি যদি কেতিয়াবা বেছিকৈ ভাত খাওঁ পেটৰ অসুবিধা কৰে। সমান্তৰালভাৱে আমি দেখোঁ যে আজি সমাজখনক ন-ৰূপত গঢ়ি তোলাৰ মূলতেই হ'ল অভাৱ আৰু আৱিষ্কাৰ। ই কেতিয়াবা একাংশক ভাল কৰিছে যদিও কিছু পৰিমাণে নেতিবাচক দিশত প্ৰভাৱ পেলাইছে। উদাহৰণ স্বৰূপে এসাঁজ ভাত এৰি হ'লেও ম'বাইল টেলিভিছন কিনিব পৰা মানসিকতা লৈছোঁ। আন আন ঘৰত চাকৰি আছে গাড়ী সম্প্ৰতি কিনিছে কিন্তু আমাৰ একাংশ মাজত মাটি-ঘৰ বিক্ৰী কৰি হ'লেও গাড়ী কিনিছোঁ, এই যে বৈজ্ঞানিক পদ্ধতিৰ জৰিয়তে কৃষি কৰ্ম আৰু বিভিন্ন ঔষধ ব্যৱহাৰ কৰি শস্য উৎপাদন সময় আয় কৰা পৰিৱৰ্তে মানুহক এলেহুৱা কৰা উপৰি স্বাস্থ্য ক্ষেত্ৰত বৃহৎ ক্ষতি। এয়াই এতিয়া অত্যধিক নতুনত্ব সমাজৰ মাজত ব্যাপক ৰূপত নেতিবাচক প্ৰভাৱ পেলাবলৈ ধৰিছে। আমি আনক অনুসৰণ কৰি নিজক গঢ়া মানসিকতাটোৰ ইতিবাচক ৰূপত নলৈ অতিৰিক্ত ৰূপত নেতিবাচক ৰূপত লৈছোঁ। পশ্চিমীয়া সংস্কৃতিৰ প্ৰভাৱেই জুৰুলা কৰি তুলিবলৈ ধৰিছে আমাক। কণমানিহঁতৰ ম'বাইলৰ সৈতে বন্ধুত্ব গঢ়িছে। ক্ৰমাৎ একাংশৰ দৃষ্টিত নিম্ন মানসিকতা গঢ় ল'বলৈ বাধ্য হৈ পৰিছে। বৰ্তমান শ্ৰেষ্ঠত্ব জীৱ সমাজ আজি যেন সদৃশ একো একোটা যন্ত্ৰৰ দৰেই পৰিচালিত। অস্বাভাৱিক ৰূপত আত্মনিৰ্ভৰশীল। কোনোবাই গাত গঁতিয়াই গ'লেও যেন কাৰো উভতি চাবলৈ সময় নাই। প্ৰাকৃতিক সৃষ্টি বুলিবলৈ যেন এতিয়া কুণ্ঠাবোধ লগা অৱস্থাত পৰিলক্ষিত হৈ পৰিছোঁ। তাহানিৰ পৰা বৈ অহা নদ-নদীৰ পৰা আৰম্ভ কৰি উৰি ফুৰা চৰাইজনীলৈকে মানুহৰ কৃত্ৰিমতা অৱদান জড়িত হৈ পৰিবলৈ ধৰিছে। সৌ তেতিয়াৰ দৰে বেলিটো চাই সময় নিৰূপণ কৰিবলৈ কোনো প্ৰয়োজন নাই। কাৰণ সকলোখিনি ঘড়ী নামৰ যন্ত্ৰটোৱে ক'ব। চিঠি-পত্ৰ লেখা-মেলা কৰি খবৰ আদান প্ৰদান আৰু আত্মীয়তা বজাই ৰখা ব্যৱস্থা উন্নত হ'ল। বৈজ্ঞানিক আৱিষ্কাৰ আহিল, আধুনিকতাই অত্যধিক পৰিমাণে এতিয়া সম্পূৰ্ণ ৰূপত আকাশ চুলে। পুৱা বিছনাৰ পৰা উঠাৰ পৰা আৰম্ভ কৰি নিশা টোপনি যোৱা আগ মুহূৰ্তলৈকে আমি বৈজ্ঞানিক যন্ত্ৰ-পাতিৰ সৈতে বন্ধুত্ব কৰিছোঁ। খেতিপথাৰত যন্ত্ৰ-পাতি প্ৰয়োগ, বননী কাটি ধ্বংস উদ্যোগ নিৰ্মাণ, ক'লা ধোঁৱা উৰুৱাই হ'লেও বাহন চলাইছোঁ, দেখাক দেখি ধূম-পান সেৱনৰ স্বভাৱ গঢ়িছোঁ, কিন্তু মেল-মিটিঙত সভ্যতাৰ চিনাকি দিছোঁ, নিচা সেৱন কৰি সামাজিক মাধ্যমত অশ্লীল মন্তব্য কৰিছোঁ আকৌ পিছ দিনা নিকা সমাজ বিচাৰি ৰাস্তাৰ মাজত বহিছোঁ, ব্যক্তিত্ব বিচাৰি মুখা পিন্ধি ডাঙৰ পষ্টা বনাই সুস্থ সমাজ বিচাৰিছোঁ। এয়াই আজি আমাৰ নতুন সমাজৰ আধুনিকতা। এতিয়া এই পৰিস্থিতিৰ সৈতে মোকাবিলা কৰাত ব্যস্ত, ক্ৰমাৎ যেন এক অমানৱীয় ৰূপত একাংশ সমাজ তাকো যেন আধুনিকতাৰ নামত। সাম্প্ৰতিক সমাজ মানেই বন্ধনহীন, উন্মুক্ত সমাজ। টেলিভিছনৰ যোগেদি প্ৰচাৰিত বিভিন্ন দেশী-বিদেশী চেনেলসমূহৰ কোনকেইটা জ্ঞানবৰ্ধক আৰু দৰ্শনৰ উপযোগী সেয়া সৰুতে শিশুক নিৰ্ধাৰণ কৰি দিয়াটো অভিভাৱকৰ কৰ্তব্য । তাৰ বিপৰীতে ৰিম'ট হাতত তুলি দি হকে-বিহকে চেনেলৰ অনুষ্ঠান চোৱাৰ সুযোগ দিয়া, ইন্টাৰনেটত জ্ঞান-বিজ্ঞানৰ বতৰা লোৱাৰ সলনি নেতিবাচক কাম কৰাৰ বাট মুকলি কৰি দিয়া লোকো সুযোগ লৈছে। আকৌ পিছদিনা ডাঙৰৰ পৰা সৰুলৈকে অপৰাধমূলক কামবোৰ কৰিবলৈ সাহস কৰিছে। অভিজাত পিতৃৰ ধনেৰে যুৱ সমাজৰ এচামে বিলাসী গাড়ী, ম'বাইল, বাইক আদি লৈ পঢ়াৰ নামত ৰেগিং আদিৰে সহপাঠী বা অন্যান্য পথৰুৱাক মানসিকতাৰ ভাৰাক্ৰান্ত কৰে, তেতিয়া সমাজৰ জ্যেষ্ঠজন তথা অভিভাৱকসকলে দৃষ্টিকোণ নিক্ষেপ কৰাৰ প্ৰয়োজন। এনেক্ষেত্ৰত প্ৰতিকাৰক হিচাপে প্ৰাথমিক শিক্ষাৰ পৰ্যায়ৰ পৰা নিয়মানুৱৰ্তিতা, অনুশাসন, যোগৰ অভ্যাসে সংযম আয়ত্ত কৰাৰ কৌশল শিকালে নিশ্চয় সুফল পোৱা যাব। মাধ্যমিক শিক্ষা পদ্ধতিত আধ্যাত্মিক শিক্ষাৰ ব্যৱস্থা কৰিলে ভোগবাদী চিন্তাধাৰাৰ পৰিৱৰ্তে এক সু-শৃংখলিত আদৰ্শ গঢ় লৈ উঠিব। যুৱ চামক আধুনিকতাৰ গ্ৰাসত পৰাৰ এক দুৰ্বলতা হৈছে নিচাযুক্ত দ্ৰব্য। সুৰাপান, ভাং, কানি, ব্ৰাউন ছুগাৰ, হেৰ'ইন আদি নিচাযুক্ত দ্ৰব্য সেৱন কৰি আজি বহু উঠি অহা যুৱকে সমাজলৈ বিষবাষ্প কঢ়িয়াই অনা সততে পৰিলক্ষিত হৈছে। এনে নিচাযুক্ত দ্ৰব্যৰ দ্বাৰা যুৱ সমাজক আঁতৰাই ৰাখিব নোৱাৰিলে সমাজলৈ অচিৰে বিভীষিকা নামি অহাৰ সম্ভাৱনীয়তা কোনেও নুই কৰিব নোৱাৰে। ইয়াৰ বাবে অভিভাৱকসকল সচেতন হ'ব লাগিব । যুৱচামক সৎ পথলৈ তথা সুন্দৰ জীৱন যাপন কৰাত সুবিধা কৰি দিয়াৰ ক্ষেত্ৰত অভিভাৱকসকল দায়বদ্ধ হ'ব লাগিব। যুৱচামক সদায় সৎ কৰ্ম আৰু সৎ চিন্তা কৰিবলৈ প্ৰবিষ্ট কৰাব লাগিব। বহিৰাগত সংস্কৃতিৰ কবলত পৰি যাতে নিজৰ সংস্কৃতিক পাহৰি নাযায় তাৰ প্ৰতি সচেতন কৰাব লাগিব। সাতামপুৰষীয়া সংস্কৃতিৰ লগত চিনাকি কৰাই দিব লাগিব। নিজ জনমভূমিৰ প্ৰতি দায়বদ্ধতাৰ জ্ঞান কৰাব লাগিব। স্ব-ভাষা, স্ব- সংস্কৃতি আদিক সন্মান কৰিবলৈ শিকাব লাগিব। নিজ ভাষাক জীয়াই ৰখাৰ স্বাৰ্থত বলিদান দিয়া শ্বহীদৰ লগত পৰিচয় কৰাব লাগিব। নিজ জনমভূমিৰ তেজেৰে ধোৱা ইতিহাসৰ লগত পৰিচয় কৰাব লাগিব। আমি আৰু আমাৰ প্ৰত্যেকখন ঘৰৰ অভিভাৱক সমাজৰ একো একোটা সপোন থাকে, ই ভাল মানুহ হ'ব সমাজৰ ভাল কাম কৰিব বা মহৎ পৰিচয় দিব। ঘৰুৱা পৰিৱেশ আধ্যাত্মিকতাসম্পন্ন, সুস্থ আৰু নিকা হ'ব লাগিব। তদুপৰি আৱেগক সংযত কৰি ৰখাৰ অভ্যাসো এই বয়সতে গঢ়ি তুলিব লাগিব। যিহেতু পৰিস্থিতি গঢ়া শ্ৰেষ্ঠতা এই মানৱ সমাজৰ আছে। ইচ্ছা কৰিলে উন্নতি তোলা বৈজ্ঞানিক আৱিষ্কাৰ যন্ত্ৰৰ দ্বাৰা মৰা মানুহক জীৱিত কৰি তুলিব পাৰে। তেনে ক্ষেত্ৰত আমি সমাজৰ নেতিবাচকসমূহক প্ৰাধান্য নিদি ইতিবাচক দিশত গুৰুত্ব দিব নোৱাৰোঁনে? কিয়নো সেই শাৰীৰিকভাৱে দুৰ্বল কৰি তোলা যন্ত্ৰসমূহৰ ব্যৱহাৰত অধিক মগ্ন হৈ, য'ত কম সময়ৰ উপকাৰিতাৰ পৰিৱৰ্তে অধিক ক্ষতি কৰি তোলে। ইয়াৰ উপৰিও ম'বাইল, টেলিভিছনসমূহ কণমানিৰ হাতত তুলি দিয়াৰ পৰা ধৰি অনুশাসনৰ মাত্ৰা নিম্ন খাপৰ হৈ পৰা ফলশ্ৰুতিত আজি প্ৰজন্ম মাজত ক্ৰমাৎ পশুতুল্য চিন্তা ধাৰণা অত্যধিক পৰিমাণে গা কৰি উঠিছে। আমি জানো আমাৰ এইখন ঐক বৃহৎ আকৃতি পৃথিৱীৰ। ক্ষুদ্ৰতাক বৃহৎ কৰা এই সমাজৰ মানৱ জাতিয়েই প্ৰথম, তথাপিও অক্ষুণ্ণ ৰখাত পৰাস্ত, আমি পাৰিম যেতিয়া নেকি আমি সমাজৰ ইতিবাচক দিশৰ সমান্তৰালভাৱে নেতিবাচকসমূহক শুদ্ধ পথলৈ নিবলৈ চেষ্টা কৰিম। আমাৰ কৰিবলৈ বহুত কাম বা সময়ৰ প্ৰয়োজন আছে। কাৰণ পৃথিৱীখনত ভাল বুলিবলৈ বহুত আছে। অভিভাৱকসকলে প্ৰতিটো কামতে বা বস্তুতে যুৱচামক ভাল আৰু বেয়া বিচাৰি চোৱা পৰিৱেশ দিব লাগিব। সাম্প্ৰতিক আমি জানো যে একবিংশ শতিকাৰ মানুহ আমি, পৰিৱেশ-পৰিস্থিতি আৰু সময়ৰ সৈতে মিলিবলৈ সকলো বস্তু বিষয়ৰ ওপৰত জনাটো অতিকৈ প্ৰয়োজন। তথাপিও সেই নিৰ্দিষ্ট বস্তুসমূহৰ মাত্ৰা সম্পৰ্কে জনাটো দৰকাৰ, কিয়নো সৌ সিদিনা নিজৰ ছোৱালী বা ভণ্টীৰ দৰেই ছোৱালীজনীয়ে মনৰ মাজত থকা শব্দৰ কেইটামান প্ৰকাশ কৰিবলৈ লয়। ইয়াৰ উপৰিও ছ'চিয়েল মিডিয়া অৰ্থাৎ ফেচবুকত দিয়াৰ পিছতেই ৰাজহুৱা আৰু হুলস্থুল, তাৰ পৰিণতি শেষত জে'ললৈ যাব লগীয়া হ'ল। এয়া একমাত্ৰ ছ'চিয়েল মিডিয়া যোগেদি প্ৰকাশ কৰা কাৰণেই হ'ল সেই এটা ডাঙৰ ঘটনা (যদি কোনোবাই মনৰ কথাৰে কবিতা লিখিছে সেই লিখাটো অপৰাধ হ'ব নোৱাৰে, যদিহে সেইটো কবিতা হয়) ইয়াৰ ওপৰত যুৱ সমাজৰ মাজত দেখাক দেখি ছ'চিয়েল মিডিয়াত যি টি প'ষ্টত যি টি মন্তব্য কৰি উদ্ভগুালী কৰাটো এটা মেনিয়াৰ দৰেই পৰিলক্ষিত হৈ পৰিছে, যাৰ ফলস্বৰূপে আইনৰ কাষ চাপিব লগীয়া হৈছে, আৰু ইয়াৰ আজিৰ তাৰিখত বহুত পৰিমাণে হৈ উঠিছে। আজি যদি এজনী কাইলৈ এজন যুৱক। আজিৰ তাৰিখত যথেষ্ট শিক্ষিত ব্যক্তিৰ দ্বাৰা এনেধৰণৰ কাণ্ড হোৱা দেখা গৈছে। আমি যিহেতু জানো ম'বাইল এটা বৃহৎ পৰিমাণৰ উন্নত আহিলা, ইয়াৰ পৰা যথেষ্ট উপকৃত হৈ আহিছোঁ, কিন্তু একাংশৰ বাবে অপৰাধপ্ৰৱণতাই গা কৰি উঠা পৰিলক্ষিত হৈছে। কিয়নো সাম্প্ৰতিক পৰাপক্ষত আঁতৰি থকাই ভাল। ইয়াৰ উপৰিও সামাজিক মাধ্যমত বিভিন্ন বস্তু আছে তাক ব্যৱহাৰ কৰিলেও নিয়মানুৱৰ্তিতা ৰূপত ব্যৱহাৰ কৰাটো দৰকাৰ। সেয়েহে আমি বিশেষকৈ অত্যধিক আধুনিকতাৰ মাদকতা দেখুৱাব ধৰা ধাৰণা মনৰ পৰা আঁতৰাই ৰখাৰ লগতে ইতিবাচক আদৰ্শ লৈ যুৱ সামাজক শিক্ষা ব্যৱস্থাৰে শিক্ষিত কৰিব পাৰিলে প্ৰজন্মৰ পৰা প্ৰজন্ম ভাল দিশত স্থিৰ হৈ ৰ'ব।

**ফোন ঃ ৯৯৫৭৯০৪৫২৩**

> অভিজাত পিতৃৰ ধনেৰে যুৱ সমাজৰ এচামে বিলাসী গাড়ী, ম'বাইল, বাইক আদি লৈ পঢ়াৰ নামত ৰেগিং আদিৰে সহপাঠী বা অন্যান্য পথৰুৱাক মানসিকতাৰ ভাৰাক্ৰান্ত কৰে, তেতিয়া সমাজৰ জ্যেষ্ঠজন তথা অভিভাৱকসকলে দৃষ্টিকোণ নিক্ষেপ কৰাৰ প্ৰয়োজন

# সমাজ আৰু আমি ছাত্ৰ

■ দেৱজিত বৰুৱা

ছাত্ৰ আৰু সমাজ, সমাজ আৰু ছাত্ৰ-এই দুয়োটাই সম্পৰ্ক অভিন্ন। সমাজে গঢ়িব লাগিব ছাত্ৰ, সমাজে ছাত্ৰৰ উত্তৰণত গঢ়িব লাগিব পৰিৱেশ। আজিৰ সমাজে ছাত্ৰৰ অধ্যয়নৰ বাবে দিব লাগিব উপযুক্ত পৰিৱেশ, সা-সুবিধা। আকৌ সেই ছাত্ৰই গঢ়িব অনাগত দিনৰ সমাজ। একোখন সমাজ এখন দেশৰ উত্তৰণৰ এক প্ৰহৰী। ছাত্ৰক প্ৰকৃত প্ৰহৰী হোৱাৰ শিক্ষা ল'বলৈ সমাজে দিব লাগিব।

এখন সুশৃংখল সমাজ মানে এটি সুশৃংখল জাতি, এখন দেশ। দেশ আৰু জাতিক হৃদয়ত স্থাপন কৰাৰ মানসিকতা ছাত্ৰক দিব লাগিব সমাজে। সমাজ হ'ল সংস্কৃতিৰ বাহক। ছাত্ৰ হ'ব লাগিব সংস্কৃত। সাংস্কৃতিক মন এটাৰ উত্তৰাধিকাৰী হ'ব লাগিব প্ৰতিজন ছাত্ৰ। আজিৰ ছাত্ৰ ভৱিষ্যৎ দেশৰ নাগৰিক। অকল এজন নাগৰিক হ'লেই নহ'ব, হ'ব লাগিব সু-নাগৰিক। দেশৰ উত্তৰণৰ প্ৰতিটো দিশত জাগ্ৰত প্ৰহৰীৰূপে অৱতীৰ্ণ হ'ব পৰাকৈ নিজকে প্ৰস্তুত কৰিব লাগিব।

প্ৰতিগৰাকী ছাত্ৰই নিজৰ সমাজখনৰ, দেশৰ সংস্কৃতি চিনি পাব লাগিব। মাত ফুটাৰ পিছত এটি শিশুৱে যি ভাষাত 'মা' বা 'আই' বুলি মাতিব সেয়াই মাতৃভাষা- সেই ভাষাক সমৃদ্ধিশালী কৰিবলৈ, খুঁটি-নাটি মাৰি শিকিবলৈ আৰু বুজিবলৈ যত্নপৰ হ'ব লাগিব প্ৰতিজন ছাত্ৰই। দেশখনৰ, সমাজখনৰ সংস্কৃতিৰ চৰ্চা, ৰক্ষণাবেক্ষণ আৰু উত্তৰণত গুৰুত্ব দিব লাগিব। কৃষ্টি-সংস্কৃতি নথকা এটা জাতি হ'বই নোৱাৰে আৰু সেয়া ৰক্ষণাবেক্ষণ দিব নোৱাৰিলে জাতিটো হৈ পৰিব মৃতপ্ৰায়। আহক আমি দেশ-জাতিৰ হকে কাম কৰিবলৈ মানসিকভাৱে প্ৰস্তুত হওঁহক।

*ফোন ঃ ৯৩৯৪১২৫৫১১*

## প্ৰথম পৃষ্ঠাৰ পৰা—

## অৰুণাচলীৰ কৌশলী ভূমিৰ

সমষ্টিৰ এক বৃহৎ ভূ-খণ্ড অৰুণাচলৰ লগত চামিল কৰিব লাগে বুলি অসমৰ বায়ু-পানী সেৱন কৰি অহা একাংশ নেতা তথা লোকে মত ব্যক্ত কৰাৰ পিছতে জাঙুৰ খাই উঠিছে মাৰ্ঘেৰিটাৰ বিভিন্ন দল-সংগঠন। চুবুৰীয়া অৰুণাচল প্ৰদেশৰ এই ভূমিৰ আগ্ৰাসন অতি সু-পৰিকল্পিত আৰু দীৰ্ঘদিনীয়া। অসমৰ প্ৰাকৃতিক সম্পদৰ ওপৰত প্ৰতিখন চুবুৰীয়া ৰাজ্যই সদায়ে লোলুপ দৃষ্টি নিক্ষেপ কৰি আহিছে। প্ৰাকৃতিক সম্পদত চহকী অসমৰ সীমান্ত অঞ্চলসমূহ ছলে-বলে-কৌশলে আগ্ৰাসনৰ চেষ্টা চুবুৰীয়া ৰাজ্যসমূহে সদায়ে কৰি আহিছে। তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটা বিধানসভা সমষ্টিৰ অন্তৰ্গত অসম-অৰুণাচল সীমান্ততো অৰুণাচলীৰ আগ্ৰাসনে শেহতীয়াকৈ অঞ্চলবাসীক সচকিত কৰি তুলিছে। অৰুণাচলীৰ অসমৰ ভূমি এই আগ্ৰাসন আজি হঠাৎ হোৱা নহয়, বহু বছৰৰ আগৰে পৰা পৰিকল্পিতভাৱে আৰম্ভ হৈছিল ইয়াৰ ৰূপৰেখা। ইয়াৰ বাবে পৰিকল্পিতভাৱে অৰুণাচলে ব্লুপ্ৰিন্ট তৈয়াৰ কৰিছিল। ইয়াৰ বাবেই অসম-অৰুণাচল সীমান্তৰ বনাঞ্চলসমূহত অৰুণাচলী লোকৰ দ্বাৰা অবাধ বন ধ্বংসৰ লগতে মুক্ত কয়লা খনন (চোৰাং) কাৰ্য চলোৱা হৈছিল। আনহাতে, এইক্ষেত্ৰত অসমৰো একাংশ স্বাৰ্থলোভী চোৰাং ব্যৱসায়ীয়ে হাত উজান দিছিল। অভিযোগ মতে লেখাপানী বন আঞ্চলিক কাৰ্যালয়ৰ এলেকাধীন সংৰক্ষিত বনাঞ্চলসমূহৰ ভূগৰ্ভত প্ৰচুৰ পৰিমাণৰ কয়লা মজুত থকাৰ লগতে মূল্যৱান বনজ সম্পদৰে পৰিপূৰ্ণ হৈ আছে। সেয়ে অৰুণাচলে এই অঞ্চসমূহৰ নিজৰ অধীনলৈ নিবলৈ প্ৰচেষ্টা চলাই আহিছিল। আনহাতে, প্ৰাকৃতিক সম্পদৰে পৰিপূৰ্ণ এই অঞ্চলসমূহ অৰুণাচলৰ অন্তৰ্ভুক্ত হ'লে একাশ চোৰাং কয়লা মাফিয়া, কাঠ মাফিয়া তথা বিভিন্ন বনজ সম্পদৰ মাফিয়াসকলৰ অবাধ বেহাৰ সুবিধা হয়। যিহেতু অৰুণাচলত প্ৰাকৃতিক সম্পদসমূহৰ বেহা অবাধ হাৰত মুক্তভাৱে কৰিব পৰা যায়। সেয়ে অসমৰ একাংশ সুবিধাবাদী জাতিদ্ৰোহী অবৈধ ব্যৱসায়ীয়ে ব্যক্তিগত মুনাফা লাভৰ বাবে অতি কৌশলগতভাৱে অসমৰ ভূমি অৰুণাচলত চামিল কৰাবলৈ উঠিপৰি লাগিছে বুলিও গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। এক বিশেষ সূত্ৰই সদৰী কৰা মতে লেখাপানী বন আঞ্চলিক কাৰ্যালয়ৰ এলেকাধীন প্ৰায় দুহাজাৰ হেক্টৰ ভূমি অৰুণাচল চৰকাৰে নিজৰ অধীনত অনাৰ কুচকাৱাজ অব্যাহত ৰাখিছে। স্থানীয় লোকৰ অভিযোগ যে অৰুণাচল চৰকাৰে ইয়াক বাস্তৱায়িত কৰিবৰ বাবে বহু বছৰৰ আগৰে পৰা হাজাৰ হাজাৰ অৰুণাচলী লোকক উক্ত এলেকাসমূহত সংস্থাপিত কৰিছে। কয়লা তথা বনজ সম্পদৰ অসীম ভাণ্ডাৰসমূহত চুবুৰীয়া অৰুণাচলৰ চকু দীৰ্ঘদিনৰে পৰা। যিকোনো প্ৰকাৰে এই অঞ্চলসমূহ দখল কৰা পৰিকল্পনা কৰি আহিছিল চুবুৰীয়া অৰুণাচলে। অসম চৰকাৰৰ দুৰ্বলতা সুযোগ গ্ৰহণ কৰি সংগোপনে ভূমি বেদখলৰ কুজ-কাৱাজ চলাই গৈছিল চুবুৰীয়া অৰুণাচলে। অসমৰ সীমান্ত গাঁওসমূহত অৰুণাচল চৰকাৰে আনকি বিজুলী, পানী, বাট-পথ নিৰ্মাণৰ লগতে বিভিন্ন সা-সুবিধা প্ৰদানৰ অছিলাৰে নিজৰফলীয়া কৰি ল'বলৈ চেষ্টা অব্যাহত ৰাখিছিল। কিন্তু ইয়াৰ বিপৰীতে অসম চৰকাৰে প্ৰাকৃতিক সম্পদৰ ভাণ্ডাৰস্বৰূপ এই সীমান্ত গাঁওসমূহক সদায়ে অৱহেলিত দৃষ্টিভংগী ৰাখি আহিছিল। ইয়াৰ বাবেই বৰ্তমান অৰুণাচলৰ কু-অভিপ্ৰায় পূৰণ হোৱাৰ দিশে গতি কৰিছে। কাৰণ সীমান্তৰ ৬খনকৈ গাঁৱৰ বহু লোকে স্বইচ্ছাৰে অৰুণাচলত চামিল হ'বলৈ ইচ্ছা প্ৰকাশ কৰিছে। কিন্তু অতি পৰিতাপৰ বিষয় যে অসম চৰকাৰ কিম্বা প্ৰশাসনে এইক্ষেত্ৰত যি ধৰণে পদক্ষেপ গ্ৰহণ কৰিব লাগিছিল তেনে কোনো পদক্ষেপ লোৱা দেখা পোৱা নাই। ৩ ছেপ্টেম্বৰ তাৰিখে অসমৰ কেবিনেট মন্ত্ৰী অতুল বৰাই ৰাংৰিংকান পৰিদৰ্শন কালতো অসমৰ ৬খন গাঁও অৰুণাচলে তেওঁলোকৰ বুলি স্পষ্টভাৱে দাবী জনাইছিল। অসম চৰকাৰৰ দুৰ্বলতাৰ সুযোগ গ্ৰহণ কৰি অসমৰ প্ৰাকৃতিক সম্পদেৰে চহকী বহু ভূমি ইতিমধ্যে চুবুৰীয়া ৰাজ্যসমূহে নিজৰ দখললৈ আনিবলৈ সক্ষম হৈছে। মাৰ্ঘেৰিটা মহকুমাৰ অন্তৰ্গত অসম-অৰুণাচলৰ সীমা সমস্যা সমাধানৰ ক্ষেত্ৰত কি পদক্ষেপ গ্ৰহণ কৰে সেয়াহে লক্ষণীয় হ'ব। আনহাতে, প্ৰতিবাদী দল-সংগঠনসমূহৰ স্পষ্ট মত— কোনো কাৰণতে অসমৰ এক ইঞ্চি মাটিও বহিঃৰাজ্য অৰুণাচলক এৰি দিয়া নহ'ব। অৰুণাচলীৰ অসমৰ ভূমিত আগ্ৰাসন কেতিয়াও মানি লোৱা নহ'ব বুলিও দল-সংগঠনসমূহে হুংকাৰ দিছে। কিন্তু অৰুণাচলে ইমান দিনে সু-পৰিকল্পিতভাৱে অসমৰ ভূমিৰ আগ্ৰাসনৰ যি ৰণনীতি তৈয়াৰ কৰি থৈছে এইক্ষেত্ৰত অসমৰ দল-সংগঠনৰ গণতান্ত্ৰিক প্ৰতিবাদ বা বিক্ষোভ কাৰ্যসূচী আদিয়ে অৰুণাচলী অসমৰ ভূমিৰ আগ্ৰাসনত কেনেদৰে বাধা দিব পাৰিব সেয়া অনাগত দিনতহে স্পষ্ট হ'ব। আগন্তুক দিনত অসম-অৰুণাচলৰ সীমা সমস্যাক লৈ অসমত যে এক ভয়াৱহ পৰিস্থিতি উদ্ভৱ হ'ব সেয়া খাটাং। অসম চৰকাৰে সময়োপযোগী আৰু দৃঢ় ফলপ্ৰসু পদক্ষেপ নল'লৈ যে প্ৰাকৃতিক সম্পদেৰে পৰিপূৰ্ণ অসমৰ এক বৃহৎ ভূমি চুবুৰীয়া অৰুণাচল প্ৰদেশৰ অন্তৰ্ভুক্ত হ'ব সেয়া নিশ্চিত।

## ধুবুৰী জিলা পৰিবহণ

অঞ্চলৰ জাহিদুল ইছলামে যুৱকজনক ড্ৰাইভিং লাইচেন্স বনাই দিয়াৰ অগ্ৰিম ধন হিচাপে ৯ হাজাৰ টকা তেওঁ জমা দিয়ে বুলি কেমেৰাৰ আগত ভাষ্য প্ৰদান কৰে। তাৰ পিছত কাম নোহোৱাত পুনৰ চাৰি হাজাৰ টকা দিছিল। মুঠ ১৩ হাজাৰ টকাৰ ভিতৰত কাম নোহোৱাত ৫ হাজাৰ টকা ঘূৰাই দিয়ে যদিও বাকী ৮ হাজাৰ টকা বিচৰাত জাইদুল ইছলামক প্ৰাণে মৰাৰ ভাবুকি দিয়ে। পিছত উপায়হীন হৈ সমগ্ৰ ঘটনা সন্দৰ্ভত ধুবুৰী সদৰ থানাৰ আৰক্ষীক অৱগত কৰাত ঘটনাস্থলীত আৰক্ষী বাহিনীৰ ৰাইডাৰ পাৰ্টীয়ে ধুবুৰী চহৰৰ বাসিন্দা আব্দুল আল ফাৰুকক আটক কৰি ধুবুৰী সদৰ থানালৈ লৈ আনে।

## নগাঁৱত হাত-ভৰি বন্ধা

হাত-ভৰি বান্ধি থোৱা অৱস্থাত স্থানীয় একাংশ লোকে প্ৰত্যক্ষ কৰি হয়বৰগাঁও আৰক্ষী চকীত খবৰ দিয়াত আৰক্ষীয়ে মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ ব্যৱস্থা গ্ৰহণ কৰে । মৃতদেহ উদ্ধাৰ হোৱা মহিলাগৰাকী আয়েছা ছিদ্দিক বুলি জানিব পৰা গৈছে। এনেদৰে হাত-ভৰি বন্ধা অৱস্থাত মৃতদেহটো উদ্ধাৰ হোৱা ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। আৰক্ষীয়ে প্ৰাথমিক অনুসন্ধানত মহিলাগৰাকীক হত্যা কৰা হৈছে বুলি সন্দেহ প্ৰকাশ কৰিছে। মহিলাগৰাকীৰ মুখৰ ভিতৰত কাপোৰ সুমুৱাই থোৱা, ডিঙিত চাদৰেৰে মেৰিয়াই থোৱাৰ লগতে হাত আৰু ভৰি কাপোৰেৰে বান্ধি থোৱা অৱস্থাত মৃতদেহটো উদ্ধাৰ কৰা হয়। উল্লেখ, মহিলাগৰাকীৰ দুই কন্যাক বিয়া দিয়াৰ পিছত মহিলাগৰাকীয়ে আৰ এন বি পথৰ নিজা বাসভৱনত অকলে বাস কৰি আহিছিল। মহিলাগৰাকী কেইবছৰমানৰ আগতে নগাঁও চহৰৰ সমীপৰ কাৱৈমাৰীত বাস কৰিছিল। চাৰি বছৰ ধৰি নগাঁও চহৰৰ আৰ এন বি পথত বাস কৰি অহা মহিলাগৰাকীয়ে কাৱৈমাৰীৰ কিছু মাটি বিক্ৰী কৰি পোৱা ধন নিজৰ লগত ৰাখিব পাৰে বুলি তেওঁৰ কন্যাই সন্দেহ প্ৰকাশ কৰিছে। এই টকাৰ বাবেই হয়তো দুষ্কৃতিকাৰীয়ে মহিলাগৰাকীক হত্যা কৰিব পাৰে। ঘাতকে মহিলাগৰাকীয়ে হাতত পিন্ধি থকা খাৰু, নাক ফুলি আদি ছিঙি নিয়া বুলি জানিব পৰা গৈছে। লগতে মহিলাগৰাকীৰ ঘৰৰ আচ-বাব চেদেলি-ভেদেলি হৈ থকা অৱস্থাত আৰক্ষীয়ে প্ৰত্যক্ষ কৰে। মহিলাগৰাকীয়ে ব্যৱহাৰ কৰা মোবাইল ফোনটো আৰক্ষীয়ে বিচাৰি পোৱা নাই। মহিলাগৰাকীৰ বাসভৱনৰ পৰা তিনি শতাধিক কনডম উদ্ধাৰ হোৱা ঘটনাই সমগ্ৰ বিষয়টো অধিক ৰহস্যঘন কৰি তুলিছে। মহিলাগৰাকীৰ ঘৰত কনডম উদ্ধাৰ হোৱা কাৰ্যই আৰক্ষী আৰু স্থানীয় ৰাইজৰ মাজত সন্দেহৰ সৃষ্টি হৈছে। একাংশ লোকে ক'ব বিচাৰে যে মহিলাগৰাকীৰ ঘৰলৈ হয়তো কোনো সন্দেহজনক পুৰুষ-মহিলা, যুৱক -যুৱতীৰ আগমন ঘটিছিল। নগাঁও আৰক্ষীয়ে সংবাদ মাধ্যমৰ আগত জানিবলৈ দিয়ে যে ঘটনাটোৰ লগত জড়িতসকল মহিলাগৰাকীৰ চিনাকি ব্যক্তি হ'ব পাৰে। মহিলাগৰাকীক হত্যা কৰা লোকসকলে হত্যাকাণ্ডৰ পিছত ঘটনাটোৰ অন্য ৰূপ দিবলৈ প্ৰয়াস কৰি হাত-ভৰি বান্ধি মহিলাগৰাকীক পেলাই থৈ যায় । এই সমগ্ৰ ঘটনাটোৰ সন্দৰ্ভত আৰক্ষীয়ে সঠিকভাৱে তদন্ত আগবঢ়াই নিয়াৰ লগতে অপৰাধীক শীঘ্ৰেই কৰায়ত্ত কৰা হ'ব বুলি জানিবলৈ দিয়ে। লগতে কনডম উদ্ধাৰ হোৱা বিষয়টো তদন্তৰ আউটলৈ আনিব বুলি আৰক্ষীয়ে জানিবলৈ দিয়ে। আৰক্ষীৰ সঠিক তদন্ততহে সমগ্ৰ বিষয়টো পোহৰলৈ আহিব।

## ৫ বছৰত শিক্ষা খণ্ডত

২০২১-২২ বৰ্ষলৈকে চৰকাৰে অধিক পৰিমাণে পুঁজি ধাৰ্য আৰু ব্যয় কৰা বিভাগসমূহৰ শীৰ্ষত আছে শিক্ষা বিভাগ। বিত্তমন্ত্ৰীয়ে দাখিল কৰা তথ্য অনুসৰি ২০২১-২২ বৰ্ষত শিক্ষা বিভাগত ধাৰ্য কৰা বাজেটৰ পৰিমাণ আছিল ১৯,৪৪২ কোটি টকা। ইয়াৰে ৮৫শতাংশ ব্যয় কৰা হৈছে। আনহাতে ২০২০-২১ বৰ্ষত ৭৬ শতাংশ, ২০১৯-২০ বৰ্ষত ৭৫ শতাংশ, ২০১৮-১৯ বৰ্ষত ৭৯ শতাংশ, ২০১৭-১৮ বৰ্ষত ৯৮ শতাংশ আৰু ২০১৬-১৭ বৰ্ষত ৮৩ শতাংশ পৰিমাণে ব্যয় হৈছে বাজেট ধাৰ্য পুঁজি। ইফালে কেন্দ্ৰীয় চৰকাৰৰ সৈতে হোৱা আলোচনামৰ্মে ৰাজ্যৰ কেইবাখনো স্বায়ত্ত পৰিষদে নিজাববীয়াকৈ বাজেট প্ৰণয়নৰ কৰ্তৃত্ব লাভ কৰিছে। বিশেষকৈ কাৰ্বি আংলং, ডিমা হাছাও আৰু বড়োলেণ্ড স্বায়ত্ব শাসিত পৰিষদে কেন্দ্ৰৰ পৰা পোনপটীয়াকৈ পুঁজি লাভ কৰাৰ পথ সুগম হৈছে। গতিকে ২০২২-২৩ বৰ্ষত স্থানীয়ভাৱে বাজেট প্ৰস্তুত কৰিবলৈ কাৰ্বিং আংলং স্বায়ত্ত পৰিষদৰ বাবে অসম চৰকাৰে ৩৭৩ কোটি টকা বিশেষ অনুদান হিচাপে ধাৰ্য কৰা বুলি সদনৰ মজিয়াত বিত্ত মন্ত্ৰীয়ে অৱগত কৰিছে।

## কহিনুৰ পুৰীৰ জগন্নাথ মন্দিৰৰ

হীৰাক লৈ সৃষ্টি কৰিছে এক নতুন বিতৰ্কৰ। ওড়িশাৰ সামাজিক-সাংস্কৃতিক সংগঠনটোৰ দাবী, কহিনুৰ হীৰা ভগৱান জগন্নাথৰ আছিল। কহিনুৰ হীৰা ব্ৰিটেইনৰ পৰা পুৰীৰ জগন্নাথ মন্দিৰলৈ ওভতাই অনাৰ ক্ষেত্ৰত ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৰ হস্তক্ষেপ বিচাৰিছে সংগঠনটোৱে। উল্লেখ্য, ৰাণী দ্বিতীয় এলিজাবেথৰ মৃত্যুৰ পিছত তেওঁৰ পুত্ৰ ৰাজকুমাৰ চাৰ্লছ বৰ্তমান ব্ৰিটেইনৰ ৰজা। ১০৫ কেৰেটৰ কহিনুৰ হীৰা তেওঁৰ পত্নী তথা বৰ্তমান ৰাণী ডাচেছ অৱ কৰ্ণৱাল কেমিলাৰ হাতলৈ যাব। পুৰীভিত্তিক সংগঠন শ্ৰীশ্ৰীজগন্নাথ সেনাই দ্বাদশ শতিকাৰ মন্দিৰটোলৈ কহিনুৰ হীৰা ঘূৰাই অনাৰ প্ৰক্ৰিয়া সহজ কৰি তুলিবলৈ ৰাষ্ট্ৰপতিৰ ওচৰত এখন স্মাৰক-পত্ৰ দাখিল কৰে। তেওঁলোকৰ দাবী, কহিনুৰ হীৰা শ্ৰীশ্ৰীজগন্নাথ ভগৱানৰ। যিটো বৰ্তমান ইংলেণ্ডৰ ৰাণীৰ লগত আছে। 'আমাৰ প্ৰধানমন্ত্ৰীক অনুগ্ৰহ কৰি কহিনুৰ হীৰা ভাৰতলৈ অনাৰ বাবে পদক্ষেপ গ্ৰহণ কৰিবলৈ অনুৰোধ জনাইছোঁ। মহাৰাজা ৰঞ্জিত সিঙে তেওঁৰ ইচ্ছাত ঈশ্বৰ জগন্নাথক এইটো দান কৰিছিল'। সেনাৰ আহ্বায়ক প্ৰিয় দৰ্শন পাটনায়কে স্মাৰক-পত্ৰখনত কয়। পাটনায়কে দাবী কৰে যে পঞ্জাবৰ মহাৰাজা ৰঞ্জিত সিঙে আফগানিস্তানৰ নাদিৰ শ্বাহৰ বিৰুদ্ধে যুঁজত জয়ী হোৱাৰ পিছত পুৰীৰ ভগৱানক হীৰাডোখৰ দান কৰিছিল। অৱশ্যে তাক লগে লগে হস্তান্তৰ কৰা হোৱা নাছিল। ইতিহাসবিদ আৰু গৱেষক অনিল ধীৰে জনোৱা মতে, ৰঞ্জিত সিঙৰ ১৮৩৯ চনত মৃত্যু হয় আৰু ১০ বছৰ পিছত ব্ৰিটিছে কহিনুৰ হীৰা তেওঁৰ পুত্ৰ দুলীপ সিঙৰ পৰা আঁতৰাই লৈ যায়। যদিও তেওঁলোকে জানিছিল যে, এই হীৰা পুৰীৰ ভগৱান জগন্নাথক প্ৰদান কৰা হৈছিল। পাটনায়কে দৃঢ়তাৰে কয় যে, তেওঁ এই সন্দৰ্ভত ৰাণীলৈ এখন পত্ৰ প্ৰেৰণ কৰাৰ পিছত তেওঁ ১৯ অক্টোবৰ, ২০১৬ তাৰিখে বাকিংহাম পেলেচৰ পৰা ইয়াৰ এক উত্তৰ লাভ কৰে। তাত মহাৰাণীয়ে ব্ৰিটিছ চৰকাৰৰ সৈতে পোনপটীয়াকৈ যোগাযোগ কৰিবলৈ কোৱা হৈছিল। উক্ত পত্ৰখনৰ এটা প্ৰতিলিপি ৰাষ্ট্ৰপতিক দিয়া স্মাৰক-পত্ৰৰ সৈতে সংলগ্ন কৰা হৈছে বুলিও তেওঁ কয়। আনহাতে, ছবছৰ ধৰি এই বিষয়টোত তেওঁ কিয় নীৰৱ হৈ আছিল বুলি সোধাত পাটনায়কে কয় যে, তেওঁক ইংলেণ্ড ভ্ৰমণৰ বাবে ভিছা প্ৰত্যাখ্যান কৰা হৈছিল, যাৰ বাবে তেওঁ বিষয়টো ব্ৰিটিছ চৰকাৰৰ ওচৰত দাঙি ধৰিব নোৱাৰিলে। উল্লেখ্য, সেনাৰ দাবী ন্যায় সংগত যদিও মহাৰাজা ৰঞ্জিত সিঙৰ উত্তৰাধিকাৰীৰ দৰে পাকিস্তান আৰু আফগানিস্তানৰো কেইবাজনো দাবীদাৰ আছে বুলি ধীৰে কয় । উল্লেখ্য, মৃত্যুৰ পূৰ্বে মহাৰাজা ৰঞ্জিত সিঙৰ ইচ্ছাপত্ৰত কোৱা হৈছিল যে তেওঁ ভগৱান জগন্নাথক কহিনুৰ দান কৰিছে। উক্ত তথ্য এজন ব্ৰিটিছ সেনা বিষয়াই প্ৰমাণিত কৰিছিল, যাৰ প্ৰমাণ দিল্লীৰ ৰাষ্ট্ৰীয় আৰ্কাইভত উপলব্ধ। বুৰঞ্জীবিদজনে এনেদৰে কয়। আহাতে, ওড়িশাৰ শাসনাধিষ্ঠিত বিজু জনতা দলৰ (বিজেডি) সাংসদ ভূপিন্দৰ সিঙে ২০১৬ চনত ৰাজ্যসভাত হীৰা টুকুৰা ঘূৰাই অনাৰ বিষয়টো উত্থাপন কৰিছিল। ইফালে, পুৰীৰ বিজেপি বিধায়ক জয়ন্ত সাৰংগীয়েও কয় যে, তেওঁ বিষয়টো ওড়িশা বিধানসভাত উত্থাপন কৰিব। আনহাতে, ভাৰতীয় পুৰাতাত্ত্বিক জৰীপে কেইবছৰমান আগতে এক আৰটিআই প্ৰশ্নৰ উত্তৰত কৈছিল যে কহিনুৰ হীৰা লাহোৰৰ মহাৰাজাই তেতিয়াৰ ইংলেণ্ডৰ ৰাণীৰ ওচৰত 'আত্মসমৰ্পণ' কৰিছিল আৰু প্ৰায় ১৭০ বছৰ আগতে ব্ৰিটিছসকলক 'হস্তান্তৰ' কৰা নাছিল। আনহাতে, লেখক আৰু বুৰঞ্জীবিদ উইলিয়াম ডেলৰিম্পলে তেওঁৰ 'কহিনুৰ' নামৰ কিতাপখনত উল্লেখ কৰিছে যে শিখ উত্তৰাধিকাৰী দুলীপ সিঙে ৰাণী ভিক্টোৰিয়াৰ ওচৰত কহিনুৰ হীৰা সমৰ্পণ কৰাৰ বাবে অনুশোচনা কৰিছিল। কহিনুৰ হীৰা ভাৰতলৈ ওভতাই আনিবলৈ ১৯৮০ৰ দশকত বেছ জোৰাৰ উঠিছিল। কিন্তু সময়ত সকলো কথা তল পৰিছিল। এতিয়া পুনৰ সেই দাবী শক্তিশালী হৈ পৰা পৰিলক্ষিত হৈছে।

## গাঁও কৰ্তন, ভূমিৰ অধিকাৰৰ

অবড়ো গাঁও কৰ্তন কৰক, বিটিআৰত অবড়োৰ ৰাজনৈতিক অধিকাৰ সুৰক্ষিত কৰক, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা মুৰ্দাবাদ, প্ৰমোদ বড়ো মুৰ্দাবাদ, বিটিআৰত ভাষাৰ অধিকাৰ সুৰক্ষিত কৰক আদি শ্ল'গান দি পৰিৱেশ উত্তাল কৰি তোলে। চৰকাৰে এইক্ষেত্ৰত গুৰুত্ব প্ৰদান নকৰিলে ২০২৩ চনৰ ১ জানুৱাৰীৰ পৰা ধাৰাবাহিক আন্দোলন কৰিব বুলিও হুংকাৰ দিয়ে প্ৰতিবাদকাৰীসকলে। প্ৰতিবাদস্থলীতে সাংসদ নৱ কুমাৰ শৰণীয়াই অবড়ো সুৰক্ষা সমিতিক ভাগ ভাগ কৰি দুৰ্বল কৰাৰ ষড়যন্ত্ৰ কৰা বুলিও এক গুৰুতৰ অভিযোগ উত্থাপন কৰে অবড়ো সুৰক্ষা সমিতিৰ মুখ্য সম্পাদক যোগেশ্বৰ কলিতাই । আনহাতে, বিটিচি সচিবালয়ৰ মূল প্ৰৱেশদ্বাৰৰ নামফলকত বড়ো আৰু ইংৰাজী ভাষাৰ সমান্তৰালভাৱে অসমীয়া ভাষাক সন্নিৱিষ্ট নকৰাত ক্ষোভ প্ৰকাশ কৰি শীঘ্ৰে অসমীয়া ভাষা লিপিবদ্ধ কৰিবলৈ ৰাজ্য তথা বিটিচি চৰকাৰক দাবী জনায় অবড়ো সুৰক্ষা সমিতিৰ সাধাৰণ সম্পাদক জোন দাসে। অন্যথা বিটিআৰত বসবাস কৰা ২২ লক্ষ অবড়ো জনতাৰ স্বাৰ্থত গণতান্ত্ৰিকভাৱে তীব্ৰ আন্দোলন গঢ়ি তুলিব বুলিও হুংকাৰ দিয়ে সংগঠনটোৰ সাধাৰণ সম্পাদকগৰাকীয়ে।

## ছাকছছন'ৰ শ্ৰেষ্ঠ ছিৰিজলৈ

বা সংকলন শৃংখলা- দ্য হোৱাইট লোটাছ (এইচবিঅ') নাটক শৃংখলাৰ মুখ্য অভিনেতা- লী । নাটক শৃংখলাৰ মুখ্য অভিনেত্ৰী- জেণ্ডায়া (ইউফোৰিয়া) কমেডি শৃংখলাৰ মুখ্য অভিনেতা- জেচন ছুডেইকিছ (টেড লাচো) কমেডী শৃংখলাৰ মুখ্য অভিনেত্ৰী - জিন স্মাৰ্ট (হে') সীমিত শৃংখলাৰ মুখ্য অভিনেতা- মাইকেল কিটন (ডোপচিক) সীমিত শৃংখলা বা চলচ্চিত্ৰৰ মুখ্য অভিনেত্ৰী- আমাণ্ডা চেফ্ৰাইড (দ্য ড্ৰপআউট) এখন নাটক শৃংখলাৰ সহঃ অভিনেতা- নাটক শৃংখলাৰ সহঃ অভিনেত্ৰী মেথিউ মেকফাডেন (ছাকছেছন)- জুলিয়া গাৰ্ণাৰ (ওজাৰ্ক) কমেডী শৃংখলাৰ সহঃ অভিনেতা- শ্বেৰিল লী ৰাল্‌ফ (এবট এলিমেণ্টৰী) সহঃ অভিনেত্ৰী- শ্বেৰিল লী ৰাল্‌ফ (এবটএলিমেণ্টৰী) নাটক শৃংখলাৰ বাবে পৰিচালনা- 'স্কুইড গেম'ৰ বাবে হোৱাং ডং-হিউক, কমেডী ছিৰিজৰ বাবে পৰিচালনা- 'টেড লাচো' পৰিচালনাৰ বাবে এমজে ডেলানি ফৰ এ লিমিটেড। ২০২২ৰ এমী বঁটাত মেকফাডেয়েনে নিকোলাছ ব্ৰাউন (ছাকছেছন), বিলি ক্ৰুডুপ (দ্য মৰ্ণিং শ্ব'), কিৰণ কালকিন (ছাকছেছন), পাৰ্ক হে-চু (স্কুইড গেম), জন টাৰ্টুৰো (ছেভেৰেন্স), ক্ৰিষ্টোফাৰ ৱাকেন (ছেভেৰেন্স) আৰু ওহ ইয়ং-চু (স্কুইড গেম)ক পৰাস্ত কৰে। ব্ৰিটিছ অভিনেতাজনক ইয়াৰ আগতে ২০২০ চনত এইচ বি অ' চেনেলটোৰ হিট ছিৰিজ ছাকছেছন শিৰ ৰয়ৰ (চাৰাহ স্নুক) স্বামী টম ৱাম্বছগানছৰ চৰিত্ৰত অভিনয় কৰাৰ বাবে একেটা শ্ৰেণীত মনোনীত কৰা হৈছিল। ছাকছছনে শ্ৰেষ্ঠ ছিৰিজকে ধৰি ২৫টাকৈ বঁটা লাভ কৰে। সৰ্বমুঠ এই শ্ব'টোৱে অভিনয় শ্ৰেণীত ১৪ টা এমী মনোনয়ন লাভ কৰিছিল। শ্ব'টোৱে ইয়াৰ প্ৰথম ছিজনৰ বাবে পাঁচটা আৰু ইয়াৰ দ্বিতীয় ছিজনটোৰ বাবে ১৮টা এমী মনোনয়ন লাভ কৰিছে। এই ছিজনটোত, এইচ বি অ'ই ছিৰিজটোত ৩৮টা মনোনয়ন জমা দিছিল।

## ভাৰতৰ সমৃদ্ধ সামুদ্ৰিক

কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ তথা আয়ুষ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে এই অভিলাষী প্ৰকল্পটোৰ অগ্ৰগতি পৰ্যালোচনা কৰিবলৈ গুজৰাটৰ লোথালৰ প্ৰস্তাৱিত স্থান আজি পৰিদৰ্শন কৰে আৰু গুজৰাট চৰকাৰ তথা কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰণালয়ৰ জ্যেষ্ঠ বিষয়াসকলৰ সৈতে প্ৰকল্পটোৰ অগ্ৰগতি পৰ্যালোচনা কৰে। প্ৰকল্পৰ সংগ্ৰহালয়টোত ঢোলাভিৰাত খনন কৰা প্ৰখ্যাত হৰপ্পা পানী সংৰক্ষণ আৰু ব্যৱস্থাপনা প্ৰণালী ফুটাই তোলা হ'ব। এই সন্দৰ্ভত সোণোৱালে কয়— 'প্ৰকল্পটো পৰ্যটকৰ বাবে এক নতুন আন্তঃৰাষ্ট্ৰীয় গন্তব্য স্থান হিচাপে বিকশিত কৰা হ'ব আৰু জাহাজ পৰিবহণ মন্ত্ৰণালয়ৰ সাগৰমালা কাৰ্যসূচীৰ অধীনত বিশ্বৰ অন্যান্য প্ৰসিদ্ধ আন্তঃৰাষ্ট্ৰীয় সংগ্ৰহালয়ৰ সমতুল্য হিচাপে ইয়াক গঢ়ি তোলা হ'ব। ই স্থানীয় লোকসকলৰ বাবে নিযুক্তিৰ সুযোগো সৃষ্টি কৰিব আৰু তেওঁলোকক কেইবাটাও কুটীৰ উদ্যোগ বিকশিত কৰাত সহায় কৰিব। এনে এটি অভিলাষী প্ৰকল্প স্থাপনৰ ক্ষেত্ৰত আমাৰ মন্ত্ৰণালয়ক মাৰ্গ দৰ্শন কৰাৰ বাবে মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।' ইয়াৰ পূৰ্বে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে গুজৰাটৰ মুখ্যমন্ত্ৰী ভূপেন্দ্ৰ পেটেলৰ সৈতে গান্ধী নগৰৰ মহাত্মা মন্দিৰ সন্মিলন কেন্দ্ৰত আয়োজিত 'সেউজ জাহাজৰ পুনৰ্ব্যৱহাৰ আৰু বাহন স্ক্ৰেপিং' সংক্ৰান্তীয় এখন আন্তঃৰাষ্ট্ৰীয় সন্মিলনৰো শুভ উদ্বোধন কৰে। এই সন্মিলনখন কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰণালয়ৰ লগতে গুজৰাট মেৰিটাইম ব'ৰ্ড আৰু ফেডাৰেচন অৱ ইণ্ডিয়ান চেম্বাৰ অৱ কমাৰ্চ এণ্ড ইণ্ডাষ্ট্ৰীয়ে অংশীদাৰ হিচাপে আয়োজন কৰিছে। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে ভাষণত কয় যে, গুজৰাট হৈছে ভাৰতৰ ব্যৱসায়িক প্ৰৱেশদ্বাৰ আৰু বিশ্বৰ অন্যতম পছন্দৰ সামুদ্ৰিক গন্তব্যস্থান। ভাৰতীয় সামুদ্ৰিক সফলতাৰ ক্ষেত্ৰত গুজৰাট হৈছে ধ্বজাবাহক। '১৬০০ কিলোমিটাৰ উপকূলীয় অঞ্চলৰ সৈতে গুজৰাটে ভাৰতৰ ৪০ শতাংশতকৈও অধিক কাৰ্গ প্ৰক্ৰিয়াকৰণৰ পৰিচালনা কৰে। গুজৰাটৰ আলং-ছোছিয়া শ্বিপয়াৰ্ডৰ ক্ষমতা পৰিকল্পিতভাৱে দুগুণ কৰাৰ যোগেদি বৃহৎসংখ্যক নিযুক্তিৰ সুযোগ সৃষ্টি হ'ব আৰু ই গুজৰাট তথা দেশখনলৈ অধিক অৰ্থনৈতিক সমৃদ্ধি কঢ়িয়াই আনিব।' —সোণোৱালে লগতে কয়। তেওঁ আৰু কয়— 'গুজৰাটত সাগৰমালা কাৰ্যসূচীৰ অধীনত ৫৭,০০০ কোটি টকাৰে ৭৪টা প্ৰকল্প হাতত লোৱা হৈছে, যাৰ ভিতৰত ৯,০০০ কোটি টকাৰ ১৫টা প্ৰকল্প সম্পূৰ্ণ হৈছে, ২৫,০০০ কোটি টকাৰো অধিক মূল্যৰ মুঠ ৩৩টা প্ৰকল্প কাৰ্যকৰী হৈ আছে আৰু ২২,৭০০ কোটি টকাৰ মুঠ ২৬টা প্ৰকল্প উন্নয়নৰ দিশত আছে।'

## শূদ্ৰসকল পতিতাৰ সন্তান

আপুনি হিন্দু নোহোৱালৈকে এজন পঞ্চমান (দলিত)। আপুনি হিন্দু নোহোৱালৈকে আপুনি অস্পৃশ্য। আপোনালোকৰ কিমানজনে পতিতাৰ সন্তান হিচাপে থাকিব বিচাৰে? আপোনালোকৰ কিমানজনে অস্পৃশ্য হৈ থাকিব বিচাৰে? কেৱল যদি আমি এই প্ৰশ্নবোৰৰ বিষয়ে সৰৱ হওঁ, ই সনাথনা (সনাতন ধৰ্ম) ভংগ কৰাৰ কাৰক হৈ পৰিব'। অনুষ্ঠানটোত ভাষণ দি এ ৰাজাই কয়, 'নিৰ্বাচন আয়োগ, চিবিআই, উচ্চতম ন্যায়ালয়, ই ডিৰ দৰে সকলো এতিয়া ব্যক্তিগত প্ৰতিষ্ঠান। আনকি সংসদকো এই চৰকাৰৰ ওচৰত বন্দী কৰি ৰখা হৈছে। ধৰ্মনিৰপেক্ষতা, সমাজবাদী আৰু সাৰ্বভৌম গণৰাজ্য হৈছে সংবিধানত ভাৰতৰ বিষয়ে থকা কেইটামান শব্দহে। এ ৰাজাৰ মন্তব্যৰ বিৰুদ্ধে বিজেপিয়ে তীব্ৰ প্ৰতিবাদ জনাইছে। টুইটাৰত তামিলনাডু বিজেপিৰ ৰাজ্যিক সভাপতি কে আন্নামালাই কয়— 'তামিলনাডুত ৰাজনৈতিক আলোচনাবোৰ নিম্ন পৰ্যায়লৈ নামি গৈছে। ডিএমকেৰ সাংসদজনে এটা সম্প্ৰদায়ৰ বিৰুদ্ধে ঘৃণা বিয়পাইছে। তেওঁৰ একমাত্ৰ লক্ষ্য হৈছে আন কোনো সম্প্ৰদায়ক সন্তুষ্ট কৰা। বিজেপি মহিলা মৰ্চাৰ ৰাষ্ট্ৰীয় সভাপতি তথা কোয়েম্বাটুৰৰ বিধায়িকা ভানাথি শ্ৰীনিবাসনে টুইটত কৈছে— 'ডিএমকেৰ সাংসদ এ ৰাজাই বিভিন্ন সময়ত মহিলা আৰু হিন্দুসকলক অপমান কৰিছে। এইবাৰো তেওঁ কৈছে যে শূদ্ৰসকল পতিতাৰ সন্তান আৰু তেওঁলোক হিন্দু ধৰ্মত থকালৈকে শূদ্ৰ হৈয়ে থাকিব।'

## কৃষক কল্যাণ কাৰ্যসূচীৰ

সকলো ধৰণৰ সহযোগিতা আগবঢ়াবলৈ অসম কৃষক পৰিষদ দায়বদ্ধ আৰু নিৰ্দিষ্ট কৰ্মসূচীৰ আধাৰত অসম গণ পৰিষদ দলক সৰ্বস্তৰতে শক্তিশালী কৰাৰ সংকল্প গ্ৰহণ কৰে আজি অনুষ্ঠিত অসম কৃষক পৰিষদৰ সাধাৰণ সভাই। গুৱাহাটীৰ আমবাৰীৰ অসম গণ পৰিষদ দলৰ কাৰ্যালয়ত পাঁচ শতাধিক বিভিন্ন জিলাৰ কৃষকৰ উপস্থিতিত অনুষ্ঠিত এই সভাত উপস্থিত থাকি অসম গণ পৰিষদ দলৰ সভাপতি তথা মন্ত্ৰী অতুল বৰাই কয় যে, ৰাজ্যখনৰ কৃষকসকলৰ পৰিশ্ৰম আৰু চৰকাৰে আগবঢ়োৱা সহযোগিতাৰ বাবে বিগত দিনসমূহত কৃষি উৎপাদন যথেষ্ট পৰিমাণে বৃদ্ধি পাইছে। কেন্দ্ৰীয় চৰকাৰৰ লগতে ৰাজ্য চৰকাৰে কৃষকসকলক উপকৃত কৰিব পৰাকৈ বিভিন্ন আঁচনি গ্ৰহণ কৰিছে। ফলত ৰাজ্যখনৰ কৃষকসকল উপকৃত হৈছে আৰু ৰাজ্যখনৰ উৎপাদন বৃদ্ধি পাইছে। ৰাজ্যখনক অৰ্থনৈতিকভাৱে স্বাৱলম্বীকৰণত কৃষকসকলে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে বুলি উল্লেখ কৰি সভাপতি বৰাই কয় যে, কৃষকসকলৰ মাজত সজাগতা বৃদ্ধি কৰি চৰকাৰী আঁচনিৰ সুবিধাসমূহ সহজভাৱে লাভ কৰিব পাৰে। তাৰ বাবে কৃষক পৰিষদে সক্ৰিয়তাৰে কাম কৰা উচিত। বৰাই লগতে কৃষকৰ উৎপাদন দুগুণ বৃদ্ধি কৰাৰ ওপৰত গুৰুত্ব প্ৰদান কৰি কৃষক পৰিষদে গ্ৰহণ কৰা প্ৰচেষ্টাৰ প্ৰশংসা কৰে। সভাত সভাপতিত্ব কৰে দলৰ সাধাৰণ সম্পাদক তথা কৃষক পৰিষদৰ তত্ত্বাৱধায়ক ডাঃ কমলাকান্ত কলিতাই। সভাত দলৰ সাধাৰণ সম্পাদক প্ৰবীণ হাজৰিকা, মনোজ শইকীয়া, বিমলেন্দু সিংহ, উপ-সভাপতি সুনীল ডেকা, সুনীল ৰাজকোঁৱৰ, ডাঃ তাৰাপ্ৰসাদ দাস, ড° ৰঞ্জিত ডেকা, সম্পাদক তথ্য প্ৰযুক্তি মণি মাধৱ মহন্ত, সম্পাদক প্ৰচাৰ ড° তপন দাস প্ৰমুখ্যে বহুসংখ্যক দলীয় বিষয়ববীয়া উপস্থিত থাকে। সভাত দুই শতাধিক বিভিন্ন অঞ্চলৰ কৃষকে অসম গণ পৰিষদ দলত যোগদান কৰে। সভাৰ উদ্দেশ্য ব্যাখ্যা আৰু প্ৰতিবেদন পাঠ কৰে কৃষক পৰিষদৰ সভাপতি পৰেশ বৈশ্যই।

## পশ্চিমবংগৰ চাইবাৰ অপৰাধী

কৰা যুৱক তিনিজনৰ পৰা আৰক্ষীয়ে বিভিন্ন বেংকৰ এ টি এম কাৰ্ড, ছিম কাৰ্ড, মোবাইল, নগদ ধন আৰু এখন মটৰ চাইকেল জব্দ কৰিছে। আটকাধীন যুৱক তিনিজন পশ্চিমবংগৰ ছাইবাৰ অপৰাধী চক্ৰ এটাক বেংকৰ এ টি এম কাৰ্ড, ছিম কাৰ্ড যোগান ধৰি আহিছিল বুলি আৰক্ষীয়ে জানিবলৈ দিছে। এই সন্দৰ্ভত বঙাইগাঁও জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক লুনা সোণোৱালে সংবাদ মাধ্যমক জানিবলৈ দিয়া মতে আটকাধীন যুৱক তিনিজন বঙাইগাঁও জিলাৰ কোকিলা মাজপাৰাৰ আবুল কাছেমৰ পুত্ৰ আশ্ৰাফুল ইছলাম (২৭), বৰপেটা জিলাৰ কলগাছিয়াৰ উদমাৰীৰ ৰুস্তম আলীৰ পুত্ৰ বিল্লাল হুছেইন (২১) আৰু কলগাছিয়াৰ খাৰবাল্লীৰ ৰেজাউল কৰিমৰ পুত্ৰ মনিৰুল ইছলাম (২০)। আটকাধীন যুৱক তিনিজনৰ পৰা আৰক্ষীয়ে ২৫খন বিভিন্ন বেংকৰ এটিএম কাৰ্ড, ১৮খন ছিমকাৰ্ড, ৪টা মোবাইল, এ এছ-০১ ই কে-১৮৮০ নম্বৰৰ এখন ইয়ামাহা মটৰচাইকেল আৰু নগদ ৭,৯৩০ টকা জব্দ কৰে। জব্দ কৰা এ টি এম কাৰ্ডসমূহ ফেডাৰেল বেংক, এক্সিছ বেংক, কোটাক, আই ডি এফ চি আদি বেংকৰ। অতিৰিক্ত আৰক্ষী অধীক্ষকগৰাকীয়ে লগতে সংবাদ মাধ্যমক জানিবলৈ দিয়া মতে বঙাইগাঁও আৰু বৰপেটা জিলাৰ কোকিলা, কলগাছিয়া আদিকে ধৰি ভিতৰুৱা গাঁৱৰ পৰা এ টি এম আৰু মোবাইলৰ ছিম কাৰ্ডধাৰীৰ পৰা নগদ ২০০০ টকাকৈ দি আটক কৰা লোকসকলে ছিম কাৰ্ডৰ সৈতে এ টি এম কাৰ্ডসমূহ ক্ৰয় কৰিছিল। এই এ টি এম কাৰ্ড আৰু ছিম কাৰ্ডসমূহ পিছত পশ্চিমবংগৰ এক চাইবাৰ অপৰাধী চক্ৰক ধনৰ বিনিময়ত যোগান ধৰে । এই তিনি যুৱকে মঙলবাৰে বিয়লি পশ্চিমবংগৰ ছাইবাৰ অপৰাধীক এ টি এম কাৰ্ড আৰু ছিম কাৰ্ডসমূহ গতাই দিবলৈ পশ্চিমবংগৰ বৰ্ধমানলৈ বুলি যোৱাৰ বাবে বঙাইগাঁৱত উপস্থিত হৈ নিউ বঙাইগাঁৱলৈ গৈ থকা অৱস্থাত আৰক্ষীয়ে কৰায়ত্ত কৰে। আটকাধীন যুৱক তিনিজনে আৰক্ষীৰ আগত প্ৰকাশ কৰা মতে এই কাৰ্ডসমূহ ছাইবাৰ অপৰাধী চক্ৰটোৱে ব্যক্তিসকলক ব্যক্তিগত তথ্য যেনে পাছৱৰ্ড আৰু ক্ৰেডিট কাৰ্ড নম্বৰ প্ৰকাশ কৰিবলৈ প্ৰৰোচিত কৰিবলৈ সুনাম থকা কোম্পানীসমূহৰ পৰা অহা বুলি কোৱা ই-মেইল প্ৰেৰণ কৰাৰ প্ৰৱঞ্চনামূলক আৰু ধন দাবী কাৰ্যত ব্যৱহাৰ কৰে। আৰক্ষীৰ তদন্তৰ লগতে আটকাধীন যুৱক তিনিজনে পশ্চিমবংগৰ বৰ্ধমান নিৱাসী ছবু আৰু নাৰু নামৰ দুজন ব্যক্তিৰ নাম প্ৰকাশ কৰিছে, যি দুজনে ছাইবাৰ অপৰাধ আৰু ধন দাবীৰ ক্ষেত্ৰত ব্যৱহাৰৰ বাবে কাৰ্ডসমূহ ক্ৰয় কৰে। এই সন্দৰ্ভত বঙাইগাঁও থানাত এটা গোচৰ ৰুজু কৰি আৰক্ষীয়ে অধিক তথ্য উদঘাটনৰ বাবে ধৃত যুৱক তিনিজনক জেৰা অব্যাহত ৰাখিছে।

## প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ

১নং চতিয়া পঞ্চায়তত মুখ্যমন্ত্ৰীৰ ঘোষণাৰ পৰিৱৰ্তে এতিয়া চলিছে দুৰ্নীতিৰ মুকলি প্ৰতিযোগিতা। দুৰ্নীতিৰ বোকাৰে লুতুৰি-পুতুৰি হোৱা পঞ্চায়তখনত শেহতীয়াকৈ সংযোজিত হৈছে প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অন্য এক কেলেংকাৰিৰ। সাধাৰণতে প্ৰধানমন্ত্ৰী আৱাস গৃহ লাভ কৰা এজন ব্যক্তিয়ে প্ৰথম কিস্তিৰ ধন লাভ কৰাৰ পিছত দ্বিতীয় কিস্তিৰ ধন লাভ কৰিবলৈ জিঅ' টেগকে ধৰি সংশ্লিষ্ট অভিযন্তাৰ অনুমোদনৰ দৰে এক কঠিন পৰ্যায় পাৰ কৰিব লগা হয়। কিন্তু চতিয়া ১নং গাঁও পঞ্চায়তত সকলো নিয়ম ধোঁৱা চাঙত তুলি ঘৰ নসজা হিতাধিকাৰীক সমুদায় ধন আদায় দিয়াৰ এক গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। পঞ্চায়তখনৰ পূৰ্বৰ বাসিন্দা বৰ্তমান ছোৱাগুৰি পঞ্চায়তৰ বাসিন্দা ৰহিমা বেগম নামৰ এগৰাকী মহিলাই অভিযোগ কৰা অনুসৰি তেওঁৰ স্বামী আব্দুল ছোভান আৰু পৰিয়ালৰ আন তিনিজন ব্যক্তিয়ে চলিত বৰ্ষত প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ গৃহৰ আবণ্টন লাভ কৰে। ইয়াৰে আব্দুল ছোভান আৰু আব্দুল কাছেম নামৰ ব্যক্তি দুগৰাকীয়ে ঘৰ নসজাকৈ তিনিটা কিস্তিৰ ধন লাভ কৰে। বাকী দুজন ব্যক্তিয়ে ঘৰ সজা আৰম্ভ কৰিছে যদিও চতিয়া ব্লকৰ অধীনস্থ পঞ্চায়তত নহয়। বিশ্বনাথৰ বালিপুখুৰী ব্লকৰ অধীনস্থ ছোৱাগুৰি পঞ্চায়তত ব্যক্তি দুজনে ঘৰ সজাৰ তথ্য লাভ কৰা হৈছে। অভিযোগকাৰী মহিলাগৰাকীয়ে জনোৱা মতে তেওঁৰ স্বামীয়ে ঘৰ নসজাকৈ যোৱা ২১ জুলাইত প্ৰথম কিস্তিৰ ৩৩৫১ টকা, ১ আগষ্টত দ্বিতীয় কিস্তিৰ ৪৯,২৪৪ টকা আৰু ৫ ছেপ্টেম্বৰত তৃতীয় কিস্তিৰ ৪৮,৯৭৬ টকা উঠাই নিয়ে। ৰহিমা বেগমে জানিবলৈ দিয়া মতে তেওঁৰ পতি আব্দুল ছোভানে প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ ধনৰে দ্বিতীয় বিবাহ সম্পন্ন কৰি মধুচন্দ্ৰিকাৰ বাবে নগাঁৱলৈ যাত্ৰা কৰিছে। আব্দুল কাছেম নামৰ আনজন হিতাধিকাৰীৰ একাউণ্টত ঘৰ নসজাকৈ তিনিটা কিস্তিৰ ধন সোমাইছে যদিও ধৰা পৰাৰ ভয়ত একাউণ্টটো বন্ধ কৰি ৰাখিছে বুলি জানিব পৰা গৈছে। পঞ্চায়তখনৰ সচিবক পঞ্চায়তত চলি থকা দুৰ্নীতিৰ বিষয়ে প্ৰশ্ন কৰাত তেওঁ জনায় যে আব্দুল ছোভানে আনৰ ঘৰৰ ফটো দাখিল কৰি প্ৰতাৰণাৰ জৰিয়তে তিনিটা কিস্তিৰ ধন আদায় কৰাৰ লগতে আনজন ব্যক্তিয়ে ভুৱা তথ্যৰে গৃহৰ বাবে আবণ্টিত ধন আদায় কৰিছে। চৰকাৰী নিৰ্দেশনা মতে জিঅ' টেগ, বিভাগীয় অভিযন্তাৰ অনুমোদনকে আদি কৰি কেইবাটাও পৰ্যায় অতিক্ৰম কৰাৰ পিছতহে হিতাধিকাৰীয়ে ধন লাভ কৰে। কিন্তু এইখন পঞ্চায়তে সকলো নিয়মক ভেঙুচালি কৰি মুখ্যমন্ত্ৰীৰ দুৰ্নীতিৰ বিৰুদ্ধে শূন্য সহনশীলতা নীতিক বৃদ্ধাংগুষ্ঠ প্ৰদৰ্শন কৰা বুলি স্থানীয় লোকে মত প্ৰকাশ কৰাৰ লগতে পঞ্চায়তত চলি থকা দুৰ্নীতি ৰোধ কৰাত জিলা প্ৰশাসনৰ হস্তক্ষেপ দাবী কৰিছে।

## ৰাজ্যত জলজীৱন আঁচনিৰ

প্ৰশ্নৰ উত্তৰত মন্ত্ৰীয়ে কয় যে অন্য ৬৫৭১ খন আঁচনি ৰূপায়ণ কৰি থকা হৈছে। এই আঁচনিকেইখন সম্পূৰ্ণ হ'লে সংশ্লিষ্ট আঁচনিৰ সৈতে অন্তৰ্ভুক্ত হৈ থকা পৰিয়ালসমূহেও বিশুদ্ধ পানীৰ যোগান লাভ কৰিব। আনহাতে ৰাজ্যত নতুনকৈ ৮৭৯৮ খন জলজীৱন আঁচনি ৰূপায়ণৰ বাবে বিবেচনা কৰা হৈছে। মন্ত্ৰীয়ে সদনত অৱগত কৰা অনুসৰি উক্ত আঁচনিসমূহৰ পৰিচালনা আৰু পৰ্যবেক্ষণৰ বাবে কিছুসংখ্যক কৰ্মচাৰী নিয়োজিত হৈ আছে। বৰ্তমান আঁচনিসমূহ পৰিচালনাৰ বাবে স্থানীয় গাঁও পঞ্চায়ত আৰু নিকায়সমূহৰ অধীনত গঠিত উপভোক্তা সমিতিলৈ দায়িত্ব হস্তান্তৰ কৰা হ'ব। ইফালে জলমিত্ৰ সমূহক নিযুক্তি প্ৰদান কৰিবলৈ পানী যোগান নিশ্চিত কৰিবলৈ পানী উপভোক্তা সমিতিসমূহক কৰ্তৃত্ব প্ৰদান কৰিব বুলি চৰকাৰে বিবেচনা কৰি থকা বুলি ব্যক্ত কৰিছে।

## গুজৰাটত অৰবিন্দ কেজৰিৱালৰ বিস্ফোৰক মন্তব্য

# বিজেপিয়ে ছোনিয়া গান্ধীক 'প্ৰধানমন্ত্ৰী' পাতিব বিচাৰে

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ১৩ ছেপ্টেম্বৰ ঃ** মোদীৰ ৰাজ্য গুজৰাটত আজি গেৰুৱা দলৰ বিৰুদ্ধে সৰৱ হৈ পৰে দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱাল। মঙলবাৰে গুজৰাটৰ এখন সভাত ভাষণ দি কেজৰিৱালে ৰাজ্যখনৰ জনসাধাৰণক আম আদমি পাৰ্টী শাসনলৈ আহিলে 'দুৰ্নীতিমুক্ত' চৰকাৰ গঠন কৰাৰ প্ৰতিশ্ৰুতি দিয়ে। শাসকীয় বিজেপিক আক্ৰমণ কৰি কেজৰিৱালে কয় যে বিজেপিয়ে ছোনিয়া গান্ধীক পিছফালৰ পৰা প্ৰধানমন্ত্ৰী কৰিব বিচাৰে। গুজৰাট বিধানসভা নিৰ্বাচনত নৰ্মদা বচাও আন্দোলনৰ কৰ্মী মেধা পাটকাৰক আপৰ মুখ্যমন্ত্ৰী পদৰ প্ৰাৰ্থী হিচাপে প্ৰক্ষেপ কৰা হ'ব বুলি বিজেপিয়ে কৰি অহা দাবী সন্দৰ্ভত উত্তৰ দি আহমেদাবাদত আপৰ আহ্বায়ক কেজৰিৱালে ছোনিয়াকহে বিজেপিয়ে আওপাকে প্ৰধানমন্ত্ৰী পাতিব বিচাৰে বুলি কয়। কেজৰিৱালে কয়— 'আপে মেধা পাটকাৰক গুজৰাটত মুখ্যমন্ত্ৰী পদৰ প্ৰাৰ্থী হিচাপে প্ৰাৰ্থিত্ব প্ৰদান কৰিছে বুলি কোৱা কথাষাৰ বিজেপিয়ে ছোনিয়া গান্ধীক প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উত্তৰাধিকাৰী হিচাপে প্ৰক্ষেপ কৰিবলৈ গৈ আছে বুলি কোৱা কথাৰ দৰেহে হ'ব।' উল্লেখ্য, গুজৰাটত চলিত বছৰৰ শেষৰ ফালে বিধানসভা নিৰ্বাচন অনুষ্ঠিত হ'ব। নিৰ্বাচনৰ বাবে ৰাজ্যখনত শাসকীয় বিজেপিকে ধৰি আপেও কঁকালত টঙালি বান্ধিছে। ৰাজ্যখনত আপৰ উত্থানত বিজেপি বহু পৰিমাণে শংকিত হোৱাও দেখা গৈছে। কেজৰিৱালে আজি কয়— 'মই গুজৰাটত যিসকলক লগ পাইছো তেওঁলোকে কৈছে যে সকলো ঠাইতে দুৰ্নীতি হৈ আছে। চৰকাৰী কাম কৰিবলৈ উৎকোচ দিবই লাগিব। নিম্ন স্তৰত দুৰ্নীতি আছে আৰু শীৰ্ষত কেলেংকাৰি আছে। যদি কোনোবাই ইয়াৰ বিৰুদ্ধে কথা কয়, তেন্তে তেওঁক ভাবুকি দিয়া হয় । গুজৰাটৰ সকলো ঠাইতে দুৰ্নীতি আৰু গুণ্ডামি আছে'। আহমেদাবাদত সাংবাদিকৰ সৈতে বাৰ্তালাপ কৰি কেজৰিৱালে দাবী কৰে যে আপৰ চৰকাৰ ৰাজ্যখনত গঠন হ'লে জনসাধাৰণক দুৰ্নীতিৰ নাগপাশৰ পৰা মুক্ত কৰা হ'ব। তেওঁ কয়— 'আজি মই এটা গেৰাণ্টি দিছো যে যেতিয়া আপে গুজৰাটত চৰকাৰ গঠন কৰিব, ই দুৰ্নীতিমুক্ত আৰু ভয়মুক্ত চৰকাৰ প্ৰদান কৰিব।' কেজৰিৱালে গুজৰাটত বৰ্তমানৰ মন্ত্ৰী আৰু চৰকাৰী বিষয়াসকলৰ 'অবৈধ ব্যৱসায়' বন্ধ কৰা, বৰ্তমানৰ চৰকাৰৰ 'কেলেংকাৰি'ৰ তদন্ত কৰা আৰু দুৰ্নীতিৰে সংগ্ৰহ কৰা ধন পুনৰুদ্ধাৰ কৰাৰ প্ৰতিশ্ৰুতি দিয়ে। কেজৰিৱালে কয় যে যদি আপ ক্ষমতালৈ আহে, তেন্তে তেওঁৰ দলৰ চৰকাৰে নিশ্চিত কৰিব যে জনসাধাৰণে চৰকাৰী কাৰ্যালয়ত উৎকোচ দিয়াৰ প্ৰয়োজন নাথাকিব। আপৰ চৰকাৰে দিল্লীত কৰাৰ দৰে বিভিন্ন কল্যাণমূলক সেৱা আৰম্ভ কৰিব। উল্লেখ্য, শেহতীয়াকৈ গুজৰাটলৈ কৰা একাধিক ভ্ৰমণৰ সময়ত কেজৰিৱালে কেইবাটাও 'গেৰাণ্টী' ঘোষণা কৰিছে। যাৰ ভিতৰত আছে প্ৰতি মাহে ৩০০ ইউনিটলৈকে বিনামূলীয়া বিদ্যুৎ, মহিলা আৰু নিবনুৱা যুৱক-যুৱতীসকলৰ বাবে ভাত্তা, বিনামূলীয়া আৰু মানসম্পন্ন স্বাস্থ্যসেৱা আৰু শিক্ষা তথা চাকৰিৰ সৃষ্টি।

## ৰাজকোষৰ পৰা ওলাই গ'ল

বেংকৰ নিয়ম অনুসৰি ক্ষুদ্ৰ ঋণ দাতা কোম্পানীসমূহে কাম-কাজ কৰি আছে। ২০২১ বৰ্ষৰ ৩১মাৰ্চ পৰ্যন্ত এই কোম্পানীসমূহে অসমত ১২,৫০০ কোটি টকাৰ ঋণ প্ৰদান কৰিছে। ৰাজ্য চৰকাৰে সকাহমূলক আঁচনি অনুসৰি অসম মাইক্ৰ'ফাইনেন্স উদগনি আৰু সকাহ আঁচনি কাৰ্যকৰী কৰিছে। বৰ্তমানলৈকে প্ৰথম শ্ৰেণীৰ ঋণ লওঁতালৈ সকলো জিলা সামৰি ১৫,৯৯,১৬,৫৯,৫৯২ টকাৰ উদগনি প্ৰদান কৰা হৈছে। ইয়াৰ দ্বাৰা উপকৃত হৈছে ৮,৭২,৭৪০ গৰাকী ঋণ লওঁতা। আনহাতে অসম চৰকাৰে ঋণ দাতা কোম্পানীসমূহৰ সৈতে বিগত বৰ্ষত এখন চুক্তি সম্পাদিত কৰিছে। গতিকে এই চুক্তি অনুসৰি অৰ্থনৈতিকভাৱে পিছপৰা ব্যক্তিসকলে লোৱা ক্ষুদ্ৰ ঋণ ৰেহাই দিয়াৰ প্ৰক্ৰিয়া চৰকাৰে গ্ৰহণ কৰিছে।

## ২৫৩টা পঞ্জীয়নভুক্ত অস্বীকৃত

আয়োগে জাৰি কৰা নিৰ্দেশনাৰ আধাৰতে তেনে দলসমূহক নিষ্ক্ৰিয় ঘোষণা কৰা হৈছে বুলি মুখ্য নিৰ্বাচন আয়ুক্ত ৰাজীৱ কুমাৰ আৰু নিৰ্বাচন আয়ুক্ত অনুপ চন্দ্ৰ পাণ্ডেই সদৰী কৰিছে। ভাৰতীয় নিৰ্বাচন আয়োগে আজি ৮৬টা অস্তিত্বহীন পঞ্জীয়নভুক্ত অস্বীকৃত ৰাজনৈতিক দলক নতুনকৈ তালিকাৰ পৰা বাদ দিয়ে আৰু অতিৰিক্ত ২৫৩টা তেনে দলক 'নিষ্ক্ৰিয়' ঘোষণা কৰে। জনপ্ৰতিনিধিত্ব আইনৰ ধাৰা ২৯ (ক)ৰ অধীনত প্ৰতিটো ৰাজনৈতিক দলে তাৎক্ষণিকভাৱে দলৰ নাম, মুখ্য কাৰ্যালয়, কাৰ্যালয়ৰ ঠিকনা, পেন নম্বৰৰ যিকোনো পৰিৱৰ্তন আদি আয়োগক জনাব লাগিব। সংশ্লিষ্ট মুখ্য নিৰ্বাচনীৰ দ্বাৰা কৰা প্ৰমাণীকৰণৰ পিছত ৮৬টা পঞ্জীয়নভুক্ত অস্বীকৃত ৰাজনৈতিক দল অস্তিত্বহীন বুলি প্ৰমাণ হৈছে। শেহতীয়াকৈ কৰ্ণাটককে ধৰি দেশৰ সাতখন ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়াৰ পৰা পোৱা প্ৰতিবেদনৰ ওপৰত ভিত্তি কৰি এই সিদ্ধান্ত লোৱা হৈছে। মহাৰাষ্ট্ৰ, তামিলনাডু, তেলেংগানা আৰু উত্তৰ প্ৰদেশতো এনে বহু নাম-গোন্ধহীন দল আছে। এনে দলসমূহে আয়োগৰ জাননীৰ প্ৰতি কোনো সঁহাৰি দিয়া নাছিল। এনে নাম-গোন্ধহীন দলসমূহে বিধানসভা বা সংসদীয় নিৰ্বাচনত ২০১৪ চনৰ পৰা ২০১৯ চনলৈ এটাও নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা নাই।

## ধনী লোকক চৰকাৰী গৃহ

স্থিতিৰ পিছতো বিয়াগোম বিষয়াই নকৰে কেৰেপ। বিন্নাকান্দিৰ কৰৈয়নী আৰু চৌধুৰী বজাৰ গাঁও পঞ্চায়তৰ পিছত এইবাৰ পোহৰলৈ আহিছে বৰহাওৰ গাঁও পঞ্চায়তৰ দুৰ্নীতি। এইবাৰ ধনী লোকৰ নামত চৰকাৰী গৃহৰ ধন মোকলাই দিয়াক কেন্দ্ৰ কৰি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। এই ঘটনা বিন্নাকান্দি উন্নয়ন খণ্ডৰ বৰহাওৰ গাঁও পঞ্চায়তত সংগঠিত হৈছে। পঞ্চায়তৰ ১নং ৱাৰ্ডৰ নুৰ আলী নামৰ লোকজনে প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ গৃহ লাভ কৰে। লোকজনৰ এটা আটকধুনীয়া আছাম টাইপৰ বিল্ডিং থকা সত্ত্বেও চৰকাৰী গৃহ লাভ কৰাত ৰহস্যৰ সৃষ্টি হৈছে। লোকজনে ইতিমধ্যে এটি কিস্তিৰ ধন লাভ কৰি ঘৰটোক নতুন ৰূপ দিবলৈ চেষ্টা অব্যাহত ৰাখিছে। ইয়াকে লৈ এচাম সচেতন লোক জাঙুৰ খাই উঠিছে। এই ঘটনাত পঞ্চায়তটোৰ সচিব আৰু জিপিচিয়ে কমিছনৰ বিনিময়ত এনে কাম কৰা বুলি এজন সচেতন যুৱকে জানিবলৈ দিয়ে। এতিয়া বিন্নাকান্দি উন্নয়ন খণ্ডৰ বিষয়াই কি ব্যৱস্থা লয় সেয়া সময়ত লক্ষণীয় হ'ব।

## মৰিয়নিত সেনাবাহিনীত

প্ৰৱঞ্চকে চাকৰি প্ৰাৰ্থীসকলৰ একাংশক জালত পেলাবলৈ চেষ্টা চলাওঁতেই আৰক্ষীয়ে প্ৰৱঞ্চকটোক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। মৰিয়নিৰ লোকনাথ লজত পাঁচজনীয়া প্ৰৱঞ্চকৰ দলটো বাহৰ পাতি আছিল। মৰিয়নি আৰক্ষীয়ে মৰিয়নি এমইএছৰ পৰা আটক কৰিবলৈ সক্ষম হয় ধৃত ব্যক্তিজনে ভাৰতীয় সেনাৰ অগ্নিবীৰৰ বাছনি পৰীক্ষা দিবলৈ অহা যুৱকসকলক কৌশলেৰে প্ৰৱঞ্চনাৰ জাল পেলোৱা সময়ত স্থানীয় লোকৰ সন্দেহ হোৱাত আৰক্ষীক অভিযোগ দিয়ে। মৰিয়নি থানাৰ ভাৰপ্ৰাপ্ত বিষয়া ত্ৰিলোচন নাথ উপস্থিত হৈ প্ৰৱঞ্চকটোক গ্ৰেপ্তাৰ কৰি থানালৈ আনে। ধৃত প্ৰৱঞ্চকটো তেজপুৰৰ সদৰ মিছন চাৰিআলিৰ ৰঞ্জন ভূএঞা বুলি জানিব পৰা গৈছে। এই প্ৰৱঞ্চকটোক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰাৰ উমান পাই মৰিয়নিৰ লোকনাথ লজৰ পৰা বাকীকেইজন প্ৰৱঞ্চক পলায়ন কৰে। ইয়াৰ পূৰ্বেও ৰঞ্জন ভূএঞা প্ৰৱঞ্চনা কৰা অভিযোগত ৰঙাঘৰৰ আলহী হ'ব লগা হৈছে। এই প্ৰৱঞ্চকটোৰ স্বীকাৰোক্তিত তেজপুৰৰ বৰুৱা ডেকা চাৰিআলিৰ পৰা অমিত শৰ্মা নামৰ আন এটা প্ৰৱঞ্চকক কালি ৰাতি গ্ৰেপ্তাৰ কৰি মৰিয়নি থানালৈ আনে। পুলিচে ১৩১/২২ নম্বৰৰ গোচৰ ৰুজু কৰি ন্যায়িক আদালতত হাজিৰ কৰাই ৰঞ্জনক তিনি দিন আৰু অমিত শৰ্মাক চাৰি দিনৰ বাবে ৰিমাণ্ডত লয়।

## প্ৰতাপগড় চাহ বাগিচাত দুই

কাজিয়াই এটা সময়ত চূড়ান্ত ৰূপ পায় আৰু বিকি নায়ক আৰু ৰোহিত নায়ক নামৰ যুৱক দুজনে বৰ বেয়াকৈ প্ৰহাৰ কৰে ছাত্ৰ আকাশ তাঁতীক। তাৰ পিছতে ছাত্ৰগৰাকী আঘাতপ্ৰাপ্ত হৈ নিজ ঘৰলৈ উভতি অহাত ছাত্ৰগৰাকীৰ অভিভাৱকে চিকিৎসালয়ত ভৰ্তি কৰায়। তাৰ পিছতে আঘাতপ্ৰাপ্ত ছাত্ৰগৰাকীৰ চিকিৎসালয়তে অধিক স্বাস্থ্যৰ অৱনতি ঘটে আৰু অৱশেষত তিনি দিন পূৰ্বে ছাত্ৰগৰাকীৰ চিকিৎসাধীন অৱস্থাতে মৃত্যু হয়। যাৰ বাবে মৃত ছাত্ৰগৰাকীৰ অভিভাৱকে ছাত্ৰগৰাকীক প্ৰহাৰ কৰা দুই যুৱকৰ বিৰুদ্ধে বিশ্বনাথ চাৰিআলি সদৰ থানাত এজাহাৰ দাখিল কৰে। এই এজাহাৰৰ ভিত্তিতে কালি বিশ্বনাথ আৰক্ষীৰ তদন্তকাৰী আৰক্ষী বিষয়াই অভিযুক্ত যুৱক বিকি নায়ক আৰু ৰোহিত নায়কৰ বিৰুদ্ধে 147/22 নম্বৰৰ গোচৰ ৰুজু কৰি IPC 302/34ৰ অধীনত গ্ৰেপ্তাৰ কৰি আজি জে'ল হাজোতলৈ প্ৰেৰণ কৰে।

জম্মু-কাশ্মীৰত এনকাউণ্টাৰ

## নিহত হ'ল সন্ত্ৰাসবাদী

**শ্ৰীনগৰ, ১৩ ছেপ্টেম্বৰ ঃ** ক্ৰমাৎ সেনা-আৰক্ষী আৰু সন্ত্ৰাসবাদীৰ মাজৰ সংঘৰ্ষই ভয়াৱহ ৰূপ ধাৰণ কৰিছে জম্মু-কাশ্মীৰত। উপত্যকাটোত যোৱা বৰ্ষৰ শেষৰ ফালৰ পৰা দ্ৰুতগতিত বৃদ্ধি পাইছে নিৰাপত্তাৰক্ষী-সন্ত্ৰাসবাদীৰ মাজত সংঘাত। সন্ত্ৰাসমুক্ত জম্মু-কাশ্মীৰৰ লক্ষ্যৰে উপত্যকাটোত সন্ত্ৰাসবাদীৰ বিৰুদ্ধে নিৰন্তৰ চলাই ছে অভিযান।এনে অভিযানত বিগত সময়চোৱাত শতাধিক সন্ত্ৰাসবাদী নিৰাপত্তাৰক্ষীৰ এনকাউণ্টাৰত নিহত হোৱাৰ লগতে আন বহু সন্ত্ৰাসবাদী সদস্য আটক হৈছে। আনহাতে সন্ত্ৰাসবাদীৰ গুলীত নিহত তথা আহত হৈছে নিৰাপত্তাৰক্ষী কৰ্মীও। ধাৰাবাহিকভাৱে চলি থকা এনে সংঘাতৰ মাজতে আজি পুনৰ উপত্যকাটোৰ শ্বপিয়ান জিলাত এক সংঘৰ্ষ সংঘটিত হয়। এই সংঘৰ্ষত এজন অচিনাক্ত সন্ত্ৰাসবাদী নিহত হোৱাৰ বিপৰীতে আহত হৈছে এগৰাকী সুৰক্ষা কৰ্মী। এগৰাকী আৰক্ষী বিষয়াই জানিবলৈ দিয়া অনুসৰি জিলাখনৰ হেফ শিৰমাল অঞ্চলত সন্ত্ৰাসবাদীৰ উপস্থিতিৰ তথ্য পোৱাৰ পিছতে নিৰাপত্তাৰক্ষীয়ে তালাচী অভিযান আৰম্ভ কৰে। নিৰাপত্তাৰক্ষীৰ এই অভিযানৰ পাছতে সন্ত্ৰাসবাদী কেইজনে নিৰাপত্তাৰক্ষীৰ ওপৰত গুলীচালনা কৰে আৰু তাৰ ফলশ্ৰুতিত দুয়োপক্ষৰ মাজত গুলীবৰ্ষণ আৰম্ভ হয়। এই সংঘৰ্ষত নিৰাপত্তা বাহিনীৰ এজন জোৱান আহত হোৱাৰ লগতে এজন সন্ত্ৰাসবাদী সদস্য গুলীবিদ্ধ হোৱাৰ ফলত নিহত হয় বুলি বিষয়াগৰাকীয়ে জানিবলৈ দিয়ে।

তেলেংগানাৰ ছেকেন্দাৰবাদত ভয়ংকৰ অগ্নিকাণ্ড


# ৮ জন নিহত, ভস্মীভূত হ'ল বৈদ্যুতিক বাইক শ্ব' ৰূম

**ছেকেন্দাৰবাদ, ১৩ ছেপ্টেম্বৰ ঃ** তেলেংগানাত আন এক ভয়াৱহ অগ্নিকাণ্ডৰ ঘটনা সংঘটিত হৈছে। সোমবাৰে নিশা ছেকেন্দাৰবাদৰ এখন হোটেলত এই অগ্নিকাণ্ডৰ ঘটনা ঘটে। ঘটনাটোত ৮ জন লোক নিহত হৈছে আৰু আহত হৈছে আন কেইবাজনো লোক। আহতসকলক চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে।হায়দৰাবাদৰ আয়ুক্ত চি ভি আনন্দে জনায় যে সোমবাৰে নিশা ছেকেন্দ্ৰাবাদৰ এটা বহুমহলীয়া অট্টালিকাত জুই লাগে। অট্টালিকাৰ প্ৰথম মহলাত থকা এটা বৈদ্যুতিক স্কুটাৰ ৰিচাৰ্জিং ইউনিটৰ পৰা জুই আৰম্ভ হৈছিল। জ্বলনশীল পদাৰ্থ থকাৰ বাবে জুই দ্ৰুতগতিত দুই মহলা আৰু তিনি মহলালৈ বিয়পি পৰিছিল। চাৰিওফালে ক'লা ধোঁৱাই আৱৰি ধৰিছিল। এই ঘটনাত আঠজন লোকে প্ৰাণ হেৰুৱাইছে।অগ্নিকাণ্ড সংঘটিত হোৱাৰ পিছত বহুতেই নিজকে বচাবলৈ খিৰিকীৰে জঁপিয়াই পৰি আঘাতপ্ৰাপ্ত হয়। তেওঁলোকক ততাতৈয়াকৈ চিকিৎসালয়লৈ লৈ যোৱা হয়। অৱশ্যে অগ্নি নিৰ্বাপক বাহিনী আৰু স্থানীয় লোকৰ সহায়ত দ্ৰুতগতিত উদ্ধাৰ অভিযান চলোৱা সম্ভৱ হৈছে।তেলেংগানাৰ গৃহ মন্ত্ৰী মহম্মদ মাহমুদ আলীয়ে ঘটনাটোত শোক প্ৰকাশ কৰিছে। তেওঁ কয়: "এইটো এটা অতি দুৰ্ভাগ্যজনক ঘটনা। অগ্নিনিৰ্বাপক বাহিনীয়ে হোটেলখনত আৱদ্ধ অতিথিসকলক উদ্ধাৰ কৰিবলৈ যথাসাধ্য চেষ্টা কৰে। কিন্তু প্ৰচণ্ড ধোঁৱাৰ ফলত শ্বাসৰুদ্ধ হৈ কেইজনমান লোকৰ মৃত্যু হয়। অগ্নিকাণ্ড কেনেকৈ সংঘটিত হৈছিল জানিবলৈ এটা তদন্ত আৰম্ভ কৰা হ'ব। "উল্লখ্য যে তেলেংগানাত যোৱা মাৰ্চ মাহতো একেধৰণৰ আন এক অগ্নিকাণ্ডৰ ঘটনা সংঘটিত হৈছিল। ছেকেন্দ্ৰাবাদৰ এটা গুদামত সংঘটিত সেই অগ্নিকাণ্ডত বিহাৰৰ এঘাৰজন প্ৰব্ৰজনকাৰী শ্ৰমিক নিহত হৈছিল। তদন্তকাৰীসকলে শ্বৰ্ট চাৰ্কিটৰ পৰা সেই অগ্নিকাণ্ড সংঘটিত হোৱা বুলি নিশ্চিত হৈছিল।ইপিনে. অগ্নি নিৰ্বাপক বাহিনীয়ে অগ্নিকাণ্ডৰ কাৰণ বিচাৰি তদন্ত আৰম্ভ কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই ঘটনাত শোক প্ৰকাশ কৰিছে।




## দুই-তৃতীয়াংশ আসনেৰে গুজৰাটত পুনৰ বিজেপিৰ চৰকাৰ

### গান্ধীনগৰত কেন্দ্ৰীয় গৃহমন্ত্ৰীৰ ঘোষণা



**গান্ধীনগৰ, ১৩ ছেপ্টেম্বৰ ঃ** গুজৰাটৰ গান্ধীনগৰত আয়োজিত এখন দলীয় সভাত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে সজোৰে দাবী কৰে যে গুজৰাটত দুই-তৃতীয়াংশ আসনসহ বিজেপি দলে পুনৰ চৰকাৰ গঠন কৰিব। ৰাজ্যখনৰ ভোটাৰৰ ওপৰত তেওঁৰ গভীৰ বিশ্বাস আৰু আস্থা আছে বুলি মঙলবাৰে প্ৰকাশ কৰিছে। গুজৰাটৰ ৰাইজে মিছা প্ৰতিশ্ৰুতিত ভোল নাযায়। তেওঁলোকে নিজাকৈ বিবেচনা কৰিব পাৰে। উল্লেখ্য যে ৰাজ্যখনৰ মুখ্যমন্ত্ৰী ভূপেন্দ্ৰ পেটেলৰ এবছৰ উপলক্ষে এক বিশেষ সভাৰ আয়োজন কৰা হৈছে। অৱশ্যে কেন্দ্ৰীয় গৃহমন্ত্ৰীয়ে ভাৰ্চুৱেল মাধ্যমেৰে এই সভাত ভাগ লৈছিল। মুখ্যমন্ত্ৰী ভূপেন্দ্ৰ পেটেলে দায়িত্ব গ্ৰহণ কৰাৰ দিনটোলৈ গৃহমন্ত্ৰীয়ে মনত পেলাই দিয়ে। তেওঁ কয় যে মুখ্যমন্ত্ৰী হিচাপে দায়িত্ব লওঁতে ৰাইজে পেটেলৰ ওপৰত বিশেষ আগ্ৰহ আৰু আস্থা প্ৰকাশ কৰা নাছিল। কিন্তু এবছৰৰ ভিতৰতে তেওঁ এখন সফল আৰু দক্ষ নেতা হিচাপে প্ৰতিপন্ন কৰিছে। আনকি নীতি আয়োগে শেহতীয়াকৈ সু-প্ৰশাসনৰ ক্ষেত্ৰত দেশৰ ভিতৰতে গুজৰাটৰ স্থান প্ৰথম বুলি অভিহিত কৰিছে। ৰাইজে শিক্ষা, স্বাস্থ্য বা অন্যান্য ক্ষেত্ৰত এই চৰকাৰৰ পৰা আশা কৰি আছে। নৰেন্দ্ৰ মোদীয়ে মুখ্যমন্ত্ৰীৰ দায়িত্ব লোৱাৰ দিনৰে পৰা গুজৰাটত ধাৰাবাহিকভাৱে উন্নয়ন হৈ আছে। বিজেপিৰ শাসনত আইন-শৃংখলা সম্পূৰ্ণ নিয়ন্ত্ৰিত হৈ আছে। কিন্তু কংগ্ৰেছৰ শাসনত নিতৌ সংঘৰ্ষ, কাৰ্ফিউ, গুলীচালনা, বোমা বিস্ফোৰণ আদি ঘটনা সংঘটিত হৈছিল। যাৰ বাবে ৰাজ্যখনৰ উন্নয়ন স্থৱিৰ হৈ পৰিছিল। আনহাতে এদিনৰ পূৰ্বে গুজৰাটত বেদান্তা গোটৰ জৰিয়তে ৰূপায়ন কৰিব লগা এটা প্ৰকল্পৰ কাৰণে ১.৪৫ লাখ কোটি টকা বিনিয়োগ কৰিবলৈ সিদ্ধান্ত লোৱা বুলি প্ৰকাশ পাইছে। গতিকে গুজৰাটত বিজেপি দলৰ শাসনত ৰাইজে উন্নয়নৰ সোৱাদ লাভ কৰিছে আৰু ইয়াৰ বাবে পুনৰ বিজেপিয়ে ভোট লাভ কৰি ক্ষমতা দখল কৰিবলৈ সক্ষম হ'ব বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰীয়ে দাবী কৰিছে।

# অৰবিন্দ কেজৰিৱাল বিজ্ঞাপন পাৰ্টী ঃ কংগ্ৰেছ



**নতুন দিল্লী, ১৩ ছেপ্টেম্বৰ ঃ** আম আদমী পাৰ্টী আৰু দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালক কংগ্ৰেছ দলে কঠোৰ ভাষাৰে সমালোচনা কৰিছে। ৰাজধানী নতুন দিল্লীত সংবাদ মেলৰ জৰিয়তে কংগ্ৰেছে কয় যে পাঞ্জাৱ চৰকাৰৰ গুণ-গৰিমা গাবলৈ গুজৰাটত বিগত দুমাহত ৩৬ কোটি টকাৰ বিজ্ঞাপন আৰু প্ৰচাৰৰ কাৰণে ব্যয় কৰিছে। গতিকে অৰবিন্দ কেজৰিৱাল এগৰাকী বিজ্ঞাপন নেতা আৰু আম আদমী পাৰ্টীৰ নতুন নাম অৰবিন্দ এডভাটাইজমেণ্ট পাৰ্টী অৰ্থাৎ আপ বুলি অভিহিত কৰিছে। সংবাদ মেলৰ জৰিয়তে কংগ্ৰেছৰ মুখ্য কাৰ্যালয়ত অজয় কুমাৰে কয় যে আপৰ তিনিটা নাম ৰাইজে বিচাৰি উলিয়াইছে। ইয়াৰে অন্য দুটা হ'ল অৰবিন্দ এক্টৰ পাৰ্টী, অৰবিন্দ আশিস পাৰ্টী আদি। উল্লেখ্য যে ২০১৫ চনত আম আদমীয়ে বিজ্ঞাপনৰ বাবে ৮১ কোটি টকা ব্যয় কৰিছিল। ২০১৭-১৮ বৰ্ষত ১১৭ কোটি, ২০১৯ বৰ্ষত ২০০ কোটি আৰু ২০২১-২২ বৰ্ষত ৪৯০ কোটি টকাৰ বিজ্ঞাপন দিছে। অথচ ১৫ বছৰ ধৰি দিল্লীৰ মুখ্যমন্ত্ৰী হৈ থকা শীলা দিক্ষিতে ১১ কোটি টকাৰ বিজ্ঞাপন প্ৰদান কৰিছিল। যি সময়ত পাঞ্জাৱ চৰকাৰে কৰ্মচাৰীৰ দৰমহা আদায় দিব পৰা নাই, সেই সময়ত টিভি চেনেলৰ মালিকসকল সুখী হৈছে। বিশেষকৈ গুজৰাটৰ সংবাদ মাধ্যমৰ কাৰণে অৰবিন্দ কেজৰিৱাল আদৰণীয় ব্যক্তি। কিয়নো যোৱা দুমাহত ৩৬ কোটি টকাৰ বিজ্ঞাপন প্ৰচাৰ কৰিছে। আনহাতে দিল্লীত আম আদমী পাৰ্টী চৰকাৰে ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক ঋণৰ বাবে কৰা প্ৰচাৰ কাৰ্যত ১৯ কোটি টকা ব্যয় কৰিছিল। কিন্তু চৰকাৰে কেৱল দুজন ছাত্ৰকহে ঋণ প্ৰদান কৰিছিল। ইফালে কেজৰিৱালৰ শৈক্ষিক কাৰ্যসূচী যদিহে সফল হৈছে তেনেহ'লে দিল্লীত ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ সংখ্যা কিয় বৃদ্ধি পাইছে বুলি কংগ্ৰেছ নেতাজনে প্ৰশ্ন কৰিছে। আনহাতে পৰীক্ষাত শীলা দিক্ষিতৰ আমোলাত ৯০ শতাংশ উত্তীৰ্ণ হৈছিল যদিও দিল্লীত এই পৰিমাণ ৮১ শতাংশলৈ অৱনমিত হ'ল। আম আদমীয়ে চৰকাৰ গঠন কৰাৰ পিছৰে পৰা পঞ্জাৱত দুই লাখ শিক্ষাৰ্থীয়ে বিদ্যালয় এৰিব লগা হৈছে বুলি কংগ্ৰেছ নেতা অভিহিত কৰিছে। আম আদমীৰ চৰকাৰে পূৰ্বৰ শীলা দিক্ষিতে আৰম্ভ কৰি যোৱা প্ৰকল্পসমূহ কেৱল উদ্বোধন কৰি বাঃ বাঃ লৈছে। দিল্লীত আবকাৰী নিৰ্দেশ সলনি কৰি চৰকাৰে কেলেংকাৰীত লিপ্ত হৈছে। ৩৫০ টকীয়া একোটা সুৰাৰ বটলৰ পৰা চৰকাৰে ২২৩ টকা কৰ হিচাপে লাভ কৰিছিল। কেজৰিৱাল চৰকাৰে ১.৯ টকাহে লাভ কৰে। অৰ্থাৎ গোটেই ধনৰাশি ব্যৱসায়ীৰ জেপলৈ প্ৰেৰণ কৰিছে। এনেকৈয়ে দিল্লীৰ পিছত পঞ্জাৱতো আম আদমীয়ে বিজ্ঞাপনৰ মায়াজালেৰে সাধাৰণ ৰাইজক বিভ্ৰান্ত কৰি আহিছে। এতিয়া গুজৰাটত বিজ্ঞাপন কেজৰিৱালে দিনে-ৰাতিয়ে প্ৰচাৰ কাৰ্যত ব্যস্ত হৈ পৰিছে, যাতে বিজ্ঞাপনৰ বজাৰখন নিজৰ হাতলৈ আনিব পাৰে। ফলত আম আদমী পাৰ্টী মানেই এতিয়া বিজ্ঞাপনদাতা পাৰ্টী হিচাপে গুজৰাটত বিভিন্নজনে অভিহিত কৰি আহিছে।

## আম আদমীয়ে গুজৰাটত প্ৰচাৰৰ নামত ৩৬ কোটি কৰিলে ব্যয়



গুৰুগ্ৰামত অৱস্থিত লীলা হোটেলত বোমা সংস্থাপন কৰা বুলি এটা ফোন কল অহাৰ লগে লগে দিনৰ ১১.৩০ বজাত বোমা নিষ্ক্ৰিয় কৰা বিশেষজ্ঞ আৰু ডগ স্কোৱাডৰ জৰিয়তে তালাচী চলোৱা হয়, হোটেলখনৰ পৰা আবাসী আৰু গ্ৰাহকসকলক উলিয়াই পঠিওৱা হয় তালাচীৰ সময়ত

গুজৰাটত কেজৰিৱালৰ অভিযোগক লৈ চাঞ্চল্য

# পিছ দুৱাৰেদি ছোনিয়া গান্ধীক প্ৰধানমন্ত্ৰী পাতিব খুজিছে বিজেপিয়ে

**আহমদাবাদ, ১৩ ছেপ্টেম্বৰ ঃ** আগন্তুক বিধানসভাৰ নিৰ্বাচন উপলক্ষে গুজৰাটত আম আদমী পাৰ্টীয়ে ব্যাপক প্ৰচাৰ কাৰ্য অব্যাহত ৰাখিছে। মঙলবাৰে মুখ্যমন্ত্ৰী তথা আম আদমীৰ মুৰব্বী অৰবিন্দ কেজৰিৱালে কয় যে গেৰুৱা দলটোৱে এদিনা মোদীৰ উত্তৰাধিকাৰী হিচাপে ছোনিয়া গান্ধীক প্ৰক্ষেপ কৰিছে। কিয়নো আগন্তুক লোকসভা নিৰ্বাচনত বিজেপিৰ প্ৰতি ৰাইজৰ আস্থা আৰু বিশ্বাস হ্ৰাস পোৱাটো অনুভৱ কৰিছে দলটোৱে। গতিকে কংগ্ৰেছৰ চকীখন এৰি দি নিজে নিষ্কণ্টক হ'ব খুজিছে। অৰবিন্দ কেজৰিৱালৰ এই অভিযোগে খলকনি তুলিছে। উল্লেখ্য যে কিছুদিনৰ পূৰ্বে বিজেপিয়ে অভিযোগ কৰিছিল যে নৰ্মদা বচাওঁ আন্দোলনৰ নেত্ৰী তথা সমাজকৰ্মী মেধা পাটকাৰক আম আদমীয়ে গুজৰাটৰ মুখ্যমন্ত্ৰী হিচাপে প্ৰক্ষেপ কৰিব। মেধা পাটকাৰৰ আন্দোলনৰ ফলত গুজৰাটৰ বহু অঞ্চলৰ ৰাইজে খোৱা পানীৰ পৰা বঞ্চিত হৈ আছিল। বিজেপিৰ এই অভিযোগৰ প্ৰত্যুত্তৰ হিচাপে আহমেদাবাদত কেজৰিৱালেৰ কয় যে এনেবোৰ তথ্য বিজেপিয়েহে ঘোষণা কৰিছে। এই কথাটো হ'বগৈ ছোনিয়া গান্ধীক মোদীৰ স্থানত অধিষ্ঠিত কৰিব খোজা বিষয়ৰ দৰে। অৰ্থাৎ বিজেপিয়ে যেনেদৰে ছোনিয়া গান্ধীক প্ৰধানমন্ত্ৰী পদত নিবিচাৰে, তেনেকৈয়ে মেধা পাটেকাৰকো আম আদমীয়ে মুখ্যমন্ত্ৰীৰ আসনত বিচৰা নাই। আনহাতে গুজৰাটত দুৰ্নীতিমুক্ত প্ৰশাসনৰ প্ৰতিশ্ৰুতি দিয়া হৈছে। চলিত বৰ্ষৰ শেষৰফালে ৰাজ্যখনত বিধানসভাৰ নিৰ্বাচন অনুষ্ঠিত হ'ব। গতিকে বিভিন্ন ৰাজনৈতিক দলে প্ৰচাৰ কাৰ্য অব্যাহত ৰাখিছে ৰাইজৰ মনোযোগ আকৰ্ষণৰ বাবে। এই দলবোৰে আনকি দুৰ্নীতিমুক্ত প্ৰশাসন গঢ়ি তোলাৰ প্ৰতিশ্ৰুতি দিয়া হৈছে। দুৰ্নীতিকাৰীয়ে কঠোৰ শাস্তি লাভ কৰিব কোৱা হৈছে।




এখোজ আগুৱাই গৈ কেজৰিৱালে কয় যে ৰাইজৰ পৰা সংগৃহীত প্ৰতিটো কৰ-কাটলৰ পইচা গুজৰাটৰ উন্নয়নৰ বাবে ব্যয় কৰা হ'ব। গুজৰাটত দুৰ্নীতিমুক্ত প্ৰশাসন চলোৱা হ'ব। গতিকে তেওঁৰ চৰকাৰ যদিহে প্ৰতিষ্ঠিত হয়, তেনেহ'লে গুজৰাটৰ ৰাইজে এপইচাও উৎকোচ নিদিয়াকৈ চৰকাৰী সুবিধা লাভ কৰিব। ৩০০ ইউনিটলৈকে বিনামূলীয়া বিদ্যুৎ, মহিলা আৰু নিবনুৱাৰ বাবে মাহেকীয়া ভাট্টা, স্বাস্থ্য আৰু শিক্ষা খণ্ড বিনামূলীয়াকৈ গঢ়ি তোলা হ'ব বুলি কেজৰিৱালে আহমেদাবাদত প্ৰতিশ্ৰুতি প্ৰদান কৰিছে।

## কলকাতাত আৰক্ষীৰ বাহনত অগ্নিসংযোগ

**কলকাতা, ১৩ ছেপ্টেম্বৰ ঃ** পশ্চিমবংগৰ ৰাজধানী কলতাকাৰ বুড়া বজাৰ অঞ্চলত মঙলবাৰে বিয়লি আৰক্ষীৰ বাহনত অগ্নিসংযোগ কৰে। এই ঘটনাত স্থানীয় বিজেপি কৰ্মী জড়িত থকাৰ অভিযোগ উঠিছে। ৰাজ্যখনত শাসকীয় তৃণমূল কংগ্ৰেছৰ বিৰুদ্ধে বিজেপিয়ে দিনজোৰা কাৰ্যসূচীৰে বিভিন্ন স্থানত প্ৰতিবাদ অব্যাহত ৰাখিছে। আৰক্ষীয়ে পাটাগড় ৰে'ল ষ্টেচনৰ পৰা বিজেপিৰ চাৰি কৰ্মীক গ্ৰেপ্তাৰ কৰিছে। ইফালে তৃণমূল কংগ্ৰেছৰ চৰকাৰে ৰাজ্যখনত বিজেপিৰ বিৰুদ্ধে আক্ৰমণাত্মক স্থিতি গ্ৰহণ কৰি আৰক্ষীৰ দ্বাৰা নিৰ্যাতন আৰু আক্ৰমণ চলোৱাৰ অভিযোগ উঠিছে।





উত্তৰ প্ৰদেশত বিঘ্নিত মহিলাৰ নিৰাপত্তা

# ধৰ্ষণ কৰি জীৱন্তে জ্বলাই দিয়া হৈছিল দলিত কন্যাক

**লক্ষ্ণৌ, ১৩ ছেপ্টেম্বৰ ঃ** মহিলাৰ সুৰক্ষাৰ বাবে গৌৰৱ কৰা যোগী চৰকাৰৰ সকলো দাবী অসাৰ প্ৰমাণিত হৈছে। নিৰন্তৰ ধৰ্ষণৰ ঘটনাৰ বাবে উত্তৰ প্ৰদেশৰ আইন-শৃংখলা পৰিস্থিতিৰ ওপৰতো প্ৰশ্ন উত্থাপিত হৈছে। উত্তৰ প্ৰদেশৰ পিলিভিটত ২৪ ঘণ্টাৰ ব্যৱধানত দুটা দলবদ্ধ ধৰ্ষণৰ ঘটনাই আৰক্ষী বিভাগত তীব্ৰ আলোড়নৰ সৃষ্টি কৰিছে।প্ৰথম ঘটনাত এগৰাকী ১৬ বছৰীয়া দলিত ছোৱালীক তাইৰ ঘৰত দলবদ্ধ ধৰ্ষণ কৰি শৰীৰত ডিজেল ঢালি জুই লগাই দিয়া হৈছিল। ছোৱালীজনীক জ্বলি যোৱা আঘাতৰ সৈতে চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে। দলবদ্ধ ধৰ্ষণকে ধৰি বিভিন্ন ধাৰাৰ অধীনত দুজন লোকৰ বিৰুদ্ধে গোচৰ ৰুজু কৰা হৈছে আৰু অভিযুক্তক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। দণ্ডাধীশে ছোৱালীজনীৰ ভাষ্যও লিপিবদ্ধ কৰিছে।দ্বিতীয় ঘটনাটোত গাওঁখনৰ দুজন যুৱকে দ্বাদশ শ্ৰেণীৰ ছাত্ৰীগৰাকীক নিশা তাইৰ ঘৰৰ পৰা উঠাই লৈ গৈ কুঁহিয়াৰ খেতিৰ মাজত ধৰ্ষণ কৰে। প্ৰথমটো ঘটনাৰ ভুক্তভোগীৰ পিতৃয়ে ১০ ছেপ্টেম্বৰত মাধোতান্দা আৰক্ষীক জনায় যে তেওঁৰ গাঁৱৰ দুজন প্ৰভাৱশালী যুৱক ৰাজবীৰ আৰু তাৰাচান্দে ঘৰত প্ৰৱেশ কৰি তেওঁৰ কন্যাক ধৰ্ষণ কৰিছিল আৰু তাইৰ শৰীৰত ডিজেল ছটিয়াই ছিল জুই লগাই দিয়ে। ভুক্তভোগী ছোৱালীজনীৰ অৱস্থা বৰ্তমান সংকটজনক।আৰক্ষী অধীক্ষকগৰাকীয়ে জানিবলৈ দিয়ে যে খবৰ লাভ কৰাৰ পিছত তেওঁ লগে লগে কিশোৰীজনীৰ গাওঁত উপস্থিত হৈ নিজেই বিষয়টো অনুসন্ধান কৰিছে। তেওঁৰ আত্মীয়সকলৰ অভিযোগৰ ভিত্তিত আৰক্ষীয়ে ৰাজবীৰ আৰু তাৰাচান্দৰ বিৰুদ্ধে ধৰ্ষণ, হত্যাৰ চেষ্টা আৰু ভাবুকিৰ গোচৰ ৰুজু কৰিছে আৰু অভিযুক্ত দুজনক গ্ৰেপ্তাৰ কৰিছে।দ্বিতীয়টো ঘটনাত এগৰাকী নাবালিকা দ্বাদশ শ্ৰেণীৰ দলিত ছাত্ৰীক দলবদ্ধ ধৰ্ষণ কৰা হৈছিল। এই ক্ষেত্ৰত নিৰ্যাতিতা ছোৱালীগৰাকীয়ে অভিযোগ কৰে যে গাওঁখনৰ দুজন যুৱকে তাইক নিশা তাইৰ ঘৰৰ পৰা উঠাই লৈ গৈছিল আৰু তাইক দলবদ্ধ ভাৱে ধৰ্ষণ কৰিছিল। ভুক্তভোগীগৰাকীৰ মাতৃয়ে জীয়েকক ৰাতিপুৱা ঘৰত বিচাৰি নাপাই যেতিয়া অনুসন্ধান চলায়, তেতিয়া তাইক কুঁহিয়াৰ খেতি পথাৰত অচেতন হৈ পৰি থকা অৱস্থাত পায়।পৰিয়ালৰ লোকে তেতিয়া তেওঁক তুলি লৈ ঘৰলৈ লৈ আনে। নিৰ্যাতিতাগৰাকীয়ে গোটেই ঘটনাটো তাইৰ পিতৃ-মাতৃৰ আগত বৰ্ণনা কৰাৰ পিছত আৰক্ষীৰ ওচৰত এটা অভিযোগ দাখিল কৰা হয়।আৰক্ষী অধীক্ষক দিনেশ পি-য়ে কয় যে যদিও মূল অভিযুক্তজনৰ সহযোগীক জিম্মাত লোৱা হৈছে আৰু আনজন অভিযুক্তক গ্ৰেপ্তাৰ কৰিবলৈ আৰক্ষীৰ এটা দল গঠন কৰা হৈছে। তেওঁকো সোনকালেই গ্ৰেপ্তাৰ কৰা হ'ব

ভয়াৱহতা শেষ হোৱা নাই ক'ভিড সংক্ৰমণৰ

## প্ৰতি ৪৪ ছেকেণ্ডত মৃত্যু ঘটিছে ১জন লোকৰ



**নতুন দিল্লী, ১৩ ছেপ্টেম্বৰ ঃ** যোৱা কেইমাহমানৰ পৰা এটা ধাৰণাই ক্ৰিয়া কৰিছে যে কৰোনা এতিয়া নিয়ন্ত্ৰণত আছে। কিন্তু বিশ্ব স্বাস্থ্য সংস্থাৰ সতৰ্কবাণীত তেনে আত্মসন্তুষ্টিৰ কোনো স্থান নাই। কোভিড-১৯ সংক্ৰমণৰ ফলত সমগ্ৰ বিশ্বত প্ৰতি ৪৪ ছেকেণ্ডত এতিয়াও এজন লোকৰ মৃত্যু ঘটিছে। বিশ্ব স্বাস্থ্য সংস্থাৰ মুৰব্বী টেড্ৰোছ অধানম ঘেব্ৰেয়েচাছে এই সতৰ্কবাণী শুনাইছে।অৱশ্যে, তেওঁ মাংকিপ'ৰ ক্ষেত্ৰত তেওঁ আশাৰ বাৰ্তা দিছে। তেওঁ দাবী কৰে আতংকৰ সমাপ্তি ঘটা বুলি কোৱাৰ সময় অহা নাই যদিও ইউৰোপত আক্ৰান্তৰ সংখ্যা হ্ৰাস পাইছে। কিন্তু কৰোনাই এতিয়াও আতংক বিয়পাই আছে। তেওঁ মনত পেলাই দিয়ে যে কৰোনাভাইৰাছ এতিয়াও শেষ হৈ যোৱা নাই।শেহতীয়াকৈ টেড্ৰোছে সাংবাদিকক কয় যে বিশ্বত কৰোনাত আক্ৰান্ত আৰু মৃত্যুৰ সংখ্যা হ্ৰাস পাইছে, যিটো এটা ইতিবাচক কথা। কিন্তু পৰিস্থিতি এতিয়াও সম্পূৰ্ণৰূপে ঠিক হোৱা নাই। এইটো নিশ্চিতভাৱে ক'ব নোৱাৰি যে অনাগত দিনবোৰত পৰিস্থিতিৰ পুনৰ অৱনতি নঘটিব। বৰঞ্চ তেওঁ কয় যে পৰিস্থিতিটো ঠিক হৈছে বুলি ভবাটোহে আটাইতকৈ ক্ষতিকাৰক।বিশ্ব স্বাস্থ্য সংস্থাৰ মতে, প্ৰতি সপ্তাহৰ কোভিড প্ৰতিবেদনৰ ক্ষেত্ৰত এইটো ক'ব পাৰি যে সংক্ৰমণ যথেষ্ট হ্ৰাস পাইছে। এই বছৰৰ ফেব্ৰুৱাৰী মাহত যি পৰিসংখ্যা আছিল তাৰ তুলনাত সংক্ৰমণ কমেও ৮০ শতাংশ হ্ৰাস পাইছে। কিন্তু যোৱা সপ্তাহৰ পৰিসংখ্যা অনুসৰি প্ৰতি ৪৪ ছেকেণ্ডত কৰোনাত এজন লোকৰ মৃত্যু হয়।অৱশ্যে তেওঁ আশ্বস্ত কৰি কয় যে যদি এই সকলোবোৰ মৃত্যু বিচাৰিলে এৰাই চলিব পাৰি। মাস্ক সম্পূৰ্ণৰূপে বাদ দিয়াৰ সময় এতিয়াও অহা নাই।কৰোনা পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ প্ৰতিখন দেশৰ চৰকাৰে প্ৰকৃততে কি কৰিব লাগিব সেই বিষয়ে শীঘ্ৰেই বিশ্ব স্বাস্থ্য সংস্থাই এক নিৰ্দেশনা জাৰি কৰিব। একে সময়তে নিয়মীয়া পৰীক্ষা, টিকাকৰণৰ দৰে বিষয়বোৰৰ প্ৰতি অতিৰিক্ত মনোযোগ দিয়া উচিত। মাস্ক অবিহনে ৰাস্তালৈ ওলাই যোৱা বন্ধ কৰিব লাগিব। মাস্ক ত্যাগ কৰাৰ সময় এতিয়াও অহা নাই

## কাৰামুক্ত নহ'ল সাংবাদিক ছিদ্দিকী কাপ্পান

**লক্ষ্ণৌ, ১৩ ছেপ্টেম্বৰ ঃ** উত্তৰ প্ৰদেশৰ হাঠৰাজ জিলাত হোৱা ধৰ্ষণ আৰু দলিত যুৱতী হত্যাকাণ্ডৰ সংবাদ সংগ্ৰহ কৰিবলৈ যোৱা কেৰালাৰ সাংবাদিক ছিদ্দিকী কাপ্পান এতিয়াও লক্ষ্ণৌৰ কাৰাগাৰতে আছে। সোমবাৰে এখন স্থানীয় আদালতে কাপ্পানৰ মুক্তিৰ বাবে কৰ্তৃপক্ষলৈ পত্ৰ প্ৰেৰণ কৰিছিল। কিয়নো উচ্চতম ন্যায়ালয়ে কাৰাৰুদ্ধ সাংবাদিকজনৰ জামিন মঞ্জুৰ কৰিছে। কিন্তু ৰাজ্য চৰকাৰে অন্য এটা গোচৰত কাপ্পানক কাৰাৰুদ্ধ কৰি ৰাখিছে। এনফ'ৰ্চমেণ্ট বিভাগে ৰুজু কৰা এটা গোচৰ এতিয়াও বিচাৰাধীন হৈ আছে। গতিকে উক্ত গোচৰৰ মীমাংসা নোহোৱাৰ বাবে ২০২০ চনৰ অক্টোবৰ মাহত উত্তৰ প্ৰদেশৰ হাঠৰাজ জিলাত গ্ৰেপ্তাৰ বৰণ কৰা সাংবাদিকজনক মুকলি আকাশৰ তললৈ এৰি দিব পৰা নাই। ইতিমধ্যে কাৰাৰুদ্ধ সাংবদিকজনৰ মুক্তিৰ বাবে দেশৰ সাংবাদিক সমাজে বহুবাৰ চৰকাৰৰ ওচৰত আবেদন জনাই আহিছে।

# জ্ঞানৱাপী গোচৰত অঞ্জুমানে ইন্তেজামিয়া সমিতিৰ আবেদন খাৰিজ




**বাৰাণসী, ১৩ ছেপ্টেম্বৰ ঃ** বাৰাণসী জিলা আদালতে জ্ঞানৱাপী শৃংগাৰ গৌৰী গোচৰৰ শুনানি গ্ৰহণৰ বাবে সন্মতি দিছে। জ্ঞানৱাপী মছজিদত 'এটা শিৱলিঙ্গ আছে বুলি দাবী কৰি' তাত পূজা কৰাৰ অনুমতি বিচাৰি বাৰাণসী আদালতত এটা গোচৰ ৰুজু কৰা হৈছিল। হিন্দু পক্ষৰ সেই দাবী নাকচ কৰি ওলোটাই গোচৰ দাখিলৰ আবেদন জনোৱা হৈছিল আৰু সেই গোচৰ উচ্চতম ন্যায়ালয় পাইছিল।পিছত গোচৰটো উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশত বাৰাণসী আদালতলৈ ঘূৰাই পঠোৱা হয়। সোমবাৰে বাৰাণসী সত্ৰ আদালতত ন্যায়াধীশ এ কে বিশ্বেসৰ একক বিচাৰপীঠে কয় যে গোচৰটো হিন্দু পক্ষৰ আবেদনৰ ওপৰত আগবাঢ়িব। ন্যায়াধীশে মুছলমান পক্ষৰ ইন্তেজামিয়া সমিতিৰ আবেদন খাৰিজ কৰে।হিন্দু পক্ষৰ হৈ উপস্থিত থকা অধিবক্তা বিষ্ণু শংকৰ জৈনে কয় যে গোচৰটোৰ পৰৱৰ্তী শুনানি ২২ ছেপ্টেম্বৰত অনুষ্ঠিত হ'ব। যোৱা ২০ মে'ত বাৰাণসী জিলা আদালতৰ ন্যায়াধীশে গোচৰটোৰ জৰুৰী শুনানি আৰম্ভ কৰিছিল।উল্লেখ্য যে পাঁচগৰাকী মহিলাই জ্ঞানৱাপী মছজিদক হিন্দু মন্দিৰ হিচাপে উপাসনা কৰাৰ অনুমতি বিচাৰি বাৰাণসী আদালতত আবেদন কৰিছিল। আদালতে তেতিয়া আৱেদনৰ উত্তৰত এটা জৰীপৰ নিৰ্দেশ দিছিল। বিতৰ্ক স্বত্বেও জৰীপটো সম্পূৰ্ণ হৈছিল। ১৪ ৰ পৰা ১৬ মে'লৈ চলি থকা জৰীপৰ ওপৰত ভিত্তি কৰি ১২ পৃষ্ঠাৰ প্ৰতিবেদনখন প্ৰস্তুত কৰা হৈছিল।ইপিনে, মুছলমান পক্ষই দাবী কৰে যে উপাসনা স্থান সুৰক্ষা আইন, ১৯৯১ ৰ অধীনত গোচৰটো ভিত্তিহীন। অৱশ্যে হিন্দু পক্ষৰ দাবী কৰে যে ১৯৪৭ চনৰ পিছতো ইয়াত উপাসনা কৰা হৈছিল। প্ৰমাণ হিচাপে ১২ জন সাক্ষীক আদালতত হাজিৰ কৰোৱা হৈছিল।এই সন্দৰ্ভত আদালতে কয় যে জ্ঞানৱাপী মছজিদৰ চৌহদত উপাসনাৰ দাবী কৰা গোচৰটোৰ শুনানি গ্ৰহণ কৰা হ'ব। ইপিনে, অঞ্জুমানে ইন্তেজামিয়া সমিতিয়ে কয় যে তেওঁলোকে বাৰাণসী আদালতৰ ৰায়ৰ বিৰুদ্ধে এলাহাবাদ উচ্চ ন্যায়ালয়ত আবেদন কৰিব।

# উত্তৰ প্ৰদেশত ম'বাইলৰ ফ্লাছ লাইটৰ পোহৰত চিকিৎসা চলালে চিকিৎসকে

**লক্ষ্ণৌ, ১৩ ছেপ্টেম্বৰ ঃ** দেশৰ ভিতৰতে শ্ৰেষ্ঠ আৰু কৰ্মদক্ষ মুখ্যমন্ত্ৰী হিচাপে প্ৰচাৰিত হোৱা যোগী আদিত্যনাথৰ বিকশিত উত্তৰ প্ৰদেশৰ এক বিশেষ ছবিয়ে এতিয়া উন্মোচিত কৰিছে ৰাজ্যখনৰ বিকাশৰ আঁৰৰ আন এক দৃশ্য। সম্প্ৰতি সংবাদ মাধ্যমৰ লগতে সামাজিক মাধ্যমতো ভাইৰেল হৈ পৰিছে এই দৃশ্য।শাসকীয়ে বিজেপিৰ নেতা-কৰ্মীসকলে অভিনৱ প্ৰচাৰেৰে যোগী আদিত্যনাথৰ দক্ষতাৰ যি প্ৰতিচ্ছবি জনসাধাৰণৰ আগত দাঙি ধৰিছিল, এই বিশেষ ছবিখনে এতিয়া এই দক্ষতাৰ ওপৰত তীক্ষ্ণ প্ৰশ্ন উত্থাপন কৰিছে।ৰাজ্যখনৰ বালিয়া জিলা চিকিৎসালয়ৰ



চিকিৎসকসকলে বিদ্যুৎ কৰ্তনৰ ফলত উপায়বিহীন হৈ মোবাইল টৰ্চৰ পোহৰেৰেই ৰোগীৰ চিকিৎসা কৰিব লগা পৰিস্থিতিৰ সৃষ্টি হৈছে। প্ৰতিবেদন অনুসৰি, বালিয়া জিলাত বৰষুণৰ বাবে চিকিৎসালয়খনত বিদ্যুৎ কৰ্তন কৰা হয়। কোনো জৰুৰীকালীন বৈদ্যুতিক সেৱা বা পোহৰৰ ব্যৱস্থা উপলব্ধ নথকাৰ বাবে চিকিৎসকসকলে টৰ্চৰ পোহৰৰ তলত ৰোগীৰ চিকিৎসা কৰিবলগীয়া হয়।অৱশ্যে বালিয়া জিলা চিকিৎসালয়ৰ দায়িত্বত থকা মুৰব্বী ডাঃ আৰ ডি ৰামে চিকিৎসকসকলে মাত্ৰ ১৫-২০ মিনিটৰ বাবেহে বিদ্যুৎ কৰ্তনৰ সন্মুখীন হ'বলগীয়া হয় বুলি দাবী কৰে।তেওঁৰ ভাষ্য অনুসৰি বেটাৰিবোৰ পৃথকে ৰখাৰ বাবে চিকিৎসালয়ৰ জেনেৰেটৰ অন কৰিবলৈ তেওঁলোকক কিছু সময় লাগিছিল। সেয়ে কিছু সময়ৰ বাবে চিকিৎসালয়খনত বিদ্যুৎ সেৱা নাছিল।তেওঁ লগতে পূৰ্বে চিকিৎসালয়খনত কেইবাবাৰো চুৰি কাণ্ড সংঘটিত হোৱাৰ বাবে বেটাৰিসমূহ এনেদৰে পৃথকে ৰখা হয় বুলি দাবী কৰে। পিছে বিষয়াগৰাকীৰ এই দাবীৰ পাছতো জিলা চিকিৎসালয়খনৰ এই ব্যৱস্থাক লৈ প্ৰশ্ন উত্থাপন হৈছে। ৰাজ্য চৰকাৰে এতিয়াও অৱশ্যে ঘটনাটোৰ ওপৰত কোনো মন্তব্য প্ৰকাশ কৰাৰ পৰা বিৰত আছে।



## সংস্কৃত পণ্ডিত উমাকান্ত দেৱশৰ্মা শাস্ত্ৰীৰ বিয়োগত বিভিন্ন দল-সংগঠনৰ শোক

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৩ ছেপ্টেম্বৰ ঃ** ৰাষ্ট্ৰীয় তথা আন্তৰাষ্ট্ৰিক খ্যাতিসম্পন্ন বিশিষ্ট সংস্কৃত পণ্ডিত, কৃষ্ণকান্ত সন্দিকৈ চৰকাৰী সংস্কৃত মহাবিদ্যালয়ৰ ন্যায় দৰ্শনৰ অৱসৰপ্ৰাপ্ত অধ্যাপক, সংস্কৃত মহাসভাৰ প্ৰাক্তন সভাপতি, সদৌ অসম ব্ৰাহ্মণ সমাজৰ প্ৰাক্তন সভাপতি উমাকান্ত দেৱশৰ্মা শাস্ত্ৰীৰ বিয়োগত ভিন-ভিন দল-সংগঠনে গভীৰ শোক প্ৰকাশ কৰে। তেওঁৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰি বহুভাষিক সাহিত্য মঞ্চ, অসম চমুকৈ 'বহুবাক'ৰ প্ৰধান সম্পাদক দীপক শৰ্মাই এক বিজ্ঞপ্তিত কয়, 'সংস্কৃত সাহিত্যত উমাকান্ত দেৱশৰ্মাৰ জ্ঞান সাগৰৰ দৰে বিশাল। অসম বাগৰি দেশৰ পৰা গৈ ভিন ভিন দেশত সংস্কৃত সাহিত্য-দৰ্শনত শৰ্মাৰ অৱদান প্ৰকাশিত হৈছিল। বেদ-বেদান্তৰ পৰা বৌদ্ধিক দিশত অনেক প্ৰতিভাৰে বিৰাজিত হৈছিল।' উমাকান্ত দেৱশৰ্মা শাস্ত্ৰীৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজৰ প্ৰাক্তন উপাধ্যক্ষ 'পদ্মশ্ৰী'প্ৰাপক ড° সূৰ্য হাজৰিকা, সদৌ অসম সাংবাদিক সন্থা (আজু)ৰ উপদেষ্টা মনোৰঞ্জন ভট্টাচাৰ্য, বিষ্ণুপ্ৰিয়া মণিপুৰী সাহিত্য পৰিষদৰ সভাপতি দিলস লক্ষ্মীন্দ্ৰ সিংহ, উত্তৰ-পূব ভাৰত হৰিদেৱ সংঘৰ সভাপতি কুলৰঞ্জন ভূএগ, প্ৰধান সম্পাদক শৈলেন তালুকদাৰ, অসম সাহিত্য সভাৰ প্ৰাক্তন সহঃ সম্পাদক কমল কলিতা, তিৱা সাহিত্য সভাৰ উপ-সভাপতি শৰৎ চন্দ্ৰ পাটৰ আমচি, বামুণীমৈদাম শ্ৰীমন্ত শংকৰদেৱৰ সমাজ কীৰ্তনঘৰৰ সভাপতি অৱনী ৰঞ্জন পাঠক, মানুহ আৰু পৰিৱেশ, অসমৰ সভাপতি কমল চন্দ্ৰ মেধি, গুৱাহাটী জিলা বড়ো সাহিত্য সভাৰ সম্পাদক গোলাপ বড়ো, পছৰীয়া ৰাম সৰস্বতী সাহিত্য সমাজৰ সম্পাদক প্ৰদীপ নাৰায়ণ ভট্টাচাৰ্য, দক্ষিণ কামৰূপ সচেতন মঞ্চৰ অধ্যক্ষ মদন দাস, বিশিষ্ট গীতিকাৰ-কবি শচীন দাস, পৰাগজ্যোতি প্ৰকাশন আদি দল-সংগঠনে। প্ৰতি সংগঠনে তেওঁৰ বিদেহী আত্মাৰ চিৰশান্তি কামনা কৰাৰ লগতে শোকাকুল পৰিয়াললৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

## কামৰূপ জিলা উন্নয়ন সমিতিৰ বৈঠক

**দৈনন্দিন বাৰ্তাৰ সেৱা, আমিনগাঁও, ১৩ ছেপ্টেম্বৰ ঃ** কামৰূপ জিলাৰ জিলা উন্নয়ন সমিতিৰ এখন বৈঠক আজি সংহত উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত জিলা উন্নয়ন আয়ুক্ত নৰসিং বে'ৰ অধ্যক্ষতাত অনুষ্ঠিত হয়। জিলাখনৰ বিভিন্ন গুৰুত্বপূৰ্ণ বিভাগৰ মুৰব্বী বিষয়াসকলৰ উপস্থিতিত অনুষ্ঠিত উক্ত বৈঠকত বিভিন্ন বিভাগৰ দ্বাৰা ৰূপায়ণ হৈ থকা আঁচনিসমূহৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰাৰ লগতে বিভিন্ন বিভাগৰ ৰূপায়ণকাৰী বিষয়াসকলে ইয়াৰ খতিয়ান দাঙি ধৰে। বৈঠকত আঁচনি ৰূপায়ণৰ ক্ষেত্ৰত আন্তঃবিভাগৰ মাজত থকা বিভিন্ন বিষয়সমূহো খৰচি মাৰি আলোচনা কৰাৰ উপৰি ইয়াৰ সমাধানৰ বিষয়েও আলোচনা কৰা হয়। বৈঠকত হিতাধিকাৰী সম্বন্ধীয় আঁচনিসমূহৰ ক্ষেত্ৰত হিতধিকাৰীৰ আধাৰ নম্বৰ সংযোজিত কৰা, জনস্বাস্থ্য কাৰিকৰী, পৰ্যটন, জলসম্পদ, এপিডিচিএল, শিক্ষাৰ আন্তঃগাথঁনিমূলক প্ৰকল্প, লোকনিৰ্মাণ (পথ) ইত্যাদি বিভাগসমূহৰ কাম-কাজৰ পৰ্যালোচনা কৰাৰ উপৰি লোকনিৰ্মাণ বিভাগৰ উত্তৰ কামৰূপ ক্ষেত্ৰীয় পথ সংমণ্ডল, জালুকবাৰী আৰু হাজো ক্ষেত্ৰীয় পথ সংমণ্ডল, দক্ষিণ কামৰূপ ক্ষেত্ৰীয় পথ সংমণ্ডলৰ দ্বাৰা ৰূপায়ণ কৰা প্ৰধান মন্ত্ৰী গ্ৰাম চড়ক যোজনা, আৰআই ডিএফ, ৰাজ্যিক স্ব-অগ্ৰাধিকাৰ পুঁজিৰ আঁচনি, চিগনেচাৰ প্ৰকল্প, অসম দৰ্শনৰ অধীনৰ বিভিন্ন পথ, প্ৰকল্প ইত্যাদিৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰা হয়। উক্ত বৈঠকতে বিভাগীয় মুৰব্বী বিষয়াসকলক ৰাজহুৱা ওজৰ-আপত্তিৰ বিষয়ে জিলা উপায়ুক্তৰ কাৰ্যালয়ৰ পৰা প্ৰতিবেদন বিচাৰিলে তাৎক্ষণিকভাৱে ইয়াৰ উত্তৰ দিবলৈ অনুৰোধ জনোৱা হয়, যাতে এইসমূহৰ ক্ষিপ্ৰ নিৰাময়ৰ ব্যৱস্থা কৰিব পৰা যায়। আজিৰ বৈঠকত কামৰূপ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া পৰাগ কুমাৰ কাকতি, সহকাৰী আয়ুক্ত কৌস্তভ ৰায়ৰ লগতে বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াসকলে অংশগ্ৰহণ কৰে।

# টুপামাৰীত শোচনীয় পথে জলাকলা খুৱাইছে অঞ্চলবাসীক

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগৰবেৰা, ১৩ ছেপ্টেম্বৰ ঃ** শেহতীয়াকৈ বকো সমষ্টিৰ অন্তৰ্গত বৃহত্তৰ টুপামাৰী অঞ্চলৰ একাংশ বিধ্বস্ত ৰাজপথে বিধায়িকা নন্দিতা দাসৰ উন্নয়ন ফটা ঢোল বজাইছে। ছমৰীয়া উন্নয়ন খণ্ডৰ অন্তৰ্গত ৪৫নং টুপামাৰী গাঁও পঞ্চায়তৰ এলেকাধীন (২নং ৱাৰ্ড) ২নং টুপামাৰীৰ পৰা টুপামাৰী বজাৰলৈ যোৱা মূল পথছোৱাৰ কদৰ্যতাই অঞ্চলবাসী ৰাইজে নানক যন্ত্ৰণাত ভূগিবলগীয়া হৈছে। উক্ত পথছোৱাৰে চাইকেল, মটৰ দুৰবেকৈ কথা, সাধাৰণ পথচাৰী এজনে খোজকাঢ়ি যাব নোৱাৰা অৱস্থা হৈ পৰিছে। সামান্য কিনকিনীয়া বৰষুণ পৰিলেই পথছোৱাত একাঁঠু পানী হৈ পৰে, পথ নে পুখুৰী ধৰিবই নোৱাৰি। উক্ত পথছোৱাৰে নিতৌ স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰীৰ লগতে অঞ্চলটোৰ ৰাইজে মৰণক শৰণ দি বিপদসংকুল যাতায়ত কৰিবলগীয়া হৈছে। অঞ্চলটোৰ সচেতন ৰাইজে বাৰম্বাৰ আবেদন-নিবেদন কৰাৰ পিছতো কাণসাৰ নাই চৰকাৰ-প্ৰশাসন তথা অঞ্চলটোৰ প্ৰতিনিধি কিম্বা বিধায়িকা নন্দিতা দাসৰ। নিৰ্বাচনৰ সময়ত কেৱল ভোট বিচাৰি আহি ৰাস্তা-ঘাট নিৰ্মাণ কৰিব বুলি ভাষণৰ ফুলজাৰিৰে প্ৰতিশ্ৰুতি দিছিল পঞ্চায়ত প্ৰতিনিধি আৰু বিধায়িকা নন্দিতা দাসে। পিছে প্ৰতিশ্ৰুতি প্ৰতিশ্ৰুতিয়েই হৈ থাকিল। ভোট যোৱাৰ পিছত ৰাইজৰ কোনো খবৰে লোৱা নাই বুলি গুৰুতৰ অভিযোগ উত্থাপন কৰিছে অঞ্চলটোৰ সচেতন ৰাইজে। শীঘ্ৰে বৃহত্তৰ টুপামাৰী অঞ্চলৰ বিধ্বস্ত বাট-পথবোৰৰ নিৰ্মাণ নকৰিলে আগন্তুক নিৰ্বাচনৰ সময়ত কংগ্ৰেছ দলৰ নেতা-পালিনেতাৰ লগতে বিধায়িকা নন্দিতা দাসক ৪৫নং টুপামাৰী গাঁও পঞ্চায়তত প্ৰৱেশ নিষিদ্ধ কৰিব বুলি ভোটাৰ ৰাইজে হুংকাৰ প্ৰদান কৰিছে। চৰকাৰ তথা জনপ্ৰতিনিধিক উক্ত পথছোৱা শীঘ্ৰে নিৰ্মাণ কৰি ৰাইজৰ যাতায়াতৰ বাবে সুচল কৰি দিয়াৰ দাবী জনাইছে অঞ্চলবাসীয়ে।

# কালাইৰদিয়াত অৱসৰপ্ৰাপ্ত হিন্দী শিক্ষয়িত্ৰীক বিদায় সম্বৰ্ধনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগৰবেৰা, ১৩ ছেপ্টেম্বৰ ঃ** বৰপেটা জিলাৰ বাঘবৰ মন্দিয়া শিক্ষক খণ্ডৰ অন্তৰ্গত কালাইৰদিয়া- মাজবড়ৰ এম ই মাদ্ৰাছাৰ হিন্দী শিক্ষয়িত্ৰী ছুবুৰা খাতুনে চলিত বৰ্ষৰ ১ আগষ্টত চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰাৰ বাবে বিপুলভাৱে কালি সম্বৰ্ধনা জনোৱা হয়। উল্লেখ্য যে ১৯৮৬ চনত ছুবুৰা খাতুনে হিন্দী শিক্ষয়িত্ৰী হিচাপে বিদ্যালয়খনত যোগদান কৰি নিষ্ঠা আৰু সততাৰে নিজৰ দায়িত্ব আৰু কৰ্তব্য পালন কৰি আহিছিল। বিগত ২৭টা বছৰ বিনা বেতনে শিক্ষক হিচাপে নিজৰ কৰ্তব্য পালন কৰাৰ পিছত ১৯১৩ চনত বিদ্যালয়খন প্ৰাদেশীকৰণ হয়। মাত্ৰ ৯ বছৰ বিদ্যালয়খনত চৰকাৰীভাৱে চাকৰি কৰি শিক্ষয়িত্ৰী ছুবুৰা খাতুনে চলিত বৰ্ষৰ ১ আগষ্টত চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰে। শিক্ষয়িত্ৰীগৰাকীয়ে চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰাৰ পাছত তেওঁক বিদায় দিয়াৰ উদ্দেশ্যে বিদ্যালয়খনত এক সম্বৰ্ধনা সভাৰ আয়োজন কৰা হয়। উল্লিখিত বিদ্যালয়ৰ প্ৰধান শিক্ষক আবুল কালাম আজাদৰ পৌৰোহিত্যত অনুষ্ঠিত উক্ত সভাত চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰা হিন্দী শিক্ষয়িত্ৰী ছুবুৰা খাতুনক বিদ্যালয়খনৰ ফালৰ পৰা মান- পত্ৰ, শৰাই, ছাতি আৰু ফুলাম গামোচাৰে সম্বৰ্ধনা জনায়। ইয়াৰ উপৰিও অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰীগৰাকীক ছাত্ৰ-ছাত্ৰীসকলে কলম



আৰু ফুলাম গামোচাৰে সম্বৰ্ধনা জনায়। সুদীৰ্ঘ ৩৭টা বছৰ উল্লিখিত বিদ্যালয়ত নিজৰ কৰ্তব্য আৰু দায়িত্ব নিষ্ঠাৰে পালন কৰি বিদায় ল'বলগীয়া হোৱা সভাখনত ছাত্ৰ-ছাত্ৰীৰ সমুখত উচপি উঠে বিদায়ী শিক্ষয়িত্ৰীগৰাকীয়ে। সম্বৰ্ধনা জনোৱাৰ সময়ত ভাষণযোগে শিক্ষয়িত্ৰী ছুবুৰা খাতুনে আৱেগিক হৈ পৰে। এক শোকাকুল পৰিৱেশৰ মাজত ছাত্ৰ-ছাত্ৰীৰ লগতে বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰীসকলে অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰীগৰাকীক বিদায় সম্ভাষণ জনোৱা পৰিলক্ষিত হয়। সভাত যথেষ্টসংখ্যক ছাত্ৰ-ছাত্ৰীৰ লগতে অভিভাৱক তথা পৰিচালনা সমিতিৰ সদস্য আৰু শিক্ষয়িত্ৰীসকল উপস্থিত থাকে।

## গোৱা চুটি চলচ্চিত্ৰ মহোৎসৱলৈ বিক্ৰমজিত দাসৰ 'মাদাৰ্ছ ডে'

**দৈনন্দিন বাৰ্তা, ৰূপহীহাট, ১৩ ছেপ্টেম্বৰ ঃ** বিক্ৰমজিত দাসৰ কাহিনী আৰু পৰিচালনাৰে নিৰ্মিত অসমীয়া চুটি ছবি 'মাদাৰ্ছ ডে' ৯ম গোৱা চুটি ছবি মহোৎসৱলৈ নিৰ্বাচিত হৈছে। মাক আৰু জীয়েকৰ সম্বন্ধৰ ওপৰত নিৰ্মিত চুটি ছবিখনত অভিনয় কৰিছে সুজিতা ডেকা, নন্দিতা ৰাজখোৱা আৰু পদুমী ডেকাই। চুটি ছবিখন ইতিমধ্যে ৰান আৰ্থ ২০২২ (বাংগালোৰ), ৰিভাৰবেংক চৰ্ট ফিল্ম এণ্ড মিউজিক ফেষ্টিভেল ২০২২ (গুৱাহাটী), লিফ্‌ট অফ গ্লবৈল ফিল্ম ফেষ্টিভেল ২০২১, চিনেমেকি ইণ্টাৰনেশ্যনেল ফিল্ম ফেষ্টিভেল ২০২২ (ঢাকা, বাংলাদেশ) আদিত নিৰ্বাচিত আৰু প্ৰদৰ্শিত হৈছে। পৰিচালক বিক্ৰমজিত দাসৰ আহিবলগীয়া নতুন অসমীয়া কথাছবি 'গোলমাল'ৰ কামত ব্যস্ত হৈ আছে বুলি জানিব পৰা গৈছে।

# মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ বিশ্ববিদ্যালয় তিনিদিনীয়া প্ৰাকৃতিক চিকিৎসা সম্পৰ্কীয় কৰ্মশালা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৩ ছেপ্টেম্বৰ ঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ বিশ্ববিদ্যালয়ৰ গুৱাহাটী ইউনিটস্থিত যোগ বিজ্ঞান আৰু প্ৰাকৃতিক চিকিৎসা বিভাগৰ উদ্যোগত তথা ভাৰতীয় যোগ সংস্কৃতি আৰু যোগ চিকিৎসা কেন্দ্ৰ, গুৱাহাটীৰ সহযোগত যোৱা ১০ ছেপ্টেম্বৰৰ পৰা ১২ ছেপ্টেম্বৰলৈ হোৱা প্ৰাকৃতিক চিকিৎসা সম্পৰ্কীয় কৰ্মশালা কালি সফলতাৰে সামৰণি পৰে। বিশ্ববিদ্যালয়খনৰ যোগ বিজ্ঞান আৰু প্ৰাকৃতিক চিকিৎসা বিভাগৰ মুৰব্বী ড° উজ্জ্বল অৰুণ মাস্কেই জনোৱা মতে, অসমৰ ভিন্ন প্ৰান্তৰ মুঠ ৯৮গৰাকী অংশগ্ৰহণকাৰীয়ে কৰ্মশালাত অংশগ্ৰহণ কৰে। তিনিদিনীয়াকৈ অনুষ্ঠিত এই কৰ্মশালাৰ আলোচনা-সত্ৰসমূহত ড° ডনিৰুং ৰিয়াং, বৰষা মাস্কে আৰু ড° টেৰিনা থাংজামে বিষয় বিশেষজ্ঞ হিচাপে অংশ লয়, য'ত তেওঁলোকে আলোচনা আৰু প্ৰায়োগিক দিশতো অধিৱেশন অনুষ্ঠিত কৰে। এই কৰ্মশালাত হাইড্ৰ'থেৰাপী, মাড-থেৰাপি, হেলিঅ' থেৰাপী, এয়াৰ থেৰাপী, ইথাৰ থেৰাপী আদিৰ ওপৰত বক্তৃতানুষ্ঠান আৰু ব্যৱহাৰিক অধিৱেশন অন্তৰ্ভুক্ত আছিল। উল্লেখ্য, যোৱা ১০ ছেপ্টেম্বৰত কৰ্মশালাখন উদ্বোধন কৰি বিশ্ববিদ্যালয়খনৰ পঞ্জীয়ক অধ্যাপক মৃণাল কুমাৰ বৰাই প্ৰাকৃতিক চিকিৎসাৰ গুৰুত্বৰ সম্পৰ্কে ব্যাখ্যা দাঙি ধৰাৰ লগতে বিভাগটোৱে গ্ৰহণ কৰা পদক্ষেপৰ শলাগ লয়। উদ্বোধনী অনুষ্ঠানত যোগাচাৰ্য শুভাশিস কৰ আৰু বিশ্ববিদ্যালয়খনৰ উপ-পঞ্জীয়ক(প্ৰশাসনিক) ড° শেখৰকান্তি সৰকাৰেও উপস্থিত থাকি যোগ তথা প্ৰাকৃতিক চিকিৎসা সম্পৰ্কত ভাষণ প্ৰদান কৰে। সামৰণী অনুষ্ঠানত বিহেভিয়াৰ কমিউনিকেচন কনছালটেণ্ট, নেচনেল হেল্‌থ মিছন, অসমৰ শিখা বৰঠাকুৰ মুখ্য অতিথি হিচাপে উপস্থিত থাকে।

## ৰঙাপাৰাত মাটিৰ খাজনা হাৰ হ্ৰাস কৰিবলৈ বিধায়কলৈ পত্ৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰঙাপৰা, ১৩ ছেপ্টেম্বৰ ঃ** বৰ্তমান চৰকাৰে মাটিৰ খাজনাৰ হাৰ যথেষ্ট বৃদ্ধি কৰিছে যদিও জনসাধাৰণে মাটিৰ খাজনা পাৰ্য্যমানে আদায় কৰি আহিছে। চাৰিদুৱাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত বালিপৰা মৌজাৰ খাজনা চৰকাৰী নিৰ্দেশনা অনুসৰি জনসাধাৰণে বেছিকৈ দিব লগা হোৱা বুলি ৰঙাপৰাৰ নাগৰিক সমাজে স্বাক্ষৰিত দাবীসম্বলিত এখন পত্ৰ বিধায়কৰ হাতত অলপতে অৰ্পণ কৰে। পত্ৰখনত উল্লেখ কৰে যে কম মাটি থকা ব্যক্তি আৰু বেছি মাটি থকা গৰাকীয়ে একে পৰিমাণৰ খাজনা নিৰিখত মাটিৰ খাজনা দিব লগা হৈছে। উল্লেখ্য যে চলিত বৰ্ষৰ ২৫ মে'ত মুখ্যমন্ত্ৰীগৰাকীক ৰঙাপৰা নাগৰিক সমাজৰ তৰফৰ পৰা এই সন্দৰ্ভত এখন স্বাক্ষৰিত পত্ৰ প্ৰেৰণ কৰিছে। বিধায়কগৰাকী এই ক্ষেত্ৰত ৰাইজৰ এই সমস্যাৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰৰ সৈতে আলোচনাত মিলিত হয়।



# শিক্ষাবিদ-সাহিত্যিক ড° গনেশ্বৰ চহৰীয়ালৈ ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ 'নিদানুৰাম ৰাজবংশী সোঁৱৰণী শিক্ষা বঁটা' প্ৰদান

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৩ ছেপ্টেম্বৰ ঃ** অসমৰ এজন বিশিষ্ট শিক্ষাবিদ-সাহিত্যিক, হেকেৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ, বকো কনিষ্ঠ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক সচিব তথা ভাৰপ্ৰাপ্ত অধ্যক্ষ (অবৈতনিক), সোণতলী আঞ্চলিক মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি, জিলা আৰু ৰাজ্যিক কৃতী শিক্ষক বঁটা বিজয়ী ড° গনেশ্বৰ চহৰীয়াক ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদে 'নিদানুৰাম ৰাজবংশী সোঁৱৰণী শিক্ষা বঁটা' প্ৰদান কৰে। অলপতে বঁটাটি প্ৰদান কৰে ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভাই। দেশৰ সাক্ষৰতা অভিযান, কিতাপ পঢ়া আন্দোলন, পুথিভঁৰাল আন্দোলন জ্ঞান বিজ্ঞান সমিতিৰ খণ্ডৰ পৰা ৰাজ্যিকলৈ আদি অনেক কাৰ্যসূচীত ড° গনেশ্বৰ চহৰীয়া নিৰলসভাৱে জড়িত। অসম সাহিত্য সভা, অসম বিজ্ঞান সমিতি, অসম শিশু সাহিত্য সমাজ আদিৰ স'তেও নিবিড়ভাৱে জড়িত। ড° গনেশ্বৰ চহৰীয়াৰ দৰে এজন গুণী ব্যক্তিয়ে এই সন্মান লাভ কৰাত তেওঁলৈ অভিনন্দন জনাইছে বহুভাষিক সাহিত্য মঞ্চ, অসমৰ প্ৰধান সম্পাদক দীপক শৰ্মা, অসম সাহিত্য সভাৰ প্ৰাক্তন সহঃ সম্পাদক কমল কলিতা, গুৱাহাটী জিলা বড়ো সাহিত্য সভাৰ সম্পাদক গোলাপ বড়ো, পছৰীয়া ৰাম সৰস্বতী সাহিত্য সমাজৰ সম্পাদক প্ৰদীপ নাৰায়ণ ভট্টাচাৰ্য, দক্ষিণ কামৰূপ সচেতন মঞ্চৰ অধ্যক্ষ মদন দাস, পৰাগজ্যোতি প্ৰকাশন আদি দল-সংগঠনে।

# আঠগাঁও ঠাকুৰীয়াপাৰাবাসী ৰাইজৰ উদ্যোগত শ্ৰীশ্ৰীবিশ্বকৰ্মা পূজা

**দৈনন্দিন বাৰ্তাৰ সেৱা, কমলপুৰ, ১৩ ছেপ্টেম্বৰ ঃ** কামৰূপ জিলাৰ কমলপুৰ সমষ্টিৰ অন্তৰ্গত আঠগাঁও ঠাকুৰীয়াপাৰাবাসী ৰাইজৰ উদ্যোগত বিগত বছৰবোৰৰ দৰে এইবেলিও সপ্তম বাৰ্ষিক শ্ৰীশ্ৰী বিশ্বকৰ্মা পূজাৰ আয়োজন কৰিছে। অহা ১৭ ছেপ্টেম্বৰত ঠাকুৰীয়াপাৰা গোপাল মন্দিৰ প্ৰাংগণত অনুষ্ঠিত হ'বলগীয়া পূজাৰ পুৱা ৭ বজাত প্ৰতিমা স্থাপনেৰে কাৰ্যসূচীৰ আৰম্ভণি কৰিব। পুৱা ৭.৩০ বজাত নৈবেদ্য আৰু পূজা আৰম্ভ। পৰৱৰ্তী ৮ বজাত অনুষ্ঠিত হ'বলগীয়া ধৰ্মধ্বজা উত্তোলন কাৰ্যসূচী ৰূপায়ণ কৰিব ধীৰেশ্বৰ দাসে। পুৱা ৮.৩০ বজাত অনুষ্ঠিত হ'বলগীয়া বৃক্ষৰোপণ কাৰ্যসূচীত ৰোপক হিচাপে উপস্থিত থাকিব ক্ৰমে— ধনেশ্বৰ দাস, শৰৎ চন্দ্ৰ দাস, কেশৱ চন্দ্ৰ দাস আৰু সুভাষ ঠাকুৰীয়া। পুৱা ৯ বজাৰ পৰা পাঠক কৰুণাকান্ত ঠাকুৰীয়াই কৰিব শাস্ত্ৰপাঠ। দুপৰীয়া ১২ বজাত পুষ্পাঞ্জলি প্ৰদান কৰাৰ পাছতে ১২.৩০ বজাত প্ৰসাদ বিতৰণ কাৰ্যসূচী আৰম্ভ হ'ব। দুপৰীয়া ১ বজাত ভোগ বিতৰণ। সন্ধিয়া ৬ বজাত অনুষ্ঠিত হ'বলগীয়া বন্তি প্ৰজ্বলন কাৰ্যসূচীত প্ৰজ্বলক হিচাপে উপস্থিত থাকিব হিতৰাম দাস, বেণুধৰ দাস আৰু ভূপালজ্যোতি দাস। সন্ধিয়া ৭ বজাত অনুষ্ঠিত হ'বলগীয়া নাগাৰা নাম প্ৰদৰ্শন কাৰ্যসূচীত পাঠক হিচাপে উপস্থিত থাকিব জনপ্ৰিয় নাগাৰা নামৰ পাঠক ৰামচৰণ ভড়ালী আৰু তৰুণ কাকতি। কাৰ্যসূচী উদ্বোধন কৰিব সুৰেন্দ্ৰ মোহন দাসে।

# ৩০সংখ্যক ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৰোহৰ প্ৰকল্প প্ৰস্তুতৰ কৰ্মশালা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৩ ছেপ্টেম্বৰ ঃ** ৩০সংখ্যক ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৰোহৰ বাবে যোৰহাট জিলাৰ ১০-১৭ বছৰৰ শিশুসকলৰ পৰা প্ৰকল্প আহ্বান কৰা হৈছে। চলিত বৰ্ষৰ সমাৰোহৰ মূল বিষয় হৈছে সুস্বাস্থ্য আৰু সৰ্বাংগীণ কুশলতাৰ বাবে পৰিস্থিতিতন্ত্ৰক বুজোঁ আহা। উপ-বিষয়সমূহ হৈছে (১) পৰিস্থিতিতন্ত্ৰক জানো আহা (২) স্বাস্থ্য, পুষ্টি আৰু কল্যাণ (৩) পৰিস্থিতিতন্ত্ৰ আৰু স্বাস্থ্যৰ বাবে সামাজিক-সাংস্কৃতিক কাৰ্যাৱলী (৪) আত্মনিৰ্ভৰশীলতাৰ বাবে পৰিস্থিতিতন্ত্ৰভিত্তিক ব্যৱস্থা (৫) পৰিস্থিতিতন্ত্ৰ আৰু স্বাস্থ্যৰ বাবে প্ৰযুক্তিগত উদ্ভাৱন। অক্টোবৰত হ'বলগীয়া জিলা পৰ্যায়ৰ সমাৰোহৰ আগতে প্ৰকল্প প্ৰস্তুত কৰি জিলা সমন্বয়কৰ হাতত জমা দিব লাগিব। সবিশেষ জানিবৰ বাবে ধীৰেন্দ্ৰ কুমাৰ গগৈ, জিলা সমন্বয়ক(৭০০২৩০৩৯৭৬) আৰু জিলা শৈক্ষিক সমন্বয়ক হেমেন কুমাৰ শইকীয়াৰ লগত (৭৮৯৬৬৩০১০৮) যোগাযোগ কৰিবলৈ আহ্বান জনাইছে। শিশু বিজ্ঞানীৰ সুবিধাৰ্থে ১৩ ছেপ্টেম্বৰত বাহনা উচ্চ মাধ্যমিক বালক বিদ্যালয়, ১৫ ছেপ্টেম্বৰত মেলেং উচ্চ মাধ্যমিক বিদ্যালয়ত, ১৯ ছেপ্টেম্বৰত বামুণপুখুৰী উচ্চ মাধ্যমিক বিদ্যালয়ত প্ৰকল্প প্ৰস্তুত কৰ্মশালা অনুষ্ঠিত হ'ব। কাষৰীয়া বিদ্যালয়ৰ ইচ্ছুক ছাত্ৰ-ছাত্ৰীসকলে কৰ্মশালাত অংশ গ্ৰহণ কৰিব পাৰিব।

## নামৰূপ সাৰ কাৰাখানা বিক্ৰীৰ বিৰোধিতা আম আদমী পাৰ্টীৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৩ ছেপ্টেম্বৰ ঃ** অসমৰ কৃষিজীৱী ৰাইজৰ একমাত্ৰ ভৰসাৰ থল নামৰূপ সাৰ কাৰখানাটো পুনৰুজ্জীৱিত কৰাৰ পৰিৱৰ্তে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে পুঁজিপতি গোষ্ঠীক গতোৱাৰ সিদ্ধান্তত তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে আম আদমী পাৰ্টীয়ে। নামৰূপ সাৰ কাৰখানা প্ৰথম আৰু দ্বিতীয় গোটটো ইতিমধ্যে বন্ধ হৈ যোৱাত আওপুৰণি তৃতীয় গোটটোৱে সাৰ উৎপাদন কৰি দীৰ্ঘদিনে কৃষকৰ চাহিদা পূৰণ কৰি আহিছে। প্ৰাকৃতিক গেছ ব্যৱহাৰ কৰি সাৰ প্ৰস্তুত কৰা ভাৰতৰ প্ৰথমটো উদ্যোগ তথা অসমৰ একমাত্ৰ সাৰ কাৰখানা ব্যক্তিগত খণ্ডক বিক্ৰী কৰিব বিচৰা কাৰ্যক কোনো কাৰণতে মানি নোলোৱাৰ হুংকাৰ প্ৰদান কৰিছে দলটোৱে। সবকা সাথ সবকা বিকাশৰ শ্ল'গান আওৰোৱা বিজেপি চৰকাৰখনৰ দৰদ পুঁজিপতিসকলৰ প্ৰতিহে বাঢ়িছে বুলি উল্লেখ কৰি এক প্ৰেছ বিজ্ঞপ্তিযোগে আপৰ ৰাজ্যিক সমন্বয়ক ডাঃ ভবেন চৌধুৰীয়ে পুঁজিপতিৰ লগত মিতিৰালি কৰি চৰকাৰৰ এই চক্ৰান্তমূলক সিদ্ধান্ত বাতিল কৰিবলৈ দাবী জনাইছে। উত্তৰ-পূবৰ অন্যতম ৰাজহুৱা খণ্ডৰ সাৰ উদ্যোগ প্ৰতিষ্ঠান জীয়াই ৰাখিবলৈ প্ৰায় দুটা দশক ধৰি সংগ্ৰাম কৰি আহিছে কাৰখানাটোৰ শ্ৰমিক-কৰ্মচাৰী তথা জনসাধাৰণে।

# প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ সভা সম্পন্ন

## কৃষকসকলক বীমা পলিচি প্ৰদান

**দৈনন্দিন বাৰ্তাৰ সেৱা, উত্তৰ ধেমাজি, ১৩ ছেপ্টেম্বৰ ঃ** মৰিধল গাঁও পঞ্চায়ত কাৰ্যালয়ৰ সভাগৃহত ধেমাজিৰ অতিৰিক্ত উপায়ুক্ত মিৰজানা হুছেইনৰ উপস্থিতিত প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ সভা সম্পন্ন কৰা হয়। এগ্ৰিকালচাৰ ইণ্ডুৰেঞ্চ কোম্পানী অৱ ইণ্ডিয়া লিমিটেডৰ উদ্যোগত আৰু ধেমাজি কৃষি বিভাগৰ সহযোগত প্ৰধানমন্ত্ৰী ফচল বীমা যোজনা ২০২২ বৰ্ষৰ খাৰিফ শস্যৰ বতৰত যিসকল কৃষকে শালি ধানৰ বীমা কৰিছিল তেওঁলোকৰ বীমা পলিচী চৰকাৰৰ নিৰ্দেশমৰ্মে বীমা কোম্পানীৰ ফালৰ পৰা যোৱা ১ ছেপ্টেম্বৰৰপৰা প্ৰতিখন পঞ্চায়তত ক্ৰমান্বয়ে আৰু ঘৰে ঘৰে বিতৰণৰ ব্যৱস্থা কৰি অহা বুলি জানিব পৰা গৈছে। এই কাৰ্যসূচীৰ লগত সংগতি ৰাখি ধেমাজি জিলাৰ হৈ কেন্দ্ৰীয় ভিত্তিত ধেমাজি উন্নয়ন খণ্ডৰ অন্তৰ্গত মৰিধল গাঁও পঞ্চায়ত কাৰ্যালয়ৰ সভাগৃহত ধেমাজি অতিৰিক্ত উপায়ুক্ত মিৰজানা হুছেইনৰ পৌৰোহিত্যত ফচল বীমা যোজনাৰ এক সভা অনুষ্ঠিত কৰি কৃষকসকলক বীমা পলিচী প্ৰদান কৰা হয়। অনুষ্ঠানত ধেমাজি জিলা কৃষি বিষয়া চিৰঞ্জন শৰ্মা, এগ্ৰিকালচাৰ ইণ্ডুৰেঞ্চ কোম্পানী অৱ ইণ্ডিয়া লিমিটেডৰ টোযেশ টায়েঙে ফচল বীমাযোগে কৃষকসকলে কিদৰে উপকৃত হ'ব পাৰি সকলো কথা উপস্থিত কৃষক ৰাইজক অৱগত কৰে। এই অনুষ্ঠানতেই সাংসদ প্ৰতিনিধি বুবুল দত্ত, মৰিধল গাঁও পঞ্চায়তৰ সভানেত্ৰী অঞ্জুমণি কোঁৱৰ, আঞ্চলিক পঞ্চায়তৰ সদস্যা মায়া সোণোৱাল আৰু জিলা কৃষি বিভাগৰ নডেল বিষয়া সুশীল চুতীয়াকে আদি কৰি বহুকেইগৰাকী গণ্যমান্য ব্যক্তি উপস্থিত থাকে।

# ওদালগুৰি লেখিকা সংস্থাৰ হৰিশিঙাত নতুন শাখা গঠন

**দৈনন্দিন বাৰ্তাৰ সেৱা, পানেৰী, ১৩ ছেপ্টেম্বৰ ঃ** ওদালগুৰি লেখিকা সংস্থাই ১১ ছেপ্টেম্বৰত লেখিকা সংস্থা, অসমৰ সহযোগত হৰিশিঙাত লেখিকা সংস্থাৰ এটি শাখা গঠন কৰে। অসম লেখিকা সংস্থা, অসমৰ পৃষ্ঠপোষক তথা ওদালগুৰি লেখিকা সংস্থাৰ প্ৰাক্তন সভানেত্ৰী প্ৰতিভা চহৰীয়াৰ সভাপতিত্বত অনুষ্ঠিত সভাত হৰিশিঙা শাখাটো গঠন কৰা হয়। এই উপলক্ষে আয়োজিত সভাত কেন্দ্ৰীয় সমিতিৰ কাৰ্যকৰী সভাপতি বৰোদা শইকীয়া উপস্থিত থাকি শাখা গঠনৰ নিয়মাৱলী, শাখাৰ দায়িত্ব আৰু কৰিবলগীয়া কৰ্তব্যৰ বিষয়ত পৰামৰ্শ আগবঢ়াই সভাৰ নিয়মীয়াৱলীৰ লগতে যাৱতীয় নথি-পত্ৰসমূহো হৰিশিঙা শাখাৰ নৱনিৰ্বাচিত সভানেত্ৰী আৰু সম্পাদিকাৰ হাতত অৰ্পণ কৰে। উক্ত সভাত মঙলদৈ শাখাৰ সাংগঠনিক সম্পাদিকা দীপ্তি চহৰীয়া, যুটীয়া সম্পাদিকা মীৰা দত্ত চৌধুৰী, মিনতি হাজৰিকা আৰু ক্ষীৰো বৰুৱা উপস্থিত আছিল। ইয়াৰ উপৰিও মঙলদৈ দীঘীৰপাৰ কমলাকুঁৱৰী শাখাৰ সভানেত্ৰী নীলিমা বৰুৱা চহৰীয়া, সম্পাদিকা দময়ন্তী ডেকা উপস্থিত থাকি বক্তব্য আগবঢ়ায়। ওদালগুৰি লেখিকা সংস্থাৰ প্ৰাক্তন সভানেত্ৰী প্ৰতিভা চহৰীয়াই বক্তব্য ৰখাৰ লগতে উপদেষ্টা মঞ্জু দেৱী তালুকদাৰে শুভেচ্ছামূলক বক্তব্য আগবঢ়ায়। উপদেষ্টা মেঘমালা সূত্ৰধাৰে কবিতা, হিৰণময়ী গোস্বামীয়ে অণু গল্প, দীপিকা দাসে ভক্তিমূলক গীত, ধনমণি ডেকা দত্ত আৰু লচিমা দাসে কবিতা পাঠ কৰে। সভাৰ উদ্দেশ্য ব্যাখ্যাৰ লগতে যাৱতীয় কাম-কাজৰ তদাৰক কৰে ওদালগুৰি লেখিকা সংস্থাৰ সভানেত্ৰী অঞ্জু গোস্বামী কলিতাই। আনহাতে, সভাত ৰৌতাৰ বিশিষ্ট নাগৰিক তথা শিক্ষক দীপক পাঠক, সমাজকৰ্মী গোপাল সূত্ৰধাৰ, হৰিশিঙাৰ অৱসৰী শিক্ষক গুৰুপ্ৰসাদ বায়ন, সমাজকৰ্মী দামোদৰ দাস, আদৰ্শ খেতিয়ক বিষ্ণুৰাম ডেকা, শিক্ষক মন্টু কুমাৰ দাস আৰু লক্ষীকান্ত সাংস্কৃতিক মহাবিদ্যালয় আৰু সমন্বয় কলা কৃষ্টিৰ বিকাশ কেন্দ্ৰৰ সঞ্চালক যতীন্দ্ৰ নাথ কৃষ্ণ দাসে বক্তব্য ৰাখে। সভাত প্ৰতিভা দাসক সভানেত্ৰী, পূৰ্ণিমা দাস বায়নক উপ- সভানেত্ৰী, বনানী ৰায় চৌধুৰীক সম্পাদিকা, ক্ষীৰোদা কলিতাক সহকাৰী সম্পাদিকা, হিমাক্ষী দাসক আলোচনী সম্পাদিকা, লক্ষীমণি বৰুৱাক সহকাৰী আলোচনী সম্পাদিকা, জিন্টি দাসক সাংস্কৃতিক সম্পাদিকা, সৰস্বতী দাসক সহকাৰী সাংস্কৃতিক সম্পাদিকা, পিংকী দাসক ধন ভড়ালী, বিনীতা দাসক প্ৰচাৰ আৰু সাংগঠনিক সম্পাদিকা, বন্দনি দাসক সহকাৰী সাংগঠনিক সম্পাদিকাৰ লগতে ভূমিতা মালী, দেৱযানী ভড়ালী, কবিতা দাস, কল্পনা দাস, অৰ্পণা ওজা আৰু সীমা পাঠকক সদস্যা হিচাপে লৈ ১৭জনীয়া হৰিশিঙা লেখিকা সংস্থা শাখা সমিতিখন গঠন কৰা হয়। শলাগৰ শৰাই আগবঢ়ায় সম্পাদিকা ৰেবিকা দাসে।

# লিডু ৰাষ্ট্ৰীয় কবি সমাৰোহত দেশ-বিদেশৰ কবিৰ কবিতাৰে মুখৰ কয়লাৰাণী লিডু

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাৰ্ঘেৰিটা, ১৩ ছেপ্টেম্বৰ ঃ** দুদিনীয়া কাৰ্যসূচীৰে কয়লাৰ ৰাণী লিডুত আয়োজন কৰা ৰাষ্ট্ৰীয় কবিতাৰ সন্মিলন সোমবাৰে শুভাৰম্ভ কৰা হয়। 'কাব্যধ্বনি' অসমৰ উদ্যোগত আৰু বৰগোলাইস্থিত এছজি হাবৰ সহযোগত পাটকাই পৰ্বতৰ মনোৰম পৰিৱেশত সোমবাৰৰ পৰা অনুষ্ঠিত হৈছে এই কবি সন্মিলন। কবি সন্মিলনত অংশগ্ৰহণ কৰিছে ভাৰতবৰ্ষৰ বিশিষ্ট কবি ড° সুৰেশ পাণ্ডে, প্ৰসন্ন বেহেৰা, নাহিদ আখতাৰ, উৰ্ণা বসু, পানসুৰী সিন্‌হা, চন্দন ভট্টাচাৰ্য, ড° অনিক চেটাৰ্জী, ৰাজৰ্ষী পত্ৰনবিশ, সৰবজিৎ সৰকাৰকে ধৰি কে'বাজনো বিশিষ্ট কবি। লগতে এই



সন্মিলনত অংশগ্ৰহণ কৰিবলৈ বাংলাদেশ আৰু দক্ষিণ কোৰিয়াৰ পৰা তিনি গৰাকী প্ৰখ্যাত কবি আবুমুসা আৰিফ বিল্লা, আক্কাছ আলী, আজিজৰ ৰহমান তাজ আহি লিডুত উপস্থিত হৈছে। ভাৰতবৰ্ষৰ ভিন্ন প্ৰান্তৰ লগতে অসমৰো বহু বিশিষ্ট কবিৰ যোগদানেৰে লিডু হৈ পৰিছে শব্দৰ কাকলিত ডুলি থকা সেউজীয়া শব্দৰ কল্লোল্লিত ধ্বনিৰে মঙ্গলময়। বন্তি প্ৰজ্বলনেৰে কাব্যধ্বনিৰ সভাপতি ড° ৰঞ্জিত দত্তই কাৰ্যসূচীৰ শুভাৰম্ভ কৰাৰ পাছতে বিশিষ্ট কবি নীলিম কুমাৰে কবি সন্মিলনৰ আনুষ্ঠানিক উদ্বোধন কৰি দুটাকৈ হিন্দী ভাষাত কবিতা পাঠ কৰে। কবি আৰু কাব্যধ্বনি মুখপত্ৰখন উন্মোচন কৰে ডিব্ৰুগড়ৰ কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই। তাৰ পাছৰে পৰা দেশী-বিদেশী কবিৰ শব্দধ্বনিৰে মুখৰ হয় ৰাষ্ট্ৰীয় কবি সন্মিলন। আজি অন্তিমদিনৰ কাৰ্যসূচীত কবিতা পাঠ, সন্ধিয়া সাত বজাৰ পৰা কবিতাৰ মেলা আৰু মত বিনিময়ৰ লগতে থাকিব সাংস্কৃতিক নৃত্য-গীতৰ এক বিশেষ অনুষ্ঠান।

## নাজিৰাৰ চাফাজুক হুছেইনৰ মৃত্যুত শোক

**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ১৩ ছেপ্টেম্বৰ ঃ** আজীৱন শিক্ষাৰ পোহৰ বিলোৱা সোণাৰিৰ এগৰাকী অৱসৰপ্ৰাপ্ত অধ্যক্ষ চাফাজুক হুছেইন ওৰফে চুইট ছাৰৰ দুৰ্বিসহ জীৱন গাঁথাৰ বাতৰিয়ে চকু কপালত তুলিছে সচেতন মহলৰ। ২০০৮ চনতে সোণাৰিৰ পদ্ম কুমাৰী বৰুৱা বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা অৱসৰ গ্ৰহণ কৰা এইগৰাকী চুইট ছাৰে উলংঘন হৈ বন্দিত্বৰ জীৱন কটাইছিল নিজ গৃহত। পত্নীৰ মৃত্যুৰ পাছৰে পৰা মানসিক ভাৰসাম্য হেৰুৱাই পেলোৱা চুইট ছাৰৰ একমাত্ৰ কন্যাই পিতৃৰ চিকিৎসাৰ বাবে ব্যৱস্থা গ্ৰহণ নকৰাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। কৰ্মসূত্ৰে আমেৰিকাত থকা কন্যাই বহু বছৰ ধৰি নিজৰ পিতৃক চাবলৈ এবাৰলৈও ঘৰলৈ নহাৰ বিপৰীতে পিতৃৰ বেংক একাউণ্ট নিজৰ নামত হস্তগত কৰাৰ অভিযোগ উত্থাপন হৈছে। সোণাৰি নগৰৰ মাজমজিয়াত বিশাল সম্পত্তি থকা অৱসৰপ্ৰাপ্ত অধ্যক্ষগৰাকীক চাবলৈ এগৰাকী পৰিচাৰিকা নিয়োজিত হৈ আছিল যদিও ঘৰৰ ভিতৰত আবদ্ধ হৈ থাকিবলগীয়া ঘটনাই চকু কপালত তুলিছিল সকলোৰে। এই সমগ্ৰ তথ্য সংবাদ মাধ্যমযোগে প্ৰচাৰিত হোৱাৰ পিছত চুইট ছাৰৰ দায়িত্ব ল'বলৈ আগবাঢ়ি আহিল নাজিৰাৰ হিউমেন ৱেলফেয়াৰ ছ'চাইটী নামৰ স্বেচ্ছাসেৱী অনুষ্ঠানটোৰ সদস্যসকল। মানসিক ৰোগীসকলৰ বিনামূলীয়া চিকিৎসাৰ বাবে কাম কৰি থকা অনুষ্ঠানটোৰ সদস্যসকলে কালি চুইট ছাৰক চিকিৎসাৰ বাবে ডিব্ৰুগড়লৈ লৈ যায়। ডিব্ৰুগড়ৰ চিকিৎসালয়ৰ পৰা নাজিৰাৰ ৱেলফেয়াৰ ছ'চাইটীৰ কৰ্মকৰ্তাই জ্যোতি গৃহলৈ লৈ আনে চুইট ছাৰক। কিন্তু আজি জ্যোতি গৃহত তেখেতৰ স্বাস্থ্যৰ অৱনতি ঘটে আৰু অৱশেষত মৃত্যুমুখত পৰে ।

## কাৰ্বি আংলং জিলা কবি সন্মিলনৰ কাব্য সম্পৰ্কীয় প্ৰতিযোগিতাৰ ফলাফল ঘোষণা

# মণিকা টেৰণপীৰ 'আৰলেং'লৈ অসমীয়া ভাষাৰ 'শ্ৰেষ্ঠ কাব্যগ্ৰন্থ বঁটা'






**দৈনন্দিন বাৰ্তাৰ সংবাদ, ১৩ ছেপ্টেম্বৰ ঃ** কাৰ্বি আংলং জিলা কবি সন্মিলনে ২০২১-২২ বৰ্ষৰ কাৰ্বি আংলং জিলা (অবিভক্ত) ভিত্তিত আয়োজিত কাব্য সম্পৰ্কীয় প্ৰতিযোগিতাৰ ফলাফল আজি ঘোষণা কৰিছে। কাৰ্বি আংলং জিলাৰ (অবিভক্ত) বিভিন্ন জনগোষ্ঠীয় ভাষাৰ কাব্যগ্ৰন্থৰ বাবে ৪০ৰ অনূৰ্দ্ধৰ কবিৰ কাব্য সংকলনৰ বাবে 'শ্ৰেষ্ঠ কাব্যগ্ৰন্থ বঁটা'প্ৰাপকৰ নাম ঘোষণা কৰা মতে, কাৰ্বি ভাষাত ডিফুৰ কবি অন টেৰণৰ 'নাং হিনচাং কেমান', বড়ো ভাষাত বকলীয়াঘাটৰ কবি লংকেশ্বৰ হাইনাৰীৰ 'বাইদি বীৰীন দেংখী', তিৱা ভাষাত ৰজাপথাৰৰ কবি জনাৰ্দন পাটৰৰ 'হালৰ' আৰু অসমীয়া ভাষাত ডিফুৰ কবি মণিকা টেৰণপীৰ প্ৰথম কাব্য সংকলন 'আৰলেং' 'শ্ৰেষ্ঠ কাব্যগ্ৰন্থ বঁটা'ৰ বাবে নিৰ্বাচিত হৈছে। আনহাতে, কাৰ্বি আংলং জিলাৰ (অবিভক্ত)৪০ৰ অনূৰ্দ্ধৰ শ্ৰেষ্ঠ কবিলৈ 'শ্ৰেষ্ঠ কবি বঁটা' আগবঢ়োৱা হয়। এইবাৰ এই বঁটা লাভ কৰিছে— কাৰ্বি ভাষাত ডিফুৰ লংবিৰ তেৰাং, বড়ো ভাষাত লাংহিনৰ দেদেৰে মাইনাও বড়ো, তিৱা ভাষাত ঘিলানী, সাতগাঁও পশ্চিম কাৰ্বি আংলঙৰ সাতগাঁৱৰ ঘিলানীৰ বুদ্ধেশ্বৰ ছাগ্ৰা, আৰু অসমীয়া ভাষাত পশ্চিম কাৰ্বি আংলঙৰ টুম্প্ৰেঙৰ বাপন ক্ৰ'ই। তদুপৰি, কাৰ্বি আংলং জিলা (অবিভক্ত) ভিত্তিত অসমীয়া ভাষাৰ মুকলি স্বৰচিত কবিতা প্ৰতিযোগিতাৰ 'শ্ৰেষ্ঠ কবিতা বঁটা' লাভ কৰিছে প্ৰথম প্ৰজ্ঞাপাৰমিতা বৰুৱা, দ্বিতীয় পৰিমিতা গোস্বামী আৰু তৃতীয় স্থান যুটীয়াকৈ লাভ কৰিছে ডিফুৰ ৰশ্মিৰীয়া গগৈ আৰু টুম্প্ৰেঙৰ নিৰলা ইংহিপীয়ে। ইয়াৰ উপৰি কাৰ্বি আংলং জিলা কবি সন্মিলনৰ 'হিৰজিৰ' কাব্যালোচনীৰ ২০২১-২২ বৰ্ষৰ বাবে শ্ৰেষ্ঠ কবিলৈ আগবঢ়োৱা 'হিৰজিৰ বঁটা' লাভ কৰিছে কাৰ্বি আংলঙৰ ৰজাপথাৰৰ কবি ছাৰ এজাং ৰাজ ৰাজে। উল্লেখ্য, প্ৰতিযোগিতাৰ আজি ঘোষিত বঁটাবোৰ চলিত বৰ্ষৰ ১ অক্টোবৰত বকলীয়াঘাটৰ ৰজাপথাৰত অনুষ্ঠিত হ'ব লগা কাৰ্বি আংলং জিলা কবি সন্মিলনৰ দ্বিতীয় দ্বি-বাৰ্ষিক অধিৱেশনত প্ৰদান কৰা হ'ব বুলি কাৰ্বি আংলং জিলা কবি সন্মিলনৰ সম্পাদক ভৱপ্ৰসাদ দেউৰীয়ে জনাইছে।

# বিদ্যাভাৰতীৰ গণিত-বিজ্ঞান মেলাত ছাত্ৰ-ছাত্ৰীয়ে দেখুৱালে প্ৰতিভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, চাংসাৰি, ১৩ ছেপ্টেম্বৰ ঃ** শংকৰদেৱ বিদ্যা নিকেতন, বিষ্ণুপথ গুৱাহাটীত ক্ষেত্ৰীয় গণিত- বিজ্ঞান মেলাৰ আয়োজন কৰা হৈছে। পূৰ্বোত্তৰ ৰাজ্যত সঞ্চালিত বিদ্যা ভাৰতীৰ বিদ্যালয়ৰ পৰা ৪০০জন ছাত্ৰ-ছাত্ৰীয়ে ক্ষেত্ৰীয় গণিত-বিজ্ঞান মেলাত ভাগ লৈছে। ছাত্ৰ-ছাত্ৰীয়ে পোহৰৰ ৰশ্মিৰ প্ৰয়োগ, ধ্বনি তংৰগৰ গতি, চেঞ্চৰ আৰু উদ্ভাৱনীমূলক প্ৰয়োগৰ ওপৰত বিজ্ঞানৰ মডেল প্ৰস্তুত কৰিছে। ক্ষেত্ৰীয় গণিত-বিজ্ঞান মেলাত ষষ্ঠ শ্ৰেণীৰ পৰা দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীয়ে ভাগ লৈছে। বিজ্ঞান মডেলৰ লোকাৰ্পণ কাৰ্যক্ৰম শংকৰদেৱ এডুকেচনেল আৰু ৰিছাৰ্চ ফাউণ্ডেচনৰ সভাপতি ৰমানন্দ দাসে কৰে। ডাঃ অপূৰ্ব গোস্বামী, তপন চন্দ্ৰ কলিতা, অনিল চন্দ্ৰ শৰ্মা, ৰাধাকৃষ্ণ অধিকাৰী, নাৰায়ণ দাস, ডাঃ অভিনন্দা মহন্ত, ডাঃ মনীষা শৰ্মা, সমীৰণ কলিতা, মৃন্ময় গোস্বামী, ৰক্তিম চৌধুৰী, মুন্মী চৌধুৰীয়ে প্ৰতিযোগিতাত ভাগলোৱা মডেলসমূহৰ নিৰীক্ষণ কৰে। ক্ষেত্ৰীয় বিজ্ঞান প্ৰমুখ তপন শৰ্মা, প্ৰান্তীয় বিজ্ঞান প্ৰমুখ ভাস্কৰ দাসো উপস্থিত থাকে। বিজ্ঞান মডেল প্ৰস্তুত কৰাৰ লগতে বৈদিক গণিতৰো ধুনীয়াকৈ প্ৰদৰ্শন কৰে। ক্ষেত্ৰীয় প্ৰচাৰ প্ৰমুখ বিকাশ শৰ্মাই মিডিয়াক বিজ্ঞান মেলাৰ বিষয়ে সকলোবোৰ জনোৱাৰ লগতে ক্ষেত্ৰীয় গণিত-বিজ্ঞান মেলাত প্ৰথম স্থান পোৱা ছাত্ৰ বা ছাত্ৰীক মধ্যপ্ৰদেশৰ ভূপালত আগন্তুক হ'বলগীয়া অখিল ভাৰতীয় প্ৰতিযোগিতাত ভাগ ল'ব পাৰিব বুলি জানিব দিয়ে। বিদ্যা ভাৰতীৰ দ্বাৰা আয়োজিত বিজ্ঞান মেলাত ছাত্ৰ-ছাত্ৰীক অন্বেষণ আৰু সংশ্লেষণ প্ৰতিভা বিকাশৰ লগতে বৈজ্ঞানিক উদ্ভাৱনীমূলক চিন্তাৰে গণিত-বিজ্ঞান মেলা আয়োজন কৰা হৈছে। বৈদিক গণিত, গণিতৰ বেলেগকৈ শাখা নাই, বৰঞ্চ গণিত হৈছে নিয়মিত বিদ্যা। এনেকুৱা ধৰণৰ গণিত-বিজ্ঞান মেলাৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিভা বিকাশৰ লগেত বিদ্যালয়সমূহ এনেকুৱা ধৰণৰ উদ্ভাৱনীমূলক শিক্ষা ব্যৱস্থা কৰাটো প্ৰয়োজনীয়তা আছে।



# বিশিষ্ট কবি-অধ্যাপিকা ড° প্ৰেমলতা শৰ্মাৰ মৃত্যু

### চিলাপথাৰ-চিচিবৰগাঁৱত শোকৰ ছাঁ



**দৈনন্দিন বাৰ্তাৰ সেৱা, চিলাপথাৰ, ১৩ ছেপ্টেম্বৰ ঃ** ধেমাজিৰ চিলাপথাৰৰ বিশিষ্ট লেখিকা, কবি, অধ্যাপিকা ড° প্ৰেমলতা শৰ্মাৰ আজি পৰলোকপ্ৰাপ্তি ঘটে। জানিব পৰা অনুসৰি, ৰোগত আক্ৰান্ত হৈ ডিব্ৰুগড় মেডিকেল কলেজত চিকিৎসাধীন অৱস্থাত নিশা শেষ নিশ্বাস ত্যাগ কৰে। উল্লেখ্য, ড° প্ৰেমলতা শৰ্মা চিমেন চাপৰি মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহাকাৰী অধ্যাপিকা হিচাপে কৰ্মৰত আছিল। তদুপৰি চিলাপথাৰৰ বহু সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত ওতপ্ৰোতভাৱে জড়িত আছিল প্ৰয়াত অধ্যাপিকাগৰাকী। মহাবিদ্যালয়ত পঢ়ি থকা অৱস্থাতে সহপাঠী আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলক লৈ ৰেঙনি সাহিত্য চ'ৰা প্ৰতিষ্ঠা কৰি চিলাপথাৰৰ সাহিত্য সংস্কৃতিৰ ক্ষেত্ৰখনক সাৰুৱা কৰি ৰাখিছিল। আনহাতে, চিলাপথাৰৰ লগতে চিমেন চাপৰিৰ অঞ্চলটোত সাহিত্য-সংস্কৃতিৰ লগতে সামাজিক ক্ষেত্ৰখনৰ বহু অনুষ্ঠানৰ লগত ওতপ্ৰোতভাৱে জড়িত সৰবৰহী মহিলাগৰাকীৰ মৃত্যুত দুয়োটা অঞ্চলতে শোকৰ ছাঁ পৰে। তেওঁৰ মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে লগে আজি পুৱাৰেপৰা অসংখ্য গুণমুগ্ধ আৰু আত্মীয়- স্বজনে পিতৃগৃহত উপস্থিত হৈ শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। ইয়াৰ পিছত নশ্বৰদেহ চিমেন চাপৰিস্থিত নিজা বাসভৱনলৈ নি তাতো গুণমুগ্ধসকলে শেষ শ্ৰদ্ধা জ্ঞাপন কৰাৰ অন্তত সমাধিস্থ কৰা হয়। সকলোৰে প্ৰিয় হৈ পৰা প্ৰেমলতা শৰ্মাৰ মৃত্যুত চিচিবৰগাঁও মহাবিদ্যালয়কে আদি কৰি বহুকেইখন শিক্ষানুষ্ঠানত শোক সভা অনুষ্ঠিত কৰাৰ লগতে বিভিন্ন দল-সংগঠনকে আদি কৰি অসম কবি সমাজৰ সহকাৰী সম্পাদক ভুবন দাস, চিলাপথাৰ কবি সমাজৰ সভাপতি কুমুদ দত্ত, সম্পাদক মিত্ৰলাল শৰ্মা, গৱেষক-সমাজকৰ্মী ড° উত্তম দাস, প্ৰজ্ঞাজ্যোতি সংগীত মহাবিদ্যালয়ৰ সঞ্চালিকা ৰেণু বৰুৱা, সমাজ সেৱক-জ্যেষ্ঠ নাগৰিক মাণিক শৰ্মা, নাট্যকাৰ-পৰিচালক নৃপেন বৰঠাকুৰ, সাৰথি স্বেচ্ছাসেৱী অনুষ্ঠান মুখ্য সচিব মনোজ দাস, ধেমাজি মহকুমা ছাত্ৰ সন্থাৰ সভাপতি অৰবিন্দ গগৈ, চিলাপথাৰ আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি বিক্ৰমজিৎ গগৈ, সম্পাদক পাপলু গগৈ, ছাত্ৰ নেতা দেৱেন ডেকাৰ লগতে অনেক গুণমুগ্ধই শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়াল বৰ্গলৈ সমবেদনা জ্ঞাপন কৰে।

## গছপুলি ৰোপণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৩ ছেপ্টেম্বৰ ঃ** কাৰ্গিল পথ, দক্ষিণ গাঁও, গুৱাহাটীস্থিত বেচৰকাৰী সংস্থা 'ডেভেল'পমেন্ট অৱ এনভাইৰনমেন্ট এণ্ড পিপল এৱেৰনেছ ছ'চাইটী অৱ আছাম'-এ ধাৰাবাহিকভাৱে গ্ৰহণ কৰি অহা গছপুলি ৰোপণ কাৰ্যসূচীৰ অংশ হিচাপে বিগত ১০ ছেপ্টেম্বৰ শনিবাৰে ফল-মূলকে ধৰি ঔষধি গুণযুক্ত অৰ্ধশতাধিক গছপুলি ৰোপণ কৰে। উল্লেখ্য যে শিক্ষক দিৱসৰ দিনাখন নলবাৰীৰ কৈঠালকুছি উচ্চ মাধ্যমিক বিদ্যালয়ত ত্ৰিশজোপা গছপুলি ৰোপণ আৰু পঞ্চাশজোপা গছপুলি বিতৰণ কাৰ্যসূচীৰ পিছত সংস্থাটোৰ এইটো প্ৰথম কাৰ্যসূচী। দক্ষিণগাঁও -সাউকুছি সংযোগী ভূপেন হাজৰিকা পথটিৰ বশিষ্ঠ নৈৰ পাৰত অনুষ্ঠিত উক্ত অনুষ্ঠানত মুখ্য বৃক্ষ ৰোপক হিচাপে উপস্থিত থাকে গুৱাহাটী পৌৰ নিগমৰ পৌৰপতি মৃগেন শৰণীয়া। আনহাতে, বিশিষ্ট বৃক্ষৰোপক হিচাপে এপিডিচিএলৰ অৱসৰপ্ৰাপ্ত পৰিচালন সঞ্চালক প্ৰদ্যুৎ বুজৰবৰুৱা আৰু অতিথি বৃক্ষৰোপক হিচাপে এপিডিচিএলৰ অৱসৰপ্ৰাপ্ত উপ-মহাপ্ৰবন্ধক কৃষ্ণকমল দেৱগোস্বামী, প্ৰফুল্ল বৰা আৰু স্থানীয় পাৰিষদ বিজু মেধিয়ে অংশ গ্ৰহণ কৰে। মৃগেন শৰণীয়াই তেওঁৰ চমু ভাষণত দিপাছাই গছপুলি ৰুই দুই-তিনি বছৰলৈ পুলিকেইটাৰ প্ৰতিপালনৰ দায়িত্ব গ্ৰহণ কৰা কাৰ্যক ভূয়সী প্ৰশংসা কৰে।

# গৰৈমাৰীত নীটত সফলতা লাভ কৰা ২ শিক্ষাৰ্থীক সম্বৰ্ধনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, সোণতলী, ১৩ ছেপ্টেম্বৰ ঃ** নীট পৰীক্ষাত উত্তীৰ্ণ হৈ বৃহত্তৰ গৰৈমাৰীলৈ গৌৰৱ কঢ়িয়াই অনা মেধাৱী শিক্ষাৰ্থী দুগৰাকীক কালি সম্বৰ্ধনা জনোৱা হয়। জানিব পৰা মতে ছয়গাঁও সমষ্টিৰ অন্তৰ্গত গৰৈমাৰীৰ মহিমাৰী গাঁৱৰ ছাইফুল ইছলামৰ কন্যা উম্মে ৰুমান ইছলামে সৰ্বভাৰতীয় নীটৰ পৰীক্ষাত সৰ্বমুঠ ৫৫৯ নম্বৰ আৰু গৰৈমাৰীৰ আয়নাল হকৰ পুত্ৰ আশ্ৰাফুল হকে মুঠ ৫৫০ নম্বৰ লৈ কৃতিত্বসহকাৰে উত্তীৰ্ণ হ'বলৈ সক্ষম হৈছে। উল্লেখ্য, উম্মে ৰুমান ইছলাম আৰু আশ্ৰাফুল হক গৰৈমাৰীৰ আল-আমিন ইছলামিক মডেল স্কুলৰ পৰা শিক্ষাৰ পাতনি মেলিছিল। নীট পৰীক্ষাত সাফল্য অৰ্জন কৰি বৃহত্তৰ গৰৈমাৰীলৈ সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হোৱা শিক্ষাৰ্থী দুগৰাকী ক্ৰমে উম্মে ৰুমান ইছলাম আৰু আশ্ৰাফুল হকক গৰৈমাৰীৰ আল-আমিন ইছলামিক মডেল স্কুল কৰ্তৃপক্ষৰ তৰফৰ পৰা কালি সম্ভাষণ জনায়।

# যোগাসনৰ জৰিয়তে অনন্য সন্মান লাভ নগাঁৱৰ ৰাঙলুৰ জেহিৰ আব্বাছ ছিদ্দিকৰ




## উত্তৰ আমেৰিকাৰ হাইটিৰ থিয়ফনি বিশ্ববিদ্যালয়ে প্ৰদান কৰিলে পিএইচডি

**দৈনন্দিন বাৰ্তাৰ সেৱা, বড়মপুৰ, ১৩ ছেপ্টেম্বৰ ঃ** নগাঁও জিলাৰ ৰাঙলু সূতাৰগাঁৱৰ যুৱক জেহিৰ আব্বাছ ছিদ্দিকক ১০ ছেপ্টেম্বৰত উত্তৰ আমেৰিকাৰ হাইটিত অৱস্থিত থিয়ফনি বিশ্ববিদ্যালয়ে Spiritual Scienceত পিএইচডি ডিগ্ৰী প্ৰদান কৰে। ইয়াৰোপৰি বিশ্বৰ যোগ শিক্ষাৰ্থীসকলক অনুপ্ৰাণিত কৰাৰ অৰ্থে Global Influence for Education য়েও সন্মানিত কৰে। ২০১৭ চনৰ পৰা বৰ্তমানলৈকে আমেৰিকা, কানাডা, ৰাছিয়া, চীনকে ধৰি ইউৰোপৰ বিভিন্ন ৰাষ্ট্ৰ ভ্ৰমণ কৰি যোগ শিক্ষাৰ্থীসকলক তেওঁ শিক্ষাদান কৰি আহিছে, যাৰ বাবে জেহিৰ আব্বাছ ছিদ্দিকক উত্তৰাখণ্ড চৰকাৰে যোৱা ৮ ছেপ্টেম্বৰত উত্তৰ প্ৰদেশৰ নয়দাৰ এব্বিয়াৰ এডুকেশ্বনেল হিউবত 'ৰাষ্ট্ৰীয় শিক্ষা ৰতন সন্মান' প্ৰদান কৰে। একে সময়তে জেহিৰ আব্বাছ ছিদ্দিকে দুটাকৈ উচ্চ পৰ্যায়ৰ সন্মান অৰ্জন কৰিবলৈ সক্ষম হোৱাৰ বাবে ৰাঙলু অঞ্চলবাসী আনন্দিত হৈ পৰিছে। ৰাঙলু উচ্চ মাধ্যমিক বিদ্যালয়ৰ পৰা স্কুলীয়া শিক্ষা গ্ৰহণ কৰি নগাঁও আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰি ২০০৯ চনত বেংগালুৰুৰ এখন বিশ্ববিদ্যালয়ৰ পৰা এম বি এ কৰি ডুবাইৰ এটা ব্যক্তিগত কোম্পানীৰ মেনেজাৰ হিচাপে কাৰ্যনিৰ্বাহ কৰি আছিল যদিও পৰৱৰ্তী সময়ত সেই চাকৰি এৰি আমেৰিকাৰ অনুমোদিত ভাৰতৰ উত্তৰাখণ্ডৰ প্ৰখ্যাত অনুষ্ঠান 'ঋষিকেশ ইউগা এলায়েঞ্চ'ত নামভৰ্তি কৰি ২০১৭ চনত সুখ্যাতিৰে উত্তীৰ্ণ হয়। বৰ্তমান তেওঁ উত্তৰাখণ্ডৰ 'ঋষিকেশ আন্তৰাষ্ট্ৰীয় ইউগা কেন্দ্ৰ' Mind space healing Academyৰ সঞ্চালক হিচাপে কৰ্মৰত। ভাৰতীয় খাদ্য নিগমৰ অৱসৰপ্ৰাপ্ত উচ্চপদস্থ বিষয়া, সমাজসেৱক প্ৰয়াত আব্দুল মতিন আৰু জাহানাৰা বেগমৰ সুযোগ্য সন্তান জেহিৰ আব্বাছ ছিদ্দিকৰ এনে কৃতিত্বত স্বাভাৱিকতে পৰিয়ালবৰ্গৰ লগতে ৰাঙলুবাসী উৎফুল্ল হৈ পৰিছে।

## কঠীয়াতলীত গাঁজাসহ দুই সৰবৰাহকাৰীক গ্ৰেপ্তাৰ



**দৈনন্দিন বাৰ্তাৰ সেৱা, বড়মপুৰ, ১৩ ছেপ্টেম্বৰ ঃ** নগাঁৱৰ কঠীয়াতলী আৰক্ষীয়ে আজি বিয়লি এক গোপন খবৰৰ ভিত্তিত ডিমাপুৰৰ পৰা অনা বৃহৎ পৰিমাণৰ গাঁজা জব্দ কৰাৰ লগতে দুজন গাঁজা সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে। জানিব পৰা মতে, কঠীয়াতলী আৰক্ষী পহৰা চকীৰ ভাৰপ্ৰাপ্ত বিষয়া উৎপল বৈশ্যৰ নেতৃত্বত কঠীয়াতলীৰ স্থানীয় ৰাইজৰ সহযোগত আৰক্ষীৰ দলে গাঁজাসহ সৰবৰাহকাৰী দুজনক কৰায়ত্ত কৰে। আৰক্ষী সূত্ৰে জানিব পৰা মতে সৰবৰাহকাৰী দুজনৰ নাম ছৰিফুল হক (১৭) আৰু মুছাৰফ আলী (১৭), দুয়োৰে ঘৰ ৰহাৰ মণিপুৰটোপত। জব্দ কৰা গাঁজাখিনিৰ ওজন ৪৮ কেজি ৮২৫ গ্ৰাম। কাইলৈ দুয়ো নাবালক সৰবৰাহকাৰীক যোৰহাট জে'ললৈ প্ৰেৰণ কৰিব বুলি আৰক্ষী সূত্ৰই জনাইছে।

# উত্তৰ-পূব মণ্ডল শ্বুটিঙত সংস্কাৰৰ ত্ৰিমুকুট

**গুৱাহাটী, ১৩ ছেপ্টেম্বৰ ঃ** কাহিলীপাৰা শ্বুটিং ৰেঞ্জত সম্পন্ন নৱম উত্তৰ পূব মণ্ডল শ্বুটিং প্ৰতিযোগিতাত অসম সন্তান সংস্কাৰ নেওঁগে ত্ৰিমুকুট অৰ্জন কৰিছে। অসম ৰাইফলচ আৰু শ্বুটিং সন্থাৰ উদ্যোগত অনুষ্ঠিত প্ৰতিযোগিতাত সংস্কাৰে সোণৰ পদক তিনিটা অৰ্জন কৰে ক্ৰমে ছাব য়ুথ, য়ুথ আৰু জুনিয়ৰ শাখাৰ ১০ মিটাৰ পিষ্টল শ্বুটিংত। তদুপৰি অসম দলক প্ৰতিনিধিত্ব কৰা প্ৰতিশ্ৰুতি সম্পন্ন খেলুৱৈগৰাকীয়ে পিষ্টল শ্বুটিংৰ ছিনিয়ৰ ১০ মিটাৰ শাখাতো ৰূপৰ পদক অৰ্জন কৰিছে। শিৱসাগৰ জিলাৰ গৌৰীসাগৰ অঞ্চলৰ পৰা ওলাই অহা সম্ভাৱনাপূৰ্ণ শ্বুটাৰ গৰাকীয়ে বৰ্তমান মাইবেলাৰ জে পি কে শ্বুটিং প্ৰশিক্ষণ কেন্দ্ৰত প্ৰশিক্ষক জোতিষ প্ৰতীম কোঁৱৰৰ তত্বাবধানত শ্বুটিংৰ শিক্ষা গ্ৰহণ কৰি আছে। তেওঁ শিৱসাগৰ জিলাৰ দিখৌমুখ উচ্চ মাধ্যমিক বিদ্যালয়ৰ শাৰিৰীক নিৰ্দেশক শৰৎমোহন নেওঁগ আৰু তৃষ্ণা নেওঁগৰ সন্তান।

## বকো ক্ৰীড়া সন্থাৰ প্ৰথম কাৰ্যনিৰ্বাহক সভা

# নতুন সমিতিৰ কাৰ্যভাৰ গ্ৰহণ



**দৈনন্দিন বাৰ্তাৰ সেৱা, বকো, ১৩ ছেপ্টেম্বৰ ঃ** ক্ৰীড়া প্ৰতিভাক উজ্জীৱিত কৰি ৰাখিবলৈ আৰু বৃহত্তৰ অঞ্চলটোৰ খেলুৱৈসকলক ক্ৰীড়াৰ জৰিয়তে উন্নয়ন তথা বিকাশ কৰিবলৈ কাম কৰি অহা কামৰূপ জিলাৰ বকো ক্ৰীড়া সন্থাৰ আজি নতুন সমিতিৰ প্ৰথমখন কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। উল্লেখ্য যে বিগত ৪ ছেপ্টেম্বৰত অনুষ্ঠিত হৈছিল বকো ক্ৰীড়া সন্থাৰ বাৰ্ষিক সাধাৰণ সভা। এই সভাতেই সৰ্বসন্মতিক্ৰমে ক্ৰমে গঠন কৰা হয় বকো ক্ৰীড়া সন্থাৰ নতুন সমিতিখন। ইফালে, আজি নতুন সমিতিৰ প্ৰথম কাৰ্যনিৰ্বাহক সভাতে বকো ক্ৰীড়া সন্থাৰ বিদায়ী সভাপতি জগত চন্দ্ৰ দাস আৰু সাধাৰণ সম্পাদক কাম্বুৰাম ৰাভাই নতুন সমিতিৰ সভাপতি অৰ্জুন চেত্ৰী আৰু সাধাৰণ সম্পাদক সুমিত ৰাভাক দায়িত্বভাৰ অৰ্পণ কৰে। সভাত বকো সমষ্টিৰ প্ৰাক্তন বিধায়ক জ্যোতিপ্ৰসাদ দাস, জ্যেষ্ঠ সমাজকৰ্মী ৰমেশ চন্দ্ৰ ডেকা, ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ কাৰ্যবাহী পাৰিষদ তথা পৰিষদৰ ক্ৰীড়া সভাপতি আদিত্য ৰাভা, বকো ক্ৰীড়া সন্থাৰ মনোৰঞ্জন কলিতা, ৰজিত বড়োকে ধৰি বহুসংখ্যক ক্ৰীড়াপ্ৰেমী আৰু খেলুৱৈ উপস্থিত থাকে। বকো ক্ৰীড়া সন্থাৰ প্ৰথম কাৰ্যনিৰ্বাহক সভাতে বকোৰ প্ৰতিভা সম্পন্ন উশ্বু খেলুৱৈ ইলিনা ৰাভাক বিগত দিনত বহুকেইটা ইভেন্টত পদক অৰ্জন কৰি বকোলৈ সুনাম কঢ়িয়াই আনা বাবে বকো ক্ৰীড়া সন্থাৰ তৰফৰ পৰা শৰাই, গামোচা, জাপি আৰু মানপত্ৰ দি সন্মান প্ৰদান কৰাৰ উপৰিও কামৰূপ জিলা উশ্বু এছ'চিয়েচনৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়। কাৰ্যনিৰ্বাহক সভাৰ সিদ্ধান্ত অনুসৰি প্ৰয়াত মুক্তিযোদ্ধা কাতিৰাম ৰাভাৰ সোঁৱৰণত আন্তঃজিলা ভলীবল প্ৰতিযোগিতা বকোত অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে।






### ছিপাঝাৰত ভূচন্দ্ৰ বৰুৱা ফুটবল

## পশ্চিম দৰং ফুটবল একাদশৰ ফাইনেলত প্ৰৱেশ



**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া সেৱা, পশ্চিম দৰং, ১৩ ছেপ্টেম্বৰ ঃ** ছিপাঝাৰ ক্ৰীড়া সন্থাৰ উদ্যোগত অনুষ্ঠিত 'ভূচন্দ্ৰ বৰুৱা ফুটবল লীগ'ৰ আজি পশ্চিম দৰং ফুটবল একাদশ আৰু লাউজান ফুটবল ক্লাবৰ মাজত অনুষ্ঠিত দ্বিতীয়খন ছেমি ফাইনেলত পশ্চিম দৰং ফুটবল একাদশ দুনীয়ে লাউজান ফুটবল ক্লাবক ২-০ গ'লত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে। বিজয়ী দলৰ হৈ অসীম ডেকা আৰু ইৰান শইকীয়াই একোটাকৈ গ'ল দিয়ে। ছিপাঝাৰ উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয় খেলপথাৰত অনুষ্ঠিত আৰু ডাঃ হীৰালাল হাজৰিকাই উদ্বোধন কৰা খেলখন পৰিচালনা কৰে আব্দুল হান্নানে। ১৫ ছেপ্টেম্বৰৰ ফাইনেল খেলত অৱতীৰ্ণ হ'ব মুছলিমঘোপা ক্ৰীড়া সন্থা আৰু পশ্চিম দৰং ফুটবল একাদশ, দুনী।

# ইণ্ডিয়ান অইল ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ আজি প্ৰথম ছেমি ফাইনেল

## ৰাজস্থান ইউনাইটেডক হৰুৱাই অন্তিম চাৰিত হায়দৰাবাদ এফ চি

**কলকাতা, ১৩ ছেপ্টেম্বৰ ঃ** প্ৰত্যাশিতভাৱে হায়দৰাবাদ এফ চিয়ে চলিত ঐতিহ্যমণ্ডিত ১৩১ সংখ্যক ইণ্ডিয়ান অইল ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ অন্তিমটো দলৰূপে ছেমিফাইনেলত প্ৰৱেশ কৰিছে। কলকাতাৰ কিশোৰ ভাৰতী ক্ৰীড়াংগনত অনুষ্ঠিত চতুৰ্থ তথা অন্তিমখন কোৱাৰ্টাৰ ফাইনেলত হায়দৰাবাদ দলে ৩-১ গ'লত পৰাস্ত কৰে ৰাজস্থান ইউনাইটেড এফ চিক। আই এছ এলৰ বৰ্তমানৰ চেম্পিয়ন হায়দৰাবাদ এফ চিয়ে খেল আৰম্ভ হোৱাৰ ছয় মিনিটতে গ'ল কৰি মেচত প্ৰথমে ১-০ ত অগ্ৰগতি লয়। দলৰ হৈ গ'লটো কৰে ফ্ৰান্সৰ তাৰকা ষ্ট্ৰাইকাৰ অগবেচে। এই গ'লেই হায়দৰাবাদৰ আত্মবিশ্বাস বৃদ্ধি কৰাৰ লগতে মেচলৈ ৰোমাঞ্চ লৈ আনে। কাৰণ ৰাজস্থানে সমতা স্থাপনৰ বাবে প্ৰত্যাক্ৰমণ কৰে। দলীয় সংহতি আৰু শক্তিৰ বলত খেলৰ ২৯ মিনিটত সফল প্ৰত্যাৱৰ্তন কৰে ৰাজস্থান ইউনাইটেডে। ইতিমধ্যে চলিত ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাত চমক দিয়া দলটোৰ হৈ উৰুগুৱেৰ ষ্ট্ৰাইকাৰ নিকোলাছ মাৰ্টিনে গ'ল কৰি মেচত ১-১ ত সমতা স্থাপন কৰে। এই গ'লৰ পাছতে মেচৰ উত্তেজনা চমক পৰ্যায়লৈ যায়। উভয় দলে গ'ল কৰাৰ বাবে আক্ৰমণ ৰছনা কৰে। কিন্তু এইবাৰ পুনৰ সফল হয় হায়দৰাবাদ দল। খেলৰ ৪৫ মিনিটত আকাশ মিশ্ৰই গ'ল কৰি বিৰতিলৈ হায়দৰাবাদক ২-১ ত আগুৱাই ৰাখে। দ্বিতীয়াৰ্ধৰ মেচ আৰম্ভ হোৱাত হায়দৰাবাদৰ ৰণনীতি আছিল অগ্ৰগতি ধৰি ৰখা। ৰাজস্থানে আক্ৰমণ কৰে যদিও সুৰুঙা নাপালে গ'ল কৰাৰ বাবে। দলে এই ৰণনীতি লোৱাৰ ফলতেই ৰক্ষণ বিভাগ দুৰ্বল হৈ পৰে আৰু ইয়াৰ সুযোগ লাভ কৰি খেলৰ ৬৮ মিনিটত ছিভেৰিঅ' গ'ল কৰি হায়দৰাবাদক ৩-১ ৰ বিজয় নিশ্চিত কৰে। বিপৰীতে অন্তিম ক্ষণলৈ ৰাজস্থানে চেষ্টা কৰে যদিও এইবাৰ চমক দিবলৈ সক্ষম নহ'ল। আজিৰ জয়ৰে ছেমিফাইনেলত প্ৰৱেশ কৰা হায়দৰাবাদ দলে এতিয়া অহা ১৫ ছেপ্টেম্বৰত খিতাপৰ যুঁজলৈ অগ্ৰসৰ হোৱাৰ মেচত মুখামুখি হ'ব বাংগালুৰু এফ চিৰ বিৰুদ্ধে। আনহাতে, প্ৰথমখন ছেমিফাইনেল কাইলৈ (১৪ ছেপ্টেম্বৰ) অনুষ্ঠিত হ'ব মহামেদান স্প'ৰ্টিং আৰু মুম্বাই চিটীৰ মাজত। আনহাতে, ১৩১ সংখ্যক ইণ্ডিয়ান অইল ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ ফাইনেল অনুষ্ঠিত হ'ব অহা ১৮ ছেপ্টেম্বৰত।

## পৰম্পৰা ৰক্ষা কৰি জি এছ এৰ লীগত ৱাকঅ'ভাৰৰ প্ৰথা

**গুৱাহাটী, ১৩ ছেপ্টেম্বৰ ঃ** পূৰ্বৰ পৰম্পৰা ৰক্ষা কৰি গুৱাহাটী ক্ৰীড়া সন্থাৰ ফুটবল লীগত ৱাকঅ'ভাৰ দিয়াৰ ঘটনা এইবাৰো ধাৰাবাহিকৰূপত চলি আছে। উল্লেখ্য যে চলিত জীৱেশ্বৰ গোস্বামী এ ডিভিজন ফুটবল লীগৰ উদ্বোধনীৰ মেচখনতে ৱাকঅ'ভাৰ পৰম্পৰা আৰম্ভ কৰি জি এছ এ পূৰ্বৰ স্থিতি সুন্দৰকৈ ধৰি ৰাখিছে। আজি ইয়াৰ দ্বিতীয়খন নাটক নেহৰু ষ্টেডিয়ামত দেখা গ'ল। আজিৰ হ'বলগা খেলত মেট্ৰ' এছচিয়ে ছাই স্প'ৰ্টছ ক্লাবৰ বিৰুদ্ধে ৱাকঅ'ভাৰ লাভ কৰি সম্পূৰ্ণ পইন্ট অৰ্জন কৰিছে। কাইলৈ নেহৰু ষ্টেডিয়ামত লীগৰ পৰৱৰ্তী মেচত ৰাজবাৰী এথলেটিক ক্লাব আৰু ডাইনামো ক্লাবে প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হ'ব।

## অসম ৰাইফলছ কোৱাৰ্টাৰ ফাইনেলত

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, নগাঁও, ১৩ ছেপ্টেম্বৰ ঃ** নগাঁও ক্ৰীড়া সংস্থাৰ উদ্যোগত নুৰুল আমিন ষ্টেডিয়ামত চলি থকা ৭৪সংখ্যক স্বাধীনতা দিৱস কাপ প্ৰাইজমানী ফুটবল প্ৰতিযোগিতাৰ অসম ৰাইফলছ আৰু যোৰহাট টাউন ক্লাবৰ মাজত অনুষ্ঠিত অসমাপ্ত প্ৰি-কোৱাৰ্টাৰ ফাইনেল খেলখনৰ আজি দ্বিতীয়াৰ্ধত অনুষ্ঠিত হয় যদিও কোনোটো দলেই গ'ল দিবলৈ সক্ষম ন'হল। ফলত কালি ডেভিদ লালৰিন চানাই ৪৫ মিনিটত দিয়া গ'লটোৱেই ৰাইফলছ দলৰ জয় সূচক গ'ল হিচাপে পৰিগণিত হয় (১-০)। উল্লখ্য যে মুষলধাৰ বৰষুণৰ বাবে কালি খেলখনৰ দ্বিতীয়াৰ্ধ অনুষ্ঠিত হোৱা নাছিল। প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেল লীগৰ খেল কালিৰে পৰা আৰম্ভ হ'ব। আজিৰ খেল ঃ কোৱাৰ্টাৰ ফাইনেল লীগ ঃ লুকা চ'কাৰ ক্লাব, কেৰালা বনাম নগাঁও লীগৰ চেম্পিয়ন সঞ্জীৱন সমাজ। সময় বিয়লি ৪.৩০ বজাৰ পৰা।

## মহেন্দ্ৰ-ৰীতেন্দ্ৰ ফুটবল

**দৈনন্দিন বাৰ্তৰ ক্ৰীড্ৰ প্ৰতিনিধি, বঙাইগাঁও, ১৩ ছেপ্টেম্বৰ ঃ** বঙাইগাঁৱৰ পুৰণি বঙাইগাঁও ক্ৰীড়া সন্থাৰ উদ্যোগত স্থানীয় নৰনাৰায়ণ খেলপথাৰত চলি থকা প্ৰয়াত মহেন্দ্ৰ চন্দ্ৰ পাঠক আৰু ৰীতেন্দ্ৰ চন্দ্ৰ ৰায় সোঁৱৰণী এককালীন প্ৰাইজমানী ফুটবল প্ৰতিযোগিতাৰ আজি বাগান ৰেজিমেণ্ট আৰু নিমঘোলাৰ চাদাম্বে ক্লাবৰ মাজত অনুষ্ঠিত এখন খেল নিৰ্ধাৰিত সময়ত ৩-৩ গ'লত ড্ৰ হৈ থকাত টাইবেকাৰ পদ্ধতিৰ সহায় লোৱা হয়। টাইবেকাৰত নিমঘোলা চাদাম্বে ক্লাবে বাগান ৰেজিমেণ্টক ৩-২ গ'লৰ ব্যৱধানত পৰাজিত কৰি পৰৱৰ্তী ৰাউণ্ডত প্ৰৱেশ কৰে। খেলখন পৰিচালনা কৰে অমৃত সিংহই আৰু আৰু লাইনত সহায় কৰে বিজয় ৰায় আৰু জিতু সৰকাৰে। চতুৰ্থ ৰেফাৰী হিচাপে আছিল জগদীশ ৰায়। কাইলৈ পুৰণি বঙাইগাঁও ক্ৰীড়া সন্থা আৰু চিলজান হিলছ ক্লাবৰ মাজত খেল অনুষ্ঠিত হ'ব।

## নৱজ্যোতি ক্লাবৰ জয়

**গুৱাহাটী, ১৩ ছেপ্টেম্বৰ ঃ** মৰিগাঁও জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত স্থানীয় ক্ষীৰোদ বৰুৱাৰ ষ্টেডিয়ামত চলি থকা আন্তঃক্লাৱ এ ডিভিজন ফুটবলত আজি অনুষ্ঠিত হোৱা খেলত অসম জ্যোতি ক্লাবৰ বিৰুদ্ধে নৱজ্যোতি ক্লাবে ৪-২ গলত জয়ী হৈ সম্পুৰ্ণ পইন্ট অৰ্জন কৰিবলৈ সক্ষম হয়। নৱজ্যোতি ক্লাবৰ সৌৰভ সিঙে হেট্ৰিকসহ চাৰিটাকৈ গল কৰে। কাইলৈৰ খেল ঃ বৰিগাঁও ইয়ং স্পৰ্টিং ক্লাব বনাম স্পৰ্টিং ক্লাৱ মৰিগাঁও।

## ডিমাকুছিত ২৫সংখ্যক বড়োলেণ্ড গেলেন্ট গ'ল্ড কাপ ফুটবলৰ টুৰ্নামেন্টৰ শুভাৰম্ভণি

### ২-০ গ'লৰ ব্যৱধানত চিৰাংদুৱাৰ এফচিৰ অগ্ৰগতি

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, খৈৰাবাৰী, ১৩ ছেপ্টেম্বৰ ঃ** 'ওদালগুৰি জিলাৰ ভাৰত-ভূটান সীমান্তৱৰ্তী ডিমাকুছি ষ্টেডিয়ামত আজিৰে পৰা ২৫সংখ্যক বড়োলেণ্ড গেলেন্ট গ'ল্ড কাপ ফুটবলৰ ৰূপালী জয়ন্তী বৰ্ষৰ প্ৰতিযোগিতাখন অনুষ্ঠিত কৰে। ডিমাকুছি আঞ্চলিক বড়ো ছাত্ৰ সন্থা আৰু ডিমাকুছি ক্ৰীড়া সন্থাৰ যৌথ উদ্যোগত অনুষ্ঠিত প্ৰতিযোগিতাত ছিকিম, পশ্চিম বেংগল, মণিপুৰ, অসমৰ লগতে ৰাষ্ট্ৰীয় পৰ্যায়ৰ ১২টাকৈ ফুটবল দলে অংশগ্ৰহণ কৰা প্ৰতিযোগিতাখনৰ আজি ইউনাইটেড চিৰাংদুৱাৰ এফচি আৰু কালিমপুং গৰ্জিয়ান এফচিৰ মাজত অনুষ্ঠিত প্ৰথমখন খেল উদ্বোধন কৰে অসম ফুটবল সন্থাৰ সভাপতি তথা বিধায়ক নৰ দলেই। আৰু তেওঁৰ সৈতে উপস্থিত থাকে ক্ৰমে বিটিচিৰ ইএম দাউৰাইছা বড়ো, ভেৰগাঁও মহকুমা আৰক্ষী বিষয়া জ্যোতিপ্ৰসাদ পেগু, ওদালগুৰি জিলা এবছুৰ সভাপতি লহিত বড়ো, ভেৰগাঁও জিলা ক্ৰীড়া সন্থাৰ সভাপতি বিনোদ ৰাভা, ভেৰগাঁও জিলা ইউপিপিএলৰ সভাপতি নিৰ্মল বড়োসহ ক্ৰমে বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে। বড়োলেণ্ড আন্দোলনৰ শ্বহীদৰ স্মৃতিত অনুষ্ঠিত হৈ অহা তথা বিভিন্ন জাতি-জনগোষ্ঠীৰ সমন্বয়ৰ বাৰ্তাবাহক বড়োলেণ্ড গেলেন্ট গ'ল্ড কাপ ফুটবলৰ ৰূপালী জয়ন্তী বৰ্ষ আজিৰ খেলৰ প্ৰথমাৰ্ধত চিৰাংদুৱাৰৰ মিথিংগা দৈমাৰী (১৩ মিনিট) আৰু ডিদুম হাজোৱাৰী (৫১ মিনিট)য়ে এটাকৈ গ'ল দি ২-০ গ'লৰ ব্যৱধানত কালিমপুং গৰ্জিয়ান এফচিক পৰাজিত কৰি পৰৱৰ্তী ৰাউণ্ডত প্ৰৱেশ কৰে। আৰু কাইলৈ বুধবাৰৰ খেল শ্বিলং লাৱান এফচি বনাম উছু এফচিৰ মাজত অনুষ্ঠিত হ'ব বুলি উদ্যোক্তাসকলে জানিব দিয়ে।

## ফ্ৰেণ্ডছ ক্লাব, ভোটাইগাঁও বিজয়ী

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঢ়মপুৰ, ১৩ ছেপ্টেম্বৰ ঃ** নগাঁৱৰ ভোটাইগাঁৱৰ ভোটাই ডেকা খেলপথাৰত চলি থকা প্ৰাইজমানী ফুটবল প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত প্ৰথম পৰ্যায়ৰ অন্তিমখন খেলত ফ্ৰেণ্ডছ ক্লাব-ভোটাইগাঁৱে জে বি ফুটবল ক্লাব-কাছমাৰীক ২-০ গ'লৰ ব্যৱধানত পৰাজিত কৰে। কাইলৈ অনুষ্ঠিত হ'বলগা কোৱাৰ্টাৰ ফাইনেলৰ প্ৰথমখন খেলত অংশ ল'ব কন্দলি ফুটবল ক্লাব বনাম মাজগাঁও ফুটবল ক্লাব, জাজৰিয়ে।

### শিৱসাগৰ জিলা আন্তঃক্লাব ভাৰোত্তোলন প্ৰতিযোগিতা

## আমগুৰিৰ এঞ্জেলপ্ৰিয়াৰ ব্ৰঞ্জৰ পদক লাভ



**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, আমগুৰি, ১৩ ছেপ্টেম্বৰ ঃ** ইটোৰ পিছত সিটো সাফল্য আমগুৰিৰ এঞ্জেলপ্ৰিয়া শইকীয়াৰ। দূৰন্ত গতিত অসমৰ ক্ৰীড়া জগতত নিজৰ নাম উজলাবলৈ সক্ষম হৈছে। ইতিমধ্যে এঞ্জেলপ্ৰিয়া শইকীয়াই সৰ্বাধিক স্বৰ্ণ পদক অৰ্জনকাৰী শিশু হিচাপে অসম বুক অৱ ৰেকৰ্ডছত নাম অন্তৰ্ভুক্ত কৰি অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই অনাৰ পিছতে এইবাৰ সাফল্য লাভ কৰিছে ভাৰোত্তোলন প্ৰতিযোগিতাত। উত্তৰণ ক্ৰীড়া আৰু সাংস্কৃতিক কেন্দ্ৰ আৰু শ্বহীদ পিয়লি ফুকন মহাবিদ্যালয় ব্যায়ামাগাৰৰ উদ্যোগত শিৱসাগৰ জিলা ভাৰোত্তোলন সন্থা আৰু শিৱসাগৰ বডী বিল্ডাৰ্চ এণ্ড ফিটনেছ এছ'চিয়েচনৰ সহযোগত শিৱসাগৰৰ নামতি ক্লাবত অনুষ্ঠিত ২৩সংখ্যক শিৱসাগৰ জিলা আন্তঃক্লাব ভাৰোত্তোলন, তৃতীয় শিশু ভাৰোত্তোলন আৰু দিখৌশ্ৰী দেহশ্ৰী প্ৰতিযোগিতাৰ শিশুৰ ৪০ কেজিৰ অনূৰ্ধ্বৰ শাখাত আমগুৰিৰ এঞ্জেল প্ৰিয়া শইকীয়াই ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হৈছে। উল্লেখ্য যে শিৱসাগৰ জিলাৰ আমগুৰিৰ এঞ্জেলপ্ৰিয়া শইকীয়াই বঙাইগাঁৱত অনুষ্ঠিত ৩৭সংখ্যক অসম ৰাজ্যিক টাইকোৱানডো প্ৰতিযোগিতাত তিনিটা গ'ল্ড আৰু এটা ব্ৰঞ্জৰ পদক লাভ কৰি সাফল্য কঢ়িয়াবলৈ সক্ষম হৈছিল। বঙাইগাঁও জিলা টাইকোৱানডো এছ'চিয়েচনৰ উদ্যোগত অনুষ্ঠিত টাইকোৱানডো প্ৰতিযোগিতাত এঞ্জেলপ্ৰিয়া শইকীয়াই কিৰ'কীত এটা গ'ল্ড, পোমচে পেয়াৰত গ'ল্ড, টীমত গ'ল্ড আৰু ব্যক্তিগত পোমচেত এটা ব্ৰঞ্জসহ সৰ্বমুঠ তিনিটা গ'ল্ড আৰু এটা ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হৈছিল। উল্লেখ্য যে ইতিমধ্যে এঞ্জেলপ্ৰিয়া শইকীয়াই সৰ্বাধিক স্বৰ্ণ পদক অৰ্জনকাৰী শিশু হিচাপে অসম বুক অৱ ৰেকৰ্ডছত নাম অন্তৰ্ভুক্ত কৰি অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিছে। আমগুৰিৰ পাৰ্থ শইকীয়া আৰু মধুস্মিতা ফুকন শইকীয়াৰ কন্যা, আমগুৰি ডনবস্ক' বিদ্যালয়ৰ ছাত্ৰী ৮ বছৰীয়া এঞ্জেলপ্ৰিয়াই এই পৰ্যন্ত টাইকোৱানডোত ৮ টা, পুমছে (ব্লকিং আৰু পান্সিং)ত ৩টা আৰু কাইৰোজি(ফাইটিং)ত ৫টা স্বৰ্ণপদকসহ মুঠ ১৬টা স্বৰ্ণ পদক অৰ্জন কৰি অভিলেখ সৃষ্টি কৰিছে। উল্লেখ্য যে এঞ্জেলপ্ৰিয়াই মাত্ৰ ৪ বছৰ বয়সতে ৰাজ্যিক পৰ্যায়ত প্ৰথমটো স্বৰ্ণপদক অৰ্জন কৰিছিল। টাইকোৱানডোৰ ব্লেকবেল্টধাৰী এঞ্জেলপ্ৰিয়াই দুটা ইভেণ্টত শ্ৰেষ্ঠ যুঁজাৰুৰ কৃতিত্বও অৰ্জন কৰিছে। সেই সূত্ৰেই এঞ্জেলপ্ৰিয়া অসমৰ সৰ্বাধিকসংখ্যক স্বৰ্ণ পদক অৰ্জনকাৰী প্ৰথম কিশোৰী হিচাপে স্বীকৃতি লাভ কৰি অসম বুক অৱ ৰেকৰ্ডছত নাম অন্তৰ্ভুক্তিৰে ষ্টেট ৰেকৰ্ড চাৰ্টিফিকেটেৰে সন্মানিত হৈছে।


সত্যমেৱ জয়তে
অসম চৰকাৰ
স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগ

NATIONAL HEALTH MISSION
ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, অসম

অসমৰ স্বাস্থ্য সেৱা খণ্ডৰ আন্তঃগাঁথনিৰ সবলীকৰণৰ বাটত আন এটি উল্লেখনীয় পদক্ষেপ

কলিয়াবৰ মহকুমা অসামৰিক চিকিৎসালয়ৰ শুভ উদ্বোধন




ড° হিমন্ত বিশ্ব শৰ্মা
মাননীয় মুখ্যমন্ত্ৰী, অসম

ৰাইজৰ বাবে মুকলি কৰিব
অসমৰ মাননীয় মুখ্যমন্ত্ৰী
ড° হিমন্ত বিশ্ব শৰ্মাদেৱে
লগত উপস্থিত থাকিব
অসম চৰকাৰৰ মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী
শ্ৰীযুত কেশৱ মহন্তদেৱ





Janasanyog/D/12143/22

তাৰিখ ঃ ১৪ ছেপ্টেম্বৰ, ২০২২ | স্থান ঃ জখলাবন্ধা, নগাঁও

চিকিৎসালয়ৰ বিষয়ে চমু আভাস

প্ৰকল্প ব্যয় ঃ ১৬,২৫,০৭,৫০০.০০ টকা
১) মুখ্য চিকিৎসালয় ভৱন ঃ
ভূমি মহলা + আৰচিচি দুটা মহলা আৰু অসম আৰ্হিৰ ওপৰৰ মহলা
মুঠ মজিয়াৰ কালি ঃ ৩২৩৬.০০ বৰ্গমিটাৰ
(ক) ভূমি মহলাৰ সুবিধাসমূহ ঃ
ভূমি মহলাৰ কালি ঃ ১২৪০.০০ বৰ্গমিটাৰ
* অনুসন্ধান আৰু পঞ্জীয়ন
* চিকিৎসকৰ বাবে ৪টা বহিঃবিভাগীয় কক্ষ
* ৪খন বিছনাযুক্ত পৃথকীকৰণ কক্ষ
* ৯খন বিছনাযুক্ত জৰুৰীকালীন কক্ষ
* এক্স-ৰে কক্ষ
* আল্ট্ৰাচাউণ্ড কক্ষ
* মেডিকেল কক্ষ
* চিটি স্কেন কক্ষ
* ৰেকৰ্ড কক্ষ আৰু ষ্ট'ৰ
* শীতল কক্ষ
* লঘু অস্ত্ৰোপচাৰ কক্ষ
* পৰীক্ষাগাৰ আৰু চিকিৎসাৰ কক্ষ
* টিকাকৰণ কক্ষ
* এম্বুলেটৰী যতন কক্ষ
* ৰন্ধন কক্ষ
* গেছ পৰিবাহী কক্ষ
* চিকিৎসকৰ কৰ্মস্থান
* নাৰ্চৰ কৰ্মস্থান
(খ প্ৰথম মহলাৰ সুবিধাসমূহঃ
মজিয়াৰ কালি ঃ ১১৮০.০০ বৰ্গমিটাৰ
* চিকিৎসকৰ বাবে ৮টা বহিঃবিভাগীয় কক্ষ
* শিশুৰ বাবে স্থানৰ সৈতে ৩খন বিছনাযুক্ত প্ৰসূতি কক্ষ
* লঘু অস্ত্ৰোপচাৰ কক্ষ
* ৪খন বিছনাযুক্ত এনএছইউ স্থিৰকৰণ কক্ষ
* ৪খন বিছনাযুক্ত পৰ্যবেক্ষণ ৱাৰ্ড
* নাৰ্চৰ কৰ্মস্থান
* পুষ্টি পৰামৰ্শ কক্ষ
* ৯টা ব্যক্তিগত কেবিন
* নমুনা সংগ্ৰহৰ কোঠাৰ সৈতে পৰীক্ষাগাৰ আৰু চিকিৎসকৰ পৰামৰ্শ প্ৰতিবেদন কক্ষ
* পৰিয়াল কল্যাণ কক্ষ
(গ) দ্বিতীয় মহলাৰ সুবিধাসমূহ
মজিয়াৰ কালি ঃ ৮১৬.০০ বৰ্গমিটাৰ
* ২টা অস্ত্ৰোপচাৰ কক্ষ
* ২খন বিছনাযুক্ত পুনৰুদ্ধাৰ কক্ষ
* ৫খন বিছনাযুক্ত আইচিইউ কক্ষ
* চিকিৎসকৰ কক্ষ
* নাৰ্চৰ কৰ্মস্থান
* ২খন বিছনাযুক্ত প্ৰাক অস্ত্ৰোপচাৰ কক্ষ
* ১১খন বিছনাযুক্ত পুৰুষৰ বাবে সাধাৰণ ৱাৰ্ড
* ১৪খন বিছনাযুক্ত মহিলাৰ বাবে সাধাৰণ ৱাৰ্ড
২) আৱাসিক সুবিধা
১) ৪টা চিকিৎসকৰ আৱাসিক ভৱন
২) ৪টা নাৰ্চৰ আৱাসিক ভৱন
৩) ৮টা ৰোগীৰ যতন লওঁতাৰ কক্ষ


শংকৰ গোহাঞিৰ হৈ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যনৰ দ্বাৰা প্ৰকাশিত আৰু পি জি (ইণ্ডিয়া) লিমিটেড, কালাপাহাৰ, গুৱাহাটী-১৬ত সৌৰভ চুতীয়াৰ দ্বাৰা আৰু শইকীয়া প্ৰিণ্টাৰ্চ, কালিবাৰী, দুলীয়াজান, ডিব্ৰুগড়-৭৮৬৬০২ত মুদ্ৰিত আৰু শইকীয়া কমপ্লেক্স, ফেন্সি বজাৰ, দুলীয়াজানৰ পৰা প্ৰকাশিত আৰু মুদ্ৰিত। ■ বাতৰি বিভাগ ঃ newsdbarta2010@gmail.com, ফেক্স ঃ ০৩৬১-২৬৬৯৯৯৬ ■ বিজ্ঞাপন বিভাগ ঃ e-mail:dbarta2014@gmail.com, ফোন ঃ ০৩৬১-২৬৬৪৪৫৬, +৯১৯৫০৮৬-৬৭৯০৮(ম) ■ চাৰ্কুলেচন বিভাগ ঃ ৯৪০১০-৩৩৮২৩ মুখ্য কাৰ্যালয় ঃ জি এন বি ৰোড, চানমাৰি ক'লনি, গুৱাহাটী-৭৮১০০৩। ধেমাজি কাৰ্যালয় ঃ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যন, চৌখামটিং, ৫২ ৰাষ্ট্ৰীয় ঘাইপথৰ (কাষত), ধেমাজি-৭৮৬১১০। e-mail:jdainandinbarta@gmail.com (যিকোনো আইনী বিষয় গুৱাহাটীৰ আদালততহে প্ৰযোজ্য হ'ব)

■ কাৰ্যবাহী সম্পাদক ঃ ডিম্পুল চুতীয়া
দূৰভাষ ঃ ৮৬৩৮০০১৫৩৯
■ মুখ্য সম্পাদক ঃ ড° নৰেন হাজৰিকা
■ আৱাসিক সম্পাদক ঃ কৰুণজ্যোতি শইকীয়া
■ সম্পাদক ঃ শংকৰ গোহাঞি